GSK S5 04 (M)
Exam Code : SKM5D

মন্ত্র আৰু ব্রাহ্মণ

পঞ্চম যাণ্মাসিক

সংস্কৃত

খণ্ড ঃ ২

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

অধ্যাপিকা মঞ্জুলা দেৱী, সংস্কৃত বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
অধ্যাপিকা সুদেষ্ণা ভট্টাচার্য, সংস্কৃত বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
ড° ইন্দিৱা শইকীয়া বৰা, সংস্কৃত বিভাগ, প্রাগজ্যোতিষ মহাবিদ্যালয়

সমন্বয়ৰক্ষী ঃ ড° ইন্দ্রানী ডেকা, সহকাৰী অধ্যাপিকা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	**অৱিহণা যোগাইছে**
৯, ১২, ১৩, ১৪	অধ্যাপক থানেশ্বৰ শর্মা অৱসৰপ্রাপ্ত মুৰব্বী অধ্যাপক, সংস্কৃত বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
৮, ১০, ১১	ড° জগদীশ শর্মা সহযোগী অধ্যাপক, সংস্কৃত বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়

সম্পাদনা ঃ

বিষয়বস্তু সম্পাদনা ঃ অধ্যাপিকা মঞ্জুলা দেৱী, সংস্কৃত বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয় (৮, ৯, ১২, ১৩, ১৪)
ড০ সুধেন্দু মোহন ভদ্র, অবসৰপ্রাপ্ত মুৰব্বী অধ্যাপক, সংস্কৃত বিভাগ, কটন কলেজ(১০-১১)

গাঁথনিক সম্পাদনা ঃ ড° ইন্দ্রানী ডেকা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্তবিশ্ববিদ্যালয

প্রথম প্রকাশ ঃ জুন, ২০১৯

Copyright © Krishna Kanta Handiqui State Open University

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State Open University is made available under a Creative Commons Attribution-Non Commercial-Share Alike 4.0 License (international): http://creativecommons.org/licenses/by-nc-sa/4.0/
For the avoidance of doubt, by applying this license KKHSOU does not waive any privileges or immunities from claims that it may be entitled to assert, nor does KKHSOU submit to the jurisdiction, courts, legal processes or laws of any jurisdiction.

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

মুখ্য কার্যালয় ঃ পাটগাওঁ, ৰাণী গেট, গুৱাহাটী- ৭৮১০১৭
উপমুখ্য কার্যালয় ঃ হাউচফেড কমপ্লেক্স, দিচপুৰ, গুৱাহাটী - ৭৮১০০৬ ;
Web : www.kkhsou.in

খণ্ড পৰিচয় - ২

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে আগবঢ়োৱা ষাণ্মাসিক পদ্ধতিৰ স্নাতক পাঠ্যক্রমৰ সংস্কৃত বিষয়ৰ পঞ্চম ষাণ্মাসিকৰ চতুর্থ পাঠ্যবিষয়ৰ দ্বিতীয় খণ্ডৰ বাবে এই পাঠখিনি প্রস্তুত কৰা হৈছে। এই পাঠ্যবিষয়টিত ভাস বিৰচিত মন্ত্র আৰু ব্রাহ্মণৰ বিষয়ে আলোচনা কৰা হৈছে। ইয়াত সর্বমুঠ ৭ টা অধ্যায় আছে।

পাঠ্যবিষয়টিৰ অধ্যায়সমূহ হ'ল—

অধ্যায় ৮ ঃ ইন্দ্রসূক্ত
অধ্যায় ৯ ঃ দেৱীসূক্ত
অধ্যায় ১০ ঃ ভূমিসূক্ত
অধ্যায় ১১ ঃ অক্ষসূক্ত
অধ্যায় ১২ ঃ ব্রাহ্মণ গ্রন্থৰ সাধাৰণ পৰিচয়
অধ্যায় ১৩ ঃ ঐতৰেয় ব্রাহ্মণ
অধ্যায় ১৪ ঃ শতপথ ব্রাহ্মণ

এই খণ্ডটি অধ্যয়ন কৰোঁতে মূল পাঠৰ লগে লগে সোঁ তথা বাঁওফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব পাৰিব। এইবোৰে আপোনাক মূল পাঠত উল্লেখ কৰা দৰকাৰী ধাৰণাসমূহ সৰল অর্থত বুজি পোৱাত সহায় কৰিব। 'জানি থোৱা ভাল' বাকচবোৰৰ যোগেদি আপুনি মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূর্ণ তথ্যৰ বিষয়ে জ্ঞান লাভ কৰিব। আকৌ 'অগ্রগতি নিৰীক্ষণ' যোগে আগবঢ়োৱা প্রশ্নাৱলীয়ে অধ্যয়নৰ অগ্রগতি সম্পর্কে স্বপৰীক্ষণৰ সুবিধা প্রদান কৰিব। অধ্যয়নৰ লগে লগে উক্ত প্রশ্নাৱলীৰ উত্তৰসমূহ লিখি শেষত দিয়া 'অগ্রগতিৰ খতিয়ান'ৰ সৈতে ৰিজাই চোৱাটো অধিক লাভদায়ক হ'ব। অধ্যায়বোৰৰ শেষত 'আর্হি প্রশ্ন' হিচাপে কেইটিমান আর্হি প্রশ্ন তুলি দিয়া হৈছে। অধ্যায়টিত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে 'অধিক জানিবলৈ' শিতানত উল্লেখ থকা গ্রন্থসমূহ সাৰথি স্বৰূপ। আপুনি বিশদভাৱে কোনো বিষয় জানিবলৈ হ'লে সেইকেইখন অধ্যয়ন কৰিব পাৰিব।

বিষয়সূচী

পৃষ্ঠা নং

অধ্যায় ৮ ঃ ইন্দ্রসূক্ত ১০৫-১২৩

ইন্দ্র দেৱতাৰ স্বৰূপ; ইন্দ্রসূক্তম্, মূল পাঠ ঃ প্রথম মন্ত্র, দ্বিতীয় মন্ত্র, তৃতীয় মন্ত্র, চতুর্থ মন্ত্র, পঞ্চম মন্ত্র, ষষ্ঠ মন্ত্র, সপ্তম মন্ত্র, অষ্টম মন্ত্র, নৱম মন্ত্র, দশম মন্ত্র।

অধ্যায় ৯ ঃ দেৱীসূক্ত ১২৪-১৩৯

দেৱীসূক্তৰ সংহিতা পাঠ, পদপাঠ, সায়নভাষ্য, অসমীয়া অনুবাদ আৰু টোকা ঃ প্রথম মন্ত্র, দ্বিতীয় মন্ত্র, তৃতীয় মন্ত্র, চতুর্থ মন্ত্র, পঞ্চম মন্ত্র, ষষ্ঠ মন্ত্র, সপ্তম মন্ত্র, অষ্টম মন্ত্র; সাধাৰণ আলোচনা।

অধ্যায় ১০ ঃ ভূমিসূক্ত ১৪০-১৫৪

সূক্তটোৰ ঋষি ছন্দাদি; সূক্তটোৰ মূলপাঠ ঃ প্রথম মন্ত্র, দ্বিতীয় মন্ত্র, তৃতীয় মন্ত্র, চতুর্থ মন্ত্র, পঞ্চম মন্ত্র, ষষ্ঠ মন্ত্র, সপ্তম মন্ত্র, অষ্টম মন্ত্র, নৱম মন্ত্র, দশম মন্ত্র; সাধাৰণ আলোচনা।

অধ্যায় ১১ ঃ অক্ষসূক্ত ১৫৫-১৭৬

অক্ষসূক্তম্, মূলপাঠ ঃ প্রথম মন্ত্র, দ্বিতীয় মন্ত্র, তৃতীয় মন্ত্র, চতুর্থ মন্ত্র, পঞ্চম মন্ত্র, ষষ্ঠ মন্ত্র, সপ্তম মন্ত্র, অষ্টম মন্ত্র, নৱম মন্ত্র, দশম মন্ত্র, একাদশ মন্ত্র, দ্বাদশ মন্ত্র, ত্রয়োদশ মন্ত্র, চতুর্দশ মন্ত্র; সাধাৰণ আলোচনা।

অধ্যায় ১২ ঃ ব্রাহ্মণ গ্রন্থৰ সাধাৰণ পৰিচয় ১৭৭-১৯০

ব্রাহ্মণ শব্দৰ ব্যুৎপত্তি আৰু অর্থ; বেদ অনুসৰি ব্রাহ্মণ সাহিত্যৰ তালিকা; ব্রাহ্মণ গ্রন্থৰ লক্ষণবোৰ; ব্রাহ্মণ গ্রন্থবোৰৰ চমু পৰিচয়; একৈশ প্রকাৰৰ যজ্ঞ; যজ্ঞবোৰৰ চমু পৰিচয়।

অধ্যায় ১৩ ঃ ঐতৰেয় ব্রাহ্মণ ১৭১-২০৩

মন্ত্র সাহিত্য আৰু ব্রাহ্মণ; ঋগ্বেদৰ ব্রাহ্মণদ্বয়; ঐতৰেয় ব্রাহ্মণৰ বিভাজন আৰু প্রবক্তা মহিদাস ঐতৰেয় পৰিচয়; ঐতৰেয় ব্রাহ্মণৰ বিষয় বস্তু আৰু মহত্ত্ব; ৰাজসূয় যজ্ঞৰ বর্ণনা; হৰিশ্চন্দ্রৰ আখ্যান আৰু শুনঃসেপৰ আখ্যান; ঐতৰেয় ব্রাহ্মণৰ অন্তর্ভুক্ত আৰণ্যক আৰু উপনিষদ।

অধ্যায় ১৪ ঃ শতপথ ব্রাহ্মণ ২০৪-২১৭

ব্রাহ্মণ সাহিত্য (পুনৰাভ্যাস); শুক্ল যজুর্বেদ আৰু শতপথ ব্রাহ্মণ; শতপথ ব্রাহ্মণৰ দুই শাখা; শতপথ ব্রাহ্মণ আৰু বৃহদাৰণ্যক উপনিষদ; শতপথ ব্রাহ্মণ আৰু যাজ্ঞবল্ক্য; শতপথ ব্রাহ্মণৰ বিষয়বস্তু; শতপথ ব্রাহ্মণত বর্ণিত আখ্যান ঃ পুৰূৰৱা আৰু উর্বশীৰ আখ্যান, মনুমৎস্য কথা; শতপথ ব্রাহ্মণত বর্ণিত যজ্ঞ ঃ অশ্বমেধ যজ্ঞ, পুৰুষমেধ যজ্ঞ; বৃহদাৰণ্যক উপনিষদ।

প্রসঙ্গ পুথিঃ (পাঠ্য বিষয়ৰ আটাইকেইটা অধ্যায়ৰ বাবে) ২১৮

অধ্যায় ৮ঃ ইন্দ্রসূক্ত

অধ্যায় গাঁথনি

৮.১ উদ্দেশ্য

৮.২ পৰিচয়

৮.৩ ইন্দ্র দেৱতাৰ স্বৰূপ

৮.৪ ইন্দ্রসূক্তম্, মূল পাঠ

- ৮.৪.১ প্রথম মন্ত্র
- ৮.৪.২ দ্বিতীয় মন্ত্র
- ৮.৪.৩ তৃতীয় মন্ত্র
- ৮.৪.৪ চতুর্থ মন্ত্র
- ৮.৪.৫ পঞ্চম মন্ত্র
- ৮.৪.৬ ষষ্ঠ মন্ত্র
- ৮.৪.৭ সপ্তম মন্ত্র
- ৮.৪.৮ অষ্টম মন্ত্র
- ৮.৪.৯ নৱম মন্ত্র
- ৮.৪.১০ দশম মন্ত্র

৮.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৮.৬ অধিক জানিবলৈ

৮.৭ অগ্রগতিৰ খতিয়ান

৮.৮ আৰ্হি প্রশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ঋগবেদৰ অন্তর্গত ইন্দ্রসূক্তটোৰ (দ্বিতীয় মণ্ডল, দ্বাদশ সূক্ত) লগত পৰিচিত হ'ব পাৰিব
- ইন্দ্রসূক্তৰ মন্ত্রসমূহৰ বর্ণিত বিষয়ৰ লগত অৱগত হ'ব
- ইন্দ্র দেৱতাৰ মহিমাৰ বিষয়ে জানিব পাৰিব
- ইন্দ্রসূক্তটোৰ ঋষি, ছন্দ, দেৱতা আৰু বিনিয়োগৰ জ্ঞান লাভ কৰিব
- মন্ত্রসমূহৰ শব্দসমূহৰ ব্যাকৰণগত ব্যুৎপত্তিৰ লগত পৰিচয় হ'ব
- মন্ত্রসমূহৰ টীকাকাৰ সায়নাচার্যই কৰা ব্যাখ্যাৰ লগত চিনাকি হ'ব।

৮.২ পৰিচয়

বৈদিক দেৱতাসমূহৰ ভিতৰত অগ্নিক যেনেদৰে বেদৰ অধিক মন্ত্রত স্তুতি কৰা হৈছে; ঠিক তেনেদৰে ঋগবেদৰ প্রায় দুই হেজাৰ পাঁচশ মন্ত্রত ইন্দ্রক শ্রেষ্ঠ দেৱতা হিচাপে স্তুতি কৰা হৈছে।

গুৰুত্ব, মহিমা, শৌর্য, বীর্য আৰু সূক্ত সংখ্যাৰ ফালৰ পৰা ইন্দ্র অদ্বিতীয়। বেদত শক্তিশালী বিষয়ৰ বর্ণনা প্রসঙ্গত ইন্দ্রৰ স্তুতি কৰা হৈছে। ইন্দ্রই বিভিন্নজন অসুৰ বধ কৰি মানুহৰ কল্যাণ সাধন কৰি আহিছে। বৃত্ত নামৰ অসুৰটোক বধ কৰি ইন্দ্রই পৃথিৱীলৈ পানী বোৱাই আনি মানুহৰ কল্যাণ সাধন কৰিছিল বুলি জনা যায়। যুদ্ধৰ সময়তো ইন্দ্র দেৱতাই উভয় পক্ষৰ সৈন্যক সহায় কৰা বুলি বর্ণনা পোৱা যায়।

এই অধ্যায়টিৰ জৰিয়তে আপুনি ঋক্‌বেদৰ অন্তর্গত ইন্দ্রসূক্তসমূহৰ ভিতৰত এটা ইন্দ্র সূক্তৰ (২.১২) লগত পৰিচিত হ'ব পাৰিব। এই ইন্দ্রসূক্ত ঋক্‌বেদৰ দ্বিতীয় মণ্ডলত আছে। এই সূক্তটিত পোন্ধৰটা মন্ত্র আছে। এই সূক্তটোৰ দহটা মন্ত্রত ইন্দ্রদেৱতাৰ শক্তিশালী কর্মসমূহৰ বিষয়ে যিদৰে আলোচনা কৰা আছে তাৰ আভাস এই পাঠটিত দিয়া হৈছে। বিভিন্ন অসুৰ বিলাকক বধ কৰি ইন্দ্রই কেনেকৈ মানৱগণৰ কল্যাণ সাধন কৰিছিল তাৰ বর্ণনা এই মন্ত্রসমূহত পোৱা যায়। এটা আখ্যানৰ সৈতে এই সূক্তটো আৰম্ভ কৰা হৈছে।

৮.৩ ইন্দ্র দেৱতাৰ স্বৰূপ

বেদৰ দেৱতাসকলৰ ভিতৰত ইন্দ্র দেৱতাই অতি গুৰুত্বপূর্ণ স্থান অধিকাৰ কৰি আহিছে। ঋক্‌বেদৰ প্রায় দুশতকৈও অধিক সূক্তত ইন্দ্র দেৱতাৰ স্তুতি কৰা হৈছে। বেদৰ মন্ত্রসমূহত তেওঁৰ স্বৰূপ বর্ণনা কৰাৰ লগতে, তেওঁৰ সুগঠিত মনোৰম ওঁঠ, সুস্পষ্ট থুঁতৰি, উন্নত নাক আৰু দেহৰ উজ্জ্বল বৰণৰ উল্লেখ কৰা হৈছে। ইন্দ্র শব্দৰ ব্যুৎপত্তিগত অর্থ হৈছে পৰমেশ্বৰ অথাৎ যি সকলোৰে অধিপতি (ইদিধাতুঃ পৰমৈশ্বর্যে)। ইন্দ্র সর্বজ্ঞ, সর্বশক্তিমান আৰু তেওঁ শাসক। ইন্দ্র হৈছে মহান বীৰ আৰু তেওঁ যুদ্ধত অজেয়। যুদ্ধত জয়লাভ কৰিবলৈ ত্বষ্টাই ইন্দ্রৰ কাৰণে সুৱর্ণ বজ্র নির্মাণ কৰি দিছিল। সেই অস্ত্রৰ দ্বাৰা ইন্দ্রই শম্বৰ, অহি, বৃত্র, অর্বুদ, বিশ্বৰূপ প্রভৃতি অসুৰবোৰক বধ কৰিছিল। বৃত্রাসুৰৰ লগত ইন্দ্রৰ যুদ্ধৰ কথা বেদত বহুলভাৱে চর্চিত হৈছে। ইন্দ্র সেই কাৰণে 'বৃত্রহন্তা' বুলিও কোৱা হয়। বৃত্রই পৃথিৱীলৈ আহিবলগীয়া জলৰাশি আৱদ্ধ কৰি ৰাখিছিল। ইন্দ্রই সেই অসুৰক বধ কৰি জলৰাশি মুক্ত কৰি পৃথিৱীৰ ওপৰত বোৱাই দিছিল। স্থাৱৰ, জঙ্গম, চেতন, অচেতন আদি সকলো পদার্থই তেওঁৰ দ্বাৰা নিয়ন্ত্রিত হৈছে। তেওঁ যুদ্ধজয়, অসুৰবধ, জল-নিষ্কাসন আদি বিভিন্ন কর্ম কৰা হেতুকে তেওঁক 'শতক্রতু' বুলি অভিহিত কৰা হৈছে। ইয়াত 'শত' মানে হৈছে অসংখ্য আৰু 'ক্রতু' মানে হৈছে 'কর্ম'। বলবীর্যৰদ্বাৰা সম্পন্ন সকলো কর্মই ইন্দ্রৰ কর্ম বুলি কোৱা হয় (য়া চ কা চ বলকৃতি ঃ ইন্দ্রকর্মৈৱ তৎ)।

ইন্দ্র অন্তৰিক্ষ স্থানৰ দেৱতা। উপাসকসকলৰ প্রতি ইন্দ্র অত্যন্ত দয়ালু আৰু তেওঁলোকক

তেওঁ প্রভূত ঐশ্বর্য দান কৰে। সেই কাৰণে তেওঁৰ আন এটা নাম হৈছে 'মঘবন্'। ইন্দ্রই সোমৰস পান কৰে। তেওঁ মহা আনন্দেৰে সোম ৰস পান কৰাৰ কথা বিভিন্ন সূক্তত পোৱা যায়। যুদ্ধৰ সময়ত উভয় পক্ষৰ যুজাৰুসকলে নিজৰ নিজৰ বিজয়ৰ কাৰণে ইন্দ্রক আহ্বান কৰে আৰু তেওঁৰ আশীর্বাদ নহ'লে, তেওঁলোকে যুদ্ধত জয় লাভ কৰাটো অসম্ভৱ। ইন্দ্র হৈছে সমস্ত শক্তিৰ সংহত ৰূপ। অন্যান্য দেৱতাৰ দৰে ইন্দ্রৰো জন্ম বেদত বর্ণিত হৈছে। তেওঁৰ পিতৃ আছিল কুশিক আৰু মাতৃ আছিল অদিতি। শক্তিকর্মৰ লগতেই ইন্দ্রৰ সম্বন্ধ আছে। এম উইণ্টাৰ নিৎস্ নামৰ পাশ্চাত্য বিদ্বান জনে ইন্দ্র সম্বন্ধে এনেদৰে মন্তব্য কৰিছে —'Indra can be designated as the actual national god in the vedic literature'। অন্তৰিক্ষবাসী, বিশ্বৰূপ, বৃত্রঘ্ন, মায়াবী, বীৰ, শতকর্মা আদি বিশেষণেৰে যুক্ত ইন্দ্র সম্বন্ধে ম্যাকডোনাল নামৰ পাশ্চাত্য পণ্ডিতজনে মন্তব্য কৰিছে যে— 'Indra's greatness and power are lauded in the most unstinted terms. He has no parallel among those born or to be born'।

৮.৪ ইন্দ্রসূক্তম্ (ঋগ্বেদ, ২.১২), মূল পাঠ

[ঋষি—গৃৎসমদ; দেৱতা—ইন্দ্র, ছন্দ —ত্রিষ্টুপ্;
বিনিয়োগ—সংসৰে নিষ্কেৱল্যে নিবিদ্ধানীয়স্য পুৰস্তাদ্ 'য়ো জাত এব' ইতি শংসেৎ (সংসৰ নামৰ দোষ উৎপন্ন হ'লে সোমযাগৰ মাধ্যন্দিনসৱনৰ নিষ্কেবল্যশস্ত্র ত নিৱিদ্ধানীয় সূক্তটো পাঠ কৰাৰ আগতে এই সূক্তটো পাঠ কৰা হয়।)]

৮.৪.১ প্রথম মন্ত্র

সংহিতা পাঠ → যো জাত এব প্রথমো মনস্বা
ন্দেবো দেবান্ ক্রতুনা পর্যভূষৎ।
যস্য শুষ্মাদ্রোদসী অভ্যসেতাং
নৃম্নস্য মহ্না স জনাস ইন্দ্রঃ।

পদপাঠ → যঃ। জাতঃ। এব। প্রথমঃ। মনস্বান্।
দেবঃ। দেবান্ । ক্রতুনা। পৰি2অভূষৎ।
যস্য। শুষ্মাৎ। ৰোদসী ইতি। অভ্যসেতাম্।
নৃম্ণস্য। মহ্না। সঃ। জনাসঃ। ইন্দ্রঃ।

অন্বয়→ য: প্রথম: মনস্বান্ দেব: জাত: এব ক্রতুনা দেবান্ পর্যভুষত্ যস্য শুষ্মাত্ রোদসী অভ্যসেতাম্ (হে) জনাস, নৃম্ণস্য মহ্না স: ইন্দ্র: (অস্তি)।

অন্বয়ার্থ→ য: (যিজন) প্রথম: (দেৱতাসকলৰ ভিতৰত প্রধান) মনস্বান্ (বুদ্ধিমান) দেব: (দেৱতাই) জাত: এব (জন্মিয়েই) ক্রতুনা (কর্মৰ দ্বাৰা) দেবান্ (অন্য দেৱতাসকলক) পর্যভূষত্ (অতিক্রম কৰি গৈছিল); যস্য (যাৰ) শুষ্মাত্ (শক্তিৰ বলত) রোদসী (দ্যুলোক আৰু পৃথিৱীলোক) অভ্যসেতাম্ (ভয়তে কঁপিছিল) হে জনা: (হে মনুষ্যগণ) নৃম্ণস্য

(সেনাবলেৰে) মহ্না (মহান্) সঃ ইন্দ্র (তেৱেঁই ইন্দ্র)।

অসমীয়া অনুবাদ → দেৱতাসকলৰ ভিতৰত শ্রেষ্ঠ, যিজন বুদ্ধিমান দেৱতাই জন্মগ্রহণ কৰিয়েই নিজৰ কর্মৰদ্বাৰা অন্য দেৱতাসকলক অতিক্রম কৰি গৈছিল; যাৰ শক্তিৰ বলত স্বর্গলোক আৰু পৃথিৱীলোক ভয়তে ত্রস্তমান হৈছিল (সেনাবলেৰে যিজন মহান, হে মনুষ্যগণ, সেইজনেই ইন্দ্র।)

সায়ণভাষ্য → গৃৎসমদো ব্রুতে। জনাসঃ জনা হে অসুরা : যো জাত এব জায়মান এব সন্ প্রথমঃ দেবানাং প্রধানভূতঃ মনস্বান্ মনস্বিনামগ্রগণ্যঃ দেবঃ দ্যোনমানঃ সন্ ক্রতুনা বৃত্রবধাদিলক্ষণেন স্বকীয়েন কর্মণা দেবান্ সর্বান্ যাগদেবান্ পর্যভূষত্ রক্ষ্যত্বেন পর্যগ্রহীত্। যদ্বা। সর্বানন্যান্দেবান্পর্যভুষত্ পর্যভবত্ অত্যক্রামত্। যস্য ইন্দ্রস্য শুষ্মাত্ বলাত্ রোদসী দ্যাবাপৃথিব্যৌ অভ্যসেতাম্ অবিভীতাম্। নৃম্ণস্য সেনালক্ষণস্য বলস্য মহ্না মহত্বেন যুক্তঃ সঃ ইন্দ্রঃ নাহমিতি।

ভাষ্যৰ অসমীয়া অনুবাদ → [এই ইন্দ্রসূক্তটোৰ উৎপত্তি সম্পর্কত এটা আখ্যান পোৱা যায়। প্রাচীন কালত ইন্দ্র আদি দেৱতাসকল এদিনাখন বেন নামৰ ঋষিজনৰ যজ্ঞত উপস্থিত আছিল। ঋষি গৃৎসমদো তাত উপস্থিত হৈ যজ্ঞত ভাগ লৈছিল। ইন্দ্রক বধ কৰিবলৈ দৈত্যবিলাক তাত উপস্থিত হ'ল। দৈত্যবোৰক দেখি ইন্দ্রই গৃৎসমদৰ ৰূপ লৈ যজ্ঞৰ পৰা প্রস্থান কৰিলে আৰু সেই প্রকৃত গৃৎসমদেও বেনৰ দ্বাৰা পূজিত হৈ যজ্ঞস্থলীৰ পৰা যাবলৈ ধৰিলে। গৈ থকা গৃৎসমদক দেখি অসুৰবিলাকে সেইজনেই ইন্দ্র বুলি ভাবি তেওঁক প্রশ্ন কৰিলে। তেতিয়া গৃৎসমদে 'মই ইন্দ্র নহয়' কিন্তু ইন্দ্র এই গুণেৰে বিভূষিত এই বুলি এই ইন্দ্র সূক্তটো আৰম্ভ কৰিলে।] গৃৎসমদে ক'লে হে অসুৰসকল, যিজন জন্মিয়েই দেৱতাসকলৰ ভিতৰত প্রধান হৈছিল, বুদ্ধিমানসকলৰ ভিতৰত অগ্রগন্য যিজন দেৱতাই প্রকাশিত হৈ বৃত্র নামৰ অসুৰ আদি বধ কৰা স্বকীয় কর্মৰ দ্বাৰা সকলো দেৱতাৰ ৰক্ষক হিচাপে আগুৰি আছিল, নতুবা, অন্য সকলো দেৱতাক অতিক্রম কৰিছিল; যিজন ইন্দ্রৰ শাৰীৰিক বলত স্বর্গ আৰু পৃথিৱী ভীতিগ্রস্ত হৈছিল; সেনালক্ষণৰ বলৰ মহত্ত্বৰে যুক্ত সেই জনেই ইন্দ্র, মই নহয়।

ব্যাকৰণ →

মনস্বান্—মনস্ অস্তি অস্য ইতি। মনস্ + মতুপ্। 'অসময়োমেধাস্রজো বিনি ঃ' এই সূত্রৰ দ্বাৰা 'বিনি' প্রত্যয় পোৱাৰ পিছত 'বহুলং ছন্দসি' এই সূত্রৰ দ্বাৰা মতুপ্। প্রথমা একবচনৰ ৰূপ মনস্বান্।

ক্রতুনা→ 'ক্রতু' শব্দৰ তৃতীয়া বিভক্তিৰ একবচনৰ ৰূপ।

পর্যভূষৎ→ পৰি + অভূষৎ। অভূষৎ = √ভূষ্ লঙ্ প্রথম পুৰুষৰ একবচন।

অভ্যসেতাম্ → √ভ্যিস্ ধাতুৰ লঙ্ লকাৰৰ প্রথম পুৰুষৰ দ্বিবচনৰ ৰূপ।

মহ্না—মহৎ শব্দৰ তৃতীয়া বিভক্তৰ একবচনৰ বৈদিক ৰূপ।

জনাস ঃ →জন শব্দৰ প্রথমা বিভক্তিৰ বহুবচন। 'আজ্জসেৰসুৰ' এই সূত্রটোৰ দ্বাৰা পদটি সিদ্ধ হৈছে।



জানি থোৱা ভাল

(ক) **বিনিয়োগ বাক্য** → সংসবে নিষ্কেবল্যে নিবিদ্ধানীয়স্য পুৰস্তাদ্ 'য়ো জাত এব' ইতি শংসেৎ।

— ঋক্‌বেদৰ এই সূত্রটো 'সজনীয় সূক্ত' হিচাপে প্রসিদ্ধ। এই সূক্তটো সংসৱ নামৰ দোষ উৎপন্ন হ'লে সোমযাগৰ মাধ্যন্দিন সবনৰ নিষ্কেবল্যনামৰ শস্ত্রত নিবিদ্ধানীয়সংজ্ঞক সূক্তটো পাঠ কৰাৰ আগতে এই ইন্দ্র সূক্তটো পাঠ কৰা নিয়ম। দুজন বা বহুত যজমানে একেলগে একেটা স্থানতে সোমযাগ অনুষ্ঠিত কৰিলে, তাত সংসৱ নামৰ দোষৰ সৃষ্টি হয়। একেটা স্থানতে একে সময়তে পৰস্পৰ বিদ্বষ ভাব থকা যজমান সকলৰ দ্বাৰা অনুষ্ঠিত সোমযাগত উৎপন্ন হোৱা সংসৱ নামৰ দোষটোক মহাদোষ হিচাপে গণ্য কৰা হয়। নদী অথবা পর্বতৰ দ্বাৰা ব্যবধান নথকা নিকটবর্তী মন্ত্রধ্বনি শুনিবলৈ পোৱা স্থানত পৰস্পৰ প্রতিদ্বন্দ্বী যজমানদ্বয়ৰ দ্বাৰা অনুষ্ঠিত সোমযাগ দুটাৰ ক্ষেত্রত এই দোষ সংঘটিত হয়। সংসৱদোষ উৎপন্ন হ'লে সোমযাগৰ মাধ্যন্দিনসবনৰ (সোমলতাৰ পৰা ৰস নিষ্কাষণ কৰাক সবন বোলে। এই ৰস দিনটোত তিনিবাৰ নিষ্কাষণ কৰা হয়। ৰাতিপুৱা নিষ্কাষণ কৰা কার্যক বোলে প্রাতঃসবন, দুপৰীয়াৰ নিষ্কাষণ কার্যক বোলে মাধ্যন্দিনসবন আৰু সন্ধিয়াৰ নিষ্কাষণক বোলে সায়ংসৱন) নিষ্কেবুল্য নামৰ শস্ত্রত (সুৰ নলগোৱাকৈ পাঠ কৰা মন্ত্রক 'শস্ত্র' বোলে) নিবিদ্ধানীয়সংজ্ঞক সূক্ত পাঠ কৰাৰ আগতে এই সমগ্র ইন্দ্রসূক্তটো পাঠ কৰা হয়। নিবিদ নামৰ এটা মন্ত্রৰ অধ্যায় আছে। এই অধ্যায়ত যিবোৰ মন্ত্র সন্নিৱিষ্ট হৈছে তাকে নিবিদ মন্ত্র বোলে। শস্ত্র পাঠৰ সময়ত এই নিবিদ্ সংজ্ঞক মন্ত্রসমূহৰ সূক্তসমূহৰ মাজত পাঠ কৰাটো আৱশ্যক। যি সূক্তত এই নিবিদ্ সংক্ষক মন্ত্রসমূহ পঠিত হয়, সেই সূক্তক নিবিদ্ধানীয় আখ্যা দিয়া হৈছে।

(খ) এই সূক্তটো আৰু কেইটামান যাগত বিনিয়োগ কৰা হয়—

(i) 'অভিপ্লৱষড়হ' নামৰ যাগটোৰ তৃতীয় দিনত অনুষ্ঠিত নিষ্কেবল্য শস্ত্রত এই সূক্তটো নিবিদ্ধানীয়ৰূপে পঠিত হয়। [আভি প্লাবিকে তৃতীয়ে2হনি নিষ্কেবল্যে যো জাতএব ইতি নিবিদ্ধানীয়ম্]

(ii) সোমযাগৰ এটা প্রকাৰ হ'ল সাংবৎসৰিক ৰূপী গবায়ন সত্র। এই সত্রটোত অনুষ্ঠিত হোৱা বিশ্বজিৎ নামৰ যাগৰ মাধ্যন্দিন সৱনত মৈত্রাবৰুণ নামৰ ঋত্বিকজনে স্বকীয় শস্ত্র পাঠ কৰাৰ সময়ত নির্দিষ্ট সূক্ত পাঠৰ আগতেই এই ইন্দ্র সূক্তটো পাঠ কৰিব। [বিশ্বজিতি মাধ্যন্দিন-সবনে মৈত্রাবৰুণঃ স্বশস্ত্রে প্রাকৃতাৎ সূক্তাবৎ পূর্বং 'যো জাতাঃ' ইতি সামসূক্তং শংসেৎ]

৮.৪.২ দ্বিতীয় সূক্ত মন্ত্র

সংহিতা পাঠ → যঃ পৃথিবীং ব্যথমানামদৃংহদ্

যঃ পর্বতান্ প্রকুপিতান্ অৰন্নাৎ।
যো অন্তৰিক্ষং বিমমে ৰৰীয়ো
যো দ্যামস্তভনাৎ স জনাস ইন্দ্রঃ।

পদপাঠ → যঃ। পৃথিবীম্। ব্যথমানাম্ অদৃংহদ্
যঃ পর্বতান্। প্র২কুপিতান্। অৰন্নাৎ।
যঃ। অন্তৰিক্ষম্। বিহমমে। ৰৰীযঃ।
যঃ। দ্যাম্। অস্তভ্নাৎ। সঃ। জনাসঃ। ইন্দ্রঃ।।

অন্বয় → যঃ ব্যথমানাং পৃথিবীম্ অদৃংহত্, যঃ প্রকুপিতান্ পর্বত্যান্ অরম্ণাত্, যঃ ৰরীযঃ অন্নরিক্ষম্ বিমমে, যঃ দ্যাম্ অস্তভ্নাত্ (হে) জনাসঃ সঃ ইন্দ্রঃ (অস্তি)

অন্বয়ার্থ → যঃ (যিজনে) ব্যথমানাম্ (লৰি থকা) পৃথিবীম্ (পৃথিৰীক) অদৃংহত্ (স্থিৰ কৰিছিল) যঃ (যিজনে) প্রকুপিতান্ (প্রকম্পিত) পর্বতান্ (পর্বতসমূহক) অরম্ণাত্ (নিয়ন্ত্রিত কৰিছিল) যঃ (যিজনে) ৰরীযঃ (বহল) অন্নরিক্ষম্ (অন্তৰিস্থানক) বিমমে (বিস্তীর্ণ কৰিছিল) যঃ (যিজনে) দ্যাম্ (স্বর্গলোকক) অস্তভ্নাত্ (স্তম্ভিত কৰিছিল) জনাসঃ (হে মনুষ্যসকল) সঃ ইন্দ্রঃ (তেৱেঁই ইন্দ্র)।

অসমীয়া অনুবাদ → যিজনে লৰি থকা পৃথিৰীক স্থিৰ কৰিছিল, যিজনে কম্পিত হৈ থকা পর্বতসমূহক নিয়ন্ত্রিত কৰিছিল, যিজনে বিস্তৃত অন্তৰিক্ষক বিস্তীর্ণ কৰিছিল, যিজনে স্বর্গলোকক স্তম্ভিত কৰিছিল, হে মনুষ্যগণ, তেৱেঁই ইন্দ্র।

সায়নভাষ্য → হে (জনাসঃ) জনাঃ, যঃ ইন্দ্রঃ ব্যথমানাম্ চলন্তীম্ পৃথিবীম্ অদৃংহত্ শর্করাদিভির্দৃদামকরোত্। যঃ চ প্রকুপিতান্ ইতস্তত শ্চলিতান্ পক্ষযুক্তান্ পর্বতান্ অরম্ণাত্ নিযমিতবান্, স্বে স্বে স্থানে স্থাপিতবান্। যঃ চ ৰরীযঃ উঠতমম্ অন্তরিক্ষং বিমমে নির্মমে, বিস্তীর্ণং চকার ইত্যর্থঃ। যঃ চ দ্যাং দিবম্ অস্তভ্নাত্ তস্তম্ভ নিরুদ্ধাম্ অকরোত্। স এব ইন্দ্রো ন অহম্ ইতি।

ভাষ্যৰ অসমীয়া অনুবাদ →

হে মনুষ্যসকল, যিজন ইন্দ্রই গমনশীল পৃথিৰীক শিল আদিৰ দ্বাৰা নির্মিত শলাৰ দ্বাৰা স্থিৰ কৰিছিল; আৰু যিজনে এইফালে সেইফালে ঘূৰি থকা পাখিযুক্ত পর্বতসমূহক নিয়ন্ত্রিত কৰিছিল, নিজ নিজ স্থানত স্থাপন কৰিছিল; আৰু যিজনে বিস্তৃত অন্তৰিক্ষলোকক বিস্তীর্ণ কৰিছিল, আৰু যিজনে দ্যুলোকক স্তম্ভৰ দ্বাৰা ধৰি ৰাখিছিল (যাতে তলত সৰি পৰিব নোৱাৰে)। তেৱেঁই ইন্দ্র, মই নহয়।

ব্যাকৰণ →

ব্যথমানাম্ — √ব্যথ্-শানচ্ স্ত্রীলিঙ্গ দ্বিতীয়া বিভক্তিৰ একবচন

অদৃংহত্ — √দৃহ্ লঙ্ প্রথম পুৰুষৰ একবচন

প্রকুপিতান্ — প্র - √কুপ্ - ক্ত, দ্বিতীয়া বিভক্তিৰ বহুবচন।

অরম্ণাত্ — √ৰম্-লঙ্ প্রথম পুৰুষৰ একবচন

বিমমে — বি - √মা লিট্ প্রথম পুৰুষৰ একবচন

বরীয়— উৰু ঈয়সুন্, প্রথম পুৰুষৰ একবচন

দ্যাম্ — দিব্ শব্দৰ দ্বিতীয়া বিভক্তিৰ একবচন

অস্তভ্নাত্ — √স্তভ্ লঙ্ প্রথম পুৰুষৰ একবচন।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ ইন্দ্রসূক্তটো ঋক্বেদৰ কোনটো মণ্ডলত আছে?

.....

প্রশ্ন নং ২ঃ এই সূক্তটোৰ ঋষি কোন?

.....

প্রশ্ন নং ৩ঃ ইন্দ্রসূক্তটোত কোন দেৱতাৰ স্তুতি কৰা হৈছে?

.....

প্রশ্ন নং ৪ঃ ইন্দ্রসূক্তটো কোনটো ছন্দত ৰচিত?

.....

প্রশ্ন নং ৫ঃ বেদত 'বৃত্রহন্তা' বুলি কোন দেৱতাক জনা যায়?

.....

৮.৪.৩ তৃতীয় মন্ত্র

সংহিতা পাঠ → যে হত্বাহিমৰিণাৎ সপ্তসিন্ধুন্
যো গা উদাজদপধা বলস্য
যো অশ্মনোৰন্তৰগ্নিং জজান
সংবৃক্ সমৎসু স জনাস ইন্দ্রঃ।।

পদপাঠ → যঃ। হত্বা।। অহিম্। অৰিণাৎ। সপ্ত। সিন্ধুন্।
যঃ। গাঃ। উৎহআজৎ। অপহধা। বলস্য।
যঃ। অশ্মনোঃ। অন্তঃ। অগ্নিম্। জজান।
সম্ৎবৃক্। সমৎ২সু। সঃ। জনাসঃ। ইন্দ্রঃ।।

অন্বয় → য: অহিম্ হত্বা সপ্তসিন্ধূন্ অরিণাত্, য: বলস্য অপধা গা: উদাজত্, য: অশ্মনো: অন্ত: অগ্নিম্ জজান, য: সমত্সু সংবৃক্, (হে) জনাস:, স: ইন্দ্র: (অস্তি),

অন্বয়ার্থ → য: (যিজনে) অহিম্ (অহি নামৰ ৰাক্ষসটোক অর্থাৎ মেঘক) হত্বা (বধ কৰি) সপ্তসিন্ধূন্ (সাতখন নদীক) অরিণাত্ (প্রবাহিত কৰিছিল) য: (যিজনে) বলস্য (বল নামৰ অসুৰৰ) অপধা (লুকাই ৰখা) গা: (গৰুবোৰ) উদাজত্ (উদ্ধাৰ কৰিছিল), য: (যিজনে) অশ্মনো: (মেঘ দুটুকুৰাৰ) অন্ত: (ভিতৰত) অগ্নিম্ (অগ্নিক) জজান (উৎপন্ন কৰিছিল) য: (যিজন) সমত্সু (যুদ্ধত) সংবৃক্ (বিনাশকর্তা), জনাস: (মনুষ্যগণ) স:



সপ্তসিন্ধুন্→ সাতখন নদীক একেলগে সপ্তসিন্ধু বুলি কোৱা হয়। এই সাতখন নদী হৈছে বিতস্তা, চন্দ্রভাগা, ইৰাবতী, বিপাশা, শুতুদ্রী, সিন্ধু আৰু সৰস্বতী।



অহি→ ইয়াত অহি মানে হৈছে বৃত্র নামৰ অসুৰ। এওঁ আকাশত পানীসমূহ আবদ্ধ কৰি ৰাখিছিল। ইন্দ্রই এওঁক বধ কৰি পৃথিৰীলৈ পানীবোৰ প্রবাহিত কৰিছিল। ভাষ্যকাৰ সায়ণৰ মতে অহি মানে হৈছে মেঘ।



বল→ বল এজন অসুৰ। এওঁ দেৱতাসকলৰ গৰুবোৰ চুৰ কৰি এটা গুহাত লুকাই ৰাখিছিল। ইন্দ্রই এই গৰুবোৰ উদ্ধাৰ কৰিছিল।

ইন্দ্র (তেৱেঁই ইন্দ্রঃ)।

অসমীয়া অনুবাদ→ যিজনে অহি নামৰ ৰাক্ষসটোক অর্থাৎ মেঘক বধ কৰি সাতখন নদীক প্রবাহিত কৰিছিল, যিজনে ***বল*** নামৰ অসুৰ জনৰ দ্বাৰা গুহাত লুকাই ৰখা গৰুবোৰ উদ্ধাৰ কৰিছিল, যিজনে মেঘ দুটুকুৰাৰ ভিতৰত অগ্নিক (বিদ্যুৎ) উৎপন্ন কৰিছিল, যিজন যুদ্ধত (শত্রুসকলৰ) বিনাশকাৰী, হে মনুষ্যসকল, তেৱেঁই ইন্দ্র।

সায়নভাষ্য→ যঃ অহিম্ মেঘং হত্বা, মেঘহননং কৃত্বা, সপ্ত সর্পণশীলা সিন্ধুন্ স্যন্দনশীলা অপঃ অরিণাত্ প্রৈরযত্। যদ্বা সপ্ত গঙ্গা যমুনাদ্যা মুখ্যা নদীররিণাত্। যঃ চ বলস্য বলনামকস্য অসুরস্য অপধা তত্ কর্তৃকাত্ নিরোধাত্ নিরুদ্ধাঃ গাঃ উদাজত্ নিরগময়ত্। যঃ চ অরমনোঃ অশ্মা মেঘঃ, অত্যন্তমৃদুরুপযোঃ মেঘযোঃ অন্তঃ মধ্যে বৈদ্যুতম্ অগ্নিম্ জজান উত্পাদযামাস। যশ্চ সমত্সু সমদঃ সংগ্রামাঃ, তেষু সংবৃক্ত ভবতি। স ইন্দ্রো ন অহম্ ইতি।

ভাষ্যৰ অসমীয়া অনুবাদ → যিজনে অহিক (মেঘক) বধ কৰি গতিশীল নদীসমূহক প্ররাহিত কৰিছিল। অথবা, গংগা-যমুনা আদি সাতখন মুখ্য নদীক প্রবাহিত কৰিছিল, আৰু যিজনে বল নামৰ অসুৰৰ দ্বাৰা লুকাই ৰখা গৰুবোৰক উদ্ধাৰ কৰিছিল; আৰু যিজনে অত্যন্ত মৃদুৰূপী দুটুকুৰা মেঘৰ ভিতৰত বিদ্যুৎ অগ্নিক উৎপন্ন কৰিছিল; আৰু যিজন যুদ্ধত বিনাশকাৰী। তেৱেঁই ইন্দ্র, মই নহয়।

ব্যাকৰণ →

হত্বা — √হন্ + ক্তাচ্

অরিণাত্ — √ৰী লঙ্ প্রথম পুৰুষৰ একবচন

উদাজত্ — উৎ + আজৎ। আজৎ = √অজ্ লঙ্ প্রথম পুৰুষৰ একবচন

অপধা — অপ + √ধা + অঙ, পঞ্চমী বিভক্তিৰ একবচন

জজান — √জন্ লিট্ প্রথম পুৰুষৰ একবচন

সংবৃক্ত — সম √বৃজ + ক্বিপ্, প্রথমা বিভক্তিৰ একবচন

৮.৪.৪ চতুর্থ মন্ত্র

সংহিতা পাঠ → যেনেমা বিশ্বা চ্যবনা কৃতানি
যো দাসং বর্ণমধৰং গুহাকঃ।
শ্বঘ্নীব যো জিগীবাল্লক্ষমাদ-
দর্যঃ পুষ্টানি স জনাস ইন্দ্রঃ।।

পদপাঠ → যেন। ইমা। বিশ্বা। চ্যবনা। কৃতানি।
যঃ। দাসম্। বর্ণম্। অধৰম্। গুহা। অকৰিত্যকঃ।
শ্বঘ্নী২ইব। যঃ। জিগীবান্। লক্ষম্। আদৎ।
অর্যঃ। পুষ্টানি। সঃ। জনাসঃ। ইন্দ্রঃ।।

অন্বয় → যেন ইমা বিক্ষা চ্যবনা কৃতানি, য: দাসং বর্ণম্ অধরং গুহা অক:, য: অর্য: পুষ্টানি আদত্ শ্বঘ্নীব লক্ষ্যম্ (হে) জনাস: স: ইন্দ্র অস্তি।

অন্বয়ার্থ → যেন (যাৰ দ্বাৰা) ইমা বিশ্বা (এই সমস্ত বস্তু) চ্যবনা (গতিমান) কৃতানি (কৰা হৈছে), য: (যিজনে) দাসং বর্ণ (দাস জাতিক) অধরং (নিকৃষ্ট) গুহা (গুহাত) অক: (স্থাপন কৰিছিল) য: (যিজনে) শ্বঘ্নীব (ব্যাধৰ দৰে) লক্ষম্ (লক্ষ্যবস্তুক) জিগীবান্ (জয় কৰি) অর্য: (শত্রুৰ) পুষ্টানি (সঞ্চিত ধন) আদত্ (গ্রহণ কৰিছিল), হে জনাস: (হে মনুষ্যসকল), স ইন্দ্র: (তেৱেঁই ইন্দ্র)।

অসমীয়া অনুবাদ → যাৰ দ্বাৰা এই সমস্ত বস্তু গতিমান হৈছে, আৰু যিজনে নীচ দাস জাতিক নিকৃষ্ট গুহাত স্থাপন কৰিছিল, যিজনে ব্যাধৰ দৰে লক্ষ্য বস্তুক জয় কৰি শত্রুৰ সঞ্চিত ধন গ্রহণ কৰে, ঠিক তেনেদৰে ইন্দ্রয়ো শত্রুবোৰক জয় কৰি সিহঁতৰ সঞ্চিত ধন গ্রহণ কৰে), হে মনুষ্যসকল, তেৱেঁই ইন্দ্র।

সায়ণভাষ্য → যেন ইন্দ্রেণ ইমা ইমানি বিশ্বা চ্যবনা নশ্বরানি ভূবনানি কৃতানি স্থিরীকৃতানি। য: চ দাসং বর্ণং শূদ্রাদিকম্ যদ্বা দাসম্ উপক্ষপয়িতারম্ অধরম্ নিকৃষ্টম্ অসুরং গুহা গুহায়াং গুঢ়স্থানে নরকে বা অক: অকাষীত্। লক্ষং লক্ষ্যং জিগীবান্ জিতবান্ য: অর্য: অরে: শত্রো: সম্বন্ধীনি পুষ্টানি সমৃদ্ধানি আদত্ আদত্তে। তত্র দৃষ্টান্ত: শ্বঘ্নীব, শ্বঘ্নী ব্যাধ:, যথা ব্যাধো জিঘৃক্ষিতং মৃগং পরিগৃহ্নাতি তদ্বত্।

অসমীয়া অনুবাদ → যিজন ইন্দ্রৰ দ্বাৰা এই সমস্ত অস্থিৰ নশ্বৰ ভুৱন স্থিৰ কৰা হৈছিল, আৰু যিজনে দাস বর্ণৰ শূদ্রাদি জাতিক অথবা দাস নামৰ নিকৃষ্ট অসুৰক গুহা বা গোপনস্থানত স্থাপন কৰিছিল; যিজনে লক্ষ্যবস্তুক জয় কৰি শত্রু সম্বন্ধীয় সমৃদ্ধি গ্রহণ কৰিছিল। ইয়াত এটা দৃষ্টান্ত দিয়া হৈছে। ব্যাধৰ দৰে, যেনেদৰে ব্যাধে চিকাৰ কৰা ব্যাধক জয় কৰি আজুৰি আনে, ঠিক তেনেকুৱা।

ব্যাকৰণ →

ইমা — ইমানি, ইদম্ (ক্লীৱলিঙ্গ) শব্দৰ প্রথম বিভক্তিৰ বহুবচন।

চ্যবনা — চ্যৱনানি, √চ্যু ল্যুট্ প্রথমা বিভক্তিৰ বহুবচন।

অক:— √কৃ ধাতুৰ লুঙ্ লকাৰৰ প্রথমা পুৰুষৰ একবচন

জিগোবান্ — √জি ধাতু + ক্বসু প্রথমাবিভক্তিৰ একবচন

আদত্ — √অদ ধাতুৰ লঙ, লকাৰৰ প্রথম পুৰুষৰ একবচন।

পুষ্টানি — √পুষ্ + ক্ত প্রত্যয়, দ্বিতীয়া বিভক্তিৰ বহুবচন।



ইমা ঃবৈদিক সংস্কৃতত 'ইমানি'ৰ ঠাইত 'ইমা' হৈছে।

৮.৪.৫ পঞ্চম মন্ত্র

সংহিতা পাঠ → যং স্মা পৃচ্ছন্তি কুহ সেতি ঘোৰ
মুতেমাহুর্নৈপো অস্তীত্যনম্।
সো অর্যঃ পুষ্টীর্বিজ ইবা মিনাতি

শ্রদস্মৈ ধত্ত স জনাস ইন্দ্রঃ।

পদপাঠ → যম। স্ম। পৃচ্ছন্তি। কুহ। সঃ। ইতি। ধোৰম্।
উত। ইম্ আহুঃ। ন। এষঃ। অস্তি। ইতি। এনম্।
সঃ। অর্যঃ। পুষ্টীঃ। বিজঃ ২ইব। আ। মিনাতি।
শ্রৎ। অস্মৈ। ধত্ত। সঃ। জনাসঃ। ইন্দ্রঃ।

অন্বয় → যম্ (জনাঃ) পৃচ্ছন্তি স্ম 'কুহ সঃ' ইতি ধোরম্ উত এনম্ ঈম্ 'এষঃ ন অস্তি' ইতি আহুঃ। সঃ বিজঃ ইব অর্যঃ পুষ্টীঃ আ মিনাতি। অস্মৈ শ্রদ্ ধত্ত। (হে) জনাসঃ সঃ ইন্দ্রঃ অস্তি।

অন্বয়ার্থ → যম্ (যিজনৰ বিষয়ে মানুহে) পৃচ্ছন্তি স্ম (প্রশ্ন কৰিছিল) কুহ সঃ ইতি (তেওঁ ক'ত?), ধোরম্ (শত্রুঘাতক) উত (অথবা) এনম্ ঈম্ (এওঁৰ বিষয়ে) এষ (এইজন ব্যক্তি) ন অস্তি (নাই) ইতি আহুঃ (এইবুলি কয়) সঃ (সেই ইন্দ্রই) বিজঃ ইব (জুৱাৰীৰ দৰে) অর্যঃ (শত্রুৰ) পুষ্টীঃ (সমৃদ্ধি) আ মিনাতি (আজুৰি নিয়ে)। অস্মৈ (এওঁৰ প্রতি) শ্রদ্ (শ্রদ্ধা) ধত্ত (পোষণ কৰা) জনাসঃ (হে মনুষ সকল) সঃ (তেৱেঁই) ইন্দ্রঃ (ইন্দ্র)।

অসমীয়া অনুবাদ → যিজনৰ বিষয়ে মানুহে প্রশ্ন কৰিছিল, সেই শত্রুঘাতক (ইন্দ্র) এতিয়া ক'ত? অথবা এওঁৰ বিষয়ে কোৱা হৈছে 'তেওঁ নাই'। (কিন্তু) সেই ইন্দ্রই শত্রুৰ সমৃদ্ধি জুৱাৰীৰ দৰে আজুৰি আনে। (সেইকাৰণে) এওঁৰ প্রতি শ্রদ্ধা পোষণ কৰা। হে মনুষ্যসকল, তেৱেঁই ইন্দ্র।

সায়ণভাষ্য → অপশ্যন্তো জনাঃ ধোরং শত্রূণাং ঘাতকং যং পৃচ্ছন্তি স্ম কুহ সেতি স ইন্দ্রঃ কুত্র বর্তত ইতি। ন ক্বচিদসৌ তিষ্টতীতি মন্যমানা জনাঃ এনম্ ইন্দ্রম্ আহুঃ এষঃ ইন্দ্রো নাস্তি ইতি। ঈম্ ইতি পূরণঃ। স ইন্দ্রো বিজ ইব উদ্বেজক এব সন্ অর্যঃ অরেঃ সম্বন্ধীনি পুষ্টীঃ পোষকাণি গবাশ্বদীনি ধনানি আ মিনাতি সর্বতো হিনস্তি। তস্মাত্, শ্রত্ অস্মৈ ইন্দ্রায় ধত্ত স ইন্দ্রোঽস্তীতি বিশ্বাসমত্র কুরুত। যদ্যপ্যসৌ বিশেষতোঽস্মাভির্ন দৃস্যতে তথাপ্যস্তীতি বিশ্রাসং কুরুত। এবং নির্ধারণীয়মহিমোপেতঃ স ইন্দ্রো নাহমিতি।

ভাষ্যৰ অসমীয়া অনুবাদ → (ইন্দ্রক) নেদেখা মানুহবোৰে শত্রুঘাতকৰ বিষয়ে প্রশ্ন কৰিছিল যে সেই ইন্দ্র কত আছে। তেওঁ কোনো ঠাইতেই নাই এই বুলি ভবা মানুহবোৰে এই ইন্দ্রৰ বিষয়ে কয় যে এওঁ ইন্দ্র নহয়। 'ঈম্' এই শব্দটো বাক্যশাৰীটো পূৰ কৰিবলৈ ব্যৱহাৰ কৰা হৈছে। সেই ইন্দ্রই জুৱাৰীৰ দৰে উত্তেজিত হৈ শত্রু সম্বন্ধীয় গৰু-অশ্ব আদি ধনসমূহ চাৰিও দিশৰ পৰা আজুৰি আনে। সেইকাৰণে, এই ইন্দ্রলৈ শ্রদ্ধা পোষণ কৰা অর্থাৎ ইন্দ্র আছে বুলি বিশ্বাস কৰা। যদিও এই ইন্দ্রক বিশেষকৈ আমি দেখিবলৈ নাপাওঁ তথাপি এওঁ আছে বুলি বিশ্বাস কৰা। এনেকুৱা শত্রুঘাতকৰূপী তেওঁ হে ইন্দ্র, মই নহয়।

ব্যাকৰণ →

পৃচ্ছন্তি — প্রচ্ছ্ ধাতুৰ লট্ লকাৰৰ প্রথম পুৰুষৰ বহুবচনৰ ৰূপ।

আহু: — ব্রূ ধাতুৰ লট্ লকাৰৰ প্রথম পুৰুষৰ বহুবচন।

অর্য: — অৰি শব্দৰ ষষ্ঠী বিভক্তিৰ একবচন।

বিজ: — বিজ্ শব্দৰ দ্বিতীয়া বিভক্তিৰ বহুবচন।

পুষ্টী: — পুষ্ + ক্তিন্, দ্বিতীয়া বিভক্তিৰ বহুবচন।

মিনাতি — মী ধাতুৰ লট্ লকাৰৰ প্রথম পুৰুষৰ একবচন।

ধত্ত — ধা ধাতুৰ লোট্ লকাৰৰ মধ্যম পুৰুষৰ বহুবচন।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৬ঃ 'অহি' আৰু 'বল' নামৰ ৰাক্ষস দুটাক কোনে বধ কৰিছিল?

.....

প্রশ্ন নং ৭ঃ 'সমৎসু সংবৃক' মানে কি?

.....

প্রশ্ন নং ৮ঃ ইন্দ্রই কাৰ দৰে লক্ষ্য বস্তুক জয় কৰি আজুৰি আনে?

.....

প্রশ্ন নং ৯ঃ 'শ্রদস্মৈ ধত্ত'—এই বাক্যটিত কাৰ প্রতি শ্রদ্ধা পোষণ কৰাৰ কথা কোৱা হৈছে?

.....

প্রশ্ন নং ১০ঃ 'ধত্ত' পদৰ ব্যাকৰণগত ব্যুৎপত্তি কি?

.....

৮.৪.৬ ষষ্ঠ মন্ত্র

সংহিতা পাঠ → যো ৰধ্রস্য চোদিতা ঃ যঃ কৃশস্য
যো ব্রহ্মণো নাধমানস্য কীৰেঃ।
যুক্তগ্রাব্ণো যোঽবিতা সুশিপ্রঃ
সুতসোমস্য স জনাস ইন্দ্রঃ।

পদপাঠ → যঃ। ৰধ্রস্য। চোদিতা। যঃ। কৃশস্য।
যঃ। ব্রহ্মণঃ। নাধমানস্য। কীৰেঃ।
যুক্তঽগ্রাব্ণঃ। যঃ। অবিতা। সুঽশিপ্রঃ।
সুতঽসোমস্য। সঃ। জনাসঃ। ইন্দ্রঃ।।

অন্বয় → য: রধ্রস্য চোদিতা, য: কৃশস্য, য: নাধমানস্য, কীরে: ব্রহ্মণ: য:

সুশিপ্রঃ যুক্তগ্রাব্ণঃ সুতসোমস্য অবিতা, জনাসঃ স ইন্দ্রঃ।

অন্বয়ার্থ → যঃ (যিজন) রধ্রস্য (সমৃদ্ধিৰ) চোদিতা (প্রেৰয়িতা) যঃ (যিজন) কৃশস্য (নির্ধনৰ) যঃ (যিজন) নাধমানস্য (প্রার্থনাকাৰীৰ) কীরেঃ (স্তুতিকাৰীৰ) ব্রহ্মণঃ (পুৰোহিতৰ) যঃ (যিজন) সুশিপ্রঃ (সুন্দৰ হনুবিশিষ্ট) যুক্তগ্রাবণঃ (সোমৰস উলিয়াই থকা) সুতসোমস্য (সোম অভিষবকাৰীজনৰ) অবিতা (ৰক্ষক) জনাসঃ (হে মনুষ্যগণ) স ইন্দ্রঃ (তেৱেঁই ইন্দ্র)।

অসমীয়া অনুবাদ → যিজন সমৃদ্ধিশালী আৰু নির্ধন জনৰ (ধনৰ) প্রেৰয়িতা; যিজন প্রার্থনাকাৰী তথা স্তুতিকাৰী পুৰোহিতৰ (ধনদাতা); যিজন সুন্দৰ মুখবিশিষ্ট, যিজন সোমৰস পিহি থকা সোম অভিষবকাৰী যজমানৰ ৰক্ষক, হে মনুষ্যগণ তেৱেঁই ইন্দ্র।

সায়ণভাষ্য → যো রধ্রস্য সমৃদ্ধস্য চোদিতা ধনানাং প্রেরযিতা ভৱতি। যঃ চ কৃশস্য দরিদ্রস্য চ, যঃ চ নাধমানস্য যাচমানস্য, কীরেঃ করোতেঃ কীর্ত্তযতের্ৱা, স্তোতুঃ ব্রহ্মণঃ ব্রাহ্মণস্য চ ধনানাং প্রেরযিতা। যঃ চ সুশিপ্রঃ শোভনহনুঃ সুশীর্ষকো ৱা সন্, যুক্তগ্রাবণঃ অভিষৱার্থম্ উদ্যতগ্রাব্ণঃ সুতসোমস্য অভিষুতসোমস্য যজমানস্য অবিতা রক্ষিতা ভৱতি, সঃ এৱ ইন্দ্রঃ নাহমিতি।

সায়নভাষ্যৰ অসমীয়া অনুবাদ → যিজন সমৃদ্ধিশালী আৰু নির্ধনজনৰ ধনৰ প্রেৰক; আৰু যিজন দৰিদ্রজনৰ, তথা প্রার্থনাকাৰীজনৰ আৰু স্তুতিকর্তা ব্রাহ্মণৰ ধনৰ প্রেৰয়িতা আৰু যিজন সুন্দৰ শিৰ যুক্ত হই সোমৰস নিষ্কাষণ কৰিবলৈ উদ্যত হৈ থকা যজমানৰ ৰক্ষক, সেইজনেই ইন্দ্র, মই নহয়।

ব্যাকৰণ →

রধ্রস্য = √ৰধ্ + ৰক্ = ৰধ্র, ষষ্ঠী বিভক্তিৰ একৱচন।

চোদিতা = √চুদ্ + তৃচ্ প্রত্যয়, প্রথমা বিভক্তিৰ একৱচন।

নাধমানস্য = √নাধ্ (প্রার্থনা কৰা) + শানচ্ প্রত্যয়, ষষ্ঠী বিভক্তিৰ একৱচন।

কীরেঃ = 'কীৰি' শব্দৰ অর্থ হৈছে 'স্তুতিকাৰী'। কীৰি শব্দৰ ষষ্ঠী বিভক্তিৰ একৱচন।

যুক্তগ্রাব্ণঃ = যুক্তঃ গ্রাবা যস্য সঃ —যুক্তগ্রাবা, তস্য বহুব্রীহি সমাস।

অবিতা = √অৱ + তৃচ প্রত্যয়, প্রথমা বিভক্তিৰ একৱচন।

সুশিপ্র : = সু (শোভনঃ) শিপ্রঃ যস্য সঃ — বহুব্রীহি সমাস।

সুতসোমস্য = সুত ঃ সোমঃ যেন সঃ সুতসোমঃ তস্য = বহুব্রীহি সমাস।

৮.৪.৭ সপ্তম মন্ত্র

সংহিতা পাঠ → যস্যাশ্বাসঃ প্রদিশি যস্য গাৱো
যস্য গ্রামা যস্য ৱিশ্বে ৱথাসঃ
যঃ সূর্য য উষসং জজান
যো অপাং নেতা স জনাস ইন্দ্রঃ।

পদপাঠ → যস্য। অশ্বাসঃ। প্র২দিশি। যস্য। গাবঃ।
যস্য। গ্রামাঃ। যস্য। বিশ্বে। ৰথাসঃ।
যঃ। সূর্যম্। যঃ। উষসম্। জজান।
যঃ। অপাং। নেতা। সঃ। জনাসঃ। ইন্দ্রঃ।।

অন্বয় → যস্য প্রদিশি অশ্বাসঃ, যস্য গাবঃ, যস্য গ্রামাঃ, যস্য বিশ্বে রথাসঃ, যঃ সূর্যম্ উষসম্ জজান, যঃ অপাম্ নেতা, জনাসঃ স ইন্দ্রঃ।

অন্বয়ার্থ → যস্য (যাৰ) প্রদিশি (অনুশাসনত) যস্য (যাৰ) গাবঃ (গৰুসমূহ) যস্য (যাৰ) গ্রামাঃ (গাঁওসমূহ) যস্য (যাৰ) বিশ্বে (সকলো) রথাসঃ (ৰথসমূহ) যঃ (যিজনে) সুর্যম্ (সূর্যক) উষসম্ (ঊষাদেৱীক) জজান (সৃষ্টি কৰিছিল) যঃ (যিজনে) অপাম্ (পানীসমূহৰ) নেতা (প্রেৰক) জনাসঃ (হে মনুষ্যসকল) স ইন্দ্রঃ (তেৱেঁই ইন্দ্র)।

অসমীয়া অনুবাদ → যাৰ অনুশাসনত ঘোঁৰাসমূহ (বিচৰণ কৰি আছে), যাৰ (অনুশাসনত) গৰুসমূহ (বিচৰণ কৰি আছে), যাৰ অনুশাসনত গাঁওসমূহ (ঠন ধৰি উঠিছে), যাৰ (অনুশাসনত) সমস্ত ৰথসমূহ (স্থিত হৈ আছে), যিজনে সূর্যদেৱতা আৰু ঊষাদেৱীক সৃজন কৰিছিল যিজন জলসমূহৰ প্রেৰক, হে মনুষ্যসকল, তেৱেঁই ইন্দ্র।

সায়ণভাষ্য → যস্য সর্বান্তর্যামিতয়া বর্তমানস্য প্রদিশি প্রদেশনে২নুশাসনে অশ্বাসঃ অশ্বাঃ বর্তন্তে। যস্য অনুশাসনে গাবঃ, যস্য অনুশাসনে গ্রামাঃ জনপদাঃ, যস্য আজ্ঞায়াং বিশ্বে সর্বে রথাসঃ রথা বর্তন্তে। যঃ চ বৃত্রং হত্বা সুর্যং জজান জনয়ামাস। যঃ চ উষসম্। যঃ চ মেঘভেদনদ্বারা অপাং নেতা প্রেরকঃ, সঃ ইন্দ্রঃ নাহমিতি।

ভাষ্যৰ অসমীয়া অনুবাদ → অন্তর্যামী যিজনৰ অনুশাসনত ঘোঁৰাবোৰ আছে; যাৰ অনুশাসনত গৰুবোৰ, যাৰ অনুশাসনত গাঁওবোৰ, যাৰ আদেশত সকলোবোৰ ৰথ আছে; আৰু যিজনে বৃত্র নামৰ অসুৰটোক বধ কৰি সূর্য আৰু ঊষাক সৃজন কৰিছিল। আৰু যিজনে মেঘবোৰ ভাঙি পানীসমূহ (পৃথিৱীলৈ) প্রেৰণ কৰিছিল, তেৱেঁই ইন্দ্র, মই নহয়।

ব্যাকৰণ →

প্রদিশি = প্র √দিশ্ + ক্বিপ্ প্রত্যয়, সপ্তমী বিভক্তিৰ একবচন।

রথাসঃ = ৰথ শব্দৰ প্রথমা বিভক্তিৰ বহুবচন। এইটো বেদৰ ৰূপ। সাধাৰণ সংস্কৃতত এই শব্দটোৰ ৰূপ 'ৰথাঃ' হয়।

জজান = জন্ ধাতুৰ লিট্ লকাৰৰ প্রথম পুৰুষৰ একবচন।

অপাম্ = অপ্ শব্দৰ ষষ্ঠী বিভক্তিৰ বহুবচন।

নেতা = নী ধাতুৰ (অর্থ লৈ যোৱা) লগত তৃচ্ প্রত্যয়, প্রথমা বিভক্তিৰ একবচন।

৮.৪.৮ অষ্টম মন্ত্র

সংহিতা পাঠ → যং ক্রন্দসী সংযতী বিহ্বযেতে
পৰে২বৰ উভয়া অমিত্রাঃ।
সমানং চিদ্রথমাতস্থিবাংসা

নানা হবেতে স জনাস ইন্দ্রঃ।

পদপাঠ → যম্। ক্রন্দসী। ই তি। সম্২যতী।
বিহ্বযেতে ইতি বি২হ্বযেতে।
পৰে। অবৰে। উভয়াঃ। অমিত্রাঃ।
সমানম্। চিৎ। ৰথম্। আতস্থি২বাংসা।
নানা। হবেতে ইতি। সঃ। জনাসঃ। ইন্দ্রঃ।।

অন্বয় → যং ক্রন্দসী সংযতী বিহ্বযতে, পরে অবরে উভযা: অমিত্রা: সমানং চিত্ রথম্ আতস্থিবাংসা নানা হবেতে, জনাস: স ইন্দ্র:।

অন্বয়ার্থ → যম্ (যিজনক) ক্রন্দসী (শব্দকাৰী) সংযতী (পৰস্পৰে যুদ্ধত মিলিত) বিহ্বযতে (বিশেষভাৱে আহ্বান কৰে) পরে (উৎকৃষ্ট) অবরে (নিকৃষ্ট) উভযা: (উভয় প্রকাৰৰ) অমিত্রা: (শত্রুদলে) সমানং চিত্ (সমপ্রকাৰৰ)রথম্ (ৰথত) আতস্থিবাংসা (আৰোহণকাৰী সৈন্যদলে) নানা (পৃথকে পৃথকে) হবেতে (আহ্বান কৰে) জনাস: (হে মনুষ্যগণ) স ইন্দ্র: (তেৱেঁই ইন্দ্র)

অসমীয়া অনুবাদ → যিজনক শব্দকাৰী (সৈন্যদলে) পৰস্পৰে (যুদ্ধত) বিশেষভাৱে আহ্বান কৰে, উৎকৃষ্ট তথা নিকৃষ্ট উভয় প্রকাৰৰ শত্রুদলে সমপ্রকাৰৰ ৰথত আৰোহণ কৰি যিজনক বিভিন্ন প্রকাৰে আহ্বান কৰে, হে মনুষ্যগণ, তেৱেঁই ইন্দ্র।

সায়নভাষ্য → যং ক্রন্দসী রোদসী, শব্দং কুর্বাণে মানুষী দৈবী চ দ্বে সেনে বা, সংযতী পরস্পরং সঙ্গ-চ্ছন্ত্যৌ, যমিন্দ্রং বিহ্বযেতে স্বরক্ষার্থং বিবিধমাহ্বযত:। পরে উত্কৃষ্টা অবরে অধমাশ্চ উভযা: উভযবিধা অমিত্রা: শত্রব: যমাহ্বযন্তি। সমানম্ ইন্দ্ররথসদৃশং রথম্ আতস্থিবাংসা আস্থিতৌ দ্বৌ রথিনৌ তমেবেন্দ্রং নানা পৃথক্ পৃথক্ হবেতে আহ্বযেতে। স ইন্দ্র: নাহমিতি।

ভাষ্যৰ অসমীয়া অনুবাদ → যিজনক শব্দকাৰী মানুহ আৰু দেৱতাৰ অথবা দুটা পক্ষৰ সৈন্যদলে পৰস্পৰে আগবাঢ়ি থাকি যিজন ইন্দ্রক নিজ নিজ পক্ষক ৰক্ষাৰ কাৰণে বিভিন্ন প্রকাৰে আহ্বান কৰে; শ্রেষ্ঠ আৰু অধম উভয় প্রকাৰৰ শত্রুসৈন্যদলে যাক আহ্বান কৰে; ইন্দ্রৰ ৰথৰ দৰে ৰথত আৰোহণকাৰী দুজন ৰথীয়ে সেই ইন্দ্রক পৃথকে পৃথকে আহ্বান কৰে; সেইজনেই ইন্দ্র, মই নহয়।

ব্যাকৰণ →

ক্রন্দসী = ক্রন্দস্ শব্দৰ প্রথমা বিভক্তিৰ দ্বিবচন।

সংযতী = সম্- ই + শতৃ প্রত্যয়, প্রথমা বিভক্তিৰ দ্বিবচন।

বিহ্বযেতে = বি - হ্বে ধাতুৰ (আত্মনেপদী) লট্ লকাৰৰ প্রথম পুৰুষৰ দ্বিবচন

আতস্থিবাংসা = আ - স্থা - ক্বসু প্রত্যয়, প্রথমা বিভক্তিৰ দ্বিবচন।

হবেতে = হূ (আত্মনেপদী) ধাতুৰ লট্ লকাৰৰ প্রথম পুৰুষৰ দ্বিবচন।

৮.৪.৯ নৱম মন্ত্র

সংহিতা পাঠ → যস্মান্ন ঋতে বিজয়ন্তে জনাসো
যং যুধ্যমানা অবসে হবন্তে।
যো বিশ্বস্য প্রতিমানং বভূব
যো অচ্যুতচ্যুৎ স জনাস ইন্দ্রঃ।

পদপাঠ → যস্মাৎ্। ন। ঋতে। বি২জয়ন্তে। জনাসঃ।
যম্। যুধ্যমানাঃ। অবসে। হবন্তে।
যঃ। বিশ্বস্য। প্রতি২মানম্। বভূব
যঃ। অচ্যুত২চ্যুৎ। সঃ। জনাসঃ। ইন্দ্রঃ।।

অন্বয় → যস্মাত্ ঋতে জনাস: ন বিজযন্তে, যম্ যুধ্যমানা: অবসে হবন্তে, য: বিশ্বস্য প্রতিমানং বভূব, য: অচ্যুতচ্যত্্, স: জনাস: ইন্দ্র:।

অন্বয়ার্থ → যস্মাত্ (যিজনক) ঋতে (বাদ দি) জনাস: (মানুহবিলাকে) ন বিজযন্তে (জয়লাভ কৰিব নোৱাৰে), যম্ (যিজনক) যুধ্যমানা: (যুদ্ধৰতসকলে) অবসে (ৰক্ষাৰ বাবে) হবন্তে (আহ্বান কৰে) য: (যিজন) বিশ্বস্য (সকলোৰে) প্রতিমানম্ (প্রতিনিধি) বভূব (হৈছিল) য: (যিজন) অচ্যুতচ্যুত্ (ক্ষয়ৰহিত) (পর্বতবোৰক কম্পন কৰে) জনাস: (হে মনুষ্যসকল) স ইন্দ্র: (তেৱেঁই ইন্দ্র)।

অসমীয়া অনুবাদ →

যিজনৰ (সহায়) অবিহনে মানুহে জয়লাভ কৰিব নোৱাৰে; যুদ্ধৰত (সৈন্যসকলে) যাক (নিজৰ) ৰক্ষাৰ বাবে (সততে) আহ্বান কৰে, যিজন সকলোৰে প্রতিনিধি স্বৰূপ, যিজন অকম্পিতক (পর্বতবোৰক) কম্পিত কৰিছিল, হে মনুষ্যসকল, তেৱেঁই ইন্দ্র।

সায়নভাষ্য → যস্মাত্ ঋতে জনাস: জনা: ন বিজযন্তে বিজযং ন প্রাপ্নুবন্তি। অতো যুধ্যমানা: যুদ্ধং কুর্বাণা জনা: অবসে স্বরক্ষণায যম্ ইন্দ্রং হবন্তে আহ্বযন্তি। য: চ বিশ্বস্য সর্বস্য জগত: প্রতিমানম্ প্রতিনিধি: বভুব। য: চ অচ্যুতচ্যুত্ অচ্যুতানাং ক্ষযরহিতানাং পর্বতাদীনাং চ্যাবযিতা, স ইন্দ্র: নাহমিতি।

ভাষ্যৰ অসমীয়া অনুবাদ →

যাৰ অবিহনে মানুহে বিজয় লাভ কৰিব নোৱাৰে; যুদ্ধ কৰি থকা মানুহবিলাকে নিজকে ৰক্ষা কৰিবলৈ যিজন ইন্দ্রক আহ্বান কৰে; আৰু যিজন সমস্ত জগতখনৰে প্রতিনিধি হৈছিল; যিজন ক্ষয় নোহোৱা পর্বতবোৰৰ কম্পনকাৰী, তেৱেঁই ইন্দ্র, মই নহয়।

ব্যাকৰণ →

যস্মাত্ = ঋত শব্দযোগত পঞ্চমী বিভক্তি।

বিজযন্তে = বি-জি ধাতুৰ লট্ লকাৰৰ প্রথম পুৰুষৰ বহুবচন।

যুধ্যমানা: = যুধ্ (আত্মনেপদী) ধাতুৰ লগত শানচ্ প্রত্যয়, প্রথমা বিভক্তিৰ বহুবচন।

অবসে = অবস্ শব্দৰ চতুর্থী বিভক্তিৰ একবচন।

হবন্তে = হূ ধাতুৰ লট লকাৰৰ প্ৰথম পুৰুষৰ বহুবচন।

বভুব = ভূ ধাতুৰ লিট লকাৰৰ প্ৰথম পুৰুষৰ একবচন।

অচ্যুতচ্যুত্ = অচ্যুতানাং (পর্বতাদীনাম্) চ্যোতয়িতা = ষষ্ঠী তৎপুৰুষ সমাস।

৮.৪.১০ দশম মন্ত্র

সংহিতা পাঠ → যঃ শশ্বতো মহ্যেনো দধানা
নমন্যমানাচ্ছর্বা জধান।
যঃ শর্ধতে নানুদদাতি শৃধ্যাং
যো দস্যোর্হন্তা স জনাস ইন্দ্রঃ।।

পদপাঠ → যঃ। শশ্বতঃ। মহি। এনঃ। দধানান্।
অমন্যমানান্। শর্বা। জধান।
যঃ। শর্ধতে। ন। অনু২দদাতি। শৃধ্যাম্।
যঃ। **দস্যোঃ**। হন্তা। সঃ। জনাসঃ। ইন্দ্রঃ।।

অন্বয় → যঃ মহি এনঃ দধানান্ শশ্বতঃ অমন্যমানান্ শর্বা জধান, যঃ শর্ধতে শৃধ্যাম্ ন অনুদদাতি, যঃ দস্যোঃ হন্তা, জনাসঃ স ইন্দ্রঃ।

অন্বয়ার্থ → যঃ (যিজনে) মহি (মহৎ) এনঃ (পাপক) দধানান্ (ধাৰণকাৰী) শশ্বতঃ (বহুত) অমন্যমানান্ (অমান্যকাৰীক) শর্বা (বজ্ৰৰ দ্বাৰা) জধান (বধ কৰিছিল), যঃ (যিজনে) শর্ধতে (অহংকাৰীজনক) শৃধ্যাম্ (উৎসাহ) ন অনুদদাতি (প্ৰদান নকৰে), যঃ (যিজন) দস্যোঃ (শত্ৰুৰ) হন্তা (হত্যাকাৰী), জনাসঃ (হে মনুষ্যসকল) স ইন্দ্রঃ (তেৱেঁই ইন্দ্র)।

অসমীয়া অনুবাদ →

যিজনে ভয়ংকৰ পাপ ধাৰণকাৰী বহুত (ইন্দ্ৰৰ) অমান্যকাৰীক বজ্ৰৰ দ্বাৰা বধ কৰিছিল, যিজনে স্পৰ্ধাকাৰীজনক (অহংকাৰীজনক) উৎসাহজনক (কর্ম) প্ৰদান নকৰে; যিজন দুষ্টলোকৰ (শত্ৰুৰ) হত্যাকাৰী, হে মনুষ্যগণ, তেৱেঁই ইন্দ্র।

সায়নভাষ্য →

যো মহি মহত্ এনঃ পাপং দধানান্ শশ্বতো বহূন্ অমন্যমানান্ আত্মানমজানত ইন্দ্রমপুজযতো বা জনান্ শর্বা, শঠর্বজ্রঃ, তেন আযুধেন জধান। যঃ চ শর্ধতে উত্সাহং কুর্বতে অনাত্মজ্ঞায জনায শৃধ্যাম্ উত্সাহনীযং কর্ম নানুদদাতি ন প্রযচ্ছতি। যঃ চ দস্যোঃ উপক্ষপযিতুঃ শত্রোঃ হন্তা ধাতকঃ স ইন্দ্রঃ নাহমিতি।

ভাষ্যৰ অসমীয়া অনুবাদ →

যিজনে মহৎ পাপকাৰী বহুত অনাত্মজ্ঞক অথবা ইন্দ্রক শ্ৰদ্ধা নকৰা মানুহক বজ্ৰ নামৰ অস্ত্ৰেৰে বধ কৰিছিল আৰু যিজনে অনাত্মজ্ঞ অতি অহংকাৰীজনক কোনো উৎসাহনীয়



দস্যোঃ ইয়াত দস্যো শব্দটোৱে বৃত্ৰ, অহি, বল, শম্বৰ, ৰৌহিন আদি অসুৰবোৰক বুজাইছে, যিবোৰক ইন্দ্রই নিজৰ পৰাক্ৰমেৰে বধ কৰিছিল।

কাম প্রদান নকৰে; যিজন শত্রুৰ ঘাতক, সেইজনেই ইন্দ্র, মই নহয়।

ব্যাকৰণ →

শাশ্বত: = শশ্বৎ শব্দৰ দ্বিতীয়া বিভক্তিৰ বহুবচন।

মহি = √মহ্ + ইন মহি (ক্লীৱ লিঙ্গ) শব্দৰ দ্বিতীয়া বিভক্তিৰ একবচন।

এন: = এনস্ (ক্লীৱ লিঙ্গ) শব্দৰ দ্বিতীয়া বিভক্তিৰ একবচন।

দধানান্ = ধা ধাতুৰ লগত শানচ্ প্রত্যয়, দ্বিতীয়া বিভক্তিৰ বহুবচন।

অমন্যমানান্ = নঞ √মন্ + শানচ্, দ্বিতীয়া বিভক্তিৰ বহুবচন।

শৰ্ব্বা = শৰ্ব্ব (স্ত্রীলিঙ্গ) শব্দৰ তৃতীয়া বিভক্তিৰ একবচন।

জঘান = হন্ ধাতুৰ লিট্ লকাৰৰ প্রথম পুৰুষৰ একবচন।

শৰ্ধতে = √শৃধ + শতৃ = শৰ্ধৎ, শৰ্ধৎ শব্দৰ চতুৰ্থীবিভক্তিৰ একবচন।

অনুদদাতি = অনু - দা ধাতুৰ লট্ লকাৰৰ প্রথম পুৰুষৰ একবচন।

শৃধ্যাম্ = শৃধ + ক্যপ, দ্বিতীয়া বিভক্তিৰ একবচন।

হন্তা = √হন্ + তৃচ্, প্রথমা বিভক্তিৰ একবচন।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১১ঃ সোম অভিষবকাৰীজনৰ ৰক্ষক কোন?

.....

প্রশ্ন নং ১২ঃ ক্রন্দসী পদটোৰ নির্বচন কি?

.....

প্রশ্ন নং ১৩ঃ 'হবেতে' শব্দটোৰ ব্যাকৰণগত ব্যুৎপত্তি কি?

.....

প্রশ্ন নং ১৪ঃ যুদ্ধৰত সৈন্যসকলে কোন দেৱতাক স্তুতি কৰে?

.....

প্রশ্ন নং ১৫ঃ ইন্দ্র দেৱতাৰ অস্ত্রপাতৰ নাম কি?

.....



৮.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

ওপৰৰ অধ্যায়টো অধ্যয়নৰ অন্তত আপুনি—

- ঋগবেদৰ অন্তর্গত ইন্দ্রসূক্তটোৰ সৈতে পৰিচয় হ'ব পাৰিলে।
- ইন্দ্র দেৱতাৰ স্বৰূপ সম্বন্ধে জানিব পাৰিলে।

- মন্ত্রসমূহত বর্ণিত ইন্দ্রদেৱতাৰ বলশালী কর্মৰ বিষয়ে অৱগত হ'ল।
- সূক্তটোৰ ঋষি, চন্দ, দেৱতা আৰু বিনিয়োগৰ বিষয়ে জানিব পাৰিলে।
- সায়নৰ ভাষ্য অনুসৰি মন্ত্রসমূহৰ অর্থৰ জ্ঞান লাভ কৰিলে।
- মন্ত্রসমূহত থকা শব্দসমূহৰ ব্যাকৰণগত ব্যুৎপত্তিৰ জ্ঞান হ'ল।



৮.৬ অধিক জানিবলৈ

১) শর্মা ফুকন, পঞ্চানন (অনুদতি), (১৯৯১), *ঋক্‌বেদ সংহিতা* (অসমীয়া অনুবাদ), গুৱাহাটী ঃ শ্রী শ্রী আদিত্য প্রকাশ।

২) Chaubey, Dr. Braj Bihari, (1986). *The New Vedic Selection*, Part-I, Delhi : Bharatiya Vidya Prakashan.

৩) ভট্টাচার্য, ড° ভবানী প্রসাদ আৰু অধিকাৰী, ড° তাৰক নাথ, (২০০৪), *বৈদিক সংকলন*, কলকাতা ঃ সংস্কৃত বুক ডিপো।

৪) বসু, ড° যোগীৰাজ, (২০০৩), *বেদৰ পৰিচয়*, গুৱাহাটী ঃ অসম প্রকাশন পৰিষদ।

৫) শর্মা, ড° থানেশ্বৰ, (১৯৯৭), *বৈদিক সাহিত্যৰ ৰূপৰেখা*, গুৱাহাটী ঃ অসম বেদ বিদ্যালয়।

৬) সেন, অধ্যাপক শুক্লা, (২০০৪), *শ্রৌত পাঠ*, কলকাতা ঃ সংস্কৃত বুক ডিপো।

৭) চাননা, ড° দেৱৰাজ, (১৯৯৬), *ঋক্ ভাষ্য-সংগ্রহঃ*, নতুন দিল্লী ঃ মুন্সীৰাম মনোহৰ লাল পাব্লিশর্স প্রাঃ লিঃ।



৮.৭ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ দ্বিতীয় মণ্ডলত।

২ নং প্রশ্নৰ উত্তৰঃ গৃৎসমদ।

৩ নং প্রশ্নৰ উত্তৰঃ ইন্দ্র দেৱতাক।

৪ নং প্রশ্নৰ উত্তৰঃ ত্রিষ্টুপ্ ছন্দত।

৫ নং প্রশ্নৰ উত্তৰঃ ইন্দ্র দেৱতাক।

৬ নং প্রশ্নৰ উত্তৰঃ ইন্দ্র দেবতাই।

৭ নং প্রশ্নৰ উত্তৰঃযুদ্ধত বিনাশকাৰী।

৮ নং প্রশ্নৰ উত্তৰঃ ব্যাধৰ দৰে।

৯ নং প্রশ্নৰ উত্তৰঃ ইন্দ্র দেৱতাৰ প্রতি।

১০ নং প্রশ্নৰ উত্তৰঃ ধা ধাতুৰ লোট্ লকাৰৰ মধ্যম পুৰুষৰ বহুবচন।

১১ নং প্রশ্নৰ উত্তৰঃ ইন্দ্র দেৱতা।

১২ নং প্রশ্নৰ উত্তৰঃ ক্রন্দস্ শব্দৰ প্রথমা বিভক্তিৰ দ্বিবচন।

১৩ নং প্রশ্নৰ উত্তৰঃ হূ ধাতুৰ লট্ লকাৰৰ প্রথম পুৰুষৰ দ্বিবচন।

১৪ নং প্রশ্নৰ উত্তৰঃ ইন্দ্র দেৱতাক।

১৫ নং প্রশ্নৰ উত্তৰঃ বজ্র।



৮.৮ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন ঃ

প্রশ্ন ১ ঃ তলৰ প্রশ্নকেইটাৰ উত্তৰ লিখক।

(ক) ইন্দ্রসূক্তটোক আৰু কি নামেৰে জনা যায়?

(খ) ইন্দ্রসূক্তটো ঋগ্বেদৰ কোনটো মণ্ডলৰ অন্তর্গত?

(গ) ইন্দ্রসূক্তটোৰ ঋষি কোন?

(ঘ) ইন্দ্রসূক্তটো কোনটো অনুষ্ঠানত বিনিয়োগ কৰা হয়?

(ঙ) 'শতক্রতু' মানে কি?

খ) চুটি প্রশ্ন ঃ

প্রশ্ন ১ ঃ তলৰ শব্দকেইটাৰ ব্যাকৰণগত টিপ্পনী লিখক।

মনস্বান্, জনাসঃ, ব্যথমানাম্, দ্যাস্, হত্বা।

গ) ৰচনাধর্মী প্রশ্ন ঃ

প্রশ্ন ১ ঃ ইন্দ্রসূক্তটোত প্রকাশিত হোৱা ইন্দ্র দেৱতাৰ স্বৰূপ সম্বন্ধে আলোচনা কৰক।

প্রশ্ন ২ ঃ ইন্দ্রসূক্তটোৰ মন্ত্রসমূহত বর্ণিত হোৱা ইন্দ্রদেৱতাৰ কর্মসমূহৰ বিষয়ে আভাস দাঙি ধৰক।

প্রশ্ন ৩ ঃ ঋষি, ছন্দ, দেৱতাৰ উল্লেখ কৰি সায়ণভাষ্য অনুসৰি নিম্নোক্ত মন্ত্রটো ব্যাখ্যা কৰক।

(ক) যো জাত এব প্রথমো মনস্বাতদেবো দেবান্ ক্রতুনা পর্যভূষত্।
যস্য শুষ্মাদ্রোদসী অভ্যসেতাং নৃম্ণস্য মহ্না স জনাস ইন্দ্রঃ॥

*** ***** ***

অধ্যায় ৯ঃ দেৱীসূক্ত

অধ্যাৰ গাঁথনি

৯.১ উদ্দেশ্য

৯.২ পৰিচয়

৯.৩ দেৱীসূক্তৰ সংহিতা পাঠ, পদপাঠ, সায়নভাষ্য, অসমীয়া অনুবাদ আৰু টোকা

- ৯.৩.১ প্ৰথম মন্ত্ৰ
- ৯.৩.২ দ্বিতীয় মন্ত্ৰ
- ৯.৩.৩ তৃতীয় মন্ত্ৰ
- ৯.৩.৪ চতুৰ্থ মন্ত্ৰ
- ৯.৩.৫ পঞ্চম মন্ত্ৰ
- ৯.৩.৬ ষষ্ঠ মন্ত্ৰ
- ৯.৩.৭ সপ্তম মন্ত্ৰ
- ৯.৩.৮ অষ্টম মন্ত্ৰ

৯.৪ সাধাৰণ আলোচনা

৯.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৯.৬ অধিক জানিবলৈ

৯.৭ অগ্ৰগতিৰ খতিয়ান

৯.৮ আৰ্হি প্ৰশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি—

- ঋগ্বেদৰ দশম মণ্ডলত প্ৰাপ্ত দাৰ্শনিক ভাৱৰ সূক্তৰ আভাস লাভ কৰিব
- ঋগ্বেদৰ আধ্যাত্মিক সূক্ত এটাৰ আভাস পাব
- ঋগ্বেদৰ যুগৰ স্ত্ৰীদেৱতাৰ কিছু আভাস লাভ কৰিব
- ঋগ্বেদৰ যুগতে আৰম্ভ শক্তিবাদৰ আভাস লাভ কৰিব
- দেৱীসূক্তৰ সংহিতা পাঠ, পদপাঠ, সায়নভাষ্য আৰু অসমীয়া অনুবাদো জানিব।

৯.২ পৰিচয়

আগৰ অধ্যায়ত আপুনি ঋগ্বেদৰ সাধাৰণ পৰিচয় পাইছে। ঋগ্বেদৰ ১০২৮ টা সূক্তৰ ভিতৰত বিশেষত ঃ দশম মণ্ডলত— এনে কিছুমান সূক্ত আছে, যিবিলাকৰ মাজত আছে আধ্যাত্মিক ভাৱ আৰু দাৰ্শনিকতাৰ উচ্চ ভাব।

এই সূক্তটোত অম্ভৃণ নামৰ মহর্ষিৰ জীয়াৰী বাক্ নামৰ দেৱীয়ে নিজৰ শক্তি সামর্থ্যৰ বিষয়ে উদাত্ত ভাষাৰে কৈছে। সেই বাবে সূক্তটো দেৱীসূক্ত বুলি জনাজাত। ইয়াৰ মাজেৰে ঋষিকাই নিজে কেনেকৈ সকলো দেৱতা ধাৰণ কৰিছে তাকে উদাত্তস্বৰে কৈছে।

বেদত্ত প্রত্যক্ষ, পৰোক্ষ আৰু আধ্যাত্মিক এই তিনি শ্রেণীৰ সূক্ত আছে। প্রথম পুৰুষত কৰা বর্ণনা থকা সূক্ত ঋগ্বেদত বেছি, সেইবোৰ পৰোক্ষকৃত সূক্ত। মধ্যম পুৰুষত বর্ণনা কৰা সূক্তৰ ঋগ্বেদত আছে। তাৰ সংখ্যা কিছু কম। উত্তম পুৰুষত উচ্চার্য সূক্তৰ সংখ্যা বৰ কম। তাৰ ভিতৰত দেৱীসূক্ত এটা।

যজ্ঞাদিত এই সূক্তটোৰ বিনিয়োগ স্পষ্টকৈ জনা নাযায়। কিন্তু উত্তৰ পূব ভাৰতত প্রচলিত দুর্গাপূজাত মার্কণ্ডেয় পুৰাণৰ দেৱী মহাত্ম্যৰ লগতে দেৱীসূক্তৰ আবৃতিও কৰা হয়।

ইয়াত প্রতিভাত দেৱীক ৱাক্‌দেৱী বোলা হৈছে। পৰৱর্তী কালত— বেদোত্তৰ কালত বাক্ দেৱীক সৰস্বতীৰ লগত একাকাৰ কৰা হৈছে। ঋগ্বেদত সৰস্বতীক এগৰাকী সাত্ত্বিক দেৱী ৰূপে তুলি ধৰা হৈছে। এই সৰস্বতী আৰু বাক্‌দেবীক একেজনী দেৱী বুলি কোৱা হৈছে। তেওঁ ভাষা, সাহিত্য, কলা, সংগীত, স্বৰাদিৰ দেৱীৰূপে হিন্দু ধর্মীয় সংস্কৃতিত এক বিশিষ্ট স্থান অধিকাৰ কৰি আছে।

৯.৩ দেৱীসূক্তৰ সংহিতা আৰু পদপাঠ (ঋঃ ১০/১২৫)

এই সূক্তটোৰ ঋষিকা আম্ভৃণী ৱাক্। দেৱতা পৰমাত্মা। আঠটা মন্ত্রৰ এই সূক্তটোৰ দ্বিতীয়া ঋক্‌টোৰ ছন্দ জগতী আৰু বাকীকেইটা ঋকৰ ছন্দ ত্রিষ্টুপ্। এতিয়া আপুনি প্রত্যেকটো মন্ত্রৰ সংহিতা পাঠ, পদপাঠ আৰু অসমীয়া অনুবাদৰ বিষয়ে জানিব পাৰিব।

৯.৩.১ প্রথম মন্ত্র

সংহিতা পাঠ ঃ অহং ৰুদ্রেভির্বসুভিশ্চৰা
ম্যহমাদিত্যৈৰুত ৱিশ্বদেৱৈঃ।
অহং মিত্রাৱৰুনোভা বিভ
র্ম্যহমিন্দ্রাগ্নী অহমশ্বিনোভা।। ১।।

পাদপাঠ ঃ অহম্ | ৰুদ্রেভিঃ | ৱসু২ভিঃ |চৰামি।
অহম্ | আদিত্যৈঃ | উত ৱিশ্বহ |দেৱৈঃ।
অহম্ | মিত্রাৱৰুণা | উভা | বিভর্মি।
অহম্ | ইন্দ্রাগ্নৌ ইতি | অহম্ | অশ্বিনা | উভা।। ১।।

সায়ণভাষ্যম্ → অহমিত্যষ্টর্চং ত্রয়োদশং সূক্তম্। অম্ভৃণস্য মহর্ষে দুহিতা ৱাঙ্‌নাম্নী ব্রহ্মবিদুষী স্বত্মোনমস্তী। অতঃ সর্ষিঃ। সচ্চিৎসুখাত্মকঃ সর্ৱগতঃ পৰমাত্মা দেৱতা। তেন হ্যেষা তাদাত্ম্য মনুভৱন্তী সর্বজগদ্রূপেন সর্বস্যাধিষ্ঠানত্ৱেন চাহমেৱ সর্ৱং ভৱামীতি স্বাত্মানং



চৰামি— ঘূৰি ফুৰোঁ, যাওঁ।
বিভর্মি— বহন কৰোঁ।

স্তৌতি। দ্বিতীয়া জগতী, শিষ্টাঃ সপ্ত ত্রিষ্টুভঃ। তথা চানুক্রান্তম্। অহমস্তৌ ৱাগাম্ভৃণী তুষ্টাৱাত্মানং দ্বিতীয়া জগতীতি। গতো ৱিনিয়োগঃ।

অহং সূক্তস্য দ্রষ্ট্রী ৱাগাম্ভৃণী যদ্ব্রহ্ম জগৎকাৰণং তদ্রূপা ভৱন্তী ৰুদ্রেভিঃ ৰুদ্রৈৰেকাদশভিঃ। ইথম্ভাৱে তৃতীয়া। তদাত্মনা ***চৰামি***। এবং ৱসুভিঃ ইত্যাদৌ তত্তদাত্মনা চৰামীতি য়োজ্যম্। তথা মিত্রাৱৰুনা মিত্রঞ্চ ৱৰুণঞ্চ। সুপাং সুলুক্ (৭/১/৩৯) ইতি দ্বিতীয়ায়া আকাৰঃ। উভা উভৌ অহম্ এৱ ব্রহ্মীভূতা ***বিভর্মি*** ধাৰয়ামি। ইন্দ্রাগ্নী অপি অহম্ এৱ ধাৰয়ামি। উভা উভৌ অশ্বিনা অশ্বিনৌ অপি অহম্ এৱ ধাৰয়ামি। ময়ি হি সর্বং জগচ্ছুক্তৌ ৱজত মিৱাধ্যস্তং সদ্ দৃশ্যতে। মায়া চ জগদাকাৰেণ ৱিৱর্ততে। তাদৃশ্যা মায়ায়া আধাৰ ত্ৱেনসঙ্গস্যাপি ব্রহ্মণ উক্তস্য সর্ৱস্যোপপত্তিঃ।। ১।।

অসমীয়া অনুবাদ ঃ মই ৰুদ্রসকলৰ সৈতে যাওঁ, বসুসকলৰ সৈতে যাওঁ, মই আদিত্যসকলৰ সৈতে আৰু বিশ্বদেৱসকলৰ সৈতে যাওঁ। মই ধাৰণ কৰোঁ মিত্র আৰু ৱৰুণ উভয়কে, ইন্দ্র আৰু অগ্নি দুয়োকে আৰু অশ্বিযুগলক।। ১।।

এতিয়া আপুনি তলত এই মন্ত্রটোত উল্লেখ থকা কিছুমান শব্দৰ টোকা দাঙি ধৰা হ'ল—

ৰুদ্রেভিঃ মৰুৎসকলক ৰুদ্র বুলি কোৱা হয়। কোৱা হয় যে মৰুৎসকলে ৰুদ্রৰ ঔৰশত আৰু পৃশ্নি গাভীৰ গর্ভত জন্ম গ্রহণ কৰিছিল। বৃহদ্দেৱতা (৫/৪৮)ত কৈছেঃ 'মৰুতাং তু গণস্যেতন্নাম ৰুদ্রা ইতি স্মৃতম্।' তেওঁলোকৰ সংখ্যা এঘাৰ। বিভিন্ন পুৰাণত একাদশ ৰুদ্রৰ নামৰোৰ দিয়া হৈছে ঃ বিষ্ণুপুৰাণ (১/১৫/১২৩) আৰু গৰুড় পুৰাণৰ (১/৬) মতে হৰ, বহুৰূপ, ত্র্যম্বক, অপৰাজিত, বৃষাকপি, মম্ভু, কপদী, ৰৈৱত, মৃগব্যধ, শর্ব আৰু কপালী। বেদত মৰুৎসকলকে ৰুদ্রসকল বুলি কোৱা হৈছে। কিন্তু ৰামায়নত মৰুৎসকলক কশ্যপ আৰু দিতিৰ গর্ভজাত পুত্র বোলা হৈছে। তেওঁলোকৰ সংখ্যা ৪৯।

ৱসুভিঃ —বেদত বসুসকলৰ স্থিতি স্পষ্ট নহয়। ঋগ্বেদত বসুসকলক ইন্দ্রৰ সহচৰৰূপে আৰু উত্তৰ ৱৈদিককালত তেওঁলোক অগ্নিৰ সহচৰ হৈছে। ঐতৰেয় আৰু শতপথ ব্রাহ্মণত তেওঁলোকৰ সংখ্যা আঠ। উপনিষদৰ মতে অগ্নি, পৃথিৱী, বায়ু, অন্তৰীক্ষ, আদিত্য, দ্যুলোক, চন্দ্র আৰু নক্ষত্র এয়ে অষ্টৱসু। বিষ্ণু পুৰাণ (১/১৫/১১১), কূর্মপুৰাণ (১/১৬) ৰ মতে বসুসকলৰ নাম ক্রমে আপ, ধ্রুব, সোম, ধৰ, অনিল, অনল, প্রভাস আৰু প্রত্যূষ।

আদিত্যৈঃ — অদিতিৰ গর্ভজাত পুত্রসকলকে আদিত্য বোলে। ঋগ্বেদত কেতিয়াবা সাতজন, কেতিয়াবা আঠজন আদিত্যৰ নাম পোৱা যায়। এই দেৱতাৰ গোটটোৰ মুখ্য দেৱতা ৱৰুণ। ঋগ্বেদৰ ২/২৭/১ মন্ত্রত তেওঁলোকৰ ছজনৰ নাম এনেদৰে পোৱা যায় ঃ মিত্র, অর্নিমা, ভগ, ৱৰুণ, দক্ষ আৰু অংশ। তৈতিৰীয় ব্রাহ্মণৰ মতে তেওঁলোক মৈত্র, ৱৰুণ, অর্যমা, অংশ, ভগ, ধাতা, ইন্দ্র আৰু ৱিৱস্বান্। মহাভাৰত (১/৬৫), গৰুড় পুৰাণ (১/৬), বিষ্ণুপুৰাণ (১/১৫) আৰু হৰিৱংশ মতে (১/৩/৫৯-৬১) কশ্যপৰ ঔৰসত আৰু অদিতিৰ গর্ভত জন্ম হয় নিম্নোক্ত দ্বাদশ আদিত্যৰঃ বিষ্ণু, ইন্দ্র, অর্যমা,

ধাতা, ত্বষ্টা, পূষা, বিৱস্বান্, সৱিতা, মিত্র, বৰুণ, অংশ আৰু ভগ।

বিশ্বেদেৱা ঃ — ৰুদ্র, বসু আৰু আদিত্য এই তিনি গোটৰ পাছত ইয়াৰ বাহিৰত যিসকল দেৱতা ৰ'ল সেইসকলক বুজাবলৈ বিশ্বেদেৱা গোটৰ কল্পনা কৰা হৈছিল যেন অনুমান হয়। যজ্ঞত যাতে কোনো দেৱতাই আহুতি নোপোৱাকৈ নাথাকে তাৰ বাবে সর্বব্যাপক 'বিশ্বেদেৱা' গোট (all inclusive) ৰ সৃষ্টি কৰা হৈছে। কেতিয়াবা পাছে সমস্ত দেৱতাক সামৰি ল'বলৈও ইয়াৰ ব্যৱহাৰ হৈছিল।

মিত্রৱৰুণা— ওপৰত আঠবসু, এঘাৰ ৰুদ্র আৰু দ্বাদশ আদিত্যৰ কথা কৈ শেষত বিশ্বেদেৱা— সকলো দেৱতাৰ কথা ক'লে। তাতো সন্তুষ্ট নহৈ ঋষিয়ে তিনিটা যুগল দেৱতাক তেওঁ ধাৰণ কৰা বুলি দাবী কৰিছে। ঋগ্বেদত অনেক মহলত মিত্র আৰু বৰুণক একেলগে স্তুতি কৰিছে ঋষিসকলে। একেদৰে ইন্দ্রাগ্নীকো একক হিচাপে মন্ত্রত স্তুতি কৰাৰ পাছতো ইন্দ্র আৰু অগ্নিক— ইজনে সিজনৰ সহযোগীৰূপে বহুমন্ত্রত প্রশংসিত হৈছে।

অশ্বিনা উভা— অশ্বিদ্বয় যমজ দেৱতা। বিৱস্বানৰ ঔৰসত আৰু সৱণ্যুৰ গর্ভত জন্ম হয় অশ্বিদ্বয়ৰ, যাৰ ব্যক্তিগত নাম দস্র আৰু নাসত্য।

৯.৩.২ দ্বিতীয় মন্ত্র

সংহিতা পাঠ ঃ অহং সোমমাহনসং বিভ-
ম্যহং ত্বষ্টাৰমুত পূষণং ভগম্।
অহং দধামি দ্রাবিনং হবিষ্মতে
সুপ্রাব্যেত য়জমানায় সুন্বতে।। ২।।

পদপাঠ ঃ অহম্ | সোমম্ | আহনসম্ | ৱিভর্মি।
অহম্ | ত্বষ্টাৰম্ | উত | পূষণম্ | ভগম্।
অহম্ | দধামি | দ্রৱিণম্ | হৱিষ্মতে।
সুপ্র২ব্যে য়জমানায় | সুন্বতে।। ২।।

সায়ণ ভাষ্য →আহনসম্ আহন্তব্যমভিষোতব্যং সোমম্। যদ্বা, শত্রুনামাহন্তাৰং দিৱি বর্তমানং দেৱতাত্মানং সোমম্। অহমেৰ বিভর্মি। তথাত্বষ্টাৰম্ উত অপি চ পূষনং ভগং চ অহম্ এৰ বিভর্মি। তথা হৱিষ্মতে হৱির্ভি র্যুক্তায় সুপ্রাব্যে শোভনং হৱির্দেৱানাং প্রাপয়িত্রে তর্পয়িত্রে। অৱতেস্তর্পণার্থাৎ 'অৱিতৃস্ত্বতন্ত্রিভ্য ঈঃ' (উ ৩/১৫৮) ইতীকাৰ প্রত্যয়ঃ। চতুর্থ্যেকৱচনে য়ণি 'উদাত্ত স্বৰিতয়োর্য়ণঃ স্বৰিতোৎনুদাত্তস্য' (৮/২/৪) ইতি সুপঃ স্বৰিতত্বম্। সুন্বতে সোমাভিষৱং কুর্বতে। 'শতুৰনুমঃ' (৬/১/১৭৩) ইতি চতুর্থ্যা উদাত্তত্বম্। ঈদৃশায় যজমানায় দ্রৱিণং ধনং যাগফলৰূপমহমেৰ (দধামি) ধাৰয়ামি। এতচ্চ ব্রহ্মণঃ ফলদাতৃত্বং 'ফলমেৰ উপপত্তেঃ' (ব্রহ্মসূ° ৩/২/৩৮) ইত্যধিকৰণে ভগৱতা ভাষ্যকাৰেণ সমর্থিতম্ ।। ২।।

অসমীয়া অনুবাদ ঃ ময়ে উত্তেজক সোণ ধাৰণ কৰোঁ, ময়েই ত্বষ্টা, পূষা আৰু ভগক ধাৰণ কৰোঁ। মই হৱির্দাতাজনক ধনৰত্ন দান কৰোঁ আৰু শোভম ৰক্ষাৰ উপযুক্ত সোমৰস নিষ্কাষণ কৰোঁতাক যজমানজন ধনদান কৰোঁ।। ২।।

টোকা ঃ আহনসম্— শব্দটোৰ অর্থলৈ সন্দেহ আছে। তথাপি ইয়াত উত্তেজক, উন্মত্তকাৰক অর্থ সমীচিন হ'ব পাৰে। যাস্কাচার্যই নিৰুক্তত (৪/১৬) আহননৱন্তঃ, বঞ্চনৱন্তঃ অর্থ কৱিছে। সায়ণই আহন্তব্য, আভিযোতব্য অর্থ কৱিছে। সোমৰসৰ বিশেষণৰূপে প্রথমে দিয়া অর্থ উপযুক্ত যেন লাগে।

ত্বষ্টাৰম্— আগতে দেৱতাৰ গোট আৰু যুগল দেৱতাৰ কথা কৈ ইয়াত আকৌ তিনিগৰাকী আদিত্য দেৱতাক দেৱীয়ে ধাৰণ কৰে বুলি কৈছে। তাৰ মাজত তুষ্টা প্রথম। পণ্ডিত ম্যুইৰে কয় যে ত্বষ্টা আছিল ভাৰতীয় দেৱসংঘৰ মাজত হেফৈষ্টোস বা ভালকান্। হেফৈষ্টোস আছিল গ্রীক দেৱতা জিউসৰ পুত্র আৰু কলা কুশলী। তেনেকৈ ভালকানো কমাৰৰ দৰে দেৱতা আছিল। ত্বষ্টা ভাৰতীয় দেৱতাৰ মাজত বিশ্বকর্মা আছিল। লৌকিক সাহিত্যত তেওঁক ত্রিশিৰা বিশ্বৰূপ, বৃত্রাসুৰ আৰু সৱর্ণ্যুৰ পিতৃ বুলি কৈছে।

পূষণম্— পূষা অন্যতম আদিত্য। পণ্ডিতসকলৰ মতে পূষা আছিল পশুপালকসকলৰ দেৱতা। ষষ্ঠ মণ্ডলত ভৰদ্বাজসকলে তেওঁক বিশেষভাৱে স্তুতি কৰা দেখা যায়। হৃতধন পুনঃ উদ্ধাৰৰ বাবে বৈদিক কালত পূষাক প্রার্থনা জনোৱা হৈছিল।

ভগম্— ভগ অন্যতম আদিত্য। তেওঁ সৌভাগ্যৰ অধিষ্ঠাত্রী দেৱতা বুলি কোৱা হয়। আৱেস্তাত তেওঁক 'বঘ' বোলা হৈছে।

দ্রৱিনম্— ঋগ্বেদত 'দাৱন' প্রাতিপদিকৰ লগতে 'দ্রবিণস্' বুলি আন এটা প্রাতিপদিকৰ প্রয়োগ হৈছিল। সেইবাবে ঠায়ে ঠায়ে দ্রৱিণস্যুঃ দ্রৱিণঃ, দ্রৱিণসঃ, দ্রবিনোদাঃ, দ্রৱিনোবিদ্ আদি পদ পোৱা যায়। দ্রৱিণ (দ্রু, অর্থ লৰি যোৱা) শব্দটোৱে অস্থায়ী ধন সম্পত্তিক বুজায়।

হৱিষ্মতে— হৱিষ্মৎ শব্দৰ চতুর্থী বিভক্ত্যন্ত পদ। যিজন হৱির্যুক্ত। যজমানৰ বিশেষণ।

সুপ্রাব্যে— সায়ণে ইয়াৰ মূল 'অৱ' ধাতু বুলি কৈছে। পাশ্চাত্যৰ পণ্ডিতসকলে 'বী' ধাতুৰ পৰা নিষ্পন্ন বুলি ক'ব খোজে। বী ধাতুৰ অর্থ নেতৃত্ব দিয়া। সুপ্রাবী শব্দটো ঋগ্বেদত বহুবাৰ উল্লেখিত হৈছে। আমি ইয়াক 'সুৰক্ষাৰ উপযুক্ত' অর্থত লৈছো, ভাৰতীয় মতানুসাৰে।

যজমানয় সুন্বতে— যজমান পদটোৰ সাধাৰণ অর্থ যজন-যাজন কর্তা, দেৱতার্থে যজ্ঞকর্তা। 'সুন্বৎ' শব্দৰ অর্থ সোমৰস নিষ্কাষণ কৰা যজমান। সোমৰস সোমযজ্ঞৰ, অগ্নিষ্টোমাদি যাগৰ প্রধান হব্যদ্রব্য। গতিকে ই সোমযাগ কৰা যজমানক বুজোৱাটো সম্ভৱ।

৯.৩.৩ তৃতীয় মন্ত্র

সংহিতা পাঠ ঃ অহং ৰাষ্ট্ৰী সংগমণী ৰসূনাং
চিকিতুষী প্ৰথমা যাজ্ঞিয়ানাম্।
তাং মা দেৱা ব্যদধুঃ পুৰুত্ৰা
ভূৰিস্থাত্ৰাং ভূর্য্যাৱেশয়ন্তীম্।। ৩।।

পদপাঠ ঃ অহম্ | ৰাষ্ট্ৰী | সম২গমনী | ৰসূনাম্।
চিকিতুষী | প্ৰথমা | য়জ্ঞিয়ানাম্।
তাম | মা | দেৱাঃ | ৰি | অদধুঃ | পুৰু২ত্ৰা।
ভূৰি২স্থাত্ৰাম্ | ভূৰি | আ২ৱেশয়ন্তীম্।। ৩।।

সায়ণভাষ্যম্ → অহং ৰাষ্ট্ৰী। ঈশ্বৰ-নমৈতৎ। সৰ্ৱস্য জগতঃ ঈশ্বৰী। তথা ৰসূনাম্ ধনানাং সঙ্গমনী সঙ্গময়িত্ৰী উপাসকানাং প্ৰাপয়িত্ৰী। চিকিতুষী যৎ সাক্ষাৎকৰ্তব্যং পৰং ব্ৰহ্ম তজ্ জ্ঞাতৰতী স্ৱাত্মতয়া সাক্ষাৎকৃতৰতী। অত এৱ যজ্ঞিয়ানাম্ যজ্ঞাৰ্হাণাং প্ৰথমা মুখ্যা। মা এৱং গুণ বিশিষ্টাহং তাং (মা) মাং ভূৰিস্থাত্ৰাম্ বহুভাৱেন প্ৰপঞ্চাত্মনাৱতিষ্ঠমানাম্। ভূৰি ভূৰীণি বহুনি ভূতজাতানি আৱেশয়ন্তীম্ জীৱভাৱেনাত্মানং প্ৰৱেশয়ন্তীম্ ঈদৃশীং মাং পুৰুত্ৰা বহুষু দেশেষু ব্যদধুঃ দেৱাঃ ৱিদধতি কুৰ্ৱন্তি উক্ত প্ৰকাৱেণ ৱৈশ্ৱৰূপ্যেণাৱস্থানাদ্ যদ্ যৎ কুৱন্তি তৎ সৰ্ৱং মামেৱ কুৰ্ৱন্তীত্যৰ্থঃ।। ৩।।

অসমীয়া অনুবাদ ঃ মই ৰাণী, ধনৈশ্ৱর্য সংগ্ৰহকাৰিণী (আৰু) যজ্ঞাৰ্হসকলৰ মুখ্যা জ্ঞানৰতী। তেনেগৰাকী মোক দেৱতাসকলে বহুতো ঠাইত থাকিবলৈ আৰু বহুতো ৰূপত প্ৰবেশ কৰিবলৈ নানান ঠাইত প্ৰতিষ্ঠা কৰিছে।। ৩।।

টোকা ঃ ৰাষ্ট্ৰী— ৰাজ + তৃন্। ৰাষ্ট্ৰ শব্দৰ স্ত্ৰী লিঙ্গ। এয়া ঈশ্ৱৰীৰ নাম। সকলো প্ৰাণীৰে ঈশ্ৱৰী, দেৱতাসকলৰ মানত ৰাণী, মহিষীস্ৱৰূপা।

সঙ্গমনী ৱসূনাম্— তৈত্তিৰীয় সংহিতাত কৈছে (৩/৫/১/১) নিৰেশনী সঙ্গমনী ৰসূনাং ৱিশ্ৱা ৰূপানি বসূন্যাৱেশয়ন্তী। অর্থাৎ ধন-ঐশ্ৱর্যৰ ধাৰণকর্ত্ৰী সংগ্ৰহকাৰিণী। কিছুমানে অর্থ কৰে ঃ 'যিহেতু মই ধনৈশ্ৱর্যৰ সংগ্ৰহকর্ত্ৰী, সেইবাবে মই যজ্ঞাৰ্হাসকলৰ মুখ্যা দেৱতা।'

চিকিতুষী— আত্মসাক্ষাৎকাৰিণী জ্ঞানৰতী দেৱী। ৱৈয়াকৰণসকলে কয় যে দুটা সমার্থক ধাতু আছে, (১) চিতীসংজ্ঞানে (১/৩৯) আৰু কিন্তু জ্ঞানে (৩/২০) চিকিতুষীৰ ধাতুমূল দ্বিতীয়টো।

ব্যদধু ঃ পুৰুত্ৰা— এই খণ্ড ৰাক্যটো ঋ° ১০/৭১/৩ ঋকটোতো পোৱা যায় ঃ তামাভৃণ্যা ব্যুদধুঃ পুৰুত্ৰা তাং সপ্তৱেভা অভি সং নৱন্তে।। তেওঁলোকে তেওঁক আনিছিল আৰু নানান ঠাইত স্থাপিত কৰিছিল আৰু সাতজন গায়কে তেওঁক নানানভাৱে সুৰ দিবলৈ দিছিল।

পুৰুত্রা— 'ত্র' আৰু 'ত্রা' প্রায় একে অর্থতে প্রযুক্ত হয়। 'ত্রা' উদাত্ত স্বৰ যুক্ত 'ত্র'ত স্বৰ নাই। পুৰু২ত্রা আৰু পুৰুত্র পদপাঠত ইয়াৰ প্রথমটো পদত 'ত্রা'ক অৱগ্রহৰে 'পুৰু'ৰ পৰা পৃথক কৰা হৈছে, 'ত্র'টো পৃথক কৰা নহয়। পুৰুৰ অর্থ বহু।

ভূৰিস্থাত্রাম্— বেংকটমাধৱে অর্থ কৰিছে 'বহুস্থানাম্'; সায়নে কৈছে 'বহুভাৱেন প্রপঞ্চাত্মনাৱতিষ্ঠমানাম্'। 'বহুভাৱেন প্রপঞ্চাত্মনা কৃতাৱস্থানাম্' (অথর্ব)। বহু ঠাইত যাক প্রতিষ্ঠা কৰা হয়। দেৱীয়ে আত্মস্বৰূপে নান ঠাইত বিৰাজ কৰে।

ভূৰি + আৱেশয়ন্তীম্ — অথর্ববেদত আছে 'আৱেশয়ন্ত'ঃ। নানাভাৱে যাক আৱেশ কৰোৱা হয়; আৱেশিত হয়। আত্মৰূপে অনেকতে আৱেশিত হৈ থাকে।

৯.৩.৪ চতুর্থ মন্ত্র

সংহিতা পাঠ ঃ ময়া সো অন্নমতি যো ৱিপশ্যতি
য়ঃ প্রাণিতি য ঈং শৃণোত্যুক্তম্।
অমন্তৱো মাং ত উপ ক্ষিয়ন্তি
শ্রুধি শ্রুত শ্রদ্ধিৱং তে বদামি।। ৪।।

পদপাঠ ঃ ময়া | মঃ | অন্নম্ | অতি | যঃ | ৱি২পশ্যতি।
যঃ |প্রাণিতি | যঃ | ঈম্ | শৃণোতি | উক্তম্।
অমন্তর্ৱঃ | মাম্ | তে | উপ | ক্ষিয়ন্তি।
শ্রুধি | শ্রুত | শ্রিদ্ধিহৱম্ | তে | ৱদামি।। ৪।।

সায়ণভাষ্যম্ —য়ঃ অন্নমত্তি সঃ ভোক্তৃশক্তিৰূপয়া ময়া এৱ অন্নমত্তি। যঃ চ ৱিপশ্যতি আলোকয়তীত্যর্থঃ।যঃ চ প্রাণিতি শ্বাসোচ্ছ্বাসাদিৱ্যাপা�ৱং কৰোতি সোহপি ময়ৈৱ। যঃ চ (ঈম্) উক্তং শৃণোতি। শ্রু শ্রৱণে (ধা° ১/৯২৪) 'শ্রুৱঃ শৃ চ' (৩/১/৭৪) ইতি শ্নুপ্রত্যয়ঃ। ধাতোঃ শৃ-ভাৱশ্চ। য ঈদশীমন্তযামিৰূপেন স্থিতাং মাং ন জানন্তি তে মাম্ অমন্তৱঃ অমন্যমানা অজানন্ত উপক্ষিয়ন্তি উপক্ষীণাঃ সংসাৱেণ হীনা ভৱন্তি। মনেৰৌণাদিকস্তু প্রত্যয়ঃ। নঞ সমাসে ৱ্যত্যয়েনান্তোদাত্তত্বম্। যদ্ৱাভাৱে তু-প্রত্যয়ঃ

ততো বহুব্রীহৌ নঞ্সুভ্যাম্ (৬/২/১৭২) ইত্যুত্তৰ পদান্তো দাত্তত্বম্। মাম্ অমন্তৱঃ মদ্ৱিষয়জ্ঞানৱহিতা ইত্যর্থঃ। হে শ্রুত বিশ্রুত সখে, শ্রুধি ময়া ৱক্ষ্যমাণং শৃণু। ছান্দসো ৱিকৰণস্য লুক্। শ্রুশৃণুপৃকৃৱৃভ্যঃ (৬/৪/১০২) ইতি হের্ধিভাৱঃ। কিং তচ্ছ্রোতৱ্যম্? শ্রদ্ধিৱম্। শ্রদ্ধিঃ শ্রদ্ধা তয়া যুক্তম। শ্রদ্ধায়ত্নেন লভ্যমিত্যর্থঃ। 'শ্রদন্তৱোৰুপসর্গৱদৱতিৱিষ্যতে (৩/৩/১০৬ কা°) ইতি শ্রচ্ছব্দস্যোপসর্গৱদ্ ৱর্তমানত্ৱাৎ

'উৎসর্গে ঘোঃ কিঃ (৩/৩/৯২) ইতি কি প্রত্যয়ঃ। মত্বথীয়ো ৱঃ। ঈদৃশং ব্রহ্মাত্মকং বস্তু তে তুভ্যং বদামি উপদিশামি।। ৪।।

অসমীয়া অনুবাদ ঃ যিজনে উশাহ লয়, যিজনে শুনিবলগীয়াটো শুনে আৰু যিজনে দেখা পায় তেওঁ মোৰ দ্বাৰা অন্ন (খাদ্য) খায়। সেই অজ্ঞসকলেও মোতে বসতি কৰে; হে বিশ্রুত জন তুমি শুনা। যি শ্রদ্ধেয় তাকে মই কওঁ।। ৪।।

ময়া সো অন্নমতি— ইয়াত এটা যঃ পদ আনি বিন্যাস কৰিব লাগে ঃ যঃ ময়া অন্নম্ অত্তি সঃ, যিজনে মোৰ জৰিয়তে অন্ন ভক্ষণ কৰে।

ৱিপশ্যতি— তু° যো বিশ্বাভি বিপশ্যতি ভুৱনা সং চ পশ্যতি, ১০/১৮৭/৪; যিজনে সকলোৰে চায় তেওঁ সকলো ভুৱন সম্যকৰূপে দেখা পায়।

প্রাণিতি— (অথর্ব প্রানতি); কিন্তু প্রাণিতি শব্দৰ ব্যৱহাৰ অধিক দেখা যায়।

অমন্ত্রৱ ঃ — ১০/২২/৮ মন্ত্রত 'অমন্ত' দেখা যায়—

অকর্মা দস্যুৰভি নো অমন্তৱণ্যব্রতো অমানুষঃ, অর্থাৎ আমাৰ চাৰিওফালে অকর্মা, অনর্থক, অমানুষ, ব্রতহীন দস্যুসকল থাকে। অমন্তজন অজ্ঞানী।

ক্ষিয়ন্তি— বসতি কৰে। ক্ষি ধাতু ভ্বাদি, অদাদি,

তুদাদি আৰু ক্র্যাদি— গণত অন্তর্ভুক্তৰূপে বেদত পোৱা যায়।

শ্রুধি— শুনা, ইয়াৰ অন্তিম স্বৰ দীর্ঘ হোৱা দেখা গৈছে ঋ° ২/৬/১ মন্ত্রত; শ্রুধী গিৱঃ।

শ্রুত — ৱেঙ্ক টমাধৱে অর্থ কৰিছে 'শ্রোতঃ'। সায়ণে কৈছে— বিশ্রুত। বৈদিক কালত বেদক শ্রুতি বোলা হৈছিল। বহুশ্রুতজনক বহুবিদ্বান বোলা হৈছে। গুৰুৰ মুখে শাস্ত্র শুনি বিদ্বান্ লোক 'শ্রুত' বিখ্যাত পদবাচ্য হৈছিল।

শ্রদ্ধিৱম্— বিশ্বাসযোগ্য, শ্রদ্ধেয়। স্রৎ শব্দৰ অর্থ হৃদয় বা অন্তঃকৰণ। শ্রৎ অস্মৈধত্ত (২/১২/৫) দ্র°। হৃদয়স্থ কৰা।

৯.৩.৫ পঞ্চম মন্ত্র

সংহিতা পাঠ ঃ অহমেৱ স্বয়মিদং ৱদামি
জুষ্টং দেৱেভিৰুত মানুষেভিঃ।
যং কাময়ে তংতমুগ্রং কৃনোমি
তং ব্রহ্মাণং তমৃষিং তং সুমেধাম্।। ৫।।

পদপাঠ ঃ অহম্ | এৱ | স্বয়ম্ | ইদম্ | ৱদামি।
জুষ্টম্ | দেৱেৰ্ভিঃ | উত | মানুষেভিঃ।
যম্ | কাময়ে | তম্২তম্ | উগ্রম্ | কৃনোমি।
তম্ | ব্রহ্মাণম্ | তম্ | ঋষিম্ | তম্ | সু২মেধাম্ ।। ৫।।

সায়ণভাষ্যম্ -অহং স্বয়মেৱ ঈদম্ বস্তু ব্রহ্মাত্মকং ৱদামি উপদিশামি। দেৱেভিঃ দেৱৈৰিন্দ্রাদিভিৰপি জুষ্টম্ সেৱিতম্। উত অপ চ মানুষেভিঃ মনুষ্যৈৰপি জুষ্টম্। ঈদৃগ্থ

স্ত্বাত্মিকাহং কাময়ে যং পুৰুষং ৰক্ষিতুমহং বাঞ্ছামি তংতম্ পুৰুষম্ উগ্রং কৃণোমি সর্ৱেভ্যো২ধিকং কৰোমি। তম্ এৱ ব্রহ্মানম্ স্রষ্টাৰং কৰোমি। তম্ এৱ ঋষিম্ অতীন্দ্রিয়ার্থ দর্শিনং কৰোমি। তম্ এৱ সুমেধাম্ শোভনপ্রজ্ঞং চ কৰোমি ।। ৫।।

অসমীয়া অনুবাদ ঃ দেৱতাসকলে আৰু মানুহসকলে সেৱন কৰা এই (ব্রহ্মাত্মক) বস্তু মই নিজে কওঁ। মই যাকে কামনা কৰোঁ সেই জনক উগ্র ব্রহ্মজ্ঞ, সেই জনক ঋষি আৰু সেইজনক শোভন প্রজ্ঞ কৰোঁ।। ৫।।

টোকা ঃ জুষ্টম্— অন্য ক্রিয়াত্মক ৰূপৰ কোনো অক্ষৰো উদত্ত নাথাকে যদিও, জুষ্ট শব্দটোত স্ৱৰাঙ্কন নকৰি থকা নাই, ইয়াৰ প্রথম অক্ষৰ উদাত্ত হৈছে। অর্থ সেৱিত।

ৱদামি— কওঁ, উপদেশ দিওঁ।

দেৱেভিৰুত মানুষেভিঃ— অথর্ৱবেদত আছে দেৱানামুত মানুষাণাম্। দেৱৈঃ অপি চ মানুষৈঃ সাধাৰণ পর্যায় বাচক। ঋগ্বেদত ভিস্ আৰু ঐস্ দুয়োটা প্রত্যয়ৰ সমানে ব্যৱহাৰ হয় অকাৰান্ত শব্দৰ ৰূপত।

যং কাময়ে— যাক কামনা কৰোঁ।

তংতম্— যং পদৰ বিপৰীতে তম্ তম্ পদৰ পুনৰুক্তি হৈছে।

ব্রহ্মানম্— অধ্যক্ষতা কৰা ঋত্বিক্। তুলনা কৰক— তমেৰ ঋষিং তমু ব্রহ্মাণমাহুর্যজ্ঞন্যং সামগামুক্থশাসম্ ঋক্বেদ ১০।১০৭।৬।।

ঋষিম্— ক্রান্তদর্শী কবি।

৯.৩.৬ ষষ্ঠ মন্ত্র

সংহিতা পাঠ ঃ অহং ৰুদ্রায় ধনুৰা র্তনোমি
ব্রহ্মদ্বিষে শৰৱে হন্তৱা উ।
অহং জনয়ে সমদং কৃণো
ম্যহং দ্যাৱাপৃথিৱী আ ৱিৱেশ।। ৬।।

পদপাঠ ঃ অহম্ | ৰুদ্রায় | ধনুঃ আ |তনোমি।
ব্রহ্মা২দ্বিষে | শৰৱে | হন্তৱৈ | উঁ ইতি।
অহম্ | জনায় | স২মদম্ | কৃণোমি।
অহম্ | দ্যাৱাপৃথিৱী ইতি | আ | ৱিৱেশ।। ৬।।

সায়ণভাষ্যম্ — পুৰা ত্রিপুৰবিজয়েসময়ে ৰুদ্রায় ৰুদ্রস্য।

ষষ্ঠ্যর্থে চতুর্থী (২/৩/৬২/১)। মহাদেৱস্য ধনুঃ চাপম্ অহম্ আতনোমি জ্যয়াততং কৰোমি। কিমর্থম্? ব্রহ্মদ্বিষে ব্রাহ্মণানাং দ্ৱেষ্টাৰং শৰৱে শৰুং হিংসকং ত্রিপুৰানিৱাসিনমসুৰং হন্তৱৈ হন্তুং হিংসিতুম্ হন্তেঃ 'তুমর্থে সে-সেন' (৩/৪/৯) ইতি তৱৈ প্রত্যয়ঃ (পা ° ৩/৪/৯)। অন্তশ্চ তৱৈ যুগপৎ (৬/১/১০০) ইত্যাদ্যন্তযোর্যুগপদুদাত্তত্বম্। শৃ হিংসায়াম্ (ধা° ৯।১৬) ইত্যস্মাৎ 'শৃস্ৱস্নিহি' (উ° ১/১১) ইত্যাদিনা উ-

প্রত্যয়ঃ। 'ক্রিয়াগ্রহণং কর্তব্যম্' (১/৪/৩২ ভা°)। ইতি কর্মণঃ সম্প্রদানত্বাচ্চতুর্থী। উঃশব্দঃ পূৱকঃ। অহম্ এৱ সমদম্। সমানং মাদ্যন্ত্যস্মিন্ (?) ইতি সমৎ সংগ্রামঃ স্তোতৃজনার্থং শত্রুভিঃ সহ সংগ্রাম-মহমেৱ কৃণোমি কৱোমি। তথা দ্যাৱাপৃথিৱী দিৱশ্চ পৃথিৱীঞ্চ অন্তর্যামিতয়া অহমেৱ আৱিৱেশ প্রবিষ্টৱতী।। ৬।।

অসমীয়া অনুবাদ ঃ ব্রহ্মৱিদ্বেষীজনক শৱেৱে মাৱিবলৈ মই ৰুদ্রৰ ধনুৰ জ্যা আকর্ষণ কৰোঁ। স্তোতাজনৰ ৰক্ষার্থে মই সংগ্রাম কৰোঁ আৰু মই (অন্তর্যামীৰূপে) দ্যুলোক আৰু ভূলোকত প্রবেশ কৰোঁ।। ৬।।

টোকা ঃ ৰুদ্রায় — ৰুদ্রৰ, ষষ্ঠীৰ অর্থত চতুর্থী হৈছে। ৰুদ্রৰ ধনু পিনাক নামে বিখ্যাত, সেয়ে ৰুদ্রক পিনাকী বা পিনাক পাণি বোলে।

ৰুদ্রায় ধনুৰাতনোমি— অর্থাৎ যিজন ৰুদ্র দেৱতা সুখ্যাত ধনুর্ধৰ বুলি বিৰাজ কৰে তেওঁৰ সেই ক্ষমতাৰ মূলতে মই, মইহে তেওঁৰ আত্মাত থাকি সুপ্রশস্ত পিনাক ধনুৰ জ্যা আকর্ষণ কৰোঁ।

ব্রহ্মদ্বিষে — হন্তৱৈৰ কর্ম। তুমর্থত চতুর্থী হৈছে। তুলনীয় দৃশয়ে সূর্যায় (১০/১৪/১২)।

হন্তৱৈ— অর্থ হন্তুম্, মাৱিবলৈ, বধ কৰিবলৈ। তুমর্থে সেসেন্ এই সূত্রৰ দ্বাৰা হন্ ধাতুত তৱৈ প্রত্যয় হৈছে।

আৱিৱেশ— প্ররেশ কৰোঁ — এয়ে অর্থ। আ- বিশ্ লিট্ (বেদত বর্তমান কালত লিট্ হৈছে) প্রথমপুৰুষ একবচন।

সমদম্— সমৰ, সংগ্রাম। সংবৃক্ সমৎসু— (২/১২/৩)।

অহং জনায় সমদং কৃণোমি— ২।১২।৩ ঋকত ইন্দ্রই ভক্তৰ প্রীতিৰ বাবে কৰা সংগ্রামৰ দৰে ইয়াত দেৱীৰ মানুহৰ বাবে কৰা সংগ্রামৰ কথা কোৱা হৈছে।

দ্যাৱা পৃথিৱী আৱিৱেশ— দেৱীয়ে দ্যুলোক আৰু ভূলোকক আৱৰি আছে।

৯.৩.৭ সপ্তম মন্ত্র

সংহিতা পাঠ ঃ অহং সুৱে পিতৰমস্য মূর্ধ
ন্মম য়োনিৰপস্ব ১ন্তঃ সমুদ্রে।
ততো ৱি তিষ্ঠে ভুৱনানু বিশ্বো-
তামূং দ্যাং ৱর্ষ্মণোপ স্পৃশামি।। ৭।।

পদপাঠ ঃ অহম্ | সুৱে | পিতৰম্ | অস্য | মূর্ধন্।
মম | যোনিঃ | অপৎসু | অন্তৱিতি | সমুদ্রে।
তত | ৱি | তিষ্ঠে | ভুৱনা | অনু | ৱিশ্বা।
উত | অমূম্ | দ্যাম্ৱর্ষ্মণা | উপ | স্পৃশামি।।৭।।

সায়ণভাষ্যম্ ঃ 'দ্যৌঃ পিতা' (তৈত্রিৰীয়ব্রাহ্মণ ৩।৭।৫।৫) ইতি শ্রুতেঃ পিতা দ্যৌঃ। পিতৰম্ দিৱম্ অহং সুৱে প্রসুৱে জনয়ামি, 'আত্মন আকাশঃ সম্ভূতঃ (তৈত্তিৰীয় আৰণ্যক

৬।১) ইতি শ্রুতেঃ কুত্রেতি তদাহ— অস্য পৰমাত্মনে মূধন্ মূর্ধনি উপৰি। কাৰণভূতে তস্মিন্ হি ৱিয়দাদিকার্যজাতং সর্ৱং ৱর্ততে, তন্তুষু পট ইৱ। মম চ যোনিঃ কাৰণং সমুদ্রে। সমুদ্র দ্রৱন্ত্যস্মাদ্ ভূতজাতানীতি সমুদ্রঃ পৰমাত্মা। তস্মিন্নৎসু ব্যাপনশীলাসু ধীৱৃত্তি ষ্ৱন্তর্মধ্যে যদ্ব্রহ্ম চৈতন্যং তন্মম কাৰণমিত্যর্থঃ যত ঈদৃগ্ভূতাহমস্মি ততো হেতোৰ্ৱিশ্ৱা ৱিশ্ৱানি সর্ৱানি ভুৱনানি ভূতজাতান্যনু প্রৱিশ্য ৱিতিষ্ঠে বিবিধং ব্যাপ্য তিষ্ঠামি। সমৱ প্রৱিভ্যঃ স্থ ইত্যাত্মনেপদম্ (পাং ১।৩।২২)। উত অপি চ অমূং দ্যাং ৱিপ্রকৃষ্ট দেশে২ৱস্থিতং স্ৱর্গলোকম্। উপলক্ষণমেতৎ। এতদুপলক্ষিতং কৃৎস্নং ৱিকাৰজাতং ৱর্ষ্মণা মায়াত্মকেন মদীয়েন দেহেন উপস্পৃশামি। যদ্ৱা। অস্য ভূলোকস্য মূর্ধন্ মূর্ধানি উপৰি অহং পিত্তৰমাকাশং সুৱে। সমুদ্রে জলধৌ অপ্সু উদকেষু অন্তর্মধ্যে মম যোনিঃ কাৰণভূতোহম্ভৃণখ্যে ঋষির্ৱর্ততে। যদ্ৱা। সমুদ্রে২ন্তৰিক্ষেৎ প্সু অপ্সুয়েষু দেৱশৰীৱেষু মম কাৰণভূতং ব্রহ্ম চৈতন্যং ৱর্ততে। ততোৎহং কাৰণত্মিকা সতী সর্ৱানি ভুৱনানি ব্যাপ্নোমি। অন্যৎ সমানম্।। ৭।।

অসমীয়া অনুবাদ ঃ এই জগতৰ মূধচত মই পিতৃক প্রসৱ কৰিছো, মোৰ গৃহ সাগৰৰ পানীৰ মাজত, তাতে থাকিয়েই মই সকলো ভুৱন বিস্তাৰ কৰোঁ আৰু মই মূৱেৰে সেই আকাশ স্পর্শ কৰোঁ।। ৭।।

টোকা ঃ সুৱে— প্রসৱ কৰোঁ, জন্ম দিওঁ।

পিতৰম্ — দিৱ বা দ্যুলোক, আকাশ, অধ্যক্ষ।

অস্য মূর্ধন্— অস্য মূর্ধানি, এই জগতৰ মূধচত।

মম যোনিঃ— মোৰ ঘৰ, বাসস্থান, গুৰি, মূল কাৰণ।

অস্সু অন্তঃ — পানীৰ মাজত।

সমুদ্রে— সাগৰত। জলধিত।

ততঃ — তাৰ পৰা, সাগৰৰ মাজত থকা বাসস্থানৰ পৰা।

ৱিতিষ্ঠে— বিস্তাৰ কৰোঁ, ব্যাপ্ত কৰোঁ।

বিশ্বা ভূৱনানি— সকলো জগত।

ৱর্ষ্মণা— মায়াত্মক মোৰ দেহেৰে (সাৱণ)।

অমূম্ দ্যাম্— সেই দ্যুলোকক।

৯.৩.৮ অষ্টম মন্ত্র

সংহিতা পাঠ ঃ অহমের ৱাতইৱ প্র ৱা
ম্যাৰভমানা ভুৱনানি ৱিশ্ৱা।
পৰো দিৱা পৰ এমা পৃথি
ৱ্যৈতাৱতী মহিনা সং বভূৱ।। ৮।।

পদপাঠ ঃ অহম্। এৱ|ৱাতঃ২ইৱ|প্র|ৱামি।

আৎৱভমানা|ভুৱনানি|ৱিশ্ৱা।
পৱঃ|দিৱা। পৱঃ|এনা|পৃথিৱ্যা।
ত্রতাৱতী|মহিনা|সম্|ৱভূৱ।।৮।।

সায়ণভাষ্যম্- ৱিশ্ৱা ৱিশ্ৱানি সর্ৱাণি ভুৱনানি ভূতজাতানি কার্যাণি আৱভমাণা কাৱণ ৱপেণো২পাদয়ন্তী অহমের পৱেণানধিষ্ঠিতা স্ৱয়মের প্রৱামি প্রৱর্তে ৱাতে ইৱ। যথাৱাতঃ পৱেণাপ্রেৱিতঃ সন্ স্ৱেচ্ছয়ৈৱ প্রৱাতি তদ্ৱত্। উক্তং সর্ৱং নিগময়তি। পৱো দিৱা। পৱ ইতি সকাৱান্তং পৱস্তাদিত্যর্থে ৱর্ততে, যথাধ ইত্যধস্তাদর্থে। তদ্যোগে চ তৃতীয়া সর্ৱত্র দৃশ্যতে। দিৱ আকাশস্য পৱস্তাৎ। এনা পৃথিৱ্যা দ্বিতীয়াটৌস্স্ৱেনঃ (২।৪।৩৪) ইতীদম্ এনাদেশঃ। অস্যাঃ পৃথিৱ্যাঃ পৱঃ পৱস্তাৎ। দ্যাৱাপৃথিৱ্যোৱুপাদানমু পলক্ষণম্। এতদু পলক্ষিতাৎ সর্ৱস্মাদ্ ৱিকাৱজাতাৎ পৱস্তাদ্ ৱর্তমানাসঙ্গোদাসীন কূটস্থব্রহ্মচৈতন্যৱপাহং মহিনা মহিম্না এতাৱতী সংৱভূৱ। এতচ্ছব্দেনোক্তং সর্ৱং পৱামৃশ্যতে। (এতাৱতী)। এতৎ পৱিমাণমস্যাঃ। 'যত্তদেতেভ্য পৱিমাণে (৫।২।৩৯) ইতি ৱতুপ্। 'আ সর্ৱনাম্নঃ' (৬।৩।৯) ইত্যত্ৱেম্। সর্ৱজগদাত্মনাহং সম্ভূতাস্মি। (মহিনা) মহচ্ছব্দাদিমনিচি টেঃ' (৬।৪।১৫৫) ইতি টিলোপঃ। ততঃ তৃতীয়ায়াম্ উদত্তে— নিৱৃত্তিস্ৱৱেণ তস্যা উদাত্তত্ৱম্। ছান্দসো মলোপঃ।।৮।।

অসমীয়া অনুবাদ ঃ সকলো প্রাণীজাতকে কাৱণৱপে উৎপাদন কৰি মই নিজে বতাহৰ দৰে প্রৱাহিত হওঁ। দ্যুলোক আৰু ভূলোকৰ আঁতৰত থাকি এনেকুৱা মই নিজ মহত্ত্বে সকলোকে সম্যকভাৱে বিস্তাৰ কৰোঁ।।৮।।

টোকা ঃ বাত ইৱ— বতাহৰ দৰে (প্রৱাহিত হওঁ)। বতাহ বিৱামহীনভাৱে বলি থাকে। দেৱী চিৰ প্রৱাহমানা হৈ সৃষ্টি বিস্তাৰ কৰে।

আৱভমানা— সংস্তম্ভয়ন্তী (ৱেঙ্কটমাধৱ)। কাৱণ ৱপেন উৎপাদয়ন্তী (সায়ণ); সকলোকে সামৰি লৈ। পৱো দিৱা ইত্যাদি— তুলনা কৰক ঃ পৱো দিৱা পৱ নো পৃথিৱ্যা পৱো দেৱেভিৰ সুৱৈর্যদস্তি (ঋগ্ৱেদ ১০।৮৫।৫)। পৱস্তাৎ— আঁতৰত।

দিৱা — অথর্ৱবেদত 'দিৱঃ' আছে। পৱস্, অৱস্, অর্ৱাক আদিৰ যোগত অপাদান আৰু কৰণ কাৰক হয়।

মহিনা— মহিম্না। বেদৰ প্রাচীন ভাগত মনু ভাগান্ত বহু শব্দ আছে, য'ত তৃতীয়া বিভক্তিত ম'টো নাথাকে।।৮।।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ ঋগ্ৱেদৰ এই সূক্তটোক কিয় দেৱীসূক্ত বোলা হয়?

.....

প্রশ্ন নং ২ঃ আধ্যাত্মিক সূক্ত বুলিলে কি বুজে?

.....

প্রশ্ন নং ৩ঃ দেৱীসূক্তৰ ঋষি কোন?

.....

প্রশ্ন নং ৪ঃ সূক্তটোৰ দেৱতা আৰু ছন্দ কি?

.....

প্রশ্ন নং ৫ঃ সূক্তটোত উল্লেখ কৰা দেৱতা গোটকেইটাৰ নাম লিখক।

.....

প্রশ্ন নং ৬ঃ সুক্তটোত উল্লেখ কৰা যুগ্ম দেৱতাসকলৰ নাম লিখক।

.....

প্রশ্ন নং ৭ঃ সূক্তটোত উল্লেখ কৰা একক দেৱতাসকলৰ নাম লিখক।

.....



জানি থোৱা ভাল

দেৱী সূক্তটোৰ ঋগ্বেদৰ ইংৰাজী অনুবাদ কৰিছে উইলচনে আৰু গ্রিফীথে; লুডৱিক, গ্রাস মান আৰু গেল্ডনাৰে জার্মান ভাষাত অনুবাদ কৰিছে। লেঙ্গলোৱে ফৰাছীত অনুবাদ কৰিছে। এইসকল বিদেশী অনুবাদকে সমস্ত ঋগ্বেদ নিজ নিজ ভাষাত অনুবাদ কৰিছে। তাত দেৱী সূক্তৰো অনুবাদ অন্তর্ভুক্ত হৈছে।

তদুপৰি হেনৰী কোলব্রুক, গেল্ডনাৰ আৰু কয়েগীয় অন্যত্র অনুবাদ কৰিছে। মাক্সমুইলাৰে 'বেদান্ত ফিলচফী' পুথিত ইয়াৰ অনুবাদ কৰিছে।

৯.৪ সাধাৰণ আলোচনা

বৈদিক পৰম্পৰা অনুসৰি ঋগ্বেদৰ এই (১০।১২৫) সূক্তটোত বাগ্‌দেৱীয়ে নিজে নিজৰ মহিমা বা মহত্ত্বৰ গুণানুকীর্তন কৰিছে। নিৰুক্তত কৈছে উত্তম পুৰুষত বর্ণিত সূক্তক আধ্যাত্মিক সূক্ত বোলা হয়। ইয়াত বাক্ দেৱীৰ সর্বময় কর্তৃত্ব বর্ণনা কৰা হৈছে। ঋগ্বেদৰ ১০।৭১ সূক্তটোতো বাগ্ দেৱতাৰ স্তুতি কৰা হৈছে। সম্ভৱতঃ এই সূক্ত দুটাৰ বর্ণনাৰ পৰা 'শব্দ ব্রহ্ম'ৰ ধাৰণা সৃষ্টি হৈছে।

দেৱী সূক্তৰ প্রাৰম্ভতে দেৱীয়ে ৰুদ্রসকল, বসুসকল, আদিত্যদেৱতাসকলক নিজৰ অনুচৰ বুলি কৈছে। তাৰ পাছতে মিত্রাৱৰুণ, ইন্দ্রাগ্নী, অশ্বিদ্বয়ক নিজৰ অনুচৰ বুলি কৈছে। তাৰ পাছতে দেৱীয়ে দাবী কৰি কৈছে যে সোম, পূষা আৰু ভগৰ দৰে আদিত্যসকলকো তেওঁ ধাৰণ কৰে। তেওঁ ধন সম্পত্তিৰ সংগ্রহ কর্মী। তেওঁ যেনেকৈ ধন সংগ্রহ কৰে উপযুক্ত ভক্তসকলৰ মাজত প্রচুৰ ধন বিতৰণো কৰে (বিত্তং ত্যাগ সমেতম্?)।

দেৱতাসকলে তেওঁক নানা স্থানত স্থাপিত কৰিছে। তেওঁ জগতৰ সর্বত্র বিৰাজমানা আৰু সকলোৰে অন্তৰত তেওঁ প্রবিষ্ট। তেওঁৰ সহায়তে জীৱই খায়, উশাহ লয় আৰু দেখা পায়।

অজ্ঞলোক সকলো তেওঁৰ আশ্রয়তে বাস কৰে। তেওঁ মানৱক বিশ্বসনীয় উপদেশ দিয়ে। তেওঁ যি কয় সেয়া দেৱতা আৰু মানুহৰ মনোগ্রাহী হয়। তেওঁৰ প্রতি বিশ্বস্ত আৰু ভক্তসকলৰ যাকে তেওঁ পচন্দ কৰে তাকে ব্রহ্মজ্ঞ, ঋষি আৰু বুদ্ধিমন্ত কৰে।

নিজৰ স্থিতি স্পষ্ট কৰি দেৱীয়ে কয় যে তেওঁ ব্রহ্মদ্বেষীসকলক বধিবলৈ ৰুদ্রৰ ধনুৰ জ্যা আকর্ষণ কৰে আৰু প্রজাসাধাৱণৰ ৰক্ষাৰ হকে সমৰত অৱতীর্ণ হয়; লাগিলে দ্যাৱা পৃথিৱীৰ যতে আৱশ্যক ততে প্রৱেশ কৰে।

তেওঁ দৃঢ়তাৰে কয় যে তেওঁ জগতৰ শীর্ষ বিন্দুত পিতৃক প্রসৱ কৰে। তেওঁৰ বাসস্থান সাগৰৰ পানীৰ মাজত। তাত থাকি তেওঁ ত্রিভুৱনৰ বিস্তাৰ কৰে। তেওঁ শিৰেৰে স্বর্গ স্পর্শ কৰে। এই খিনিতে কৈ থোৱা ভাল যে দক্ষৰ জীয়ৰী অদিতি, তেওঁৰ পুত্রসকল আদিত্য নামে জনাজাত; আকৌ সেই অদিতিসকলৰ অন্যতম হৈছে দক্ষ প্রজাপতি। এইটো কেনেকৈ সম্ভৱ? তাৰ ব্যাখ্যা এয়ে, আজি কন্যা হৈ জন্মিছে যিজনী, তেওঁ কাইলৈ কাৰোবাৰ মাতৃ হ'ব। ব্রাহ্মণৰ ঠায়ে ঠায়ে এনে কথা পোৱা যায় যে 'যঃ এবং বেদ সঃ পিতুঃ পিতাসৎ।'

দেৱীয়ে আৰু কয় যে 'তেওঁ বতাহৰ দৰে চিৰ প্রৱাহমানা, আৰু তেওঁৰ মহিমাই দ্যুলোক ভূলোককো চেৰ পেলাই যায়।

পৰম্পৰা মতে বাক্ দেৱী অম্ভৃণ নামে মহর্ষিৰ কন্যা। এই সূক্তটো দুর্গা পূজাৰ চণ্ডীপাঠৰ লগতে পঠনীয়। চণ্ডীত দেৱীক মহালক্ষ্মী, মহাসৰস্বতী আৰু মহাকালীৰূপে স্তুতি কৰা হৈছে। ঋগ্বেদৰ বাগ্‌দেৱী গৰাকী বেদোত্তৰ সাহিত্যত সৰস্বতী বা মহাসৰস্বতীৰূপে লীন হৈ গৈছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৮ঃ বাগ্‌দেৱীৰ পিতৃ পৰিচয় কি?

.....

প্রশ্ন নং ৯ঃ বাক্ সম্বন্ধে ৰচিত অন্য সূক্ত কি?

.....

প্রশ্ন নং ১০ঃ দেৱীসূক্ত কি ধর্মীয় অনুষ্ঠানত পাঠ কৰা হয়?

.....



৯.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টিৰ পৰা আমি শিকিলোঁ যে—

- দেৱী সূক্তটো ঋগ্বেদৰ সহস্রাধিক সূক্তৰ মাজত এটা বিখ্যাত সূক্ত।
- ৱাগ্বেদী সূক্তটোৰ ঋষিকা আৰু স্বয়ং দেৱতা। সেয়ে সূক্তটো 'দেৱীসূক্ত' নামে নামাঙ্কিত

হৈছে।

- সূক্তটোত প্রধান দেৱতা, যুগ্ম দেৱতা আৰু দেৱতা গোষ্ঠীবোৰক দেৱীয়ে নিজৰ অনুচৰ আৰু অধীন বুলি কৈছে।
- সূক্তটোৰ সপ্তম মন্ত্রটোত নিজকে পিতৃৰো মাতৃ, প্রসবিতা বুলি কৈ মাতৃৰ মর্যাদা দাবী কৰিছে।
- এঠাইত তেওঁ নিজকে বতাহৰ দৰে প্রৱাহমানা বুলি কৈছে আৰু তেওঁৰ মহিমাই দ্যুলোক ভূলোকৰো অতীত বুলি দাবী কৰিছে।



৯.৬ অধিক জানিবলৈ

১) Chatterji, Kshitish Chandra (ed. by), (1955). *Vedic Selection, Part II*, Calcutta : Calcutta University.

২) Peterson, Peter Peter (ed.), (1974). *Hymns from the Rgveda*, Poone : Bhandarkar Oriental Research Institute.

৩) R. Ksuktasati, (ed.), (1972). *Hari Damodar Velankar*, Bombay : Bharatiya Vidya Bhavan.

৪) Griffith, R. T. H. (Translated) (1973). *The Hymns of the Rgveda*, Delhi : Motilal Banrsidass.

৫) বিশ্বেশ্বৰানন্দ, বিশ্ববন্ধু (২০২২)। *ঋগ্বেদ, ৭ম খণ্ড*, বৈদিক শোধ্সংস্থানম্।

৬) বৰদলৈ, নির্মলপ্রভা, (১৯৮৯)। *দেৱী*, গুৱাহাটী ঃ সাহিত্য প্রকাশ।

৭) Macdonell, A. A. (1963). *Vedic Mythology*, Delhi.



৯.৭ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ দেৱীয়ে দর্শন কৰা বাবে আৰু নিজকে দেৱতাৰূপে বর্ণনা কৰা বাবে সূক্তটোক ‘দেৱীসূক্ত’ বোলা হয়।

২ নং প্রশ্নৰ উত্তৰঃউত্তম পুৰুষত কৰা দেৱতাৰ বর্ণনাক আধ্যাত্মিক সূক্ত বোলে।

৩ নং প্রশ্নৰ উত্তৰঃএই সূক্তৰ ঋষি আম্ভৃণী বাক্।

৪ নং প্রশ্নৰ উত্তৰঃসূক্তটোৰ দেৱতা পৰমাত্মা। ছন্দ ২য় জগতী; ১, ৩-৮ ত্রিষ্টুপ্।

৫ নং প্রশ্নৰ উত্তৰঃ সূক্তটোত ৰুদ্রসকল, বসুসকল, আদিত্যসকল আৰু বিশ্বে দেৱতাৰ গোটবোৰ তেওঁৰ অনুচৰ বুলি কোৱা হৈছে।

৬ নং প্রশ্নৰ উত্তৰঃইন্দ্রাগ্নী, মিত্রাবৰুণ আৰু অশ্বিদ্বয়ক যুগ্মভাবে স্তুতি কৰা হৈছে।

৭ নং প্রশ্নৰ উত্তৰঃত্বষ্টা, পূষা আৰু ভগৰ উল্লেখ কৰা হৈছে।

৮ নং প্রশ্নৰ উত্তৰঃ ৰাত্থেৰীয়ে দিৱ্ অর্থাৎ দ্যৌক পিতৃ বুলিছে।

৯ নং প্রশ্নৰ উত্তৰঃ ঋ° ১০।৭১ বাক্ সম্বন্ধীয় অন্য সূক্ত।

১০ নং প্রশ্নৰ উত্তৰঃ বাক্ সূক্তটো দুর্গা পূজাৰ চণ্ডী পাঠৰ লগতে আবৃত্তি কৰা প্রথা আছে।



৯.৮ আর্হি প্রশ্ন

(ক) বস্তুধর্মী প্রশ্ন ঃ

প্রশ্ন ১ঃ ঋ° ১০।১২৫ সূক্তটোৰ ঋষি, ছন্দ, দেৱতা কি লিখক।

প্রশ্ন ২ঃ কোনসকল দেৱতা দেৱীৰ অনুচৰ আৰু অধীন?

প্রশ্ন ৩ঃ দেৱীৰ লগত এনে কোন দেৱতাৰ সম্বন্ধ আছে, যাৰ ধনু তেওঁ ব্যৱহাৰ কৰে?

প্রশ্ন ৪ঃ দেৱীয়ে কোন পিতৃক প্রসৰ কৰে?

(খ) চুটি প্রশ্ন ঃ

প্রশ্ন ১ঃ দেৱীৰ সর্বময় কর্তৃত্বৰ আভাস সূক্তটিত কি পালে?

প্রশ্ন ২ঃ দেৱী সূক্তৰ প্রথম মন্ত্রটো মুখস্থ লিখক।

(গ) ৰচনাধর্মী প্রশ্ন ঃ

প্রশ্ন ১ঃ টোকা লিখক — ৰুদ্রেভি, আদিত্যৈ, বিশ্বেদেৱা।

প্রশ্ন ২ঃ দেৱীসূক্তৰ মহত্ব দাঙি ধৰক।

*** ***** ***

অধ্যায় ১০ ঃ ভূমিসূক্ত

অধ্যায় গাঁথনি

১০.১ উদ্দেশ্য

১০.২ পৰিচয়

১০.৩ সূক্তটোৰ ঋষি ছন্দাদি

১০.৪ সূক্তটোৰ মূলপাঠ

- ১০.৪.১ প্রথম মন্ত্র
- ১০.৪.২ দ্বিতীয় মন্ত্র
- ১০.৪.৩ তৃতীয় মন্ত্র
- ১০.৪.৪ চতুর্থ মন্ত্র
- ১০.৪.৫ পঞ্চম মন্ত্র
- ১০.৪.৬ ষষ্ঠ মন্ত্র
- ১০.৪.৭ সপ্তম মন্ত্র
- ১০.৪.৮ অষ্টম মন্ত্র
- ১০.৪.৯ নৱম মন্ত্র
- ১০.৪.১০ দশম মন্ত্র

১০.৫ সাধাৰণ আলোচনা

১০.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১০.৭ অধিক জানিবলৈ

১০.৮ অগ্রগতিৰ খতিয়ান

১০.৯ আৰ্হি প্রশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- অথর্ববেদৰ সূক্তৰ জ্ঞান লাভ কৰিব
- অথর্ববেদৰ ভূমি সূক্তটোৰ লগত পৰিচয় হ'ব পাৰিব
- পৃথিৱী দেৱতাৰ বিষয়ে বর্ণনা লাভ কৰিব
- বেদৰ প্রাকৃতিক বিষয়ৰ চিন্তা-চর্চাৰ লগত চিনাকি হ'ব
- সূক্তটোৰ শব্দবোৰৰ বিষয়ে জ্ঞান লাভ কৰিব পাৰিব।

১০.২ পৰিচয়

চাৰিখন বেদৰ ভিতৰত অথর্ববেদ অন্যতম। অথর্ববেদৰ প্রাচীন নাম অথর্বাঙ্গিৰসবেদ। অংগিৰাবংশজ অথর্বা ঋষিৰ দ্বাৰা দৃষ্ট হোৱা কাৰণে এইখন বেদক অথর্ববেদ বুলি কোৱা হৈছে। এইখন বেদক আন নামেৰেও জনা যায়— যেনে- ব্রহ্মবেদ, অংগিৰোবেদ, ভৃগ্বংগিৰসবেদ, ভৈষজ্যবেদ আদি। অথর্ব শব্দৰ অর্থ হৈছে অকুটিলতা তথা অহিংসা বৃত্তিৰ দ্বাৰা মনক স্থিৰ কৰিব পৰা ব্যক্তি। অথর্বন্ শব্দই এক শ্রেণীৰ অগ্নি উপাসকক বুজায়। অঙ্গিৰাসকল অগ্নিযাজক আছিল। কালক্রমত এই দুটি শব্দ ঐন্দ্রজালিক মন্ত্র তথা বিধি অর্থত ব্যৱহৃত হয়। অথর্ববেদ প্রধানত এই ঐন্দ্রজালিক, প্রহেলিকা জাতীয় ৰহস্যময় মন্ত্রৰ সমষ্টি হোৱাৰ বাবে এই বেদক অথর্বাঙ্গিৰসবেদ নামেৰে অভিহিত কৰা হৈছে। 'অথর্বন্' শব্দটোৱে জনসাধাৰণৰ মঙ্গলার্থে ব্যৱহৃত ৰোগ নিবাৰক, বিষনাশক, পুষ্টিবর্ধক, কর্মত সাফল্য বুজায়। আনহাতে শত্রুৰ অনিষ্ট কামনাৰে প্রযুক্ত মন্ত্রসমূহ অঙ্গিৰসৰ অন্তর্ভুক্ত। এই দুয়োবিধ মন্ত্রৰ সমষ্টিয়েই হৈছে অথর্বাঙ্গিৰস।

অথর্ববেদত প্রায় ৬০০০ মন্ত্র, ৭৩১ টা সূক্ত তথা ২০টা কাণ্ড আছে। পদ্য তথা গদ্যাত্মক উভয় শ্রেণীৰ মন্ত্রই আছে অথর্ববেদত। ঋগ্বেদৰ বহুত মন্ত্র অথর্ববেদত দৃষ্ট হয়। বিংশ কাণ্ডটোৰ ১২টা সূক্ত বাদ দি আনবোৰ ঋগ্বেদৰ পৰা গৃহীত। এইখন বেদৰ দুটা শাখা পোৱা যায়— শৌনক শাখা আৰু পৈপ্পলাদ শাখা। অথর্ববেদত বিভিন্ন প্রকাৰৰ মন্ত্র পোৱা যায়। তাৰ ভিতৰত ভৈষজ্যমন্ত্র, আয়ুষ্যমন্ত্র, পৌষ্টিক মন্ত্র, প্রায়শ্চিত্ত মন্ত্র, স্ত্রীকর্মজনিত মন্ত্র, অভিচাৰ মন্ত্র, সৃষ্টি বিষয়ক মন্ত্র আদি প্রধান।

অথর্ববেদৰ দ্বাদশ কাণ্ডৰ প্রথমটো সূক্ত হৈছে ভূমি সূক্ত অথবা পৃথিৱীসূক্ত (১২.১)। বেদৰ কাব্যিক সূক্তসমূহৰ ভিতৰত এই সূক্তটো অন্যতম। এই সূক্তটোত এফালে আছে কাব্যিক সৌন্দর্য, আনফালে আছে পৃথিৱীৰ জৈৱ-বৈচিত্র্যৰ তথা পৰিৱেশ সচেতনতাৰ এক নান্দনিক স্বৰূপ। পৃথিৱীৰ অতুলনীয় সৌন্দর্য এই সূক্তটোত দেখিবলৈ পোৱা যায়। সূক্তটোৰ ঋষি হৈছে অথর্বা তথা মন্ত্রৰ সংখ্যা হৈছে ৬৩টা। ইয়াত বিভিন্ন ছন্দৰ সমাৱেশ ঘটিছে। সূক্তটোৰ অৱতৰণিকা অংশৰ বাহিৰে মন্ত্রৰ সায়ণাচার্য্য ভাষ্য পোৱা নাযায়। এই পাঠটোত প্রথম ১০টা মন্ত্রত শিক্ষার্থীসকলৰ সহায় হোৱাকৈ জনার্দনশাস্ত্রী পাণ্ডে লিখা 'চন্দ্রিকা' নামৰ ভাষ্য তুলি দিয়া হৈছে।

১০.৩ সূক্তটোৰ ঋষি-ছন্দাদি

অথর্ববেদৰ শৌনক সংহিতাৰ দ্বাদশকাণ্ডৰ প্রথমসূক্তটো হৈছে ভূমিসূক্ত অথবা পৃথিৱীসূক্ত। বিভিন্ন ছন্দযুক্ত এই সূক্তটোত সর্বমুঠ ৬৩টা মন্ত্র আছে। সূক্তটোৰ ঋষি হৈছে অথর্বা। দেৱতা হৈছে ভূমি। সূক্তটোত ব্যৱহৃত হোৱা বিভিন্ন ছন্দৰ ভিতৰত— প্রথম মন্ত্রৰ ছন্দ হৈছে ত্রিষ্টুপ, দ্বিতীয় আৰু তৃতীয় মন্ত্র — ভূৰিক্, চতুর্থৰ ত্রিষ্টুপ, পঞ্চম আৰু ষষ্ঠ মন্ত্র জগতী, সপ্তম মন্ত্রৰ পংক্তি, অষ্টম মন্ত্রৰ বিৰাট্, নৱম মন্ত্রৰ ত্রিষ্টুপ্ তথা দশম মন্ত্রৰ ছন্দ হৈছে জগতী ছন্দ।

সায়ণভাষ্যত কোৱা হৈছে যে সম্প্রদায় অনুসৰি এইসূক্তটোৰ বিভিন্ন প্রকাৰৰ বিনিয়োগ দেখিবলৈ পোৱা যায়। কৌশিক সূত্রানুসাৰে মুখ্যতঃ ভৌমকর্ম, বাস্তুৰক্ষা, আগ্রয়ণীকর্ম, গ্রামপত্তনাদি, পার্থিৱমহাশান্তি কর্ম আদি বহুবিধ কর্মত এই সূক্তটোৰ বিনিয়োগ হয়।



জানি থোৱা ভাল

পৃথিৱী সূক্তটোৰ বিনিয়োগ বিভিন্ন ধৰণে দেখিবলৈ পোৱা যায়। 'বাস্তোষ্পত্য' বুলি অথর্ববেদৰ অন্তর্গত গৃহ্যসূত্র 'কৌশিকসূত্র'ত এটা 'গণ' আছে। ইয়াকে 'বাস্তোষ্পত্যগণ' বুলি কোৱা হয়। 'ভূমি সূক্তটো এই গণৰ অন্তর্গত। বাস্তোষ্পত্যগণৰ সূচী হিচাপে 'কৌশিকসূক্ত'ত (১/৮) কোৱা হৈছে যে— 'ইহৈব ধ্রুৱাম্' (৩.১২), 'এহ যাতু' (৬.৭৩), 'য়মো মৃত্যুঃ (৬.৯৩), 'সত্যং বৃহৎ' (১২.১) এই কেইটা বাস্তোষ্পত্যগণ। এই গণৰ মন্ত্রসমূহৰ দ্বাৰা নতুন গৃহৰ বাস্তুসংস্কাৰৰ বাবে গৃহৰ ভূমি হালেৰে কর্ষণ কৰা হয়।

আনহাতে শান্তি-উদক আদিৰ ক্ষেত্রত চতুর্গণী শান্তিৰ য'ত য'ত প্রয়োগ হয়, তাতেই এই মন্ত্রসমূহৰ প্রয়োগ হয়।

১০.৪ সূক্তটোৰ মূলপাঠ

এতিয়া আপুনি ভূমিসূক্তৰ দহটা (১০) মন্ত্রৰ বিষয়ে পঢ়িব পাৰিব। মন্ত্রসমূহৰ সংহিতা পাঠৰ লগতে পদপাঠ, অন্বয়, অসমীয়া অনুবাদ, চন্দ্রিকাব্যাখ্যান আৰু ব্যাকৰণগত টোকাও উল্লেখ কৰা হৈছে।

১০.৪.১ প্রথম মন্ত্র

সংহিতা পাঠ ঃ সত্যং বৃহদৃতমুগ্রং দীক্ষা তপো ব্রহ্ম যজ্ঞঃ পৃথিৱীং ধাৰয়ন্তি।
সা নো ভূতস্য ভৱ্যস্য পত্নুৰুং লোকং পৃথিৱী নঃ কৃণোতু।। ১।।

পদপাঠ ঃ সত্যম্। বৃহত্। ঋতম্। উগ্রম্। দীক্ষা। তপঃ। ব্রহ্ম। যজ্ঞঃ। পৃথিৱীম্। ধাৰয়ন্তি। সা। নঃ। ভূতস্য। ভৱ্যস্য। পত্নী। উৰুম্। লোকম্। পৃথিৱী। নঃ। কৃণোতু।

অন্বয়ার্থ — বৃহৎ সত্যং (মহান সত্য) ঋতম্ (জল) দীক্ষা (দীক্ষা) উগ্রম্ তপঃ তেজস্বী (তপস্যা) ব্রহ্ম (সত্যজ্ঞান) পৃথিৱীং ধাৰয়ন্তি (পৃথিৱীক ধাৰণ কৰি আছে)। সা পৃথিৱী (সেই পৃথিৱীয়ে) নঃ (আমাৰ) ভূতস্য (পূর্বৰ) পত্নী (ৰক্ষাকাৰিনী) লোকং (ভৱিষ্যত সকলো কালৰ) উৰুং (বিস্তাৰ) নঃ কৃণোতি (আমাৰ বাবে কৰক)।

অসমীয়া অনুবাদ — মহান সত্য, জল, দীক্ষা, তেজস্বী, তপস্যা, জ্ঞান আৰু যজ্ঞ—

এইবোৰে পৃথিৱীক ধাৰণ কৰি আছে। সেই পৃথিৱীয়ে আমাৰ সমস্ত ভূত তথা ভৱিষ্যতৰ পালিকা। সেই পৃথিৱীয়ে আমাৰ বাবে এই লোকক বিস্তৃত কৰক।

চন্দ্রিকাব্যাখ্যান — 'সত্যং বৃহৎ' মহত্ 'ঋতম্' জলম্ 'উগ্রং' তীব্রম্ 'তপঃ' দীক্ষা 'ব্রহ্ম' ৱেদঃ। 'যজ্ঞঃ' এতে 'পৃথিৱী' 'ধাৰয়ন্তি'। সত্যাদি আধাৰা ভূমিঃ ইত্যর্থঃ। সা এৱ 'ভূতস্য' পুর্বমুত্পন্নস্য 'ভৱ্যস্য' অগ্রে ভাৱিনো জীৱস্য পত্নী ৰক্ষণশীলা। 'উৰুং' ৱিস্তীর্ণং 'লোকং' স্থলং 'নঃ' অস্মাকং কৃণোতু।।

ব্যাকৰণগত টোকা —

কৃণোতু — √ কৃ + লোট প্রথম পুৰুষ একবচন (ৱৈদিক প্রয়োগ)

ধাৰয়ন্তি — √ ধৃ + লট্ অন্তি (ণিজন্ত)

পত্ন্যুৰুম্ — পত্নী + উৰুম্

১০.৪.২ দ্বিতীয় মন্ত্র

সংহিতা পাঠ ঃ অসংবাধং বধ্যতো মানৱানাং য়স্যা উদ্বতঃ প্রৱতঃ সমং বহু। নানাৱীর্যা ঔষধীর্যা বিভর্তি পৃথিৱী নঃ প্রথতাং ৰাধ্যতাং নঃ।। ২।।

পদপাঠ ঃ অসম্২বাধম্। বধ্যতঃ। মানৱানাম্। য়স্যাঃ। উত্২ৱতঃ। প্র২ৱতঃ। সমম্। বহু। নানা২ৱীর্য়াঃ। ওষধীঃ। য়া। বিভর্তি। পৃথিৱী। নঃ। প্রথতাম্। ৰাধ্যতাম্। নঃ।

অন্বয়ার্থ — যস্যাঃ (যাৰ) মানৱানাং (মানুহৰ মাজত) উদ্ধতঃ প্রৱতঃ (ওপৰ-তল ভাব) বহু (অনেক) অসংবাধং (বাধাহীন) বধ্যতঃ (পৰস্পৰ বদ্ধ হৈ) সমম্ (সমভাৱে) য়া পৃথিৱী (যি পৃথিৱী) নানা (বহু প্রকাৰৰ) ৱীর্যাঃ ওষধীঃ (বলশালী ঔষধিসমূহ) ৱিভর্ত্তি (ধাৰণ কৰে) (সেই পৃথিৱীয়ে) নঃ (আমাৰ প্রথতাম্ (বিস্তৃত ৰূপত) নঃ (আমাৰ) ৰাধ্যতাম্ (সমৃদ্ধ কৰক)।

অসমীয়া অনুবাদ — যি (পৃথিৱীৰ) মানুহৰ মাজত বাধাহীনভাৱে কোনো ওখ-চাপৰ তথা সম প্রদেশ আছে, যি (পৃথিৱীয়ে) বিভিন্ন শক্তিসম্পন্ন ঔষধীসমূহ ধাৰণ কৰি আছে, সেই পৃথিৱী আমাৰ বাবে (যি সকলে পৃথিৱীক স্তুতি কৰিছোঁ) বিস্তৃত হওঁক আৰু সমৃদ্ধ হওঁক (অর্থাৎ আমাৰ মনো কামনাক পূর্ণ কৰক)।

চন্দ্রিকাব্যাখ্যান — 'যস্যাঃ' ক্ষিতে 'মানৱানাং' মনোৱিমে তেষাং 'বধ্যতঃ' সবাধম্ 'অসম্বাধং' বাধাৰহিতং চেত্যর্থঃ 'বহু' বহৱঃ 'উদ্বতঃ' উন্নতানি

'প্ৰৱতঃ' প্ৰৱণানি 'সমং' সমানি চ স্থলানি সন্তি। যথা চ 'যা নানাৰীৰ্যা' ৰিৰিধসত্ত্বয়ুক্তাঃ 'ঔষধীঃ' ফলপাকান্তাঃ শস্যাদয়ঃ বিভর্তি: ধাৰয়তি। এৱং ভূতা 'পৃথিৰী নঃ প্রথতাম্' ৰিস্তীর্ণা ভৱতু। 'ন ৰাধ্যতাম্' সংসিদ্ধা মনোৰথানাং পূৰয়িত্রী ভৱতু ইত্যর্থঃ।

ব্যাকৰণগত টোকা —

অসংবাধম্ — নঞ্ + সম্ + √বধ্ +ঘঞ্, অম্

বিভর্তি — √ভৃ + লট্ তি

প্রথতাম্ — √প্রথ্ + লোট্ প্রথম পুৰুষ একবচন (আত্মনেপদী)

ৰাধ্যতাম্ — √ৰাধ্ লোট্ প্রথম পুৰুষ একবচন (আত্মনেপদী, কর্মবাচ্য)

১০.৪.৩ তৃতীয় মন্ত্র

সংহিতা পাঠ ঃ যস্যাং সমুদ্র উত সিন্ধুৰাপো যস্যামন্নং কৃষ্টয়ঃ সংবভূবুঃ।
যস্যামিদং জিন্বতি প্রাণদেজৎ সা নো ভূমিঃ পূর্ৱপেয়ে দধাতু।। ৩।।

পদপাঠ ঃ যস্যাম্। সমুদ্রঃ। উতঃ। সিন্ধুঃ। আপঃ। যস্যাম্। অন্নম্। কৃষ্টয়ঃ। সম্২বভূবুঃ। যস্যাম্। ইদম্। জিন্বতি। প্রাণত্। এজৎ। সা। নঃ। ভূমিঃ। পূর্ৱ২পেয়ে। দধাতু।। ৩।।

অন্বয়ার্থ — যস্যাং (যাৰ মাজত) সমুদ্রঃ (সমুদ্র) উত (তথা) সিন্ধুঃ (নদী) আপঃ (পানী) যস্যাং (যাৰ মাজত) অন্নম্ (খাদ্য) কৃষ্টয়ঃ (কর্ষণাদি) সংবভূবুঃ (সম্ভৰ হয়) যস্যাং (যাৰ মাজত) ইদং (এই) জিন্বতি (প্রেৰিত হয়) প্রাণৎ (প্রাণবান হয়) এজৎ (গমনশীল হয়) সা ভূমিঃ (সেই ভূমি) নঃ (আমাৰ বাবে) পূর্ৱপেয় (প্রথম পানৰ নিমিত্তে) দধাতু (ধাৰণ কৰক/স্থাপন কৰক)।

অসমীয়া অনুবাদ — যি পৃথিৰীৰ মাজত সমুদ্র, নদীবোৰ তথা সমস্ত জনৰাশি আছে, যাৰ মাজত কর্ষণাদি কর্মৰ জৰিয়তে প্রচুৰ অন্ন উৎপন্ন হয়, যাৰ মাজত জীৱ প্রাণবান হৈ সংসাৰ তৃপ্ত হয়, সেই পৃথিৰীয়ে আমাক আদিপেয় (অর্থাৎ ফলৰূপ ৰসৰ প্রথম পান) স্থলত স্থাপিত কৰক।

চন্দ্রিকাব্যাখ্যান — 'যস্যাং সমুদ্রঃ' অস্তি। 'সিন্ধুঃ' নদ্যঃ 'উত আপঃ' জলানি সন্তি, 'যস্যাম্ অন্নম্' অদ্যতে২ত্তি চ ভূতানি তৎ 'কৃষ্ঠয়ঃ' কৃষিসাধনানি কর্ষণানি 'সংবভূবুঃ' প্রাদুর্ভৱন্তীত্যর্থঃ। 'যস্যাম্ ইদং প্রাণৎ'জীৱৎ 'এজৎ স্পন্দমানং জগৎ 'বহুধা জিন্বতি' (জি ৰিঃ প্রীণানার্থঃ) বহুপ্রকাৰেন তৃপ্তো ভবতীতি যাৱৎ। 'সা ভূমিঃ নঃ' অস্মান্ 'পূর্ৱপেয়ে' কর্মফলানাং পূর্ৱমেৱপ্রাপকে দেশে 'দধাতু' স্থাপয়তু।

ব্যাকৰণগত টোকা —

কৃষ্টয়ঃ — √ কৃষ + ক্তিন্ প্রথম বহুবচন।

সংবভূবুঃ — √ সম্ - √ ভূ + লিট্ প্রথম পুৰুষ বহুবচন।

জিন্বতি — √ জিন্ব + লট্ তি

প্রাণৎ — প্র + √ অন্ + শতৃ প্রথমা একবচন

এজৎ — √ এজ্ +শতৃ প্রথমা একবচন

দধাতু — √ ধা + লোট্ তু

১০.৪.৪ চতুর্থ মন্ত্র

সংহিতা পাঠ ঃ যস্যাশ্চতস্রঃ প্রদিশঃ পৃথিব্যাঃ যস্যামন্নং কৃষ্টয়ঃ সংবভূবুঃ। যা ৰিভর্তি বহুধা প্রাণদেজৎ সা নো ভূমির্গোস্বপ্যন্নে দধাতু।। ৪।।

পদপাঠ ঃ যস্যাঃ। চতস্রঃ। প্র২দিশঃ। পৃথিব্যাঃ। যস্যাম্। অন্নম্। কৃষ্টয়ঃ। সম্২বভূবুঃ। যা। ৰিভর্তি। বহু২ধা। প্রাণত্। এজৎ। সা। নঃ। ভূমিঃ। গোষু। অপি। অন্নে। দধাতু।। ৪।।

অন্বয়ার্থ — যস্যাঃ (যাৰ) পৃথিব্যাঃ (পৃথিৰীৰ) চতস্রঃ প্রদিশঃ (চাৰিটা দিশ) যস্যাঃ (যাৰ) অন্নম্ (খাদ্য) কৃষ্টয়ঃ (কর্ষণাদি কর্ম) সংবভূবুঃ (সম্ভৰ হয়) যা (যি) বহুধা (বহুপ্রকাৰৰ) প্রাণৎ (প্রাণসমূহ) এজৎ (গতিশীল) ৰিভর্ত্তি (ধাৰণ কৰে) সা ভূমিঃ (সেই পৃথিৰী) নঃ (আমাৰ) গোষু (গৰুসমূহত) অপি অন্নে (আৰু খাদ্যসমূহত) দধাতু (ধাৰণ কৰক)।

অসমীয়া অনুবাদ — যি পৃথিৰীৰ চাৰিটা দিশ আছে, যি (পৃথিৰীত) কৃষি কৰিলে প্রচুৰ অন্ন সম্ভৰ হয়, যিয়ে গতিশীল প্রাণৰান জগতখনক বিভিন্ন প্রকাৰেৰে ধাৰণ কৰি আছে, এই পৃথিৰীয়ে আমাক গৰু আৰু অন্নৰ মাজত ধাৰণ কৰক অর্থাৎ স্থাপিত কৰক।

চন্দ্রিকাব্যাখ্যান — 'যস্যাঃ পৃথিব্যাঃ চতস্রঃ' চতুঃ সংখ্যকা 'প্রদিশঃ', প্রকৃষ্টাঃ কাষ্ঠাঃ সন্তি 'যস্যাম্ অন্নং কৃষ্ঠয়ঃ চ 'সম্বভরুঃ। 'যা' পৃথ্বী 'বহুধা' ৰিৰিধপ্রকাৰেণ 'প্রাণৎ এজৎ' জগৎ বিভর্তি। 'সা' এৱং ৰিধা 'ভূমিঃ নঃ গোষু' ধেনুষুমধ্যে 'অন্নে অপি দধাতু' ধাৰয়তু।

ব্যাকৰণগত টোকা —

বিভর্তি — √ ভৃ + লট্ তি

দধাতু — √ ধা লোট্ তু

১০.৪.৫ পঞ্চম মন্ত্র

সংহিতা পাঠ ঃ যস্যাং পূর্ৱে পূর্বজনা ৱিচক্রিৱে যস্যাং দেৱা অসুৱানভ্যৱর্তয়ন্। গৱামশ্বানাং ৱয়সশ্চ ৱিষ্ঠা ভগং ৱর্চঃ পৃথিৱী নো দধাতু।। ৫।।

পদপাঠ ঃ যস্যাম্। পূর্ৱে। পূর্ৱ২জনাঃ। ৱিচক্রিৱে। যস্যাম্। দেৱাঃ। অসুৱান্। অভি২ৱর্তয়ন্। গৱাম্। অশ্বানাম্। ৱয়সঃ। চ। ৱি২স্থা। ভগম্। ৱর্চঃ। পৃথিৱী। নঃ। দধাতু।। ৫।।

অন্বয়ার্থ — যস্যাম্ (যি ঠাইত) পূর্ৱে (প্রাচীন কালত) আর্ৱজনা (পূর্বপুৰুষসকলে) ৱিচক্রিৱে (বিভিন্ন কর্ম কৰিছিল), য়স্যাং (য'ত) দেৱাঃ (দেৱতাসকলে) অসুৱান্ (অসুৰৰ সৈতে) অভ্যৱর্তয়ন্ (যুদ্ধ কৰিছিল), (যি) গৱাম্ (গৰুসমূহ) অশ্বানাম্ (ঘোঁৱাসমূহৰ) ৱয়সশ্চ (পক্ষীবিলাকৰ) ৱিষ্ঠা (আবাসস্থল), (যা) ভগং ৱর্চঃ (ঐশ্বর্য তথা ঔজ্জ্বল্য) পৃথিৱী নো দধাতু (পৃথিৱীয়ে আমাক প্রদান কৰক)।

অসমীয়া অনুবাদ — যি পৃথিৱীৰ মাজত প্রাচীন পূর্বপুৰুষসকলে বিচৰণ কৰিছিল অর্থাৎ বিবিধ কর্ম কৰিছিল। য'ত দেৱতাসকলে অসুৰবিলাকৰ সৈতে যুদ্ধ কৰিছিল। যি গৰু-অশ্ব-পক্ষী আদিৰ বিচৰণ ভূমি (তথা আবাসস্থল), সেই পৃথিৱীয়ে আমাক ঐশ্বর্য আৰু শক্তি প্রদান কৰক।

চন্দ্রিকাব্যাখ্যান — 'যস্যাং পূর্ৱে' পৰমাঃ 'পূর্বজনাঃ' পুৰাণপুৰুষাঃ 'বিচক্রিৱে' ৱিৱিধকার্যাণি কৃতৱন্তঃ। 'যস্যাং দেৱাঃ' 'অসুৱান্' পথভ্রষ্টান্ ৰক্ষাংসি বা 'অভ্যৱর্তয়ন' অভিমুখা যুযুধুৱিত্যর্থঃ। 'গৱাম্ অশ্বানাং বয়সঃ' পক্ষিণাং চ 'ৱিষ্ঠাঃ' বিশেষেণাধাৰভূতা পৃথ্বী 'নঃ ভগম্' ঐশ্বর্যং ৱর্চঃ ওজশ্চ দধাতু'।

ব্যাকৰণগত টোকা —

ৱিচক্রিৱে — ৱি - √কৃ লিট্ প্রথম পুৰুষ একবচন

অভ্যৱর্তয়ন্ — অভি + অৱর্তয়ন্। (অভি - √ৱৃৎ + লঙ্ অন্)

ৱিষ্ঠা — ৱি - √ষ্ঠা + ক



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ ভূমিসূক্তটো কোনখন বেদত পোৱা যায়?

.....

প্রশ্ন নং ২ঃ ভূমিসূক্তটোত সর্বমুঠ কিমানটা মন্ত্র আছে?

.....

প্রশ্ন নং ৩ঃ ভূমিসূক্তটোৰ ঋষি কোন?

.....

প্রশ্ন নং ৪ঃ ভূমিসূক্তটোৰ দেৱতা কোন?

.....

প্রশ্ন নং ৫ঃ ঔষধীসমূহ কোনে ধাৰণ কৰে?

.....

১০.৪.৬ ষষ্ঠ মন্ত্র

সংহিতা পাঠ ঃ ৰিশ্বংভৰা ৰসুধানী প্রতিষ্ঠা হিৰণ্যৰক্ষা জগতো নিৰেশনী। ৰৈশ্বানৰং ৰিভ্রতী ভূমিৰগ্নিমিন্দ্রং ঋষভা দ্রৱিণে নো দধাতু।। ৬।।

পদপাঠ ঃ ৰিশ্বম্২ভৰা। ৰসু২ধানী। প্রতি২স্থা। হিৰণ্য২ৰক্ষাঃ। জগতঃ। নি২ৰেশনী। ৰৈশ্বানৰম্। বিভ্রতী। ভূমিঃ। অগ্নিম্। ইন্দ্র২ঋষভা। দ্রৱিণে। নঃ। দধাতু।। ৬।।

অন্বয়ার্থ — ৰিশ্বম্ভৰা (যিজনে বিশ্বক ভৰণ-পোষণ কৰে) ৰসুধানী (যিজন সম্পদৰ ধাৰণকাৰিণী) প্রতিষ্ঠা দান কৰোঁতা অর্থাৎ আধাৰভূতা) হিৰণ্যৰক্ষা (স্বর্ণবক্ষা) জগতো নিৰেশনী (যিজন জগতৰ স্থাপনকাৰিণী) ৰৈশ্বানৰম্ অগ্নিম্ (ৰৈশ্বানৰ অগ্নিক) ৰিভ্রতী (ধাৰণকাৰিণী) ইন্দ্রঋষভা (ইন্দ্র বৃষভ যাৰ) দ্রৱিণে (সম্পদৰ বাবে) নঃ (আমাক) দধাতু (ধাৰণ কৰক)।

অসমীয়া অনুবাদ — (যি পৃথিৱী) বিশ্বৰ পালিকা, ধনৰ ধাৰণকর্তী, প্রাণীসমূহৰ আধাৰভূতা, স্বর্ণক নিজৰ বক্ষস্থলত ধাৰণকাৰিণী, জগতৰ নিবাসভূতা অর্থাৎ জগতৰ স্থাপনকাৰিণী, বৈশ্বানৰ অগ্নিক ধাৰণকাৰী, বৃষভৰূপ ইন্দ্রতুল্য পৃথিৱীয়ে আমাক দ্রব্য প্রদান কৰক।

চন্দ্রিকাব্যাখ্যান — 'ৰিশ্বম্ভৰা' ৰিশ্বং জগদ্বিভর্তি পোষয়তীতি সা। 'ৰসুধানী' ৰসুনি ধীয়ন্তে অস্যাং 'প্রতিষ্ঠা' প্রকর্ষেণ তিষ্ঠন্তি জনাঃ যস্যাম্।

'হিৰণ্যবক্ষা' হিৰণ্যমাকৰৰূপেণ ৰক্ষসি যস্যাঃ। 'জগতঃ নিৰেশনী' ৰাসয়িত্রী। 'ৰৈশ্বানৰং' ৰহ্নিং 'ৰিভ্রতী'। 'ইন্দ্রঋষভা'। ইন্দ্র এৰ বৃষভো যস্যাঃ এৰং ভূতা 'ভূমিঃ' নঃ অস্মান্ দ্রৰিণে দ্রব্যায় দধানু ধাৰয়তু। অস্মভ্যং দ্রৰংৎ প্রযচ্ছত্বিত্যর্থঃ।

ব্যাকৰণগত টোকা —

ৰিশ্বম্ভৰা — ৰিশ্বং ভৰতি (পোষয়তি) য়া সা,, উপপদতৎ পুৰুষ সমাস।
ৰসুধানী — ৰসু - √ ধা + ল্যুট্ + স্ত্রিয়াম্ ঙীপ্।
হিৰণ্যৰক্ষা — হিৰণ্যং ৰক্ষঃ যস্যাঃ সা ইতি বহুব্রীহি সমাস।
নিৰেশনী — নি - √ ৰিশ্ + ল্যুট্ স্ত্রীয়াম্ ঙীপ্।
ৰিভ্রতী — √ ভৃ + শতৃ স্ত্রীয়াম ঙীপ্

১০.৪.৭ সপ্তম মন্ত্র

সংহিতা পাঠ ঃ য়াং ৰক্ষন্ত্যস্বপ্না ৰিশ্বদানীং দেৰা ভূমিং পৃথিৰীমপ্রমাদম্।
সা নো মধু প্রিয়ং দুহামথো উক্ষতু ৰর্চসা।। ৭।।

পদপাঠ ঃ য়াম্। ৰক্ষন্তি। অস্বপ্নাঃ। ৰিশ্বৎ দানীম্। দেৰাঃ। ভূমিম্। পৃথিৰীম্। অপ্রৎমাদম্। সা। নঃ। মধু প্রিয়ম্। দুহাম্। অথো ইতি। উক্ষতু। ৰর্চসা।।

অন্বয়ার্থ — যাং ৰিশ্বদানীং ভূমিং (যি বহুদানকাৰিণী পৃথিৰীক) দেৰাঃ (দেৱতাসকলে) অস্বপ্নাঃ (নিদ্রাহীনভাৰে) অপ্রমাদম্ (প্রমাদহীনভাৰে) ৰক্ষন্তি (ৰক্ষা কৰে) সা (সেই) নঃ (আমাক) প্রিয়ং মধু (প্রিয় মধু) দুহাম্ (প্রদান কৰক) অথো ৰর্চসা (শক্তিসহ) উক্ষতু (বর্ষণ কৰক)।

অসমীয়া অনুবাদ — সদা জাগৃত হৈ থকা দেৱতাসমূহে, বিশ্বৰ পালয়িত্রী যিগৰাকী দেৱী পৃথিৰীক সাৱধান হৈ ৰক্ষা কৰে, সেই পৃথিৰীয়ে আমাক মধুৰ তথা প্রিয় অন্নাদি প্রদান কৰক আৰু শক্তিবন্ত কৰক।

চন্দ্রিকাব্যাখ্যান — 'যাং ৰিশ্বদানীং' ৰিশ্বং দীয়তে যস্যাম্। 'ভূমিং পৃথিবীম্ অস্বপ্নাঃ' ন স্বপন্তিতে সর্বদা জাগৰুকা ইতি ভাৱঃ। 'দেৰা' দীপ্তিমন্তঃ। 'অপ্রমাদং' সাৱধানতয়া 'ৰক্ষন্তি' তদ্রক্ষাং কুর্বন্তি। 'সা' ভূমিঃ 'নঃ মধু' মধুৰং 'প্রিয়ং' চ পদার্থং 'দুহাম্' দদাতু। 'অথো' অনন্তৰং 'ৰর্চসা' তেজসা অন্নেন ৰা 'উক্ষতু অভিষিঞ্চতু।

ব্যাকৰণগত টোকা —

ৰক্ষন্তি — √ ৰক্ষ্ + লট্ অন্তি

ৰিশ্বদানীম্ — ৰিশ্ব - √ দা + ল্যুট্ + স্ত্রিয়াং ঙীপ্, দ্বিতীয়া বিভক্তি একবচন
দুহাম্ — √ দুহ্ + লোট্ প্রথম পুৰুষ একবচন।
উক্ষতু — √ উক্ষ্ + লোট্ প্রথম পুৰুষ একবচন।

১০.৪.৮ অষ্টম মন্ত্র

সংহিতা পাঠ ঃ য়ার্ণৰেধি সলিলমগ্র আসীদ্ য়াং মায়াভিৰম্বচৰন্ মনীষিণঃ।
য়স্যা হৃদয়ং পৰমে ব্যো২মন্ সতত্যেনাবৃতমমৃতং পৃথিব্যাঃ।
সা নো ভূমিস্ত্বিষিং বলং ৰাষ্ট্রে দধাতূত্তমে।। ৮।।

পদপাঠ ঃ য়া। অর্ণৰে। অধি। সলিলম্। অগ্রে। আসীৎ। য়াম্। মায়াভিঃ। অনু২অচৰন্। মনীষিণঃ। য়স্যাঃ। হৃদয়ম্। পৰমে। বি২ত্তমন্। সত্যেন। আ২বৃতম্। অমৃতম্। পৃথিব্যাঃ। সা। নঃ। ভূমিঃ। ত্বিষিম্। বলম্। ৰাষ্ট্রে। দধাতু। উৎ২তমে।।

অন্বয়ার্থ — য়া (যি পৃথিৰী) অগ্রে (প্রথমে) অর্ণৰে অধি (সমুদ্রৰ ওপৰত) সলিলম্ (জলৰূপে) আসীৎ (বিদ্যমান আছিল)। যাম্ (যাৰ প্রতি) মনীষিণঃ (বিদ্বান ব্যক্তিসকল) মায়াভিঃ (মায়াৰ দ্বাৰা) অন্বচৰন্ (বিচৰণ কৰিছিল) য়স্যাঃ পৃথিব্যাঃ অমৃতং হৃদয়ম্ (যি পৃথিৰীৰ অমৃত হৃদয়) সত্যেনাবৃতম্ (সত্যৰ দ্বাৰা আবৃত হৈ আছে) পৰমে ব্যোমন (পৰম ব্যোমলোকত) সা (সেই) ভূমিঃ (ভূমি) ত্বিষিম্ (তেজ) বলম্ (শক্তি) উত্তম ৰাষ্ট্রে (শ্রেষ্ঠ জনপদত) দধাতু (ধাৰণ কৰক)।

অসমীয়া অনুবাদ — যি (পৃথিৰী) প্রথমে সমুদ্রৰ পানীৰ আধাৰত স্থিত হৈ আছিল। মনীষী পুৰুষসকলে নিজৰ শক্তিৰ দ্বাৰা য'ত বিচৰণ কৰিছিল, যি পৃথিৰীৰ অমৃতময় হৃদয় সত্যৰ দ্বাৰা আবৃত হৈ পৰম আকাশত প্রতিষ্ঠিত হৈ আছে। সেই ভূমিয়ে আমাক দীপ্তি আৰু বল প্রদান কৰি আমাক উত্তম ৰাষ্ট্রত স্থাপিত কৰক।

চন্দ্রিকাব্যাখ্যান — 'যা অগ্রে অর্ণৰে' সমুদ্রে 'অধিসলিলম্ জলোপৰীত্যর্থ। 'আসীৎ যাং মনীষিণঃ' 'মায়াভিঃ' স্বশক্তিভিঃ 'অন্বচৰন্' ৰিচৰন্তি। 'যস্যাঃ পৃথিব্যাঃ সত্যেন আবৃতম্' আচ্ছাদিতম্ 'অমৃতম্' অমৃতময়ং হৃদয়ং পৰমে ব্যোমন্। ব্যোম্নি ৰর্তত ইতি শেষঃ 'সা ভূমিঃ নঃ উত্তেমে ৰাষ্ট্রে' দেশে 'ত্বিষিং' কান্তিং 'বলং' চ 'দধাতু'।

ব্যাকৰণগত টোকা —

অন্বচৰণ্ — অনু + অচৰণ্ /√ চৰ্ লঙ্ অন্
দধাতু — √ ধা + লোট্ তু।

১০.৪.৯ নৱম মন্ত্র

সংহিতা পাঠ ঃ য়স্যামাপঃ পৰিচৰাঃ সমানীৰহোৰাত্রে অপ্রমাদং ক্ষৱন্তি।
সানো ভূমি র্ভূৰিধাৰা পয়ো দুহামথো উক্ষতু ৱর্চসা।। ৯।।

পদপাঠ ঃ য়স্যাম্। আপঃ। পৰিৎচৰাঃ। সমানীঃ।
অহোৰাত্রে ইতি। অপ্র্যমাদম্। ক্ষৱন্তি।
সা। নঃ। ভূমিঃ। ভূৰিৎধাৰা। পয়ঃ। দুহাম্।
অথো ইতি। উক্ষতু। ৱর্চসা।।

অন্বয়ার্থ — য়স্যাম্ (যাৰ মাজত) পৰিচৰাঃ আপঃ (গতিশীল পানীসমূহ) অহোৰাত্রে (দিনেৰাতিয়ে) সমানীঃ (সমানৰূপে) অপ্রমাদম্ (প্রমাদৰহিতভাৱে) ক্ষৱন্তি (বৈ আছে), সা ভূমিঃ (সেই পৃথিৱী) নঃ (আমাৰ কাৰণে) ভূৰিধাৰা (বহুধাৰা হৈ) পয় (পানী বা গাখীৰ) দুহাম্ (দোহন কৰক)। অথো (ইয়াৰ পিছত) ৱর্চসা (তেজৰ দ্বাৰা) উক্ষতু (চতিয়াই দিয়ক)।

অসমীয়া অনুবাদ — যি পৃথিৱীৰ চাৰিওফালে বিচৰণ কৰি জলৰাশিয়ে দিন-ৰাতি সমানভাৱে সাৱধান হৈ প্রৱাহিত হৈ আছে, এনেকুৱা বহুধাৰা পৃথিৱীয়ে আমাক গাখীৰৰ দৰে পৌষ্টিক ফল প্রদান কৰক তথা শক্তিবন্ত কৰক।

চন্দ্রিকাব্যাখ্যান — 'যস্যাং' ক্ষিত্যাং 'পৰিচৰাঃ' পৰিচৰন্তীতি সর্বতঃ বিচৰণশীলঃ 'সমানীঃ' সমং মানং যাসাংতাঃ একমানেন বহন্তীৰিত্যর্থঃ । আপঃ 'অহো ৰাত্রে' ৰাত্রিন্দিবমিতিযাৱৎ 'অপ্রমাদং' যথাস্যাত্তথা 'ক্ষৱন্তি' প্রৱহন্তি। 'নঃ' অস্মাকং 'সা ভূমিঃ ভূৰিধাৰঃ' ভূৰি ৱদ্ধয়ো ধাৰাঃ প্রবাহা যস্যামেবং ভূতা ভূত্বা 'পয়ো' জলং দুগ্ধৰূপং 'দুহাম্' প্রযচ্ছতু। অথো২নন্তৰং 'ৱর্চসা' তেজসা ২ন্নেন বা 'উমতু' সিঞ্চতু সংযুক্তন২ ইতি ভাৱঃ।

ব্যাকৰণগত টোকা —

অথো — অথ + উ

ক্ষৱন্তি — √ ক্ষৱ্ + লট্ অন্তি

১০.৪.১০ দশম মন্ত্র

সংহিতা পাঠ ঃ য়ামশ্বিনাৱমিমাতাং ৰিযুঃর্য়স্যাং ৰিচক্রমে। ইন্দ্রো য়াং চক্র আত্মনেহনমিত্রাং শচীপতিঃ। সা নো ভূমির্ৰি সৃজতাং মাতা পুত্রায় মে পয়ঃ।। ১০।।

পদপাঠ ঃ য়াম্। অশ্বিনৌ। অমিমাতাম্। ৱিষ্ণুঃ। য়স্যাম্। ৱিচক্রমে। ইন্দ্রঃ। য়াম্। চক্রে। আত্মনে। অনমিত্রাম্। শচী২পতিঃ। সা। নঃ। ভূমিঃ। ৱির্সৃজতাম্। মাতা। পুত্রায়। মে পয়ঃ।।

অন্বয়ার্থ — য়াম্ (যাক) অশ্বিনৌ (অশ্বিনীকুমাৰদ্বয়ে) অৱিমাতাম্ (জুখিছিল) যস্যাম্ (য'ত) ৱিষ্ণুঃ (বিষ্ণুৰে) ৱিচক্রমে (বিচৰণ কৰিছিল) ইন্দ্রঃ (ইন্দ্রই) শচীপতিঃ (যিজনে শচীৰ পতি) য়াম্ (যাক) আত্মনে (নিজৰ বাবে) অনামিত্রাম্ (শত্রুৰহিত) চক্রে (কৰিছিল) সা ভূমি (সেই পৃথিৰীয়ে) নঃ (আমাৰ বাবে) পয়ঃ (দুগ্ধ) ৱিসৃজতাম্ (প্রদান কৰক) মাতা যে পুত্রায় (যেনেদৰে পুত্রৰ বাবে মাকে প্রদান কৰে)।

অসমীয়া অনুবাদ — যি (পৃথিৰীক) অশ্বিনী কুমাৰদ্বয়ে জোখ-মাখ কৰি নির্মাণ কৰিছিল, বিষ্ণুৰে যাৰ ওপৰত বিচৰণ কৰিছিল, শচীপতি ইন্দ্রই যাক শত্রুৰহিত কৰি নিজৰ বশত বশীভূত কৰিছিল, সেই পৃথিৰীয়ে মোৰ কাৰণে যেনেদৰে মাকে পুত্রক গাখীৰ প্রদান কৰে, তেনেদৰে গাখীৰ প্রদান কৰক।

চন্দ্রিকাব্যাখ্যান — 'যাম্ অশ্বিনৌ' নাসত্যৌ অভিমাতাং নির্মিতৱন্তৌ। 'যস্যাং ৱিষ্ণুঃ' ৱামনৰূপেণ 'বিচক্রমে' আক্রান্তৱান্। 'শচীপতিঃ'। শচী ইন্দ্রাণী যজ্ঞাদৌ ৱিঘ্নধ্বংসিনী তৎপতিঃ। 'ইন্দ্রঃ'। যাম্ 'আত্মনে' স্বস্যকৃতে। 'অনমিত্রাং' নিঃ সপত্নামিত্যর্থঃ। 'চক্রে' 'নঃ' অস্মাকং 'সা ভূমিঃ মে' মহ্যং 'পয়ঃ' অন্নং 'ৱিসৃজতাং' প্রযচ্ছতু যথা 'মাতা পুত্রায়' পয়ো দুগ্ধং ৱিসৃজতি।

ব্যাকৰণগত টোকা —

অভিমাতাম্ — অভি + √ মা + লঙ্ প্রথম পুৰুষ দ্বিবচন।

ৱিচক্রমে— ৱি + √ ক্রম্ লিট্ প্রথম পুৰুষ একবচন

চক্রে — কৃ + √ লিট্ প্রথম পুৰুষ একবচন

ৱিসৃজতাম্ — বি + √ সৃজ্ লেট্ প্রথম পুৰুষ একবচন

১০.৫ সাধাৰণ আলোচনা

অর্থবেদসংহিতাৰ (শৌণক শাখাৰ) দ্বাদশ কাণ্ডটোত এটা দীর্ঘ পৃথিৰী বিষয়ক সূক্ত পোৱা যায়, যাক 'ভূমিসূক্ত' হিচাপে বৈদিক সমাজত প্রসিদ্ধ। অথর্ববেদৰ ভূমিসূক্তৰ ঋষি প্রাচীন কবি অথর্বা। ঋগ্বেদৰ বাহিৰেও অথর্ববেদৰ প্রায় ১৫০০ মন্ত্রৰ ৰচনাকাৰ অথর্বা সম্প্রদায়।

সংহিতাখনৰ নামাকৰণতো সেই ঋষিৰ নাম সংপৃক্ত হৈ আছে। ভূমিসূক্তটোৰ মুঠ মন্ত্ৰ সংখ্যা ৬৩। ছন্দৰ ব্যৱহাৰ এই সূক্তটিত মন কৰিবলগীয়া। বেদৰ গায়ত্ৰ্যাদি সপ্ত ছন্দৰ ব্যৱহাৰটো আছেই, ইয়াৰোপৰি মিশ্ৰ ছন্দৰ ব্যৱহাৰ ব্যাপক।

'ভূমিসূক্ত'টোত ঋষিয়ে পৃথিৱীৰ অপৰূপ সৌন্দৰ্য ব্যাখ্যা কৰিছে। বেদব্যাখ্যাকাৰ অনিৰ্বাণৰ মতে 'ভূমিসূক্ত অথবা পৃথিৱীসূক্তৰূপে সমগ্ৰ বৈদিক সাহিত্যতে অতুলনীয়, বোধহয় পৃথিৱীৰ কোনো সাহিত্যতে এই ৰস উপলব্ধি কৰিব পৰা নাযাব (বেদমীমাংস, পৃঃ ৬৭)। সায়ণাচাৰ্যয়ো এই সূক্তটোৰ অপৰূপ সৌন্দৰ্যৰ বিষয়ে ক'বলৈ গৈ কৈছে— 'প্ৰভূতনিসৰ্গবৰ্ণনম্'। বেদৰ সমালোচক M. Bloomfield ৰ মতে— 'The hymn is one of the most attractive and characteristic of the Atharvan, rising at time to poetic conception of no mean merit and comparatively free from the stock artificialities of the vedic poets'.

সূক্তটোৰ প্ৰথম মন্ত্ৰটোতেই ঋষিয়ে ভূমিৰ মৌলিক নীতিসমূহ উপস্থাপন কৰিছে। বৃহৎ সত্য, ওজস্বী, কৰ্মৰ প্ৰেৰক ইত্যাদি পৃথিৱীৰেই শক্তিৰ নামান্তৰ। এই পৃথিৱীয়ে গোটেই চৰাচৰ প্ৰাণীজগতক ধাৰণ কৰি আহিছে। এই পৃথিৱীয়ে বীৰ্যবতী ওষধীসমূহ ধাৰণ কৰিছে তথা এই পৃথিৱী নদী-সমুদ্ৰ-শস্য-ফলেৰে পৰিপূৰ্ণ। পৃথিৱীয়ে সকলোফালৰ পৰাই আমাক লালন-পালন কৰিছে। (বিভৰ্তি বহুধা প্ৰাণদত্ৰজৎ)। এই পৃথিৱীত কিমান মানুহৰ যে উত্থান-পতন হৈছে, দেৱতাসকলে ইন্দ্ৰৰ নেতৃত্বত এসময়ত অসুৰ অৰ্থাৎ অশুভ শক্তিসমূহক পৰাভূত কৰিছে। হিৰণ্যবক্ষা সম্পদময়ী এই ধৰণীৰ কোলাত কেবল মানুহেই নহয়, গৰু, ঘোৰা, শত্ৰুপক্ষী আদিয়ে নিশ্চিন্তভাৱে আশ্ৰয় লৈ আছে।

কবিয়ে পৃথিৱীৰ লগত আমাৰ সম্বন্ধ মা-তথা সন্তানৰ সম্বন্ধ বুলি ঘোষণা কৰিছে। পৃথিৱী আমাৰ মা আৰু আমি তেওঁৰেই সন্তান (মাতা ভূমিঃ পুত্ৰোৎহং পৃথিব্যাঃ)। এই মাই আমি সন্তানবোৰক গাখীৰ খুওৱাওক (সা নো ভূমির্বিসৃজতাং মাতা পুত্ৰায় পয়ঃ)।



১০.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- অথৰ্ববেদৰ লগত সামান্য পৰিচয় হ'ব পাৰিলে।
- অথৰ্ববেদৰ ভূমিসূক্তৰ লগত পৰিচিত হ'ব পাৰিলে।
- পৃথিৱীৰ স্তুতিৰ লগত চিনাকি হ'ব পাৰিলে।
- বেদৰ নৈসৰ্গিক সৌন্দৰ্যৰ লগত পৰিচয় হ'ব পাৰিলে।
- সূক্তটোৰ ঋষি, ছন্দ আদিৰ লগত পৰিচয় হ'ব পাৰিলে।
- শব্দসমূহৰ অৰ্থৰ জ্ঞান লাভ কৰিলে।



১০.৭ অধিক জানিবলৈ

১) Chaubey, Dr. Braj Bihari, (1986). *The New Vedic Selection,* Part-I, Delhi: Bharatiya Vidya Prakashan.

২) ভট্টাচার্য, ড° ভবানী প্রসাদ আৰু ড° তাৰক নাথ অধিকাৰী, (২০০৪), ***বৈদিক সংকলন,*** কলকতা ঃ সংস্কৃত বুক ডিপো।

৩) পাণ্ডে, জনার্দন শাস্ত্রী আৰু ছবিনাথ পাণ্ডে, (২০০৭) ***বৈদিক সূক্ত সঞ্চয়,*** বেনাৰস।

৪) গৌড়, পণ্ডিত ৰামস্বৰূপ শর্মা, (১৯৯০), ***অথর্ববেদসংহিতা,*** ভাগ-৬, বাৰানসী ঃ চৌখম্বা বিদ্যাভবন।

৫) গোস্বামী, বিজনবিহাৰী (১৯৭৮), ***অথর্ববেদসংহিতা,*** কলকতা ঃ হৰফ প্রকাশনী।



১০.৮ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ অথর্ববেদৰ।

২ নং প্রশ্নৰ উত্তৰঃ ৬৩ টা

৩ নং প্রশ্নৰ উত্তৰঃ অথর্বন।

৪ নং প্রশ্নৰ উত্তৰঃ ভূমি অথবা পৃথিৰী।

৫ নং প্রশ্নৰ উত্তৰঃ পৃথিৰীয়ে।

৬ নং প্রশ্নৰ উত্তৰঃ চাৰিটা।

৭ নং প্রশ্নৰ উত্তৰঃ √ ধা-লোট্ তু।

৮ নং প্রশ্নৰ উত্তৰঃ সম্পদৰ ধাৰণকাৰিণী।

৯ নং প্রশ্নৰ উত্তৰঃ দেৱতাসকলে।

১০ নং প্রশ্নৰ উত্তৰঃ অশ্বিন দেৱতাদ্বয়ে।



১০.৯ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ৫০ শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ঃ ভূমিসূক্তটো কোনখন বেদত পোৱা যায়।

প্রশ্ন ২ঃ অথর্ববেদৰ কোনটো কাণ্ডত ভূমিসূক্তটো আছে।

প্রশ্ন ৩ঃ ভূমিসূক্তটোৰ ঋষি কোন?

প্রশ্ন ৪ঃ ভূমিসূক্তটোত কি কি ছন্দ ব্যৱহাৰ কৰা হৈছে।

প্রশ্ন ৫ঃ 'হিৰণ্যবক্ষা' শব্দটোৰ অর্থ কি?

(খ) চমু প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ১৫০-৩০০ শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ঃ তলৰ শব্দকেইটাৰ ব্যাকৰণগত টোকা লিখক।

কৃণোতু, বিভর্তি, দধাতু, বিচক্রিৰে, বিভ্রতী।

(গ) ৰচনাধর্মী প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ৩০০-৫০০ শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ঃ তলৰ মন্ত্রটো ব্যাখ্যা কৰক।

সত্যং বৃহদৃতমুগ্রং দীক্ষা তপো ব্রহ্ম যজ্ঞঃ পৃথিৱীং ধাৰয়ন্তি।
সা নো ভূতস্য ভব্যস্য পত্ন্যুৎৰুং লোকং পৃথিৱী নঃ কৃণোতু।।

প্রশ্ন ২ঃ ভূমিসূক্তটোত প্রকাশিত হোৱা ভূমিদেৱতাৰ স্বৰূপ সম্পর্কে আলোচনা কৰক।

প্রশ্ন ৩ঃ ভূমিসূক্তটোৰ বিষয়বস্তু আলোচনা কৰক।

*** ***** ***

অধ্যায় ১১ ঃ অক্ষসূক্ত

অধ্যায় গাঁথনি

১১.১ উদ্দেশ্য

১১.২ পৰিচয়

১১.৩ অক্ষসূক্তম্, মূলপাঠ

- ১১.৩.১ প্রথম মন্ত্র
- ১১.৩.২ দ্বিতীয় মন্ত্র
- ১১.৩.৩ তৃতীয় মন্ত্র
- ১১.৩.৪ চতুর্থ মন্ত্র
- ১১.৩.৫ পঞ্চম মন্ত্র
- ১১.৩.৬ ষষ্ঠ মন্ত্র
- ১১.৩.৭ সপ্তম মন্ত্র
- ১১.৩.৮ অষ্টম মন্ত্র
- ১১.৩.৯ নৱম মন্ত্র
- ১১.৩.১০ দশম মন্ত্র
- ১১.৩.১১ একাদশ মন্ত্র
- ১১.৩.১২ দ্বাদশ মন্ত্র
- ১১.৩.১৩ ত্রয়োদশ মন্ত্র
- ১১.৩.১৪ চতুর্দশ মন্ত্র

১১.৪ সাধাৰণ আলোচনা

১১.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১১.৬ অধিক জানিবলৈ

১১.৭ অগ্রগতিৰ খতিয়ান

১১.৮ আৰ্হি প্রশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- ঋগ্বেদৰ অন্তর্গত অক্ষসূক্তটোৰ লগত পৰিচয় হ'ব পাৰিব
- অক্ষসূক্তটোৰ মন্ত্রসমূহৰ বর্ণিত বিষয়ৰ লগত অৱগত হ'ব পাৰিব
- ঋগ্বেদৰ নীতিমূলক শিক্ষাৰ লগত পৰিচয় হ'ব পাৰিব
- বৈদিক সমাজৰ লগত চিনাকি হ'ব পাৰিব

- সূক্তটোৰ ঋষি, ছন্দ, দেৱতা, বিনিয়োগ সম্বন্ধে জ্ঞান লাভ কৰিব
- সূক্তটোৰ মন্ত্রসমূহৰ ব্যাকৰণ, সায়ণাচার্য্যৰ ভাষ্য তথা অসমীয়া ভাঙনিৰ লগত চিনাকি হ'ব।

১১.২ পৰিচয়

ইতিমধ্যে আপুনি ঋগ্‌বেদৰ সাধাৰণ পৰিচয় পাই আহিছে। ঋগ্‌বেদৰ দহটা মণ্ডলৰ ভিতৰত দশম মণ্ডলটোত কিছুমান নতুন চিন্তা-ধাৰাৰ উমান পোৱা যায়। ইয়াৰে ভিতৰত 'অক্ষসূক্ত'টোও অন্যতম। এই সূক্তটো দশম মণ্ডলৰ চৌত্রিশ (৩৪) সংখ্যক সূক্ত। এই সূক্তটোত চৈধ্যটা মন্ত্র আছে। এই সূক্তটিত জুৱাৰীৰ দুর্দশা বর্ণনা কৰা হৈছে। জুৱাৰী এজনৰ আত্মকথনৰ জৰিয়তে জুৱাৰীৰ মনোকষ্ট ইয়াত প্রকাশিত হৈছে। 'অক্ষ' মানে হৈছে পাশাখেলৰ গুটি। এই গুটিবোৰ বিভীদক গছৰ পৰা তৈয়াৰ কৰা হয়। অক্ষক্রীড়া খেলি মানুহৰ কি গতি হয়, সেয়াই এই সূক্তটোৰ বিষয়বস্তু।

সূক্তটোৰ ঋষি হৈছে ঐলূষ কবষ অথবা মূজবৎপুত্র অক্ষ। দেৱতা অক্ষ, কিতব, কৃষি। ছন্দ হৈছে ত্রিষ্টুপ্ আৰু জগতী।

এই অধ্যায়টোৰ জৰিয়তে আপুনি ঋগ্‌বেদৰ অন্তর্গত অক্ষসূক্তৰ (১০.৩৪) লগত পৰিচিত হ'ব পাৰিব।

১১.৩ অক্ষসূক্তম্ (ঋগ্‌বেদ, ১০.৩৪), মূলপাঠ

(ঋষি - ঐলূষ কবষ অথবা মূজবৎপুত্র অক্ষ। দেৱতা — ১, ৭, ৯, ১২— অক্ষা দেবতা, ২-৩, ৪-৬, ৮, ১০-১১, ১৪— কিতব আৰু অক্ষা, ১৩- কৃষি দেবতা। ছন্দ ১-৬, ৮-১৪- ত্রিষ্টুপ্ ছন্দ, ৭ জগতী ছন্দ। বিনিয়োগ - **'গতো বিনিয়োগ'** অর্থাৎ প্রাতৰনুবাকত বিনিয়োগ কৰা হয়।)

১১.৩.১ প্রথম মন্ত্র

সংহিতা পাঠ — প্রাৱেপা মা বৃহতো মাদয়ন্তি
প্রৱাতেজা ইৰিণে ৱর্ৱৃতানাঃ।
সোমস্যেৱ মৌজৱতস্য ভক্ষো
ৱিভীদকো জাগৃৱির্মহ্যমচ্ছান্।। ১।।

পদপাঠ — প্রাৱেপাঃ। মা। বৃহতঃ। মাদয়ন্তি।
প্রৱাতে২জাঃ। ইৰিণে। ৱর্ৱৃতানাঃ।
সোমসৎইৱ। মৌজ২ৱতস্য। ভক্ষঃ।
ৱি২ভীদকঃ। জাগৃৱিঃ। মহ্যম্। অচ্ছান্।।

অন্বয়ার্থ — বৃহতঃ (বৃহৎ) প্রবাতেজাঃ (বায়ু প্রবণদেশত জন্মা) ইৰিণে (পাশাৰ থালত) ৱর্ৱৃতানা (বর্তমান) প্রাৱেপাঃ (কম্পনশীল অক্ষসমূহে) মা (মোক) মাদয়ন্তি (আনন্দিত কৰে) ৰিভীদকঃ (বিভীদকবৃক্ষজাত পাশাসমূহ) মহ্যম্ (মোক) মৌজৱতস্য (মূজবানপর্বতত জন্মা) সোমস্য (সোমৰসৰ) ভক্ষঃ (পানৰ) ইৱ (দৰে) অচ্ছান্ (মত্ত কৰে)।

অসমীয়া অনুবাদ — বায়ুপ্রবণ দেশত জন্মা ডাঙৰ পাশাগুটিসমূহ যেতিয়া কম্পিত হৈ পাশাৰথানত (dice-board) সঞ্চালিত হয়, যিয়ে মোক আনন্দিত কৰে। বিভীদকৱৃক্ষৰ পৰা তৈয়াৰ কৰা এই চেতনাকর্তা অক্ষসমূহে মোক আনন্দত মতলীয়া কৰে, যেনেদৰে মূজবান পর্বতত জন্মা সোমৰ ৰসপানৰ ফলত (ৰসপানকাৰী আনন্দত মত্ত হয়)।

সায়ণ ভাষ্য — বৃহতঃ মহতো ৰিভীদকস্য ফলত্বেন সম্বন্ধিনঃ প্রৱাতেজাঃ প্রৱণে দেশে জাতা ইৰিণে আস্ফাৰে ৱর্ৱৃতানাঃ প্রৱর্তমানাঃ প্রাৱেপাঃ প্রৱেপিণঃ কম্পনশীলা অক্ষাঃ মা মাং মাদয়ন্তি হর্ষয়ন্তি। কিং চ, জাগৃৱিঃ জয়পৰাজয়য়োহর্ষশোকাভ্যাং কিতবানাং জাগৰণস্য কর্তা ৰিভীদকঃ ৰিভীদকবিকাৰো অক্ষো মহ্যম্ মাম্ অচ্ছান্ অচচ্ছদত্ অত্যর্থং মাদয়তি। অত্র দৃষ্টান্তঃ - সোম-সেৱ য়থা সোমস্য মৌজৱতস্য মূজৱতি পর্ৱতে জাতো সৌজৱতঃ তস্য। তত্র হ্যুত্তমঃ সোমো জায়তে। ভক্ষঃ পানং য়জমানান্দেবাংশ্চ মাদয়তি তদ্ব-দিত্যর্থঃ।

ব্যাকৰণগত টোকা — প্রাৱেপাঃ — √প্র - বিপ্ + অচ্, প্রথমা বহুবচন।

বৃহতঃ — বৃহৎ শব্দৰ ষষ্ঠী একবচন।


মাদয়ন্তি — √মদ্ + নিচ্ লট্ প্রথমপুৰুষৰ বহুবচন।

প্রৱাতেজাঃ — প্র (প্রকৃষ্টঃ) ৱাতঃ প্রৱাতঃ (প্রাদিতৎপুৰুষ সমাসঃ), প্রৱাতে জাতঃ ইতি প্রৱাত - জন্ ড প্রৱাতেজঃ, প্রথমাবহুবচনম্।

ৱর্ৱৃতানা — √ৱৃৎ + যঙ্ শানচ্ প্রথমাৰ বহুবচন।

জাগৃৱিঃ — জাগৃ + ক্বিন্

অচ্ছান্ — ছদ্ + লুঙ্ প্রথম পুৰুষ একবচন।



জানি থোৱা ভাল

গতো বিনিয়োগ ঃ বিভিন্ন যজ্ঞত বেদমন্ত্রৰ নিয়োগ বা প্রয়োগ কৰাকে বিনিয়োগ বোলে। 'বিনিয়োগ নাম কর্মভিঃ সম্বন্ধঃ'। অনেনেদং তু কর্তব্যং বিনিয়োগঃ প্রকীর্তিতঃ'। কোনটো মন্ত্র কোনটো যজ্ঞত কেতিয়া কেনেদৰে পঠনীয় হ'ব তাৰ নির্দেশ বেদাঙ্গৰ অন্তর্গত 'শ্রৌতসূত্র' নামৰ কল্পসূত্রত

নির্দেশ দিয়া আছে। বিনিয়োগ দুই প্রকাৰৰ— সামান্য বিনিয়োগ আৰু বিশেষ বিনিয়োগ। ইয়াৰ ভিতৰত সমগ্র সংহিতাৰ ব্রহ্মযজ্ঞ (নিত্য বেদাদি অধ্যয়নৰ ব্রহ্মযজ্ঞ বোলে)ত বিনিয়োগ কৰাক সামান্য বিনিয়োগ বোলে। আনহাতে আশ্বলায়নে নির্দেশ কৰা সূত্র অনুসৰি মন্ত্র বিনিয়োগ, তৃচ বিনিয়োগ তথা সূক্ত বিনিয়োগৰ নাম বিশেষ বিনিয়োগ। বিনিয়োগ অবিহনে বেদবাক্য নিৰৰ্থক। অথচ ঋগ্বেদৰ দশক মণ্ডলৰ বহুসূক্তৰ বিনিয়োগ শ্রৌতসূত্র, ব্রাহ্মণ আদিত উপলব্ধ নহয়। সেয়েহে যিবোৰ সূক্তৰ বিশেষ বিনিয়োগ কোৱা হোৱা নাই, সেইবোৰ সূক্তৰ বিনিয়োগ 'প্রাতৰ 'প্রাতৰনুবাক' তথা 'অশ্বিনশস্ত্র'ত হ'ব বুলি ধৰা হয়। যিহেতু প্রাতৰনুবাক নামৰ যজ্ঞৰ অংশটোত অপৰিমিত সংখ্যক তথা অশ্বিনশস্ত্র নামৰ প্রাতৰনু বাকৰেই অন্তর্গত শস্ত্রটোত (অশ্বিন্ দেৱতাৰ উদ্দেশ্যে কৰা মন্ত্র পাঠটোক অশ্বিন শস্ত্র বুলি কোৱা হয়) সহস্র মন্ত্রপাঠৰ বিধান আছে। সেয়েহে তাতেই এই অনির্দেশিত সূক্তসমূহৰ বিশেষ বিনিয়োগ হয় বুলি বুজিব লাগিব। ইয়াকেই সায়ণে 'গতবিনিয়োগ' বুলি অভিহিত কৰিছে। ঋগ্বেদত সায়ণ ভাষ্যত ৩৭ বাৰ 'গতঃ সূক্তবিনিয়োগঃ' এই বাক্যটি পোৱা যায়।

১১.৩.২ দ্বিতীয় মন্ত্র

সংহিতা পাঠ— ন মা মিমেথ ন জিহীল এষা
শিৱা সখিভ্য উত মহ্যমাসীৎ।
অক্ষস্যাহমেকপৰস্য হেতো-
ৰনুব্রতামপ জায়ামৱোধম্।। ২ ।।

পদপাঠ — ন। মা। মিমেথ। ন। জিহীলে। এষা
শিৱা। সখি২ভ্যঃ। উত। মহ্যম্। আসীত্।
অক্ষস্য। অহম্। এক২পৰস্য। হেতঃ।
অনুব্রতাম্। অপ। জায়াম্। অৱোধম্।।

অন্বয়ার্থ — এষা (এই মোৰ পত্নী) ন মা মিমেথ (মোৰ প্রতি ক্রোধপৰায়ণ হোৱা নাছিল), ন জিহীলে (কেতিয়াও লজ্জিতা হোৱা নাছিল) সখিভ্যঃ (মোৰ বন্ধুসকলৰ প্রতি) উত মহ্যম্ (মোৰ প্রতিও) শিৱা (মঙ্গলদায়িনী) আসীৎ (আছিল)। এক পৰস্য অক্ষস্য হেতোঃ (পাশাৰ প্রতি মোৰ বিশেষ অনুবাগবশতঃ) অহম্ (মই) অনুব্রতাম্ (অনুব্রতা) জায়াম্ (পত্নীক) অপ অৱোধম্ (পৰিত্যাগ কৰিছিলোঁ)।

অসমীয়া অনুবাদ —এই মোৰ পত্নীয়ে কেতিয়াও মোৰ লগত কাজিয়া কৰা নাছিল, কেতিয়াও লজ্জিতা হোৱা নাছিল, (বৰঞ্চ) মোৰ প্রতি তথা মোৰ বন্ধুসকলৰ প্রতি কল্যাণকাৰিণী আছিল। পাশাৰেই একমাত্র প্রেমী হোৱা কাৰণে, মই নিজৰ পতিব্রতা পত্নীক পৰিত্যাগ কৰিছোঁ।

সায়ণভাষ্য— এষা অস্মদীয়া জায়া মা মাং কিতৱং ন মিমেথ ন চ চুক্রোধ ন জিহীলে ন চ লজ্জিতৱতী। সখিভ্যঃ অস্মদীয়েভ্যঃ কিতৱেভ্যঃ শিৱা সুখকৰী আসীৎ অভূৎ। উত অপি চ মহ্যং শিৱাসীৎ। ইত্থম্ অনুব্রতাম্ অনুকুলাং জায়াম্ একপৱস্য একঃ পৱঃ প্রধানং যস্য তস্য অক্ষস্য হেতোঃ কাৱণাদহম্ অপ অৱোধং পৱিত্যক্তৱানস্মীত্যর্থঃ।

ব্যাকৱণগত টোকা — মিমেথ — √ মিথ্ + লিট্ প্রথম পুৰুষ একবচন।
জিহীলে — √ হেল্ লিট্ প্রথম পুৰুষ একবচন।
একপৱস্য — একঃ পৱো যস্য সঃ (বহুব্রীহি সমাস)
অপাৱোধম্ — অপ্ - √ ৰুধ্ লুঙ্ উত্তম পুৰুষ একবচন।

১১.৩.৩ তৃতীয় মন্ত্র

সংহিতা পাঠ— দ্বেষ্টি শ্বশ্রূৱপ জায়া ৰুণদ্ধি
ন নাথিতো ৱিন্দতে মর্ডিতাৱম্
অশ্বস্যেৱ জৱতো ৱস্নস্য
নাহং বিন্দামি কিতৱস্য ভোগম্।। ৩।।

পদপাঠ — দ্বেষ্টি। শ্বশ্রূঃ। অপ। জায়া। ৰুণদ্ধি।
ন। নাথিতঃ। ৱিন্দতে। মর্ডিতাৱম্।
অশ্বস্য২ ইৱ। জৱতঃ। ৱস্নস্য ।
ন। অহং। ৱিন্দামি। কিতৱস্য। ভোগম্।।

অন্বয়ার্থ — (মোৱ) শ্বশ্রূঃ (শাহুই) (মোক) দ্বেষ্টি (নিন্দা কৱে) জায়া (পত্নী) অপৱুণদ্ধি (মোক) (প্রত্যাখ্যান কৱে)। নাথিতঃ (প্রার্থনাকাৰী) (জুৱাৰীয়ে) মর্ডিতাৱম্ (ধনদাতা সুখী মানুহক) ন ৱিন্দতে (লাভ নকৱে)। জৱতঃ (ৰুগীয়া) ৱস্নস্য অশ্বস্য ইৱ (বিক্রী হৈ যোৱা ঘোড়াৰ দৱে) অহম্ (মই) কিতৱস্য ভোগম্ (জুৱাৰীৰ জীৱন) ন ৱিন্দামি (পাৱ নিবিচাৱোঁ)।

অসমীয়া অনুবাদ — মোৰ শাহুৱে মোক নিন্দা কৱে, পত্নীয়েও প্রত্যাখ্যান কৱে। সহায় কৰিবলৈ কোনো দয়াশীল ব্যক্তিক লাভ নকৱে। মূল্যবান বৃদ্ধ (অকর্মন্য) ঘোঁৰাৰ দৱে জুৱাৰীৰ এই জীৱনো কোনো লাভদায়ক নহয়।

সায়ণভাষ্য— শ্বশ্রূঃ জায়ায়া মাতা গৃহগতং কিতৱং দ্বেষ্টি নিন্দতীত্যর্থঃ। কিং চ জায়া ভার্য্যা অৱৰুণদ্ধি নিৰুণদ্ধি। অপি চ নাথিতঃ যাচমানঃ কিতৱো ধনং মর্ডিতাৱম্ ধনদানেন সুখয়িতাৱং ন ৱিন্দতে ন

লভতে। ইথং ৱুদ্ধ্যা ৱিমৃশন্নহং জৰতঃ ৱৃদ্ধস্য (বস্নস্য) ৱস্নং মূল্যং তদর্হস্য অশ্বস্যের কিতৱস্য ভোগং ন ৱিন্দামি ন লভে।

ব্যাকৰণগত টোকা — দ্বেষ্টি — √ দ্বিষ + লট্ প্রথম পুৰুষ একবচন।
অপৰুণদ্ধি — অপ - √ ৰুধ্ লট প্রথম পুৰুষ একবচন।
মডিতাৰম্ — √ মৃড্ + তৃচ্ দ্বিতীয়া একবচন।
জৰতঃ — √ জ্জ + শতৃ ষষ্ঠী একবচন।
বস্ন্যস্য — বত্নং (মূল্যং) তদর্হতীতি বস্ন + যৎ, ষষ্ঠী একবচন।
কিতৱস্য — কর্তৰি ষষ্ঠী অথবা কর্মণি ষষ্ঠী

১১.৩.৪ চতুর্থ মন্ত্র

সংহিতা পাঠ — অন্যে জায়াং পৰি মৃশন্ত্যস্য
যস্যাগৃধদ্বেদনে ৱাজ্য২ক্ষঃ।
পিতা-মাতা ভ্রাতৰ এতমাহু
ন জানীমো নয়তা বদ্ধমেতম্।। ৪।।

পদপাঠ — অন্যে। জায়াম্। পৰি। মৃশন্তি। অস্য।
যস্য। অগৃধত্। ৱেদনে। ৱাজী। অক্ষঃ।
পিতা। মাতা। ভ্রাতৰঃ। এতম্। আহুঃ।
ন। জানীমঃ। নয়ত। বদ্ধম্। এতম্।।

অন্বয়ার্থ — য়স্য (জিন জুৱাৰীৰ) ৱেদনে (ধনত) ৱাজী (বলবা) অক্ষঃ (পশা) অগৃধৎ (ইচ্ছা কৰে) অস্য (এ জুৱাৰীৰ) জায়াম্ (পত্নীক) অন্যে (আনে) পৰামৃশন্তি (আকর্ষণ কৰে)। পিতা মাতা ভ্রাতৰঃ (পিতা, মা তথা ভাইসকলে) এনম্ (এই জাৱাৰীৰ প্রতি) আহুঃ (এনেদৰে কয়) ন জানীমঃ (আমি এওঁক নাজানো) এতম্ (এওক) বদ্ধম্ নয়ত (বান্ধি লৈ যোৱা)।

অসমীয়া অনুবাদ —যিজন জানুৱাৰীৰ ধনৰ প্রতি শক্তিশালী অক্ষ দেৱতাই কামনা কৰিছে, সেই জুৱাৰীৰ পত্নীক অন্য পাশা খেলুৱৈয়ে বলপূর্বক বেয়া ব্যৱহাৰ কৰে। পিতা, মাতা, ভাই-সকলোৱে এই জুৱাৰী সম্বন্ধে কয়— আমি এওঁক নেজানো, এওঁক বান্ধি লৈ যোৱা'।

সায়ণভাষ্য— যস্য কিতৱস্য ৱেদনে ধনে ৱাজী ৱলৱান্ অক্ষঃ দেৱঃ অগৃধৎ অভিকাঙ্ক্ষাং কৰোতি তস্য অস্য কিতৱস্য জায়াং ভার্য্যাম্ অন্যে প্রতিকৃতৱাঃ পৰি মিশন্তি ৱস্ত্রকেশাদ্যা কর্ষণেন সংস্পৃশন্তি। কিংচ পিতা জননী চ ভ্রাতৰঃ সহোদৰাচ্চ এনং কিতৱম্ আহুঃ ৱদন্তি। ন ৱয়মস্মদীয়মেনং জানীমঃ। ৰজ্জ্বা বদ্ধমেনং কিতৱং হে কিতৱাঃ যুয়ং নয়ত যথেষ্টদেশং প্রাপয়তেতি।

ব্যাকৰণগত টোকা— পৰিমৃশন্তি— পৰি- √মৃশ্, লট্, প্ৰথম পুৰুষ বহুবচন।

অসৃধৎ — √গৃধ্ + অ, লুঙ্ প্ৰথম পুৰুষ একবচন।

ৱেদনে — √বিদ্ ল্যুট্, সপ্তমীৰ একবচন।

ৱাজ্যহক্ষ — ইয়াত কম্পস্ৱৰৰ ব্যৱহাৰ হৈছে।

জানীম — √জা লট্ উত্তম পুৰুষ বহুবচন।

নয়তা — √নী লোট্ মধ্যম পুৰুষ বহুবচন।



জানি থোৱা ভাল

কম্পস্ৱৰ — বেদত তিনি প্ৰকাৰৰ স্ৱৰ উপলব্ধ হয়। সেইবোৰ হৈছে— উদাত্ত, অনুদাত্ত আৰু স্ৱৰিত। কোনটো বৰ্ণত কি স্ৱৰ হ'ব, সেইবোৰ বিস্তৃতভাৱে প্ৰাতিশাখ্য, শিক্ষা, পাণিনিৰ ব্যাকৰণ আদি গ্ৰন্থত ব্যাখ্যা কৰা হৈছে।

বৈদিক স্ৱৰৰ ক্ষেত্ৰত সাধাৰণতে উদাত্তৰ পিছত থকা অনুদাত্ত স্ৱৰটো স্ৱৰিত স্ৱৰলৈ পৰিণত হয়। ইয়াকে উদাত্তনির্ভৰস্ৱৰিত (dependent svarita) বুলি কোৱা হয়। কিন্তু কেতিয়াবা কেতিয়াবা কোনো স্ৱৰৱর্ণ স্ৱভাৱতে যেনে— 'স্বঃ ৰ্ক, ন্যক, কন্যা, ধান্য আদি, অথবা প্ৰত্যয় বা সন্ধিৰ ফলত স্ৱৰিত স্ৱৰ হয়। ইয়াকে উদাত্ত-নিৰপেক্ষ বা স্ৱতন্ত্ৰ স্ৱৰিত (independent svarita) বোলে। স্ৱতন্ত্ৰ স্ৱৰিত চাৰি প্ৰকাৰৰ— জাত্য, অভিনিহিত, ক্ষৈত্ৰ আৰু প্ৰশ্লিষ্ট। জন্মগতভাৱেই যিবোৰ স্ৱৰিত হৈ থাকে, তাকে জাত্যস্ৱৰিত বোলে। যেনে— স্বঃ, ৰ্ক, কন্যা আদি। অভিনিহিত সন্ধিৰ ফলত যিবোৰ স্ৱৰিত উৎপন্ন হয়, তাকে অভিনিহিত স্ৱৰিত বুলি কোৱা হয়। যেনে— তে২বধন্ত। ক্ষৈপ্ৰ সন্ধিৰ ফলত উৎপন্ন স্ৱৰিতৰ নাম ক্ষৈপ্ৰ। যেনে— য়ুযোধ্যস্মৎ। প্ৰশ্লিষ্ট সন্ধিৰ ক্ষেত্ৰত কেৱল মাত্ৰ দুই 'ই'কাৰৰ মাজত হোৱা প্ৰশ্লেষৰ ফলত প্ৰশ্লিষ্ট স্ৱৰিত উৎপন্ন হয়। যেনে— বি + ইত = বীত।

যদি স্ৱতন্ত্ৰ স্ৱৰিত স্ৱৰটোৰ অব্যবহিত পৰৱর্তী পদটোত উদাত্ত বা আৰু এটি স্ৱতন্ত্ৰ স্ৱৰিত থাকে, তেনেহ'লে প্ৰথম স্ৱৰিত বৰ্ণটো কম্পিতভাৱে উচ্চাৰিত হয়, ইয়াকেই কম্পস্ৱৰ বোলে। কম্পস্ৱৰৰ বিষয়ে 'ঋক্ প্ৰাতিশাখা' গ্ৰন্থত এনেদৰে কোৱা হৈছে—

'জাত্যো২ভিনিহিতশ্চৈৱ ক্ষৈপ্ৰঃ প্ৰশ্লিষ্ট এব চ।

এতে স্ৱৰাঃ প্ৰকম্পন্তে যত্ৰোচ্চস্ৱৰিতোদয়াঃ।। (৩/১২)

কম্পস্ৱৰটি হ্ৰস্ব হ'লে একবাৰ কম্পন হয় আৰু সেইটো বুজাবলৈ তাৰ পিছত '১' সংখ্যাটি লিখি তাৰ ওপৰত আৰু তলত স্ৱৰিত আৰু অনুদাত্তৰ চিহ্ন লগোৱা হয়। যেনে— যুয়োধ্য১মদ্বেযাংসি। আনহাতে, কম্পস্ৱৰটো দীৰ্ঘ হ'লে, তিনিবাৰ কম্পন হয় আৰু তাৰ পিছত '৩' সংখ্যাটো লিখি ওপৰ আৰু তলত স্ৱৰিত আৰু অনুদাত্তৰ চিহ্ন লগোৱা হয়। যেনে— সুপ্ৰাৱ্যে৩যজমানায়।

১১.৩.৫ পঞ্চম মন্ত্র

সংহিতা পাঠ— য়দাদীধ্যে ন দৰিষাণ্যেভিঃ
পৰায়দভ্যোহৰ হীয়ে সখিভ্যঃ।
ন্যুপ্তাশ্চ বভ্ৰৱো ৱাচমক্রতঁ
এমীদেষাং নিষ্কৃতং জাৰিণীৰ।। ৫।।

পদপাঠ — য়ত। আ২দীধ্যে। ন। দৰিষাণি। এভিঃ।
পৰায়ত্২ভ্যঃ। অৰ। হীয়ে। সখিভ্যঃ।
নি২উপ্তাঃ। চ। বভ্ৰৱঃ। ৱাচম্। অক্রত।
এমি। ইত্। এষাং। নিঃ২কৃতং। জাৰিণী২ইব।। ৫।।

অন্বয়ার্থ — যৎ (যেতিয়া) আদীধ্যে (ভাবোঁ) এভিঃ ন দৰিষাণি (এই পাশা আৰু নেখেলো) পৰায়দ্ভ্যঃ (খেলিবলৈ যোৱা) সখিভ্যঃ (সখিসকলৰ পৰা) অৱহীয়ে (আঁতৰি থাকোঁ)। বভ্ৰৱঃ (মৃগাবৰণৰ পাশাবোৰে) ন্যুপ্তাশ্চ (নিক্ষিপ্ত হৈ) ৱাচম্ অক্রত (শব্দ কৰি মাতে) এষাম (এই পাশাৰ কাষলৈ) নিষ্কৃতং জাৰিণীৰ (পূর্বনির্দিষ্ট ঠাইলৈ যোৱা অভিসাৰিণী স্ত্রীৰ দৰে) এমি (গুচি যাওঁ)।

অসমীয়া অনুবাদ — যেতিয়া মই চিন্তা কৰোঁ যে মই আৰু এই পাশা নেখেলো, তেতিয়া লগৰীয়া খেলুৰৈসকলৰ পৰা আঁতৰি থাকোঁ। (কিন্তু) মুগাবৰণৰ এই পাশাসমূহে পাশাপীঠত পৰি যেতিয়া শব্দ কৰি মাতে, তেতিয়াই মই অভিসাৰিণী স্ত্রীয়ে (বেশ্যা) নির্দিষ্ট ঠাইলৈ যোৱাৰ দৰে পাশাখেলৰ ঠাইলৈ গুচি যাও।

সায়ণভাষ্য— যৎ যদা অহম্ আদীধ্যে ধ্যাযামি তদানীম্ এভিঃ অক্ষৈঃ ন দৰিষাণি ন দূষয়ে ন পৰিতপামি। যদ্বা ন দবিষাণি ন দেবিষ্যামীত্যর্থঃ। পৰাযদ্ভ্যঃ স্বয়মেব পৰাগচ্ছদ্ভ্যঃ সখিভ্যঃ সখিভূতেভ্যঃ কিতৱেভ্যঃ অৱ হীয়ে অৱহিতো ভৱামি। নাহং প্রথমক্ষান্ বিসৃজামীতি। কিং চ বভ্ৰৱঃ বভ্রুৱর্ণা অক্ষাঃ ন্যুপ্তাঃ কিতবৈৰবক্ষিপ্তাঃ সন্তঃ বাচমক্রত শব্দং কুর্বন্তি। তদা সংকল্পং পৰিত্যজ্য অক্ষব্যসনেনাভিভূয়মানোঽহম্ এযাম্ অক্ষাণাং নিষ্কৃতং স্থানং জাৰিণীব যথা কামব্যসাননাভিভূয়মানা স্বৈৰিনী সংকেতস্থানং যাতি তদ্বৎ এমি ইত্ গচ্ছামেৎব।

ব্যাকৰণগত টোকা — আদীধ্যে — আ - √ধী লট্ উত্তমপুৰুষ একবচন।
দৰিষাণি — √দু বা √দ্বিৰ ইষং লুঙ্ উত্তম পুৰুষ একবচন।
অৱহীয়ে — অৱ √হা লট্ উত্তম পুৰুষ একবচন (কর্মবাচ্যত)।

ন্যুপ্তা — নি + উপ্তাঃ। উপ্তাঃ - বপ্ + ক্ত প্রথমা বহুবচন।

অক্রতা — √কৃ লুঙ্ প্রথম পুৰুষ বহুবচন।

ত্রমীদেষাম্ — এমি + ইৎ + এষাম্



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ অক্ষসূক্তটো ঋগ্বেদৰ কোনটো মণ্ডলত আছে?

.....

প্রশ্ন নং ২ঃ অক্ষসূক্তটোৰ ঋষি কোন?

.....

প্রশ্ন নং ৩ঃ অক্ষসূক্তটোৰ দেৱতা কোন?

.....

প্রশ্ন নং ৪ঃ অক্ষসূক্তটোৰ ছন্দ কি?

.....

প্রশ্ন নং ৫ঃ অক্ষসূক্তটো ক'ত বিনিয়োগ কৰা হয়?

.....

১১.৩.৬ ষষ্ঠ মন্ত্র

সংহিতা পাঠ— সভামেতি কিতৱঃ পূচ্ছমানো
জেষ্যামীতি তন্বা শূশুজানঃ।
অক্ষাসো অস্য ৰি তিৰন্তি কামং
প্রতিদীৱনে দধত আ কৃতানি।। ৬।।

পদপাঠ — সভাম্। এতি। কিতৱঃ। পৃচ্ছমানঃ।
জেষ্যামি। ইতি তন্বা। শূশুজানঃ।
অক্ষাসঃ। অস্য। ৰি। তিৰন্তি । কামম্।
প্রতি২দীব্নে। দধতঃ। আ। কৃতানি।। ৬।।

অন্বয়ার্থ — কিতৱঃ (জুৱাৰী) তন্বা শূশুজানঃ (দীপ্তিময় শৰীৰেৰে) জেষ্যামি (জয় হম) ইতি পৃচ্ছমানঃ (এনেকৈ কৈ কৈ) সভাম্ এতি

(দ্যূতসভালৈ যায়)। প্রতিদীব্নে (প্রতিদ্বন্দ্বী খেলুৱৈৰ প্রতি (কৃতানি (যথার্থ দান) আ দধতঃ (প্রদান কৰি) অক্ষাসঃ পাশাসমূহে) অস্য (এই জুৱাৰীৰ) কামম্ (ই কামনাক) ৱিতিৰন্তি (বঢ়ায় দিয়ে)।

অসমীয়া অনুবাদ — জুৱাৰীয়ে দীপ্যমান শৰীৰেৰে (উৎফুল্লিত ভাৱে) ‍্যমই জয়লাভ কৰিম’— এই কথা (নিজে নিজে) কৈ কৈ অক্ষ সভাত উপস্থিত হয়। (তাত) প্রতিদ্বন্দ্বী জুৱাৰীক যথার্থ দান প্রদান কৰি পাশাসমূহে এই জুৱাৰীজনৰ ইচ্ছাক বঢ়াই তোলে।

সায়ণভাষ্য— তন্বা শৰীৰেণ শূশুজানঃ শোশুচানো দীপ্যমানঃ কিতৱঃ কো২ত্রাস্তি ধনিকস্তং জেস্যামীতি পৃচ্ছমানঃ পৃচ্ছন্ সভাং কিতৱসম্বন্ধিনীম্ এতি গচ্ছতি। তত্র প্রতিদীৱনে প্রতিদেৱিত্তে কিতৱায় কৃতানি দেৱনোপযুক্তানি কর্মাণি আ দধতঃ জয়ার্থমাভিমুখ্যেন মর্যাদয়া ৱা দধতঃ অস্য কিতৱস্য কায়ম্ ইচ্ছাম্ অক্ষাসঃ অক্ষা ৱিতিৰন্তি বর্ধয়ন্তি।

ব্যাকৰণগত টোকা — পৃচ্ছমানঃ — √ প্রচ্ছ্ + শানচ্ প্রথমা একবচন।
জেষ্যামি — √ জি লৃট্ উত্তম পুৰুষ একবচন।
তন্বা — তনূ + আ। কম্পস্বৰ হৈছে।
শূশুজানঃ — √ শুজ্ + দ্বিত্ব - লুঙ্ প্রথমা একবচন।
বি তিৰন্তি — বি - √ তৃ প্রথমপুৰুষ বহুবচন।
প্রতিদীৱনে — প্রতি - √ দিৱ্ + কনিন্ চতুর্থী একবচন।
কৃতানি — কৃত (ক্লীৱলিঙ্গ) + প্রথমা বহুবচন।

১১.৩.৭ সপ্তম মন্ত্র

সংহিতা পাঠ— অক্ষাস ইদংকুশিনো নিতোদিনো
নিকৃত্বানস্তপনাস্তাপয়িষ্ণৱঃ।
কুমাৱদেষ্ণা জয়তঃ পুনহ্ণো
মধ্বা সম্পৃক্তাঃ কিতৱস্য বর্হণা।। ৭।।

পদপাঠ — অক্ষাসঃ। ইত্। অংকুশিনঃ। নি২তোদিনঃ।
ন্যিকৃত্বানঃ। তপনাঃ। তাপয়িষ্ণৱঃ।
কুমাৱ২দেষ্ণাঃ। জয়তঃ। পুনঃ২হনঃ।
মধ্বা। সম্২পৃক্তাঃ। কিতৱস্য। বর্হণা।। ৭।।

অন্বয়ার্থ — অক্ষাসঃ (অক্ষসমূহ) ইৎ (যেন) অঙ্কুশিনঃ (কাঁইটযুক্ত) নিতোদিনঃ (হাতুৰী)। নিকৃত্বানঃ (কর্তনকাৰী) তপনাঃ (তপ্ত) তাপয়িষ্ণৱ

(ত স্তাপক)। কুমাৰ দেষ্ণাঃ (শিশুৰ দৰে দানকাৰী) মৰাধ (মধুদ্বাৰা) সংপৃক্তা (সংপৃক্ত) বর্হনা (বৃদ্ধিপ্রাপ্ত হোৱা) (বাণীৰে) জয়তঃ (জয়লাভ কৰা) কিতবস্য (জুৱাৰীৰ) পুনর্হণঃ (পুনৰ হত্যাকাৰী হয়)।

অসমীয়া অনুবাদ — পাশাসমূহ যেন কাইটযুক্ত হাতুৰীৰ দৰে। সেইবোৰে জুৱাৰীক (সকলো সময়তে) কর্তন কৰে। সেইবোৰ নিজেও তপ্ত আৰু আনকো সন্তাপিত কৰে। এই পাশাবোৰ শিশুৰ দৰে দাতা (অর্থাৎ শিশুই যেনেদৰে এবাৰ দি ঘূৰাই লয়), মধু সংপৃক্ত (বাণীৰে) (আসক্তি) বৃদ্ধি কৰি (এই অক্ষই) জয়শীল জুৱাৰীক পুনৰ হত্যা কৰাৰ দৰে হয়।

সায়ণভাষ্য— অক্ষাস ইত্ অক্ষা এব অংকুশিনঃ অংকুশবতো নিতোদিনঃ নিতোদৱতশ্চ পুৰুষস্য কৃষৌ প্রবর্তমানস্য নিকৃত্বানঃ পৰাজয়ে নির্কনশীলাশ্ছেত্তাৰো ৱা। তপনাঃ পৰাজয়ে কিতৱস্য সন্তাপকাঃ তাপয়িষ্ণৱঃ সর্ৱস্বহাৰকত্বেন কুটুম্বস্য সন্তাপনশীলাশ্চ ভৱন্তি। কিঞ্চ, জয়তঃ কিতৱস্য কুমাৰদেষ্ণাঃ ধনদানেন ধন্যতাং লম্ভয়ন্তঃ কুমাৰাণাং দাতাৰো ভৱন্তি। অপি চ মধৱা মধুনা সম্পৃক্তাঃ প্রতিকিতৱেন বর্হণা পৰিবৃদ্ধেন সর্বস্বহৱণেন কিতৱস্য পুনর্হন্তাৰো ভবন্তি।

ব্যাকৰণগত টোকা — অক্ষাসঃ — অক্ষ + জস্, 'আজ্জসেৱসুক্' এই সূত্রৰ দ্বাৰা অসুক প্রত্যয়।

নিতোদিনঃ — নি - √ তুদ্ + ণিচ্ + নিনি, প্রথমা বহুবচন।

নিকৃত্বানঃ — নি - √ কৃ (বা কৃৎ) + ৰ্কনিপ্ প্রথমা বহুবচন।

তপনাঃ — √ তপ্ + ল্যু, প্রথমা বহুবচন।

তাপয়িষ্ণৱঃ — √ তপ্ + ণিচ্ ইষ্ণুচ্, প্রথমা বহুবচন।

কুমাৰদেষ্ণা — কুমাৰাণাং দেষ্ণাঃ দাতাৰঃ (ষষ্ঠী তৎপুৰুষ সমাস)।

পুনর্হণঃ — পুনঃ + √ হন্ ক্বিপ্

সংপৃক্তাঃ — সম্ - √ পৃচ্ + ক্ত, প্রথমা বহুবচন

বর্হণা — √ বৃহ্ য়ুচ্ স্ত্রীয়াং টাপ্

১১.৩.৮ অষ্টম মন্ত্র

সংহিতা পাঠ— ত্রিপঞ্চাশঃ ক্রীড়তি ব্রাত এষাং
দেৱইৰ সৱিতা সত্যধর্মা।

উগ্রস্য চিন্মন্যৱে না নমন্তে
ৰাজা চিদেভ্যো নম ইৎকৃণোতি।। ৮।।

পদপাঠ — ত্রিপঞ্চাশঃ। ক্রীড়তি। ব্রাতঃ। এষাম্।
দেব২ইব। সবিতা। সত্য২ধর্মা।
উগ্রস্য। চিত্। মন্যৱে। ন। নমন্তে।
ৰাজা। চিত্। এভ্যঃ। নমঃ। ইৎ। কৃণোতি।। ৮।।

অন্বয়ার্থ — এষাম্ (এই পাশাবিলাকৰ) ত্রিপঞ্চাশঃ (তেপন্নটা) ব্রাতঃ (সমূহ) ক্রীড়তি (খেলি থাকে) সত্যধর্মা দেৱঃ সবিতা ইৱ (সত্যধর্মৰ দেৱতা সবিতাৰ দৰে)। উগ্রস্য (তেজস্বী ব্যক্তিৰ) চিৎ মন্যৱে (ক্রোধৰ সন্মুখতো) ন নমন্তে (নত নহয়)। ৰাজা চিৎ (ৰজা পর্য্যন্ত) এভ্যঃ (ইয়াৰ উদ্দেশ্যে নমঃ কৃণোতি (নমস্কাৰ কৰে)।

অসমীয়া অনুবাদ —পাশাৰ ঢালত এই পাশাসমূহৰ তেপন্নটা সমূহে (চাৰিওফালে) বিহাৰ কৰে, সত্যধর্মা দেৱতা সূর্যৰ দৰে (যেনেদৰে সূর্যই নিজৰ ইচ্ছাৰে চাৰিও ফালে বিহাৰ কৰে)। এই অক্ষই কোনো তেজস্বী ব্যক্তিৰ ক্রোধৰ সন্মুখত নত নহয়। আনকি ৰজায়ো এওঁক নমস্কাৰ কৰে।

সায়ণভাষ্য— এষাম্ অক্ষাণাং ত্রিপঞ্চাশঃ ত্র্যধিকপঞ্চাশৎ সংখ্যাকঃ ব্রাতঃ সংঘ ক্রীঞ্চতি আস্ফাৰে বিহৰতি। অক্ষিকাঃ প্রায়েণ তাবদ্ভিৰক্ষৈর্দীব্যন্তি হি। তত্র দৃষ্টান্তঃ সত্যধর্মা সৱিতা সর্ৱস্য জগতঃ প্রেৰকঃ সূর্যো দেৱ ইৱ। যথা সৱিতা দেৱো জগতি বিহৰতি তদ্বদক্ষাণাং সঙঘ আস্ফাৰে বিহৰতীত্যর্থঃ। কিংচ, উগ্রস্য চিৎ ক্রুৰস্যাপি মন্যৱে ক্রোধায় এতে অক্ষা ন নমন্তে ন প্রহ্বী ভবন্তি, ন ৱশে ৱর্তন্তে, তং নময়ন্তীত্যর্থঃ। ৰাজা চিৎ জগত ঈশ্বৰো অপি এভ্যঃ নমঃ ইৎ নমস্কাৰমেৰ দেৱনৱেলায়াং কৃণোতি নাৱজ্ঞাং কৰোতীত্যর্থঃ।

ব্যাকৰণগত টোকা — সত্যধর্মা — সত্যং ধর্মো যস্য সঃ (বহুব্রীহি সমাস)।
মন্যৱে, এভ্যঃ— নম্ ধাতু তথা নমঃ শব্দৰ যোগত চতুর্থী বিভক্তি।

১১.৩.৯ নৱম মন্ত্র

সংহিতা পাঠ— নীচা ৱর্তন্ত উপৰি স্ফুৰ
ন্ত্যহস্তাসো হস্তবন্তং সহন্তে।
দিব্যা অংগাৰা ইৰিণে ন্যুপ্তাঃ
শীতাঃ সন্তো হৃদয়ং নির্দহন্তি।। ৯।।

পদপাঠ — নীচা। ৱর্তন্তে। উপৰি। স্ফুৰন্তি।
অহস্তাসঃ। হস্ত২ৱন্তম্। সহন্তে।
দিব্যাঃ। অংগাৰাঃ। ইৰিণে। নি২উপ্তাঃ।
শীতাঃ। সন্তঃ। হৃদয়ম্। নিঃ। দহন্তি।। ৯।।

অন্বয়ার্থ — (পাশাবোৰ) নীচাঃ ৱর্তন্তে (তললৈ যায়) উপৰি স্ফুৰন্তি (কিন্তু) (ওপৰলৈ স্ফুৰিত হয়)। অহস্তাসঃ (হাত নেথাকিলেও) হস্তৱন্তং সহন্তে (বহাত থকা খেলুৱৈক পৰাভূত কৰে)। ইৰিণে (পাশাৰ চালত) ন্যুপ্তাঃ (পেলাই দিলে) দিব্যাঃ (দিব্য অর্থাৎ স্বর্গীয়) অঙ্গাৰা (এঙাৰৰ দৰে) শীতাঃ সন্তঃ (নিজেও শীতল হ'লেও) হৃদয়ং নির্দহন্তি (হৃদয় দাহ কৰে)।

অসমীয়া অনুবাদ — এই পাশাবোৰ তললৈ যায় (অথচ) ওপৰৰ পালে (অর্থাৎ হৃদয়ক) স্ফুৰিত কৰে। সেইবোৰৰ হাত নেথাকিলেও হাত থকা খেলুৱৈক পৰাভূত কৰে। পাশাৰ চলিত নিক্ষিপ্ত স্বর্গীয় এঙাৰৰ দৰে এই পাশাবোৰ নিজে শীতল হ'লেও (সততে জুৱাৰীৰ) নিবিড়ভাৱে হৃদয় দগ্ধ কৰে।

সায়ণভাষ্য— অপি চৈতে২ক্ষা নীচা নীচীনস্থলে বর্তন্তে। তথাপি উপৰি পৰাজয়াদ্ভীতানাং দ্যুতকৰাণাং কিতৱানাং হৃদয়স্যোপৰি স্ফুৰন্তি। অহস্তাসঃ হস্তৰহিনা অপ্যক্ষা হস্তৱন্তং দ্যুতকৰং কিতৱং সহন্তে পৰাজয়কৰণে নাভি ভৱন্তি। দিব্যাঃ দিৱি ভৱা অপকৃতা অংগাৰাঃ অংগাৰসদৃশাঃ অক্ষা ইৰিণে ইন্ধনৰহিত আস্ফাৰে ন্যুপ্তাঃ শীতাঃ শীতস্পর্শাঃ সন্তো২পি হৃদয়ম্ কিতৱানা মন্তঃকৰণং নির্দহন্তি পৰাজয়জনিতসন্তাপেন ভস্মীকুর্ৱন্তি।

ব্যাকৰণগত টোকা — ৱর্তন্তে — √ বৃৎ লট্ (আত্মনেপদ) প্রথম পুৰুষ বহুবচন।
স্ফুৰন্তি — √ স্ফুৰ্ লট্ প্রথম পুৰুষ বহুবচন।
সহন্তে — √ সহ্ লট্ (আত্মনেপদ) প্রথম পুৰুষ বহুবচন।
দহন্তি — √ দহ্ লট্ প্রথম পুৰুষ বহুবচন।

১১.৩.১০ দশম মন্ত্র

সংহিতা পাঠ— জায়া তপ্যতে কিতৱস্য হীনা
মাতা পুত্রস্য চৰতঃ ৰু স্বিত।
ঋণাৱা ৰিভ্যদ্ধনমিচ্ছমানো
হন্যেষামস্তমুপ নক্তমেতি।। ১০।।

পদপাঠ — জায়া। তপ্যতে। কিতৱস্য। হীনা।
মাতা। পুত্রস্য। চৰতঃ। ক্ব। স্বিত।
ঋণাৱৱা। বিভ্যত্। ধনম্। ইচ্ছমানঃ।
অন্যেষাম্। অষ্টম্। উপ। নক্তম্। ইতি।। ১০।।

অন্বয়ার্থ — কিতৱস্য (জুৱাৰীৰ) হীনা (পৰিত্যক্তা) জায়া (পত্নী) তপ্যতে (দুঃখত সন্তপ্ত হয়)। মাতা (মাকেও) ক্ব স্বিৎ (ক'ত) পুত্রস্য চৰতঃ (পুত্র ঘূৰি আছে— এনেকৈ বিয়াকুল হয়)। ঋণৱা (ঋণৰ দ্বাৰা) ৰিভ্যৎ (ভয় খাই), (জুৱাৰী) ধনম্ ইচ্ছমানঃ (ধন ইচ্ছা কৰি) অন্যেষাম্ অস্তম্ (অন্যৰ ঘৰত) নক নক্তম্ (ৰাতি) উপ এতি (উপস্থিত হয়)।

অসমীয়া অনুবাদ —জুৱাৰীৰ পৰিত্যক্তা পত্নী দুঃখত সন্তপ্ত হয়। জুৱাৰাৰীৰ মাকো পুত্রৰ কাৰণে ব্যাকুল হৈ পৰে। ঋণ পৰিশোধৰ ভয়ত জুৱাৰী ভীতগ্রস্ত হৈ ধনৰ বাবে ৰাতি (চুৰ কৰিবলৈ) অন্যৰ গৃহত উপস্থিত হয়।

সায়ণভাষ্য— ক্ব স্বিৎ ক্বাপি চৰতঃ নির্বেদাদ্গচ্ছতঃ কিতৱস্য জায়া ভার্যা হীনা পৰিত্যক্তা সতী তপ্যতে বিয়োগজসন্তাপেন সন্তপ্তা ভৱতি। মাতা জনন্যপি পুত্রস্য ক্বাপি চৰতঃ কিতৱস্য সম্বন্ধাৎ হীনা তপ্যতে পুতশোকেন সন্তপ্তা ভৱতি। ঋণৱা অক্ষপৰাজয়াদৃণবান্ কিতৱঃ সর্বতো ৰিভ্যৎ ধনম্ স্তেয়জনিতম্ ইচ্ছমানঃ কাময়মানঃ অন্যেষাং ব্রাহ্মণাদীনাম্ অস্তম্ গৃহম্। নক্তং ৰাত্রৌ উপৈতি চৌর্যার্থমুপ গচ্ছতি।

ব্যাকৰণগত টোকা — তপ্যতে = √ তপ্ কর্মকর্তৃবাচ্যত লট্ প্রথম পুৰুষ একবচন।
ঋণাৱা = ঋণমস্তি অস্য ইতি, ঋণ + চলিপ্, প্রথমা একবচন।
ৰিভ্যৎ = √ ভী শতৃ প্রথমা একবচন।
ইচ্ছমানঃ = √ ইষ্ + শানষ্ প্রথমা একবচন।
অস্তম্ = গৃহম্। অস্যতে ক্ষিপ্যতে দ্রব্যজাতমস্মিন্ ইত্যস্তং গৃহঃ।
উপ এতি = উপ - √ ই লট্ প্রথম পুৰুষ একবচন।

অগ্রগতি নিৰীক্ষণ



প্রশ্ন নং ৬ঃ দ্বেষ্টি শব্দটোৰ ব্যাকৰণগত ব্যুৎপত্তি লিখক।

.....

প্রশ্ন নং ৭ঃ কোনে জুৱাৰীক নিন্দা কৰে?

.....

প্রশ্ন নং ৮ঃ 'ৰস্নস্য' শব্দটোৰ অর্থ কি?

.....

প্রশ্ন নং ৯ঃ পিতা তথা ভাইসকলে জুৱাৰীৰ সম্বন্ধে কি কয়?

.....

প্রশ্ন নং ১০ঃ 'আদীধ্যে' শব্দটোৰ ব্যুৎপত্তি লিখক।

.....

১১.৩.১১ একাদশ মন্ত্র

সংহিতা পাঠ— স্ত্রিয়ং দৃষ্ট্বায় কিতৱং ততা-
পন্যেষাং জায়াং সুকৃতং চ য়োনিম্।
পূর্বাহ্নে অশ্বান্যুয়ুজে হি বভ্রূ
নস্তো অগ্নেৰন্তে বৃষলঃ পপাদ।। ১১।।

পদপাঠ — স্ত্রিয়ম্। দৃষ্ট্বায়। কিতৱম্। ততাপ।
অন্যেষাম্। জায়াম্। সু২কৃতম্। চ। য়োনিম্।
পূর্বাহ্নে। অশ্বান্। যুয়ুজে। হি। বভ্রূন্।
সঃ। অগ্নেঃ। অন্তে। বৃষলঃ। পপাদ।। ১১।।

অন্বয়ার্থ — (এটা বিষয়ে) কিতৱম্ (জুৱাৰীক) ততাপ (সন্তপ্ত কৰে) অন্যেষাম্ (আনৰ) স্ত্রীয়ম্ (স্ত্রীক) জায়াম্ (পত্নীক) সুকৃতাম্ (সুসংস্কৃত) চ (তথা) য়োনিম্ (নিবাস স্থান) দৃষ্টায় (দেখে)। সঃ (তেওঁ) পূর্বাহ্নে পতিপুৱা) বভ্রূন্ অশ্বান্ (বাদামি ৰঙৰ ঘোৰাবিলাকক) যুযুজে (গাড়ীত জুতি দিয়ে), অন্তে (ৰাতি) অগ্নেঃ (অগ্নিৰ কাষত) বৃষনঃ (নিঃকিন ভাৱে) পপাদ (পৰি থাকে)।

অসমীয়া অনুবাদ —আন মহিলা তথা আনৰ পত্নীক সুসজ্জিত আৰু সুন্দৰ গৃহ সমূহ দেখি জুৱাৰীৰ অন্তৰ দগ্ধ হয়। ৰাতিপুৱা সি বাদামি ৰঙৰ ঘোৰাবোৰ গাড়ীত জুতি দিয়ে (তথা জুৱাৰ স্থলীলৈ যায়), (আৰু) সন্ধ্যাবেলা নিঃস্ব হৈ জুইৰ গুৰিত আশ্রয় লৈ থাকে।

সায়ণভাষ্য— কিতবম্ কিতবঃ। বিভক্তিব্যত্যয়ঃ। অন্যেষাম্ স্বব্যতিৰিক্তানাং পুৰুষানাং জায়াম্ জায়াভূতাম্ স্ত্রিয়ং নাৰীং সুখেন বর্তমানাং

সুকৃতম্ সুষ্ঠু কৃতম্ সুসংস্কৃতঃ যোনিম্ গৃহং চ দৃবাষ্টয় দৃবাষ্ট মম জায়া দুঃখিতা গৃহং চা সংস্কৃতমপি জ্ঞাত্বা ততাপ তপ্যতে। পুনঃ পূৱাহ্নে প্রাতঃ কালে ৱভ্রূন্ ৱভ্রুবর্ণাৎ অশ্বান্ ব্যাপকানমান্ যুযুজে যুনক্তি। পুনশ্চ ৱৃষলঃ ৱৃষলকর্মা স কিতৱো ৱাত্রৌ অগ্নেঃ অন্তে সমীপে পপাদ শীতার্তঃ সন্ শেতে।

ব্যাকৰণগত টোকা — দৃষ্ট্ৱায় = √ দৃশ্ + ক্ত্ৱাচ্

ততাপ = √ তপ্ নিট্ প্রথম পুৰুষ একবচন

যুযুজে = যুজ্ নিট্ প্রথম পুৰুষ একবচন

পপাদ = √ পদ্ নিট্ প্রথমপুৰুষ একবচন।

১১.৩.১২ দ্বাদশ মন্ত্র

সংহিতা পাঠ— য়ো ৱঃ সেনানীর্মহতো গণস্য
ৱাজা ব্রাতস্য প্রথমো বভূৱ।
তস্মৈ কৃণোমি ন ধনা ৰুণধ্মি
দশাহং প্রাচীস্তদৃতং ৱদামি।। ১২।।

পদপাঠ — যঃ। ৱঃ। সেনা২নীঃ। মহতঃ। গণস্য।
ৱাজা। ব্রাতস্য। প্রথমঃ। বভূৱ।
তস্মৈ। কৃণোমি। ন। ধনা। ৰুণধ্মি।
দশ। অহম্। প্রাচীঃ। তত্। ঋতম্। ৱদামি।। ১২।।

অন্বয়ার্থ — (হে অক্ষসমূহ) ৱঃ (তোমালোকৰ) মহতঃ গণস্য (বৃহৎ দলৰ) যঃ সেনানীঃ (যিজন সেনাপতি) বভূৱ (হয়) ব্রাতস্য (সংঘৰ) প্রথমঃ ৱাজা (প্রথম ৰজা) তস্মৈ (তেওঁক) কৃণোমি (নমস্কাৰ কৰিছোঁ)। অহম্ (মই) দশ (দহ আঙুলিৰে হাতযোৰ কৰি) প্রাচীঃ (পূর্বযুগ কৰি) তৎ ঋতম্ (সেই সত্যকেই) ৱদামি (ক'ম) ন ধৰা ৰুণধ্মি (মই ধন বিচৰা নাই)।

অসমীয়া অনুবাদ — হে অক্ষসমূহ। তোমালোকৰ বৃহৎ দলৰ যিজন সেনাপতি, দলৰ যিজন প্রথম ৰজা তেওঁক মই নমস্কাৰ জনাইছোঁ। মই দহ আঙুলি একত্র কৰি (অর্থাৎ হাতযোৰ কৰি) পূর্বমুখী হৈ এই সত্য কথাই কৈছোঁ যে— (জুৱা খেলৰ দ্বাৰা) মই আৰু ধন সঞ্চয় নকৰোঁ।

সায়ণভাষ্য— হে অজাঃ ৱঃ যুষ্মাকং মহতো গণস্য সংঘস্য যঃ অক্ষঃ সেনানীঃ নেতা বভূৱ ভৱতি। ৱাতস্য চ। গণব্রাতয়োৰলো ভেদঃ। ৱাজা ঈশ্ৱৰঃ প্রথমো মুখ্যো বভূৱ। তস্যৈ অক্ষায় কৃণোমি অহম্ অঞ্জলিং

কৰোমি। অতঃ পৰং ধনা ধনানি অক্ষার্থম্ অহং ন ৰুণধ্মি ন সম্পাদয়ামীত্যর্থঃ। এতদেৰ দর্শয়তি। অহং দশ দশ সংখ্যাকা অংগুলীঃ প্রাচীঃ প্রাঙ্মুখীঃ কৰোমি। তৎ এতদহম্ ঋতম্ সত্যমেৰ ৰদামি নানৃতং ব্রবীমীত্যর্থঃ।

ব্যাকৰণগত টোকা — কৃণোমি = √কৃ লট্ উত্তমপুৰুষ একবচন।
ৰুণধ্মি = √ৰুধ্ লট্ উত্তমপুৰুষ একবচন।
বভূৰ = √ভূ লিট্ প্রথমপুৰুষ একবচন।

১১.৩.১৩ ত্রয়োদশ মন্ত্র

সংহিতা পাঠ— অক্ষৈর্মা দীব্যঃ কৃষিমিৎ কৃষস্ব
ৱিত্তে ৰমস্ব বহু মন্যমানঃ
তত্র গাৱঃ কিতৱ তত্র জায়া
তন্মে ৱি চষ্টে সৱিতায়মর্য়ঃ।। ১৩।।

পদপাঠ — অক্ষৈঃ। মা। দীব্যঃ। কুষিমিৎ। কৃষস্ব।
ৱিত্তে। ৰমস্ব। বহু। মন্যমানঃ।
তত্র। গাৱ।ঃ কিতৱ। তত্র। জায়া।
তত্। মে। ৱি। চষ্টে। সৱিতা। অয়ম্। অর্যঃ।। ১৩।।

অন্বয়ার্থ — (হে কিতব)! অক্ষৈঃ মা দীব্যঃ (পাশা আৰু নেখেলিবা) কৃষিমিৎ কৃষস্ব (কৃষিকর্ম কৰা), ৱিত্তে (সেই ধনত) বহু মন্যমানঃ (বহুলভাৱে) ৰমস্ব (আনন্দিত হৈ থাকা)। তত্র গাৱঃ (তাতেই গোধন) তত্র জায়া (তাতেই পত্নী) তৎ (সেই কথাই) মে (মোক) অর্যঃ (ঈশ্বৰ) সৱিতা (সূর্য্য) বিচষ্টে (কৈছে)।

অসমীয়া অনুবাদ — (হে জুৱাৰী)' আৰু জুৱা নেখেলিবা। কৃষিকর্ম কৰা তথা সেই ধনকে বহুত বুলি বিশ্বাসত লৈ আনন্দেৰে থাকা। (সেই ধনেই) গো সম্পদ, তাতেই পত্নী (পত্নীলাভ)। ঈশ্বৰ সৱিতাদেৰে সেই কথাই মোক কৈছে।

সায়ণভাষ্য— হে কিতৱ, বহু মন্যমানঃ মদ্বচনে ৱিশ্বাসং কুর্ৱন্ ত্বম্ অক্ষৈর্মা দীব্যঃ দ্যুতং মা কুৰু। কৃষিমিৎ কৃষিমেৰ কৃষস্ব কুৰু। ৱিত্তে কৃষ্যা সম্পাদিতে ধনে ৰমস্ব ৰতিং কুৰু। তত্র কৃষৌ গাৱো ভৱন্তি, তত্র জায়া ভৱন্তি। তৎ এৱ ধর্মৰহস্যং শ্রুতিস্মৃতিকর্তা সৱিতা সর্ৱস্য প্রেৰকঃ অমং দৃষ্টিগোচৰঃ অর্যঃ ঈশ্বৰো ৱিচষ্টে বিবিধমাখ্যাতবান্।

ব্যাকৰণগত টোকা — অক্ষৈঃ = কৰণে তৃতীয়া।
দীব্যঃ = √দিব্ লোট্ মধ্যমপুৰুষ একবচন।

কৃষস্ব = √কৃষ্ লোট্ মধ্যমপুৰুষ একবচন।
ৰমস্ব = √ৰম্ লোট্ মধ্যমপুৰুষ একবচন।
ৱিচষ্টে = ৱি - √চক্ষ্ লট্ প্ৰথমপুৰুষ একবচন।

১১.৩.১৪ চতুৰ্দশ মন্ত্ৰ

সংহিতা পাঠ— মিত্রং কুণুধ্বং খলু মৃড়তা নো
মা নো ঘোৱেণ চৰতাভি ধৃষ্ণু।
নি ৱো নু মন্যুর্ৱিশতামৰাতি
ৱণ্যো বভ্রূণাং প্রসিতৌ ন্বস্তু।। ১৪।।

পদপাঠ — মিত্রম্। কুণুধ্বম্। খলু। মৃড়ত। নঃ।
মা। নঃ। ঘোৱেণ। চৰত। অভি। ধৃষ্ণু।
নি। ৱঃ। নু। মন্যুঃ। ৱিশতাম্। অৰাতিঃ।
অণ্যঃ। ৱভ্রূণাম্। প্র২সিতৌ। নু। অস্তু।। ১৪।।

অন্বয়ার্থ — (হে পাশাগণ)! মিত্রং কুণুধ্বম্ খলু (মিত্রতা কৰা), নঃ আমাক) মৃড়ত (সুখী কৰা) নঃ (আমাক) ধৃষ্ণু (জোৰপূৰ্বক) ঘোৱেণ (ভয়ঙ্কৰ) মা অভিচৰত (অভিচাৰৰ মাজত নেৰাখিবা) বঃ (তোমালোকৰ) মন্যুঃ (ক্রোধ) অৰাতিঃ (শত্রুৰ ওপৰত) নিৱিশতাম্ (নিপতিত হওক)। অন্যঃ (আন মানুহ) বভ্রূণাম্ (পিঙ্গলবৰ্ণ পাশাসমূহৰ) প্রসিতৌ (বন্ধনত) নু অস্ত্র (পতিত হওক)।

অসমীয়া অনুবাদ— (হে পাশাসমূহ), আমাৰ লগত বন্ধুত্ব কৰা তথা আমাক সুখী কৰা। আমাক জোৰকৈ ভয়ংকৰ অভিচাৰৰ মাজত নাৰাখিবা. তোমাৰ ক্রোধ (মোৰ) শত্রুৰ ওপৰত নিপতিত হওক। আন মানুহ পিঙ্গলবৰ্ণৰ পাশাবোৰৰ বন্ধনত পতিত হওক।

সায়ণভাষ্য— হে অক্ষাঃ, যুয়ং মিত্রং কুণুধ্বম্ অস্মাসু মৈত্রীং কুৰুত। খল্বিতি পূৰণঃ। নঃ অস্মান্ মূলত সুখয়ত চ। নঃ অস্মান্ ধৃষ্ণু ধৃষ্ণুনা। তৃতীয়ার্থে প্রথমা। সোৱেন অসহ্যেন যা অভিচৰত মা গচ্ছৎ। কিং চ ৱঃ যুষ্মাকং মন্যুঃ ক্রোধঃ অৰাতিঃ অস্মাকং শত্রুঃ নিৱিশতাম্ অস্মচ্ছত্রুষু তিষ্ঠতু। অন্যঃ অস্মাকং শত্রুঃ কশ্চিৎ ৱভ্রূণাম্ ৱভ্রুৱর্ণনাং যুষ্মাকং প্রসিতৌ প্রৱন্ধনে তু ক্ষিপ্রম্ অস্তু ভৱতু।

ব্যাকৰণগত টোকা — কৃণুধ্ৱম্ = √কৃ লোট্ মধ্যমপুৰুষ বহুবচন।

মৃড়তা = √মৃডু লোট্ মধ্যমপুৰুষ বহুবচন।
ধৃষ্ণু = ধৃষুণা। তৃতীয়ার্থে প্রথমা
নি ৰিশতাম্ = নি - √ৰিশ্ লোট্ প্রথমপুৰুষ একবচন।
অৰাতিঃ √ৰা + ক্তিন্
মিত্রক্ = বন্ধু।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১১ঃ কোনে আনৰ ঘৰত চুৰ কৰিবলৈ যাব লগা হয়?

.....

প্রশ্ন নং ১২ঃ 'দৃষ্ট্ৰায়' পদটোৰ ব্যুৎপত্তি কি?

.....

প্রশ্ন নং ১৩ঃ জুৱাখেলৰ দ্বাৰা মই ধন সঞ্চয় নকৰোঁ। এই উক্তিটো কাৰ?

.....

প্রশ্ন নং ১৪ঃ 'বভূৰ' শব্দটোৰ ব্যুৎপত্তি লিখক।

.....

প্রশ্ন নং ১৫ঃ সবিতাদেৱে কি কৈছে?

.....

১১.৪ সাধাৰণ আলোচনা

অক্ষসূক্ত ঋগ্বেদৰ দশম মণ্ডলৰ ৩৪তম সূক্ত। এই সূক্তটোৰ মন্ত্রদ্রষ্টা 'ঐলুষঃ কবষ ঋষি' অথবা 'মূজবৎপুত্রোৎক্ষো'। সূক্তটোত চৈধ্যটামন্ত্র আছে। প্রথম, সপ্তম আৰু দ্বাদশ মন্ত্রৰ দেৱতা হৈছে 'অক্ষ', ত্রয়োদশ মন্ত্রৰ দেৱতা কৃষি তথা অৱশিষ্ট মন্ত্রসমূহৰ দেৱতা হৈছে কিতব আৰু অক্ষ। সপ্তম মন্ত্রটিত জগতী ছন্দ আছে তথা অৱশিষ্ট মন্ত্রসমূহত ত্রিষ্টুপ্ ছন্দ আছে।

তিনি প্রকাৰৰ সূক্ত ঋগ্বেদত পোৱা যায়— ধর্মসাপেক্ষ (Non-Secular) ধর্মনিৰপেক্ষ (Secular) আৰু দার্শনিক (Philosophical), পাশ্চাত্য বিদ্বান M. Winternitz এ কৈছে— 'The most beautiful amongst the non-religious poems of the Rgveda collection is the song of the gambler in RV. 10.34. It is the soliloquy of a pesitent sinner.' 'ঋগ্বেদ সংহিতাৰ ধর্মনিৰপেক্ষ সূক্তসমূহৰ ভিতৰত এই অক্ষসূক্তটো অন্যতম। অক্ষসূক্তটো মূলত ঃ এজন অনুতপ্ত জুৱাৰীৰ আত্মকথন।

মূজবৎ পর্বতত উৎপত্তি হোৱা চমৎকাৰ সোমলতাৰ সোমৰস পান কৰি যিমান আনন্দ হয়, পাশাৰ গুটি দেখিও জুৱাৰীৰ তেনেকুৱা প্রীতি জন্মে। সর্বনাশী এই ক্রীড়াৰ আছে এক

সর্বনাশী আকর্ষণ। নেখেলো বুলি ভাবিলেও অথবা বন্ধুসকলে নিষেধ কৰিলেও এই জুৱা খেলে জুৱাৰীক চুম্বকৰ দৰে আকর্ষণ কৰে। এই সর্বনাশী নিচাৰ কবলত পৰি জুৱাৰীৰে কল্যাণী স্ত্রী, আত্মীয় স্বজন, ঘৰ-বাৰী সকলোবোৰ হেৰুৱাবলগীয়া হয়। এটা সময়ত যিসকলে তেওঁক সমাদৰ কৰিছিল, এতিয়া তেওঁলোকেই তেওঁক ত্যাগ কৰিছে। আনকি জুৱাৰীৰ শাহুও তেওঁৰ ওপৰত বিৰক্ত, নিজৰ পত্নীয়ে তেওঁক ত্যাগ কৰিছে, কাৰো পৰাই তেওঁ একো বিচাৰিলেও নাপায়। অকর্মণ্য বৃদ্ধ ঘোঁৰা যেনেদৰে কোনোৱে নিবিচাৰে, ঠিক তেনেদৰে জুৱাৰীও কাৰো ওচৰত সমাদৰ নেপায়। জুৱাত হাৰি যোৱা জুৱাৰীক অন্য জুৱাৰীয়ে টনাটনি কৰে, তেওঁৰ মা-দেউতা তথা আত্মীয় স্বজনে তেওঁৰ সৈতে সম্পর্ক চিন্ন কৰে। পাশাত জয়ী হোৱা ব্যক্তিৰ পক্ষে পাশাগুটিবিলাক পুত্রজন্মৰ আনন্দৰ দৰেই মধুময়, কিন্তু পৰাজিত ব্যক্তিক সিয়ে পণৰ দৰে বিদ্ধ কৰে, ছুৰিৰ দৰে কর্তন কৰে, তপ্ত বস্তুৰ দৰে সন্তাপ দিয়ে তথা মৃত্যুৰ দৰে অৱস্থা কৰে।

পাশাগুটিবোৰ শ্রীযুক্ত, জ্বলন্ত এঙাৰৰ ওপৰত উপৰিষ্টৰ দৰে, এইবোৰে শীতল স্পর্শ দিয়ে কিন্তু হৃদয়ক বিদীর্ণ কৰে। জুৱাৰীৰ স্ত্রী দীনতাভাৱেৰে স্বামীপৰিত্যক্তা হৈ বিলাপ কৰি থাকে, তেওঁৰ মাতৃয়ে পুত্র (জুৱাৰী) ক'লৈ গ'ল বুলি ব্যাকুল হৈ থাকে, যিবোৰে তেওঁক ঋণ দি থাকে, তেওঁলোকে সেই ঋণ ঘূৰাই পাবনে নাই, এইবুলি শংকিত হৈ থাকে। জুৱাৰীয়ে আনৰ ঘৰত ৰাত্রি যাপন কৰিবলগীয়া হয়। নিজৰ পত্নীৰ দুর্দশা দেখি জুৱাৰীৰ হৃদয় বিদীর্ণ হয়, আন লোকৰ স্ত্রীৰ অৱস্থা দেখি, তেওঁলোকৰ অট্টালিকা দেখি দ্যূতকাৰে পৰিতাপ কৰে। এনেদৰে জুৱাৰীয়ে দিন-হীনভাৱে পৰিতাপৰ সঙ্গত কালযাপন কৰিবলগীয়া হয়। শেষত আত্মোপ লব্ধি কৰি জুৱাৰীয়ে প্রার্থনা কৰিছে যে, পাশাগুটিবোৰ যেন তেওঁৰ ওপৰত বন্ধু ভাৱাপন্ন হৈ থাকি তেওঁৰ কল্যাণ সাধন কৰি থাকে, শত্রুসকলৰ ওপৰতেই যেন পাশাৰ কোপদৃষ্টি পৰি থাকে, কোনোৱে যাতে পাশা আৰু নেখেলে, বৰং কৃষি কার্যত নিমগ্ন হৈ থাকে। তেতিয়া তেওঁৰ শৰীৰ, মন সকলো ভালেই থাকে, পত্নী তথা অন্যান্য আত্মীয় স্বজনেও সুখতে থাকে।



১১.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- ঋগ্‌বেদৰ অন্তর্গত অক্ষসূক্তটোৰ সৈতে পৰিচয় হ'ব পাৰিলে।
- অক্ষৰ (পাশাৰ) মহিমা সম্বন্ধে জ্ঞাত হ'ল।
- বেদৰ নীতিমূলক শিক্ষাৰ লগত চিনাকি হ'ব পাৰিলে।
- পাশাৰ অপকাৰিতা সম্পর্কে জ্ঞাত হ'ল।
- বৈদিক সমাজখনৰ লগত কিছু পৰিচয় হ'ব পাৰিলে।
- মন্ত্রসমূহৰ অর্থ সায়াণাচার্য্যৰ ভাষ্য অনুসৰি জানিব পাৰিলে।

১১.৬ অধিক জানিবলৈ

১) শর্মা ফুকন, পঞ্চানন (অনুদিত), (১৯৯১), ঋক্‌বেদ সংহিতা (অসমীয়া অনুবাদ), গুৱাহাটীঃ শ্রীশ্রী আদিত্য প্রকাশ।

২) Chaubey, (Dr) Braj Bihari, (1986), The New Vedic Selection, Part-I, Delhi : Bharatiya Vidya Prakashan.

৩) ভট্টাচার্য, (ড°) ভবানী প্রসাদ আৰু (ড°) তাৰক নাথ অধিকাৰী, (২০০৪), বৈদিক সংকলন, কলিকতা ঃ সংস্কৃত বুক ডিপো।

৪) বসু, (ড°) যোগীৰাজ, (২০০৩), বেদৰ পৰিচয়, গুৱাহাটী ঃ অসম প্রকাশন পৰিষদ।

৫) শর্মা, (ড°) থানেশ্বৰ, (১৯৯৭), বৈদিক সাহিত্যৰ ৰূপৰেখা, গুৱাহাটীঃ অসমবেদ বিদ্যালয়।

৬) সেন, (অধ্যাপক) শুক্লা, (২০০৪), শ্রৌত পাঠ, কলকাতা ঃ সংস্কৃত বুক ডিপো।

৭) Chatterji, Kihitish Chandra, (1955), Vedic Selection, Kolkata : Calcutta University.

১১.৭ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ দশম মণ্ডলত।

২ নং প্রশ্নৰ উত্তৰঃ ঐলষ কবষ অথবা মূজবৎ পুত্র অক্ষ।

৩ নং প্রশ্নৰ উত্তৰঃ অক্ষদেৱতা, কিতব আৰুঅক্ষ, কৃষি।

৪ নং প্রশ্নৰ উত্তৰঃ ত্রিষ্টুপ্, জগতী।।

৫ নং প্রশ্নৰ উত্তৰঃ গতো বিনিয়োগ অর্থাৎ প্রাতৰনুবাকত।

৬ নং প্রশ্নৰ উত্তৰঃ দ্বিষ্ + লট্ প্রথমপুৰুষৰ একবচন।

৭ নং প্রশ্নৰ উত্তৰঃ জুৱাৰীৰ শাহুৰে।

৮ নং প্রশ্নৰ উত্তৰঃ বিক্রী হৈ যোৱা।

৯ নং প্রশ্নৰ উত্তৰঃ আমি এওঁক চিনি নেপাও, এওঁক বান্ধি লৈ যোৱা।

১০ নং প্রশ্নৰ উত্তৰঃ আ - √ ধী লট্ উত্তমপুৰুষৰ একবচন।

১১ নং প্রশ্নৰ উত্তৰঃ জুৱাৰীয়ে।

১২ নং প্রশ্নৰ উত্তৰঃ দৃশ্ + ক্ত্বাচ্।

১৩ নং প্রশ্নৰ উত্তৰঃ জুৱাৰীৰ।

১৪ নং প্রশ্নৰ উত্তৰঃ ভূ + লিট্ অ

১৫ নং প্রশ্নৰ উত্তৰঃ জুৱা নেখেলিবা। কৃষি কর্ম কৰা।



১১.৮ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৫০ শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ঃ 'অক্ষ' শব্দটোৰ অৰ্থ কি?

প্ৰশ্ন ২ঃ অক্ষসূক্তটোৰ ঋষি কোন?

প্ৰশ্ন ৩ঃ অক্ষসূক্তটো কি যজ্ঞানুষ্ঠানত প্ৰয়োগ কৰা হয়?

প্ৰশ্ন ৪ঃ 'ৰভূৰ' শব্দটোৰ ব্যুৎপত্তি লিখক।

প্ৰশ্ন ৫ঃ 'ৰস্নস্য' শব্দটোৰ অৰ্থ কি?

(খ) চমু প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১৫০-৩০০ শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ঃ তলৰ শব্দকেইটাৰ ব্যাকৰণগত টিপ্পনী লিখক—

প্ৰাৱেদাঃ, মিমেথ, দ্বেষ্টি, জানীম, আদীধ্যে, পৃচ্ছমানঃ, বৰ্হণা, ৰৰ্তন্তে, দহন্তি, তপ্যতে।

(গ) ৰচনাধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৩০০-৫০০ শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ঃ অক্ষসূক্তটোত প্ৰকাশিত জুৱাৰীৰ মনোকষ্টৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন ২ঃ অক্ষসূক্তটোত প্ৰকাশিত সামাজিক জীৱনৰ প্ৰতিফলন সম্বন্ধে এটি আভাস দিয়ক।

প্ৰশ্ন ৩ঃ অক্ষসূক্তটোৰ বিষয়বস্তু সংক্ষেপে আলোচনা কৰক।

প্ৰশ্ন ৪ঃ ঋষি, ছন্দ, দেৱতাৰ উল্লেখ কৰি সায়ণাচাৰ্য্যভাষ্য অনুসৰি নিম্নোক্ত মন্ত্ৰটো ব্যাখ্যা কৰক।

(ক) অক্ষৈৰ্মা দীব্যঃ কৃষিমিৎ কৃষস্ব
ৱিত্তে ৰমস্ব বহু মন্যমানঃ
তত্ৰ গাৱঃ কিতৱ তত্ৰ জায়া
তন্মে ৱি চষ্টে সৱিতায়মৰ্য্যঃ।

*** ***** ***

অধ্যায় ১২ঃ ব্রাহ্মণ গ্রন্থৰ সাধাৰণ পৰিচয়

অধ্যায় গাঁথনি

১২.১ উদ্দেশ্য

১২.২ পৰিচয়

১২.৩ ব্রাহ্মণ শব্দৰ ব্যুৎপত্তি আৰু অর্থ

১২.৪ বেদ অনুসৰি ব্রাহ্মণ সাহিত্যৰ তালিকা

১২.৫ ব্রাহ্মণ গ্রন্থৰ লক্ষণবোৰ

১২.৬ ব্রাহ্মণ গ্রন্থবোৰৰ চমু পৰিচয়

১২.৭ একৈশ প্রকাৰৰ যজ্ঞ

১২.৮ যজ্ঞবোৰৰ চমু পৰিচয়

১২.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১২.১০ অধিক জানিবলৈ

১২.১১ অগ্রগতিৰ খতিয়ান

১২.১২ আৰ্হি প্রশ্ন

১২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- বৈদিক সাহিত্যৰ দ্বিতীয় ভাগ বুলি খ্যাত ব্রাহ্মণ সাহিত্যৰ চমু আভাস লাভ কৰিব
- ব্রাহ্মণ সাহিত্যত প্রাপ্ত যাগ-যজ্ঞৰ চমু আভাস পাব
- ব্রাহ্মণ সাহিত্যৰ মহত্ত্ব সম্বন্ধে জ্ঞান লাভ কৰিব
- ব্রাহ্মণ সাহিত্যৰ লক্ষণ সম্বন্ধে আভাস পাব
- ব্রাহ্মণ সাহিত্যত প্রাপ্ত আখ্যানসমূহৰ আভাস পাব
- ব্রাহ্মণ সাহিত্যত বর্ণিত যজ্ঞবোৰৰ আভাস পাব

১২.২ পৰিচয়

আগৰ অধ্যায়ত মন্ত্রৰ লগতে ব্রাহ্মণ সাহিত্যৰ উল্লেখো পঢ়িবলৈ পাইছে। প্রত্যেকখন মন্ত্র সংহিতাৰ লগতে এখন বা ততোধিক ব্রাহ্মণ সাঙোৰ খাই থাকে। মুঠতে চৈধ্যখন মুখ্য ব্রাহ্মণ গ্রন্থ আছে। তাৰে দুখন ঋগ্বেদীয়, দুখন যজুর্বেদৰ, নখন সামবেদৰ আৰু এখন অথর্ববেদৰ অন্তর্গত।

প্রত্যেকখন বেদৰ একাধিক শাখা আছে। শাখা শব্দটোৱে বেদপাঠৰ ভিন্ ভিন্ শৈলীক বুজায়। এই বেদপাঠৰ পৃথক পৃথক শৈলীৰ পৰা একো একোটা শাখাৰ উৎপত্তি হয়। যিহেতু প্রত্যেক বেদৰ একাধিক শাখা আছে, সেয়ে প্রত্যেক বেদৰ একাধিক ব্রাহ্মণ গ্রন্থও আছে। গতিকে

আপুনি এই অধ্যায়ত সেই শাখাবোৰৰো পৰিচয় লাভ কৰিব।

ব্রাহ্মণ গ্রন্থবোৰৰ অন্তর্গত বিধি, অর্থবাদ, নিন্দা, প্রশংসা, পুৰাকল্প আৰু পৰকৃতিৰ বিষয়েও কিছু আভাস পাব।

ব্রাহ্মণ বুলিলে লোকসকলে ইয়াক যাগ-যজ্ঞৰ বিধি-ব্যৱস্থা বুলি বুজে। এই অধ্যায়ত ব্রাহ্মণ গ্রন্থত বর্ণিত যি একৈশ বিধ যজ্ঞ আছে তাৰো কিছু আভাস পাব।

এই অধ্যায়ত বেদৰ শাখা অনুসৰি যি চৈধ্যখন ব্রাহ্মণ আজিও পোৱা যায়। সেই গ্রন্থবোৰৰ পৰিচয় পাব। ভাৰতীয় সভ্যতা-সংস্কৃতিৰ পৰিচয় এটিও ব্রাহ্মণ গ্রন্থশ্রেণীত পোৱা যায়।

১২.৩ ব্রাহ্মণ শব্দৰ ব্যুৎপত্তি আৰু অর্থ

'ব্রাহ্মণ' নামটোৱে এক শ্রেণীৰ সাহিত্যক বুজায়। 'ব্রহ্ম'ৰ সৈতে সম্বন্ধ থকা সাহিত্যকে ব্রাহ্মণ বোলা হৈছে। ব্রাহ্মণ শব্দটোৰ বিভিন্ন ব্যুৎপত্তি আৰু ভিন্ ভিন্ ব্যাখ্যা চকুত পৰে।

গতিকে ব্রাহ্মণ শব্দৰ পৰাই ব্রাহ্মণ শব্দ নিষ্পন্ন হৈছে। 'ব্রহ্মণ' শব্দৰ বহুত অর্থৰ মাজত বেদ আৰু ব্রাহ্মণ অর্থও আছে। একাংশ পণ্ডিতৰ মতে ব্রহ্মণ অর্থাৎ বেদৰ লগত সম্বন্ধ থকা হেতুকে 'ব্রাহ্মণ' নাম হৈছে। আন এদল পণ্ডিতৰ মতে 'ব্রহ্মণ' বুলিলে পুৰোহিতকো বুজা যায়। ব্রাহ্মণসকলৰ আদিৰে পৰা যজন-যাজন বৃত্তি আছিল। গতিকে সেই পুৰোহিতসকলে কৰা যজ্ঞ আৰু যজ্ঞ সম্বন্ধীয় কর্মকাণ্ডৰ বিভিন্ন বর্ণনা থকা শাস্ত্রকে ব্রাহ্মণ বোলা হয়। অর্থাৎ যাক্ষিক ক্রিয়াকাণ্ডৰ বর্ণনা থকা শাস্ত্র যে বেদৰ দ্বিতীয় ভাগ সেইলৈ সন্দেহৰ অৱকাশ নাই। তাৰ প্রমাণ স্বৰূপে শতপথ ব্রাহ্মণৰ উক্তিলৈ আঙুলিয়াব পাৰি। 'ব্রহ্ম বৈ ব্রাহ্মণ' ঃ অর্থাৎ ব্রহ্মই ব্রাহ্মণ। মহাভাষ্যকাৰ পতঞ্জলিয়ে ৫/১/১ পাণিনি সূত্রৰ ব্যাখ্যা কৰি কৈছে যে 'সমানার্থাৱেতৌ ব্রহ্মনশব্দো ব্রাহ্মণ শব্দশ্চ' অর্থাৎ ব্রহ্মন্ শব্দ আৰু ব্রাহ্মণ শব্দৰ অর্থ একে। আর্য সমাজৰ জন্মদাতা বৈদিক পণ্ডিত স্বামী দয়ানন্দ সৰস্বতীয়ে তেওঁৰ 'ঋগভাষ্যভূমিকা'ত কৈছে, 'ব্রহ্মেতি ব্রাহ্মণানাং নামাস্তি। অত্র প্রমাণং ব্রহ্ম বৈ ব্রাহ্মণঃ', অর্থাৎ 'ব্রাহ্মণবিলাকৰ আন নাম ব্রহ্ম। শতপথ ব্রাহ্মণে তাক সমর্থন কৰে। এচাম পণ্ডিতে ব্রহ্মণ শব্দটোৰ অর্থ কৰিছে যজ্ঞৰ প্রধান ঋত্বিকসকলৰ অন্যতম 'ব্রহ্মা'ক। কিন্তু দয়ানন্দ সৰস্বতীৰ দৰে বেদজ্ঞ পণ্ডিতে ব্রহ্মা বা ব্রহ্মন্ শব্দই জাতিবাচক পদ হিচাপে সকলো ঋত্বিককে বুজাইছে বুলি ক'ব খোজে। তেওঁৰ অভিমত এয়ে যে 'চতুর্বেদ-বিদ্ভির্ব্রহ্মাভির্ব্রহ্মানৈ মহর্ষিভিঃ প্রোক্তানি য়ানি ৱেদ্যাখ্যান্যনি তানি ব্রাহ্মণানি' অর্থাৎ চাৰিওবেদৰ জ্ঞানেৰে জ্ঞানবন্ত ব্রাহ্মণসকলৰ বেদ ব্যাখ্যাকে ব্রাহ্মণ গ্রন্থ বোলা হয়।

১২.৪ বেদ অনুসৰি ব্রাহ্মণ সাহিত্যৰ তালিকা

নিমোক্ত তালিকাত বর্তমান উপলব্ধ ব্রাহ্মণবিলাকৰ বেদ অনুসৰি নামবোৰ দিয়া হ'ল।

ঋগ্বেদৰ অন্তর্গত ঃ ১) ঐতৰেয় ব্রাহ্মণ

২) কৌষীতকী বা সাংখায়ন ব্রাহ্মণ

কৃষ্ণ যজুর্বেদৰ অন্তর্গত ঃ ৩) তৈত্তিৰীয় ব্রাহ্মণ

শুক্লযজুর্বেদৰ অন্তর্গত ঃ ৪) শতপথ ব্রাহ্মণ

সামবেদৰ অন্তর্গত ঃ ৫) পঞ্চবিংশ বা তাণ্ড মহাব্রাহ্মণ

৬) ষড়্বিংশ ব্রাহ্মণ

৭) সামবিধান ব্রাহ্মণ

৮) আর্ষেয় ব্রাহ্মণ

৯) দৈৱত বা দেৱতাধ্যায় ব্রাহ্মণ

১০) উপনিষদ্ ব্রাহ্মণ

১১) সংহিতোপনিষদ্ ব্রাহ্মণ

১২) বংশ ব্রাহ্মণ

১৩) জৈমিনীয় বা তলৱকাৰ ব্রাহ্মণ

অথর্ববেদৰ অন্তর্গত ঃ ১৪) গোপথ ব্রাহ্মণ

ব্রাহ্মণ গ্রন্থৰ অন্তত আৰণ্যক আৰু উপনিষদ নামে আৰু দুশ্রেণী গ্রন্থ দেখা যায়. সেই বিষয়ে যথাস্থানত উল্লেখ কৰা হৈছে।

১২.৫ ব্রাহ্মণ গ্রন্থৰ লক্ষণবোৰ

পূর্বাচার্যসকলে ব্রাহ্মণ গ্রন্থৰ লক্ষণসমূহ নিৰূপণ কৰি গৈছে। পূর্ব মীমাংসা দর্শনৰ প্রবক্তা জৈমিনিয়ে ব্রাহ্মণৰ লক্ষণ দিবলৈ গৈ কৈছে 'শেষে ব্রাহ্মণ শব্দ ঃ' (পূর্ব মীমাংসা ২/১/৩৩)। অর্থাৎ মন্ত্রৰ বাহিৰে অৱশিষ্টাংশ ব্রাহ্মণ পদবাচ্য। আনহাতে সূত্রকাৰ আপস্তম্বই কৈছে ঃ 'কর্মচোদনা ব্রাহ্মনানি', অর্থাৎ যজ্ঞাদি কর্ম কৰিবলৈ চোদনা বা অনুপ্রেৰণা থকা গ্রন্থকে ব্রাহ্মণ বোলা হয়। আপস্তম্বই নিজৰ ব্যাখ্যাৰ সমর্থনত ব্রাহ্মণবিলাকৰ বিষয়বস্তুৰ বিৱৰণ দাঙি ধৰিছে। তেওঁ বিধি, অর্থবাদ, নিন্দা, প্রশংসা, পুৰাকল্প আৰু পৰকৃতি এই ছয় ভাগত ব্রাহ্মণৰ বিষয়ে বস্তু নির্ণয় কৰিছে।

বিধি ঃ এইবোৰ কর্মানুষ্ঠানৰ নির্দেশ বাক্য। এই বাক্যবোৰ বিধিলিঙ, লোট, প্রভৃতি বিভক্তিত ব্যৱহাৰ কৰা হয়। যেনে— 'স্বর্গকামোঽশ্বমেধেন য়জেত'— অর্থাৎ 'স্বর্গকামনা কৰা লোকে অশ্বমেধ যজ্ঞ কৰিব।' এই বাক্যটো বিধি বাক্যৰ উদাহৰণ।

অর্থৱাদ ঃ বেদৰ মন্ত্রৰ অর্থ বুজাবলৈ অথবা বিধিৰ সমর্থনত দিয়া যুক্তিপূর্ণ ব্যাখ্যাই অর্থবাদ। এই আলোচনামূলক ব্যাখ্যাই ব্রাহ্মণ গ্রন্থৰ অধিকাংশ দখল কৰি আছে। যজ্ঞ অনুষ্ঠিত কৰাৰ সমর্থনত কোৱা হৈছে যে যজ্ঞৰ দ্বাৰা অনুষ্ঠাতাৰ দেৱতাসকলৰ সৈতে সাযুজ্য লাভ, সাৰূপ্য লাভ আৰু সালোক্য লাভ হয়। অর্থবাদৰ ব্যাখ্যাসমূহত দার্শনিক, বৈয়াকৰণিক, ভাষাতাত্ত্বিক তথ্যসমূহবোৰ উপলব্ধি হয়।

নিন্দা ঃ বিৰুদ্ধ মতবাদৰ সমালোচনা, খণ্ডন কৰা আৰু তাৰ পৰিহাৰক নিন্দা বুলি কোৱা হয়। ইয়াৰ মাজেৰে বিৰোধী মতবাদৰ দোষ-ত্রুটিবোৰৰ আঙুলিয়াই দেখুৱা হয়। ব্রাহ্মণৰ বিতর্কময়, পৰমতখণ্ডন আৰু নিজস্ব মতৰ প্রতিষ্ঠাক নিন্দাই সামৰি লয়। কোনো এখন ব্রাহ্মণৰ মতবাদক আন এখন ব্রাহ্মণত খণ্ডন কৰা কার্য ব্রাহ্মণত দেখা যায়। 'তৎ তথা ন কর্তব্যম্', 'তৎ তথা ন

হোতব্যম্' আদি বাক্যই নিন্দাৰ উদাহৰণ দাঙি ধৰে।

প্রশংসা ঃ প্রশংসা নিন্দাৰ বিপৰীত কার্য। প্রশংসাৰ অর্থ স্তুতি। কোনো কার্যৰ অনুমোদনেই প্রশংসা। যিটো কার্য নিন্দনীয়, তাক পৰিহাৰ কৰি তাৰ ঠাইতে বিকল্প কর্মৰ অনুমোদন প্রশংসাপৰক হয়। 'য়ৎ স্তূয়তে তদ্বিধীয়তে, য়ন্নিন্দ্যতে তন্নিষিধ্যতে'। ব্রাহ্মণ গ্রন্থত প্রশংসাপূর্বক যিবোৰ যজ্ঞীয় কর্ম কৰিবলৈ যজমানক উদগনি দিয়া হয় তাৰ মাজেৰে প্রশংসাৰ স্বৰূপ ওলাই পৰে। তেনে ধৰণৰ ব্রাহ্মণ বচনত সচৰাচৰ 'য এৱং ৱেদ' বাক্যাংশ শুনা যায়।

পুৰাকল্প ঃ পুৰণি কালত অনুষ্ঠিত যাগ-যজ্ঞৰ বিৱৰণকে পুৰাকল্প সংজ্ঞাৰে বুজোৱা হয়। তাহানি দেৱতাসকলে সম্পাদনা কৰা শ্রৌত কর্মকাণ্ডৰ যিবোৰ বর্ণনা ব্রাহ্মণ গ্রন্থত উল্লেখ কৰা হৈছে সেইবোৰো পুৰাকল্পৰ অন্তর্গত বুলি ধৰা হয়। দেৱতাসকলে কৰি যোৱা নানা প্রকাৰৰ যাগ-যজ্ঞৰ বৃত্তান্তই পাছলৈ মানুহৰ বাবে অৱশ্যে কৰণীয় হয়। ঋগ্বেদত প্রাপ্ত পুৰুষ সূক্তৰ (১০/৯০) বহল বর্ণনা ব্রাহ্মণত যেনেদৰে পোৱা যায় সিও পুৰাকল্পৰ এক বর্ণনা বুলি ক'ব পাৰি।

পৰকৃতি ঃ পৰকৃতি ব্রাহ্মণৰ ষষ্ঠ লক্ষণ। পৰ বা আনৰ কার্যকে পৰকৃতি (পৰস্য কৃতিঃ পৰকৃতিঃ) বোলা হয়। 'যজ্ঞত অভিজ্ঞতা লাভ কৰোতা বিখ্যাত শ্রোত্রিয় ঋত্বিকসকলৰ কীর্তি-কলাপ, ৰজাৰ যাগ-যজ্ঞ, দান-দক্ষিণাৰ বর্ণনাকে পৰকৃতি বুলি কোৱা হয়। ঐতৰেয় ব্রাহ্মণত প্রাচীন কালৰ বহুতো পুৰোহিত আৰু ৰজাৰ এনেকুৱা কার্যাৱলী বর্ণিত হৈছে। পুৰাকল্প আৰু পৰকৃতিৰ মাজত বিশেষ পার্থক্য নাই। দুয়োটাৰ মাজত পার্থক্য অলপহে আছে। বহুলোকৰ বীৰত্ব সূচক আৰু বিবিধ কার্যাৱলীক পুৰাকল্প আৰু একোজন ব্যক্তিৰ কার্যক পৰকৃতি বোলা হয়।

কোনো কোনো পণ্ডিতে ব্রাহ্মণ গ্রন্থৰ এই ছটা লক্ষণক কেবল বিধি আৰু অর্থবাদৰ মাজতে সামৰি থয়।



জানি থোৱা ভাল

- পাশ্চাত্যৰ কোনো কোনো পণ্ডিতে ব্রাহ্মণ গ্রন্থক 'Theological twaddle অর্থাৎ ঈশ্বৰ সম্বন্ধে অনর্থক বাগাড়ম্বৰ বুলিছে।
- পণ্ডিত দয়ানন্দ সৰস্বতীয়ে ব্রাহ্মণৰ বেদত্ব অস্বীকাৰ কৰিছে।
- বহুতো পণ্ডিতে ব্রাহ্মণবোৰ মন্ত্র ভাগৰ ভাষ্য বুলি কৈছে।
- কেইখনমান ব্রাহ্মণৰ ইংৰাজী অনুবাদ হৈছে বিখ্যাত পণ্ডিতৰ দ্বাৰা। এঃ বি. কীথে ঋগ্বেদৰ ব্রাহ্মণ ঐতৰেয় আৰু কৌষীতকীৰ অনুবাদ কৰিছে। ঐতয়েৰ ব্রাহ্মণৰ আৰু এটি অনুবাদ কৰিছে মার্টিন হউগে।
- জুলিয়াচ গলিঙে অনুবাদ কৰিছে শতপথ ব্রাহ্মণৰ।
- পঞ্চবিংশ ব্রাহ্মণৰ অনুবাদ কৰিছে ডব্লিঅ কালাণ্ডে।

১২.৬ ব্রাহ্মণ গ্রন্থবোৰৰ পৰিচয়

আপস্তম্বৰ পৰিভাষা 'মন্ত্র ব্রাহ্মণয়োর্বেদ নামধেয়ম্ অনুসৰি মন্ত্র আৰু ব্রাহ্মণ উভয়কে বেদ বুলি আমি পাই আহিছোঁ। গতিকে ভাৰতীয় পৰম্পৰামতে ব্রাহ্মণৰ বেদত্ব লৈ সন্দেহৰ অৱকাশ নাই। আমি প্রতিখন বেদৰে এখন বা ততোধিক ব্রাহ্মণ পাইছোঁ। এতিয়া আমি সেই ব্রাহ্মণবিলাকৰ সংক্ষিপ্ত বর্ণনা বা আলোচনা কৰোঁহক।

১) **ঐতৰেয় ব্রাহ্মণ ঃ** ঋগ্বেদৰ দুখন ব্রাহ্মণ— ঐতৰেয় আৰু কৌষীতকী বা সাংখায়ন। ইয়াৰে প্রথমখন প্রাচীনতম। ঐতৰেয় ব্রাহ্মণৰ মহত্ত্বও অধিক। মহিদাস ঐতৰেয় এই ব্রাহ্মণৰ ৰচয়িতা। এই ব্রাহ্মণ চল্লিশটা অধ্যায়ত বিভক্ত। পাঁচটা অধ্যায়ৰ সমষ্টিক এক পঞ্চিকা বোলে। সেয়ে এই ব্রাহ্মণত আছে আঠটা পঞ্চিকা, চল্লিশটা অধ্যায় আৰু দুশ পঁচাশীটা কণ্ডিকা। ঋগ্বেদৰ সৈতে জড়িত হোৱা কাৰণে এই ব্রাহ্মণত যজ্ঞৰ হোতা নামৰ পুৰোহিতৰ কার্যকলাপৰ বিৱৰণ আছে।

ঐতৰেয় ব্রাহ্মণত অগ্নিষ্টোম, উক্থ্য, অতিৰাত্র আৰু ষোড়শী নামে যজ্ঞবোৰত হোতাৰ কর্তব্য বর্ণনা কৰিছে। তদুপৰি দ্বাদশাহ আৰু ৰাজসূয় যজ্ঞৰ বিশেষ বর্ণনা আছে। ইয়াত শুনঃশেপৰ বহু বিখ্যাত উপাখ্যানৰ ব্যাপক বর্ণনা আছে।

ধর্মীয় ঃ ৰাজনৈতিক আৰু সামাজিক অৱস্থাৰ বিৱৰণো ইয়াত পোৱা যায়। ইয়াত বিষ্ণুৰ মাহাত্ম্যৰ উত্থান ঘটিছে। ইয়াত বৈদিক ভাৰতৰ ভূগোল আৰু বুৰঞ্জীবিষয়ক তথ্য পোৱা যায়।

২) **সাংখায়ন বা কৌষীতকী ব্রাহ্মণ ঃ** এই ব্রাহ্মণ ঐতৰেয়ৰ তুলনাত অর্বাচীন আৰু বিষয় চয়নত অধিক প্রণালীবদ্ধ। ব্রাহ্মণখন ত্রিশটা অধ্যায়ও বিভক্ত। প্রতিটো অধ্যায়ত পাঁচৰ পৰা সোতৰটালৈকে 'খণ্ড' আছে। মুঠতে ইয়াত দুশ ছাব্বিশটা খণ্ড আছে। ইয়াত যথাক্রমে অগ্ন্যাধান, অগ্নিহোত্র, দর্শপৌর্ণমাস, কেতবোৰ কাম্যেষ্টি আৰু চাতুর্মাস্যৰ বিৱৰণ আছে প্রথম ছয় অধ্যায়ত। পৰৱর্তী চাব্বিশটা অধ্যায়ত ক্রমে অগ্নিষ্টোম, আৰু তাৰ বিকৃতি মাগ ষোড়শী, অতিৰাত্র আদি যজ্ঞৰ বর্ণনা আছে। ইয়াত উদীচ্য ভাগত থকা শিক্ষা ব্যৱস্থাৰ প্রশংসা কৰা হৈছে। এই ব্রাহ্মণে শৈৱ সম্প্রদায়ৰ প্রতি আনুগত্য দেখুৱাইছে।

ওপৰোক্ত দুয়োখন ব্রাহ্মণ ঋগ্বেদৰ অন্তর্গত।

তলত সামবেদী ব্রাহ্মণবোৰৰ চমু আলোচনা কৰা হ'ল।

১) **তাণ্ড্যমহাব্রাহ্মণ বা পঞ্চবিংশ বা প্রৌঢ়ব্রাহ্মণ ঃ** এই ব্রাহ্মণ তাণ্ডি শাখাৰ অন্তর্গত আৰু পঁচিশটা অধ্যায়ত বিভক্ত।

তাণ্ড্য মহাব্রাহ্মণত ত্রিবৃৎ, পঞ্চদশ, সপ্তদশ প্রভৃতি ষ্টোমৰ বিষ্টুতি, গৱাময়ন সত্র, সোমযাগৰ জ্যোতিষ্টোম, তাৰ বিকৃতি উকৃথ্য আৰু অতিৰাত্রৰ বর্ণনা পোৱা যায়। তদুপৰি আছে দ্বাদশাহৰ বর্ণনা। লগতে একাহ আৰু অহীন সোমযাগ, চাতুর্মাস্য, ৰাজসূয়, বাজপেয়ৰ বর্ণনাও পোৱা যায়। সপ্তদশ অধ্যায়ত প্রাপ্ত ব্রাত্যষ্টোমৰ বর্ণনা উল্লেখনীয়। ইয়াত বৈদিক যুগৰ ভাৰতৰ ভৌগোলিক আৰু ঐতিহাসিক মাহাত্ম্যসূচক ভালেমান তথ্য পোৱা যায়।

২) **ষড়বিংশ ব্রাহ্মণ ঃ** ই পঞ্চবিংশ ব্রাহ্মৰ পৰিপূৰক। ছটা অধ্যায়ত বিভক্ত এই ব্রাহ্মণৰ অন্তিম অধ্যায়টো অদ্ভুত ব্রাহ্মণ বুলি জনাজাত। ইয়াৰ ছয়টা অধ্যায়ত আঠচল্লিশটা খণ্ড

আছে। পঞ্চবিংশ ব্রাহ্মণত অনুক্ত সুব্রহ্মণ্য শস্ত্র, সৱনত্রয়, বিশ্বৰূপ গান, ব্রহ্মাৰ কর্তব্য, ব্যাহৃতি হোমকে সামৰি ইয়াত নৈমিত্তিক প্রায়শ্চিত্ত, সৌম্যচৰুবিধি, হোত্রাদি উপহৱ, নৈমিত্তিক হোম, ঋত্বিক প্রশংকা, অৱভৃথ, দ্বাদশাহ স্তুতি আদি বহু বিষয়ৰ তথ্য পোৱা যায়।

৩) **সামবিধান ব্রাহ্মণ ঃ** এইখন ব্রাহ্মণ তিনিটা প্রকৰণত বিভক্ত। ইয়াত তান্ত্রিক বিধি-বিধানৰ প্রয়োগ, প্রায়শ্চিত্তৰ বিধান, অভিচাৰ-ক্রিয়া, পুত্র কামনা কৰি কৰা ক্রিয়া, গৃহ-প্রবেশ, আয়ুষ্য প্রাপ্তিৰ বাবে কেতবোৰ আথর্ৱনিক ক্রিয়াৰ বর্ণনা পোৱা যায়। ইয়াত ধর্মসূত্রৰ লেখীয়া ক্রিয়া-কাণ্ডৰ প্রশংসা পোৱা যায়।

৪) **আর্ষেয় ব্রাহ্মণ ঃ** আর্ষেয় ব্রাহ্মণ তিনিটা প্রপাঠক আৰু বিৰাশীটা খণ্ডত বিভক্ত। সামবেদৰ অনুক্রমনীৰ লেখীয়া। সামবেদৰ পূর্বাচিকৰ গ্রামগেয় আৰু আ�ৰণ্যগেয় গানৰ সামসমূহৰ নাম ইয়াত ঋষিৰ সৈতে সূত্রাকাৰে উপস্থাপন কৰা হৈছে। এই গ্রন্থত সামবেদীয় মন্ত্রৰ ঋষিসকলৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰা হৈছে।

৫) **দেৱতাধ্যায় ব্রাহ্মণ ঃ** ই এখন ক্ষুদ্র ব্রাহ্মণ। ইয়াত মাত্র তিনিটা খণ্ড আছে। প্রথম খণ্ডৰ ছাব্বিশটা কণ্ডিকাত অগ্নি আদি দেৱতাৰ উদ্দেশ্যত গাবলগীয়া সামৰ নির্দেশ কৰিছে। দ্বিতীয় খণ্ডৰ এঘাৰটা কণ্ডিকাত ছন্দদেৱতা আৰু বর্ণৰ বিৱৰণ আছে। তৃতীয় খণ্ডৰ পঁচিশটা কণ্ডিকাত ছন্দৰ নিৰুক্তি পোৱা যায়।

৬) **উপনিষদ ব্রাহ্মণ ঃ** এই ব্রাহ্মণৰ দহটা প্রপাঠকত দুখন গ্রন্থ সোমাই আছে। প্রথম দুই প্রপাঠকক লৈ মন্ত্র বা ছান্দোগ্য ব্রাহ্মণ, আৰু বাকী আঠটা প্রপাঠকক লৈ ছান্দোগ্য উপনিষদ গঠিত হৈছে। মন্ত্রব্রাহ্মণৰ প্রথম প্রপাঠকত বিৱাহাদি সংস্কাৰৰ বর্ণনা, দ্বিতীয় প্রপাঠকত ভূতবলি, আগ্রহায়নীয় কর্ম, পিতৃপিণ্ডদান, দেৱবলি হোম, দর্শপৌর্ণমাস, আদিত্যোপস্থান, নৱ গৃহ প্রৱেশ, স্বস্ত্যয়ন আৰু প্রসাদ প্রাপ্তিৰ মন্ত্র আছে।

৭) **সংহিতোপনিষদ ব্রাহ্মণ ঃ** এই গ্রন্থ পাঁচটা খণ্ডত বিভক্ত। প্রথম খণ্ডত তিনিবিধ গান সংহিতাৰ বিৱৰণ আছে। এই তিনি সংহিতা হৈছে — ১) দেৱহূসংহিতা, ২) ৱাক্শবহূসংহিতা, ৩) অমিত্রহূসংহিতা দেবহূসংহিতা মঙ্গলজনক, ৱাক্শবহূ আৰু অমিত্রহূ অমঙ্গলীয়া। দ্বিতীয় আৰু তৃতীয় খণ্ডত গানসংহিতাৰ বিধি, স্তোম, অনুলোম আৰু প্রতিলোম স্বৰ প্রভৃতিৰ বিস্তৃত চর্চা কৰা হৈছে। তৃতীয় খণ্ডত গুৰু শিষ্যৰ যোগ্যত্য বিচাৰ কৰা হৈছে।

৮) **বংশ ব্রাহ্মণ ঃ** এই ব্রাহ্মণ গ্রন্থ আকাৰত সৰু। ইয়াত সামবেদীয় ঋষিসকলৰ বংশ-পৰম্পৰা সংক্ষিপ্তকৈ তুলি ধৰা হৈছে।

৯। **জৈমিনীয় বা তলৱকাৰ ব্রাহ্মণ ঃ** এই ব্রাহ্মণ গ্রন্থ অতি প্রাচীন। অধুনা বিলুপ্ত শাতায়েন ব্রাহ্মণৰ যিবোৰ উদ্ধৃতি ঋগ্বেদৰ সায়ন ভাষ্যত পোৱা যায় তাৰে সৈতে জৈমিনীয় ব্রাহ্মণৰ মিল আছে। পঞ্চবিংশ ব্রাহ্মণৰ লগতো ইয়াৰ বিষয় বস্তুৰ মিল দেখা যায়। এই গ্রন্থ এতিয়ালৈকে সম্পূর্ণৰূপে উপলব্ধ হোৱা নাই। ইয়াৰে অংশবিশেষহে সম্পাদিত ৰূপত প্রকাশিত হৈছে।

ইয়াৰ উপৰিও আমি আৰু দুখন যদুৰ্বেদীয় মতত্ত্বপূৰ্ণ ব্রাহ্মণ গ্রন্থ পাওঁ। প্রথমখন কৃষ্ণ যজুৰ্বেদৰ অন্তর্গত তৈত্তিৰীয় ব্রাহ্মণ আৰু দ্বিতীয়খন শুক্ল যজুৰ্বেদৰ শতপথ ব্রাহ্মণ।

১) **তৈত্তিৰীয় ব্রাহ্মণ ঃ** ই এখন প্রাচীনতৰ ব্রাহ্ম। এই ব্রাহ্মণ তৈত্তিৰীয় সংহিতাৰ বিস্তৃতি এই ব্রাহ্মণ তিনিটা কাণ্ডত বিভক্ত। প্রতিটো কাণ্ড প্রপাঠকত বিভক্ত। প্রথম আৰু দ্বিতীয় কাণ্ডত আঠটাকৈ আৰু তৃতীয় কাণ্ডত বাৰটা প্রপাঠক আছে।

প্রথম কাণ্ডত অগ্ন্যাধান, গৱাময়ন, বাজপেয়, ৰাজসূয়, সোম আৰু নক্ষত্রেষ্টিৰ বর্ণনা পোৱা যায়। দ্বিতীয় কাণ্ডত অগ্নিহোত্র, দাশহোত্র, উপহোম, সৌত্রামনী, বৃহস্পতিসৱ আৰু পশুযাগৰ বর্ণনা আছে। তৃতীয় কাণ্ডত আকৌ নক্ষত্রেষ্টিৰ বিশদ বিৱৰণ, দর্শপূর্ণমাসৰ ব্যাখ্যা, পুৰুষমেধৰ বর্ণনা, পশুমাগ, প্রায়শ্চিত্ত, অশ্বমেধৰ বিৱৰণ আৰু চাতুর্হোত্র মাগৰ বিৱৰণ আছে।

২) **শতপথ ব্রাহ্মণ ঃ** কান্ব আৰু মাধ্যন্দিন ভেদে ইয়াৰ দুটা শাখা। এই গ্রন্থ অন্যতম মহত্ত্বপূর্ণ ব্রাহ্মণ গ্রন্থ। ইয়াৰ বর্ণনা পৃথক অধ্যায় এটাত কৰা হ'ব।

অথর্ববেদীয় ব্রাহ্মণ এখন মাত্র।

১) **গোপথ ব্রাহ্মণ ঃ** এইখন ব্রাহ্মণৰ ভাগ দুটা ঃ পূর্বভাগ আৰু উত্তৰ ভাগ। পূর্বভাগত পাঁচটা প্রপাঠক আৰু উত্তৰ ভাগত ছয়টা প্রপাঠক আছে। প্রতিটো প্রপাঠক কণ্ডিকাত বিভক্ত। ইয়াৰ দুয়োভাগত মুঠতে এঘাৰটা প্রপাঠক আৰু দুশ আঠাৰন্নটা কণ্ডিকা আছে।

ইয়াত ওঙ্কাৰ আৰু গায়ত্রীৰ বর্ণনা, ব্রহ্মচাৰীৰ কর্তব্য, ঋত্বিক চাৰিজনৰ কার্যৰ পর্যালোচনা, দীক্ষাৰ বর্ণনা, সাম্বৎসৰিক যজ্ঞৰ বর্ণনা; অশ্বমেধ, পুৰুষমেধ আৰু অগ্নিষ্টোমৰ বর্ণনা পোৱা যায়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ বেদৰ ব্রাহ্মণ ভাগৰ বেদত্ত্ব আছে নে?

.....

প্রশ্ন নং ২ঃ ব্রাহ্মণ শব্দৰ অর্থ কি?

.....

প্রশ্ন নং ৩ঃ ব্রাহ্মণ গ্রন্থকেইখন?

.....

প্রশ্ন নং ৪ঃ সামবেদৰ ব্রাহ্মণ কেইখন?

.....

প্রশ্ন নং ৫ঃ ব্রাহ্মণ গ্রন্থৰ ছয় প্রকাৰৰ লক্ষণবোৰ কি কি?

.....

প্রশ্ন নং ৬ঃ পুৰাকল্প আৰু পৰকৃতিৰ মাজত পার্থক্য কি?

.....

১২.৭ একৈশ প্রকাৰৰ যজ্ঞ

ব্রাহ্মণবোৰত ঘাইকৈ বৈদিক যুগত প্রচলিত যজ্ঞকেন্দ্রিক ধর্মৰ বিষয়ে অধিক বর্ণনা পোৱা যায়। যজ্ঞানুষ্ঠান কৰি মানুহে দেৱতাৰ সালোক্য, সাৰূপ্য আৰু সাযুজ্য লাভ কৰে বুলি বিশ্বাস কৰিছিল। ব্রাহ্মণবোৰত হবির্যজ্ঞ, পাকযজ্ঞ আৰু সোমযজ্ঞৰ অন্তর্গত একৈশ বিধ যজ্ঞৰ বর্ণনা পোৱা যায়। তলত তালিকা এখন দিয়া হ'ল।

গোপথ ব্রাহ্মণত (১/৫/২৫) সাতবিধ পাকযজ্ঞ আৰু সাতবিধ হবির্যজ্ঞ আৰু সাতবিধ সোমযজ্ঞৰ উল্লেখ পোৱা যায়।

সাতবিধ পাকযজ্ঞ ঃ

১) সায়ং যজ্ঞ (হোম)
২) প্রাতঃ হোম
৩) স্থালীপাক
৪) বলিহৰণ
৫) পিতৃযজ্ঞ
৬) অষ্টকা আৰু
৭) পশু

সাতবিধ হবির্যজ্ঞ ঃ

১) অগ্ন্যাধেয়
২) অগ্নিহোত্র
৩) পৌর্ণমাসী
৪) অমাৱাস্যা
৫) নৱেষ্টি (আগ্রয়ণ)
৬) চাতুর্মাস্য আৰু
৭) পশুবন্ধ

সাতবিধ সোমযজ্ঞ ঃ

১) অগ্নিষ্টোম
২) অত্যগ্নিষ্টোম
৩) উক্থ্য
৪) ষোড়শী
৫) বাজপেয়
৬) অতিৰাত্র আৰু
৭) অপ্তোর্য়াম

১২.৮ যজ্ঞবোৰৰ চমু পৰিচয়

হব্য পদার্থৰ বিষয় অনুসৰি যজ্ঞবোৰক পাঁচ ভাগত ভাগ কৰা হৈছে। সেইবিলাকৰ চমু বিৱৰণ দিয়া হ'ল। পাঁচ প্ৰকাৰ যজ্ঞ— হোম, ইষ্টি, সোম, পশু আৰু সত্ৰ। তাতো প্ৰকৃতি আৰু বিকৃতি ভেদ আছে। হোমৰ প্ৰকৃতি অগ্নিহোত্ৰ, ইষ্টিৰ প্ৰকৃতি দৰ্শপৌৰ্ণমাস, পশুযাগৰ প্ৰকৃতি দৈক্ষ বা প্ৰাজাপত্য পশু, সোমমাগৰ প্ৰকৃতি অগ্নিষ্টোম বা জ্যোতিষ্টোম আৰু সত্ৰৰ প্ৰকৃতি গৱাময়ন। তলত প্ৰকৃতি যাগবোৰৰ চমু আলোচনা কৰা হ'ল ঃ

হোম ঃ হোম, বা দাৰ্বী হোমৰ প্ৰকৃতি অগ্নিহোত্ৰ অনুষ্ঠিত হয় ৰাতিপুৱা আৰু সন্ধিয়া সময়ত। দুয়ো বেলা আহৱনীয় অগ্নিকুণ্ডত এঁৰাগাখীৰ (দুগ্ধ), দৈ আৰু পুৰোডাশ প্ৰভৃতিৰ আহুতি দিয়া হয়। সূর্য আৰু অগ্নি এই হোমৰ দেৱতা। পুৱাবেলা সূর্যৰ উদ্দেশ্যত আৰু সন্ধিয়া অগ্নিলৈ আহুতি দিয়া নিয়ম। বৈদিক যুগত দ্বিজসকলে অর্থাৎ ব্ৰাহ্মণ, ক্ষত্ৰিয় আৰু বৈশ্য নিৰ্বিশেষে এই যজ্ঞ অনুষ্ঠিত কৰিছিল। বিশেষতঃ ব্ৰাহ্মণসকলৰ বাবে ই আছিল বাধ্যতামূলক। গৃহপতি বা গৃহস্থই পত্নীৰ সহায়ত অগ্নিহোত্ৰ হোম সম্পন্ন কৰিছিল। তাৰ বাবে পুৰোহিতৰ নিয়োগ অনাবশ্যক আছিল। ৰাতিপুৱা সূর্যঃ জ্যোতিঃ জ্যোতিঃ সূর্যঃ মন্ত্ৰেৰে আৰু সন্ধ্যাবেলা 'অগ্নির্জ্যোতিঃ জ্যোতিৰগ্নিঃ' মন্ত্ৰেৰে আহুতি দিয়া হৈছিল।

ইষ্টি ঃ এই যজ্ঞৰ প্ৰকৃতি যাগ দর্শ আৰু পৌৰ্ণমাস। দর্শৰ অর্থ 'সূর্য়েন্দুসঙ্গমঃ' অর্থাৎ সূর্য আৰু চন্দ্ৰৰ সঙ্গম কাল বা অমাৱস্যা। পূর্ণমাস বা পৌৰ্ণমাসী হ'ল পূর্ণিমা। এই যজ্ঞ সততে অমাৱশ্যা আৰু পূর্ণিমাত কৰা হয়। বিৱাহিত বা সপত্নীক যজমানে এই যজ্ঞ কৰা নিয়ম। ব্ৰাহ্মণ, ক্ষত্ৰিয় আৰু বৈশ্যসকল এই যজ্ঞৰ অধিকাৰী। যিয়ে ঘৰত অগ্নি স্থাপন কৰিছে অর্থাৎ আহিতাগ্নি জনে ইষ্টি যজ্ঞ কৰিব পাৰে। অমাৱস্যাত দুদিন আৰু পূর্ণিমাত দুদিন ইষ্টিযাগ কৰা নিয়ম। পৌৰ্ণমাসোষ্ট পূর্ণিমাৰ দিনত আৰম্ভ হয়। (পুৱা) আৰু প্ৰতিপদৰ দুপৰীয়া সমাপ্ত হয়। সেইদৰে দর্শযজ্ঞ অমাৱস্যাৰ পুৱা আৰম্ভ হয় আৰু প্ৰতিপদৰ দুপৰীয়া শেষ হয়। এই যজ্ঞত হোতা, অধ্বর্যু, আগ্নীধ্ৰ আৰু ব্ৰহ্মা— এই চাৰিজন ঋত্বিকে ভাগ লয়। ইয়াত প্ৰথম আহুতি অগ্নিৰ উদ্দেশ্যত, উপাংশু নামে দ্বিতীয় আঙুতি বিষ্ণু, প্ৰজাপতি, অগ্নি আৰু সোমৰ উদ্দেশ্যে দিয়া হয়। অমাৱস্যাত পুৰোডাশৰ প্ৰথম আহুতি অগ্নিলৈ। দ্বিতীয়-তৃতীয় আহুতি ইন্দ্ৰৰ উদ্দেশ্যত দিয়া হয়। ইষ্টিৰ শেষত 'অগ্নিস্বিষ্টকৃৎ' আহুতি অগ্নিত অর্পণ কৰা হয়।

এই ইষ্টি নিত্য আৰু কাম্য ভেদে দুবিধ।

পশুযাগ ঃ প্ৰাজাপত্য পশু সকলো পশুযাগৰ প্ৰকৃতি। ইয়াৰ অন্য নাম নিৰূঢ় পশুবন্ধ। ব্ৰাহ্মণ, ক্ষত্ৰিয় আৰু বৈশ্যসকল এই যজ্ঞৰ অধিকাৰী। প্ৰতি বছৰত এবাৰ হ'লেও এই যজ্ঞ কৰিব লাগে। এই যজ্ঞৰ আহুতিৰ দ্ৰব্যবোৰ হৈছে, পশু, বিশেষতঃ ছাগলী। ছাগলীৰ হৃৎপিণ্ড, মেদ প্ৰভৃতি আহুতিৰ বাবে উপযোগী দ্ৰব্য। পশুযাগৰ দেৱতা প্ৰজাপতি, সূর্য অথবা ইন্দ্ৰাগ্নী। এই যজ্ঞত অধ্বর্যু, প্ৰতিপ্ৰস্থতো, হোতা, মৈত্ৰাবৰুণ, আগ্নীধ্ৰ আৰু ব্ৰহ্মা— এই ছজন ঋত্বিকে ভাগ লয়।

পশু বান্ধিবৰ কাৰণে যূপ কাষ্টৰ প্রয়োজন। পলাশে, খৈৰা, বেল, অথবা ৰোহিতক গছৰ কাঠ থূপৰ উপযোগী।

যজ্ঞৰ অন্তত পুৰোহিতসকলে ইড়াভক্ষণ কৰা নিয়ম।

সোমযাগঃ সোমযাগবোৰৰ প্রকৃতি অগ্নিষ্টোম। ইয়াত সোমলতাৰ ৰস মুখ্য হব্য দ্রব্য। অগ্নিষ্টোম নামৰ সামগানেৰে যজ্ঞ সমাপ্ত হয় বুলিয়েই যজ্ঞটোক অগ্নিষ্টোম বোলা হয়। বিশেষকৈ ঐতৰেয় ব্রাহ্মণত অগ্নিষ্টোমৰ বহল বর্ণনা পোৱা যায়।

প্রতি বছৰে বসন্তকালত ব্রাহ্মণ, ক্ষত্রিয় আৰু বৈশ্য পুৰুষে সপত্নীক এই যজ্ঞানুষ্ঠান কৰিব লাগে। তাৰ বাবে কষ্ট কৰি সোমলতা সংগ্রহ কৰিব লাগে। সোমলতা নাপালে 'পূতিকা' লতাৰ ৰস বিকল্প আহুতি দিব লাগে।

এই যাগত ষোলজন পুৰোহিতে অংশগ্রহণ কৰে। প্রথম দিনত যজমানে পুৰোহিত বৰণ কৰে। তাক ঋত্বিকবৰণ বোলে। তাৰ পাছত দীক্ষনীযেষ্টিত যজমানে দীক্ষা গ্রহণ কৰে। দ্বিতীয় দিনত প্রায়নীয়েষ্টিত পথ্যাস্বস্তি, অগ্নি, সোম, সবিতা আৰু অদিতি এই পঞ্চদেৱতা আহূত হয়। তাৰ পাছত সোমক্রয় কৰা হয় কোনো শূদ্রৰ পৰা। পশু, কাপোৰ আদি দহবিধ দ্রব্যৰ বিনিময়ত সোমৰস কিনা হয়। সোম দেৱতা আৰু ব্রাহ্মণৰ ৰজা। সোমক বলধে টনা গাড়ীত তুলি ৰাজকীয় সন্মানেৰে অনা হয়। সোমৰ বাবে আতিথ্যোষ্টি অনুষ্ঠিত হয়। তাৰ পাছত প্রবর্গ্য আৰু পশুযাগ অনুষ্ঠিত হয় চতুর্থ দিনত। সেই দিনাই দুপৰীয়া সোমৰস প্রস্তুত কৰা সময়ত পশুমাংস আৰু পুৰোডাশৰ আহুতি দিয়া হয়। তাৰ পাছত পত্নী সংযাজ অনুষ্ঠিত হয়। পঞ্চম দিনত প্রকৃত অগ্নিষ্টোম অনুষ্ঠিত হয়। আগৰ চাৰিদিনত প্রাৰম্ভিক যজ্ঞ অনুষ্ঠিত হয়। পঞ্চম দিনৰ পুৱাবেলা হোতাই প্রাতৰনুবাক পাঠ কৰে। দ্রোণকলসত সোমৰস ৰাখে। প্রতিদিনত পুৱা, দুপৰীয়া আৰু গধুলি সোমৰস প্রস্তুত কৰা হয়। এই সময় কেইটাক ক্রমে প্রাতঃ সবন, মাধ্যন্দিন সবন আৰু তৃতীয় সৱন বোলা হয়। যজ্ঞৰ শেষত আহুতিৰ অৱশিষ্ট সোমৰস যজমান আৰু পুৰোহিতসকলে গ্রহণ কৰে। যজ্ঞৰ শেষত পশু আৰু শস্যৰে পুৰোহিতসকলক দক্ষিণা দিয়ে। তৃতীয় সবনৰ পাছত অৱভৃথ ইষ্টি সম্পন্ন হয়। জলাশয়ত স্নান কৰি আহি উদয়েনীয় ইষ্টি অনুষ্ঠিত কৰে। এইদৰে সোমযাগ কৰা হয়।

উক্থ্য, ষোড়শী, অত্যগ্নিষ্টোম, ৰাজপেয়, ৰাজসূয় আদি অগ্নিষ্টোমৰ বিকৃতি বোলা হয়।

সত্র ঃ গবাময়ন সত্র যজ্ঞৰ প্রকৃতি। ইয়াৰ কাল এবছৰ (৩৬১)। সেয়ে এই যজ্ঞত অনেক আনুষংগিক যাগৰ অনুষ্ঠান হয়। ইয়াৰ প্রথম এশ আশী দিনক পূর্বপক্ষ আৰু শেষৰ এশ আশী দিনক উত্তৰ পক্ষ বোলা হয়। দুয়োপক্ষৰ মাজৰ দিনটোক বিষুব বোলে। দেখাত সত্র যজ্ঞবোৰ সৌমিকৰ অন্তর্গত। সৌমিকৰ ভাগ তিনিটা ঃ যি সোমযাগ এদিনত সমাপ্ত সেয়া 'একাহ'; এদিনতকৈ বেছি, কিন্তু বাৰ দিনতকৈ কম সময় লগা সোমযাগক বোলে 'অহীন' আৰু বাৰ দিনতকৈ অধিক দিন ব্যাপি চলা যজ্ঞক বোলা হয় 'সত্র'।

গৰাময়নৰ প্ৰথম পক্ষত (১-১৮০ দিনত)। যথাক্ৰমে অতিৰাত্ৰ, উক্থ্য, অভিপ্লৱষড়হ, পৃষ্ঠ্যষড়হ, আকৌ অভিপ্লৱষড়হ আৰু পৃষ্ঠ্যষড়হ, অভিজিৎ আৰু স্বৰসাম আদি যজ্ঞ অনুষ্ঠিত হয়। বিষুব দিনৰ পাছত উত্তৰ পক্ষত (১৮২-৩৬১ দিনত) ওপৰোক্ত যাগ-যজ্ঞবোৰ ওলোটাকৈ অনুষ্ঠিত কৰা নিয়ম। অৰ্থাৎ যথাক্ৰমে স্বৰসাম, বিশ্বজিৎ, পৃষ্ঠ্যষড়হ, অভিপ্লৱষড়হ, আকৌ পৃষ্ঠ্যষড়হ আৰু অভিপ্লৱষড়হ, গোষ্টোম, আয়ুষ্টোম, দশৰাত্ৰ, মহাব্ৰত আৰু অতিৰাত্ৰ যজ্ঞবোৰ সম্পন্ন হয়।

উক্ত পাঁচ প্ৰকাৰ যজ্ঞৰ উপৰিও সুকীয়া বৈশিষ্ট্য থকা যাগযজ্ঞবিলাকৰ কিছুমান তলত উল্লেখ কৰা হ'ল।

দ্বাদ শাহ ঃ তিনিশ ষাঠি দিনতকৈ কম আৰু এঘাৰ দিনতকৈ বেছি দিনত সম্পাদ্য যজ্ঞবোৰক প্ৰকৃতি দ্বাদশাহ। ইয়াত অহীন আৰু সত্ৰৰ বৈশিষ্ট্য দেখা যায়। দ্বাদশাহবো প্ৰথম আৰু অন্তিম দিনত অতিৰাত্ৰ অনুষ্ঠিত হয়। এই যজ্ঞ মুঠ ছয়ত্ৰিশ দিন চলে। প্ৰথমবাৰ দিনত দীক্ষা সম্পন্ন হয়। মাজৰ বাৰদিন উপসদ। শেষৰ বাৰ দিনত বাৰটা সুত্যাযাগ অনুষ্ঠিত হয়।

চাতুৰ্মাস্য ঃ এই যজ্ঞ চাৰিটা পৰ্বত বিভক্ত ঃ বৈশ্বদেৱ, বৰুণপ্ৰঘাস, সাকমেধ আৰু শুনাসীৰীয়। ইয়াৰ প্ৰথমটো ফাগুনৰ পূৰ্ণিমাত, দ্বিতীয়টো আহৰৰ পূৰ্ণিমাত, তৃতীয়টো কাতিৰ পূৰ্ণিমাত আৰু শেষৰটো ফাগুনৰ শুক্লপক্ষত প্ৰতিপদ দিনত অনুষ্ঠিত হয়। যজ্ঞবোৰৰ কেতবোৰ সুকীয়া বৈশিষ্ট্য আছে।

ৰাজপেয় ঃ ই অগ্নিষ্টোমৰ আৰ্হিত অনুষ্ঠিত হয়। ইয়াৰ দীক্ষা চলে সোতৰ দিন। উপসদ্ তিনি দিন। সুত্যাহ এদিন। ইয়াত সোতৰটা পশুৰ মাংস আহুতি দিয়া হয়। সুৰাৰেও আহুতি দিয়া হয়। ৰাজসূয় কৰা ক্ষত্ৰিয় আৰু ব্ৰাহ্মণৰ অধিকাৰ আছে ইয়াৰ সম্পাদনত।

ৰাজসূয় ঃ এই যাগৰো প্ৰকৃতি অগ্নিষ্টোম। ইয়াৰ দ্বাৰা ৰাজাভিষেক কৰা নিয়ম। ইয়াত একাধিক ইষ্টি আৰু সোমযাগ সম্পন্ন হয়। চৈধ্যমাহ ধৰি চলা এই যজ্ঞত মুঠতে সাতটা সোমযাগ, দুটা পশুযাগ আৰু এশ উনত্ৰিশটা ইষ্টিৰ উপৰিও সাতটা দৰ্বীহোম সম্পন্ন কৰা হয়। ৰাজসূয় যজ্ঞৰ অনুষ্ঠানত তাহানি এশ জন ৰজাৰ সমাগম হৈছিল বুলি মহাভাৰতৰ পৰা জনা যায়।



জানি থোৱা ভাল

১) যজ্ঞ প্ৰকৃতি অনুসৰি পাঁচ প্ৰকাৰৰ ঃ হোম, ইষ্টি, পশু, সোম আৰু সত্ৰ।

২) যজ্ঞৰ অগ্নি তিনিবিধ ঃ গাৰ্হপত্য, আহৱনীয় আৰু দক্ষিণাগ্নি।

৩) যজ্ঞৰ কুণ্ড তিনি প্ৰকাৰ, গাৰ্হপত্যৰ গোল, আহৱনীয়ৰ চতুৰ্ভুজাকৃতি দক্ষিণাগ্নিৰ অৰ্ধচন্দ্ৰাকাৰ।

৪) চাৰিবেদৰ সৈতে সংলগ্ন চাৰি পুৰোহিত ঃ মুখ্যত ঃ
ঋগ্বেদৰ — হোতা,
সামবেদৰ — উদ্‌গাতা
যজুৰ্বেদৰ — অধ্বর্যু
অথর্ববেদৰ — ব্রহ্মা

৫) মুখ্য পুৰোহিত বা ঋত্বিকৰ তিনিজনকৈ সহকাৰী থাকে ঃ
হোতা — মৈত্রাবৰুণ, অচ্ছাৱাক আৰু গ্রাবস্তুৎ।
উদ্‌গাতা — প্রস্তোতা, প্রতিহর্তা আৰু সুব্রহ্মণ্য।
অধ্বর্যু — প্রতিপ্রস্থাতা, নেষ্টা আৰু উন্নেতা।
ব্রহ্মা — ব্রাহ্মণাচ্ছংসী, আগ্নীধ্র আৰু পোতা।

৬) ঋত্বিক কর্ম ঃ হোতাই দেৱতাক শস্ত্র পাঠ কৰি যজ্ঞলৈ আহ্বান কৰে।
উদ্‌গাতাই সামগান গায়।
অধ্বর্যুৱে বেদি তৈয়াৰ কৰে, যজ্ঞত দ্রব্য আহুতি দিয়ে।
ব্রহ্মা যজ্ঞৰ প্রধান পুৰোহিত আৰু যজ্ঞ পৰিচালনা কৰে।



১২.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

অধ্যায়টি অধ্যয়ন কৰি আমি জানিলো যে—

- ব্রাহ্মণবোৰ বেদৰ অপৰিহার্য অংশ।
- ব্রাহ্মণ ভাগৰ ছটা লক্ষণ আমি জানিলোঁ।
- ব্রাহ্মণবিলাকৰ নাম আৰু চমু পৰিচয় আমি পালোঁ।
- আমি পাকযজ্ঞ, হবির্যজ্ঞ আৰু সোমযজ্ঞৰ একৈশ প্রকাৰৰ নাম পালোঁ।
- পাঁচ প্রকাৰৰ যজ্ঞৰ প্রকৃতিযাগবোৰৰ চমু আভাস পালোঁ।



১২.১০ অধিক জানিবলৈ

১) Murthy R. S. S. *Study of the Important Brahmanas*, University of Mysore

২) Thite, Ganesh Umakant, (1975). *Sacrifice in the Brahmana Texts*, Prona : University.

৩) Keith, A. B., (1970). *Religion and Philosophy of the Vedas and Upanisads*, HOS vols. XXI - XXII, Delhi,

৪) বসু, যোগীৰাজ, (১৯৭২), *বেদৰ পৰিচয়*, গুৱাহাটী ঃ প্ৰকাশন পৰিষদ, অসম।

৫) শৰ্মা, থানেশ্বৰ, (২০০৭), *বেদৰ সৌৰভ*, পুৰণিগুদাম ঃ বৈদিক বচাৰ্চ এণ্ড গ্লবেল ষ্টাডি চেণ্টাৰ।

১২.১১ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ বেদৰ ব্রাহ্মণ ভাগৰ বেদত্ব আছে— যিহেতুকে 'মন্ত্রব্রাহ্মণয়োর্বেদনামধেয়ম্' বুলি কোৱা হয়।

২ নং প্রশ্নৰ উত্তৰঃ ব্রহ্মন্ শব্দৰ পৰাই ব্রাহ্মণ শব্দ নিষ্পন্ন হৈছে। ব্রহ্মন্ শব্দৰ বহুত অর্থৰ মাজত বেদ আৰু ব্রাহ্মণ অর্থও আছে। ব্রহ্মন্ অর্থাৎ বেদৰ লগত সম্বন্ধ থকা হেতুকে এই শ্রেণীৰ গ্রন্থক ব্রাহ্মণ বোলা হয়। আনহাতে ব্রহ্মন্ বুলিলে ব্রাহ্মণ পুৰোহিতসকলকো বুজা যায়। সেই পুৰোহিতসকলে কৰা যজ্ঞসম্বন্ধীয় কর্মকাণ্ডৰ বর্ণনা থকা শাস্ত্রকে ব্রাহ্মণ বোলা হয়।

৩ নং প্রশ্নৰ উত্তৰঃ বর্তমান প্রাপ্ত ব্রাহ্মণৰ সংখ্যা চৈধ্যখন।

৪ নং প্রশ্নৰ উত্তৰঃ সামবেদৰ ব্রাহ্মণ নখন।

৫ নং প্রশ্নৰ উত্তৰঃ ব্রাহ্মণ গ্রন্থবোৰৰ ছয় প্রকাৰৰ লক্ষণ হৈছে— বিধি, অর্থৱাদ, নিন্দা, প্রশংসা, পুৰাকল্প আৰু পৰকৃতি।

৬ নং প্রশ্নৰ উত্তৰঃ পুৰাকল্প আৰু পৰকৃতিৰ মাজত বিশেষ পার্থক্য নাই। বহু লোকৰ বীৰত্বসূচক, বিবিধ কার্যাৱলীৰ বর্ণনাক পুৰাকল্প বোলা হয়। একোজন ব্যক্তিৰ বিভিন্ন বীৰত্বব্যঞ্জক কার্যাৱলীৰ বর্ণনাক পৰকৃতি বোলা হয়।

১২.১২ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন ঃ

প্রশ্ন ১ঃ ব্রাহ্মণ গ্রন্থ বুলিলে আপুনি কি বুজে?

প্রশ্ন ২ঃ মন্ত্র আৰু ব্রাহ্মণৰ পার্থক্য ক'ত, কেনেকুৱা?

প্রশ্ন ৩ঃ বেদৰ শাখা বুলিলে কি বুজায়?

(খ) চমু প্রশ্ন ঃ

প্রশ্ন ১ঃ কোন বেদৰ কিমান সংখ্যক ব্রাহ্মণ আছে?

(গ) ৰচনাধর্মী প্রশ্ন ঃ

প্রশ্ন ১ঃ মুখ্য ব্রাহ্মণ গ্রন্থসমূহৰ বিষয়ে এটি টোকা লিখক।

প্রশ্ন ২ঃ যজ্ঞৰ মুখ্য প্রকাৰ কেইটা?

প্রশ্ন ৩ঃ বৈদিক যজ্ঞসমূহৰ বিষয়ে এটি চমুটোকা লিখক।

*** ***** ***

অধ্যায় ১৩ ঃ ঐতৰেয় ব্রাহ্মণ

অধ্যায় গাঁথনি

১৩.১ উদ্দেশ্য
১৩.২ পৰিচয়
১৩.৩ মন্ত্র সাহিত্য আৰু ব্রাহ্মণ
১৩.৪ ঋগ্বেদৰ ব্রাহ্মণদ্বয়
১৩.৫ ঐতৰেয় ব্রাহ্মণৰ বিভাজন আৰু প্রবক্তা মহিদাস ঐতৰেয় পৰিচয়
১৩.৬ ঐতৰেয় ব্রাহ্মণৰ বিষয় বস্তু আৰু মহত্ত্ব
১৩.৭ ৰাজসূয় যজ্ঞৰ বর্ণনা
১৩.৮ হৰিশ্চন্দ্রৰ আখ্যান আৰু শুনঃসেপৰ আখ্যান
১৩.৯ ঐতৰেয় ব্রাহ্মণৰ অন্তর্ভুক্ত আৰণ্যক আৰু উপনিষদ
১৩.১০ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৩.১১ অধিক জানিবলৈ
১৩.১২ অগ্রগতি নিৰীক্ষণ
১৩.১৩ আৰ্হি প্রশ্ন

১৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- বৈদিক গ্রন্থ শ্রেণীৰ মাজত ব্রাহ্মণ সাহিত্যৰ পৰিচয় পুনঃ পাব
- ঋগ্বেদৰ ব্রাহ্মণ সাহিত্য ঐতৰেয় আৰু সাঙ্খায়ণ ব্রাহ্মণৰ আভাস পাব
- ঐতৰেয় ব্রাহ্মণৰ মহত্বপূর্ণ বিষয়বস্তুৰ আভাস পাব
- ঐতৰেয় ব্রাহ্মণোক্ত ৰাজসূয় আৰু ঐন্দ্র মহাভিষেকৰ আভাস পাব
- হৰিশ্চন্দ্র আৰু শুনঃশেপৰ আখ্যানৰ আভাস পাব
- ঋগ্বেদীয় আৰণ্যক আৰু উপনিষদৰ আভাস পাব।

১৩.২ পৰিচয়

ব্রাহ্মণ সাহিত্যৰ সাধাৰণ পৰিচয়তে ঐতৰেয় ব্রাহ্মণৰ কথা সামান্যভাৱে আভাস দিয়া হৈছে। ঋগ্বেদৰ ব্রাহ্মণ দুখন। এখন ঐতৰেয় আৰু আনখন সাঙ্খায়ণ বা কৌষীতকী ব্রাহ্মণ নামে জনাজাত। দুয়োখন ব্রাহ্মণৰ মাজত ঐতৰেয় ব্রাহ্মণ অধিক পুৰণি।

ঐতৰেয় ব্রাহ্মণত ঘাইকৈ আছে সোম যজ্ঞবোৰত হোতা আৰু তেওঁৰ সহকাৰী ঋত্বিকসকলৰ কৰণীয় বিষয়ৰ বর্ণনা। সোমযাগৰ প্রকৃতি অগ্নিষ্টোমৰ বিশদ বর্ণনা। এই ব্রাহ্মণৰ

বিশেষ বিষয়বস্তু। তাৰ লগতে অগ্নিষ্টোমৰ বিকৃতি উকথ্য, ষোড়শী, অতিৰাত্ৰৰো বৰ্ণনা আছে। তদুপৰি সত্ৰযজ্ঞৰ বৰ্ণনাও আছে। তাৰ লগতে আছে সোমযাগৰ বিকৃতি বুলি জনাজাত প্ৰখ্যাত ৰাজসূয় যজ্ঞৰ বিৱৰণ। ইয়াৰ আন এটা আকৰ্ষণীয় বিষয়বস্তু ঐন্দ্ৰ মহাভিষেকৰ বৰ্ণনাও ইয়াত পাব। পশুযাগৰ বিষয়েও বহু তথ্য পোৱা যায়। তাৰ লগতে পাব শুনঃশেপৰ মৰ্মস্পৰ্শী জীৱন বৃত্ত। এইদৰে ঐতৰেয় ব্ৰাহ্মণৰ গুৰুত্বপূৰ্ণ বিষয়বোৰৰ সামান্য পৰিচয় এই অধ্যায়ত পঢ়িবলৈ পাব।

১৩.৩ মন্ত্ৰ সাহিত্য আৰু ব্ৰাহ্মণ

আপস্তম্ব নামে সূত্ৰকাৰ এজনে কৈ গৈছে যে মন্ত্ৰ আৰু ব্ৰাহ্মণ দুয়োটাই বেদ নামৰ যোগ্য। মন্ত্ৰ অৰ্থাৎ সংহিতাৰ বৰ্ণনাত কৈ অহা ব্ৰাহ্মণ দুয়োটাই বেদ নামৰ যোগ্য। মন্ত্ৰ্য অৰ্থাৎ সংহিতাৰ বৰ্ণনাত কৈ অহা হৈছে যে মন্ত্ৰৰ বেদত্ব লৈ সন্দেহ নাই। মন্ত্ৰবোৰ ঋষিসকলৰ দ্বাৰা দৃষ্ট আৰু অপৌৰুষেয়। কিন্তু ব্ৰাহ্মণৰ ক্ষেত্ৰত অৱশ্যে কোনো কোনো ক্ষেত্ৰত প্ৰবক্তাৰ নাম পোৱা যায়। শতপথ ব্ৰাহ্মণৰ প্ৰবক্তা যাজ্ঞবল্ক্য। একেদৰে ঐতৰেয় ব্ৰাহ্মণৰ প্ৰবক্তা মহিদাস ঐতৰেয়। তেওঁৰ নাম অনুসৰি ব্ৰাহ্মণখনৰ নাম ঐতৰেয় ব্ৰাহ্মণ হৈছে। কিন্তু বিদেশী পণ্ডিতসকলে সায়ণপ্ৰোক্ত উক্ত মত মানি লোৱা নাই।

ব্ৰাহ্মণবিলাকক এক প্ৰকাৰে সংহিতাবোৰৰ ভাষ্যৰূপেই বিবেচনা কৰা হয়। কোৱা বাহুল্য যে ব্ৰাহ্মণবোৰত যজ্ঞৰ বৰ্ণনা কৰা সময়ত মন্ত্ৰবোৰৰ প্ৰয়োগ নিৰ্দেশ কৰা হয়। বহুসময়ত মন্ত্ৰৰ ঋষি; ছন্দ, দেৱতাৰ উল্লেখো কৰা দেখা যায়। ঋগ্বেদীয় শালক সংহিতাৰ বহু মন্ত্ৰৰ ঋষি, ছন্দ দেৱতাৰ উল্লেখ ঐতৰেয় আৰু কৌষীতকী ব্ৰাহ্মণত পোৱা যায়। কেতিয়াবা মন্ত্ৰ দৰ্শনৰ পটভূমিও ব্ৰাহ্মণত পোৱা যায়। উদাহৰণ স্বৰূপে আজিগৰ্তি শুনঃশেপে দৰ্শন কৰা মন্ত্ৰবোৰৰ (খৃঃ ১০,২৪-৩০) পটভূমি ঐতৰেয় ব্ৰাহ্মণৰ সপ্তম পঞ্চিকাত বৰ্ণনা কৰা হৈছে। ইয়াৰ বহল বিৱৰণ এই অধ্যায়তে পঢ়িবলৈ পাব।

১৩.৪ ঋগ্বেদৰ ব্ৰাহ্মণদ্বয়

পৰম্পৰাগত তথ্যৰ পৰা জনা যায় যে ঋগ্বেদৰ অন্তৰ্গত ব্ৰাহ্মণ গ্ৰন্থদ্বয় ক্ৰমে ঐতৰেয় আৰু কৌষীতকী বা সাঙ্খ্যায়ন নামে জনাজাত। কিন্তু বহু কাল আগৰ পৰা ঐতৰেয় ব্ৰাহ্মণৰ প্ৰচলন অধিকৰূপে হৈ আহিছে। অৱশ্যে ঐতৰেয় ব্ৰাহ্মণৰ তুলনাত সাঙ্খায়ণৰ বিষয়-চয়ন অধিক সুসংহিত।

ঐতৰেয় ব্ৰাহ্মণত চল্লিশটা অধ্যায় থকাৰ বিপৰীতে সাঙ্খায়ন ব্ৰাহ্মণত ত্ৰিশটা অধ্যায় আছে। এই ত্ৰিশ অধ্যায়ৰ অতিৰিক্ত যি দশটা অধ্যায় ঐতৰেয় ব্ৰাহ্মণত পোৱা যায় তাত শুনঃশেপৰ আখ্যানকে ধৰি কিছু অতিৰিক্ত বিষয় অৱশ্যে পোৱা যায়।

তদুপৰি ঐতৰেয় ব্ৰাহ্মণৰ তুলনাত সাঙ্খায়ণ ব্ৰাহ্মণত বিষয়ৰ বস্তু চয়নত বিশেষ শৃঙ্খলা দেখা যায়। ঐতৰেয় ব্ৰাহ্মণত পোনতে অগ্নিষ্টোম যজ্ঞৰ বৰ্ণনা কৰাৰ পৰিৱৰ্তে সাঙ্খায়ণত অগ্ন্যধানৰ

বৰ্ণনা কৰা হৈছে। এদিৰে সাঙ্খায়ণ ব্ৰাহ্মণ যে পৰৱৰ্তী কালৰ ৰচনা তাক বুজাত অসুবিধা নহয়।

১৩.৫ ঐতৰেয় ব্ৰাহ্মণৰ বিভাজন আৰু প্ৰবক্তা মহিদাস ঐতৰেয়ৰ পৰিচয়

ঐতৰেয় ব্ৰাহ্মণত মুঠতে চল্লিশটা অধ্যায় আছে। তাৰে পাঁচটাকৈ অধ্যায় গোট খুৱাই একোটাকৈ পঞ্চিকা গঠন কৰা হৈছে। এইদৰে ঐতৰেয় ব্ৰাহ্মণ মুঠতে আঠটা পঞ্চিকাত বিভক্ত হৈছে। একোটা অধ্যায়ত এক নিৰ্দিষ্ট সংখ্যক কণ্ডিকা আছে। এনেকৈ শতপথ ব্ৰাহ্মণখনত আঠটা পঞ্চিকা, চল্লিশটা আধ্যায় আৰু দুশ পঁচাশীটা কণ্ডিকা আছে।

ঐতৰেয় ব্ৰাহ্মণৰ ভাষ্যকাৰ সায়নাচাৰ্যই কৈছে যে সম্প্ৰদায়বিদসকলৰ মতে কোনো এজন মহিদাস নামে বিদ্বান ঐতৰেয় ব্ৰাহ্মণ আৰু ঐতৰেয় আৰণ্যকৰ দ্ৰষ্টা। আখ্যায়িকা মতে কোনো এজন মহৰ্ষিৰ একাধিক পত্নী আছিল। তাৰে এগৰাকী ঋষি পত্নীৰ মহিদাস নামে এজন কুমাৰ আছিল। ঋষিয়ে আন পত্নী আৰু পুত্ৰৰ তুলনাত ইতৰা নামে পত্নী আৰু পুত্ৰ মহিদাসক অৱজ্ঞা আৰু অনাদৰ কৰিছিল। এদিন এখন সভাত সভ্যসকলৰ সমুখত ঋষিয়ে আন পত্নীৰ পুত্ৰসকলক কোলাত লৈ আদৰ চেনেহ কৰিলে। তাকে দেখি মহিদাসে মাকৰ আগত পিতৃৰ এনে ব্যৱহাৰত ক্ষোভ প্ৰকাশ কৰিলে। তেতিয়া ইতৰাই পৃথিৱী দেৱীক প্ৰাৰ্থনা জনালে। পৃথিৱী দেৱী সন্তুষ্ট হৈ সবাতোকৈ উচ্চ আসন এখন সৃষ্টি কৰি তাত মহিদাসক বহুৱালে আৰু তেওঁৰ অগাধ পাণ্ডিত্য হ'বলৈ বৰ দিলে; যাৰ ফলত মহিদাসে মাকৰ নামেৰে (ইতৰা ঐতৰেয়) এখন ব্ৰাহ্মণ দৰ্শন কৰি স্বনামধন্য হ'ল।

আধুনিক পণ্ডিতসকলে এই আক্যায়িকাৰ ওপৰত গুৰুত্ব আৰোপ কৰা নাই। তেওঁলোকে মহিদাসক এজন সম্পাদক (redactor) বুলি ভাবে।

১৩.৬ ঐতৰেয় ব্ৰাহ্মণৰ বিষয়বস্তু আৰু মহত্ব

ঐতৰেয় আৰু সাঙ্খায়ণ ব্ৰাহ্মণ ঋগ্বেদীয় ব্ৰাহ্মণ গ্ৰন্থ। সেইবাবে হোতা নামে পুৰোহিতৰ কৰণীয় বিষয়বোৰ দুই এখন ব্ৰাহ্মণত বৰ্ণনা কৰা হৈছে। ঐতৰেয় ব্ৰাহ্মণৰ প্ৰথম দুই পঞ্চিকাত (১-১০ অধ্যায়ত) অগ্নিষ্টোম যজ্ঞৰ বিৱৰণ পোৱা যায়। অগ্নিষ্টোম বা জ্যোতিষ্টোম সোমযাগৰ প্ৰকৃতি।

সাধাৰণতে সোমযাগ আৰম্ভ হয় দীক্ষণীয়েষ্টিৰে। তাত যজমানে সোমযাগ কৰিবলৈ সংকল্প গ্ৰহণ কৰে। তাৰ পৰৱৰ্তী দিনত সোমযাগ আৰম্ভ কৰা হয় প্ৰায়ণীয়েষ্টিৰে তৃতীয় অধ্যায়ত সোমক্ৰয় আৰু গাড়ীত অনা সোমৰ বাবে যি আতিথ্যেষ্টিৰ সম্পাদন কৰা হয়। তাৰ বৰ্ণনা আছে। চতুৰ্থ অধ্যায়ত প্ৰবৰ্গ্য যজ্ঞৰ বৰ্ণনা আছে। পঞ্চম অধ্যায়ত বাকৰদ্বাৰা যি সোমক্ৰয় কৰা হয় তাৰ বৰ্ণনা আৰু অগ্নি, সোম আৰু মূল আহুতিবোৰ উচ্চবেদীলৈ নিয়া প্ৰক্ৰিয়াৰ বৰ্ণনা আছে।
দ্বিতীয় পঞ্চিকাৰ প্ৰথম অধ্যায় (ষষ্ঠ অধ্যায়) আৰম্ভ হৈছে পশু যাগৰ বৰ্ণনাৰে য়ূপৰ অভিসিঞ্চন, পশুৰ চাৰিওফালে অগ্নি আনয়ন আৰু বলি হননৰ সময়ত গোৱা মন্ত্ৰবোৰৰ উল্লেখ কৰা হৈছে। সপ্তম অধ্যায়তো পশুযাগৰ বৰ্ণনা পোৱা যায়। অষ্টম অধ্যায়ৰ আদিত কৰষ এলুষৰ আখ্যান

কোৱা হৈছে। নৱম অধ্যায়ত ইন্দ্র আৰু বায়ু, মিত্রাবৰুণ আৰু অশ্বিদ্বয়ৰ বাবে চমসবোৰ প্রস্তুত কৰাৰ বিৱৰণ দিয়া হৈছে। দশম অধ্যায়ত আজ্য শাস্ত্রৰ বর্ণনা আছে। দ্বাদশ অধ্যায়ত মৰুত্বতীয় আৰু নিষেববল্য শাস্ত্রৰ উল্লেখ কৰা হৈছে। ত্রয়োদশ অধ্যায়ত যজ্ঞত আহুতি পেৱাৰ যোগ্য দেৱতা সকলৰ উল্লেখ আছে। চতুর্দশ অধ্যায়ত অগ্নিষ্টোম সম্বন্ধীয় সাধাৰণ কথাবোৰ কোৱা হৈছে। পঞ্চদশ অধ্যায়ত অগ্নিষ্টোমৰ কিছু বর্ণনা আছে।

প্রকৃততে সোমযাগ আৰম্ভ হয় ষষ্ঠ দিনৰ পৰা। পুৱাবেলা হোতাই প্রাতৰনুবাকৰ জৰিয়তে দেৱতাসকলক আহ্বান জনায়। কেইটামান আজ্য হোম কৰাৰ পাছত সোমৰ ভাগ কৰে। অলপ মাধ্যন্দিন সৱনৰ বাবে এৰি বাকীখিনিৰ ৰস উলিয়ায়। পাছত অধ্বর্যু, প্রতিপ্রস্থাতা; উন্নেতা আৰু হোতাই একেলগে বহি সোমৰস উলিয়ায়, ইয়াকে মহাভিষৱ বোলে। একেদৰে পুৰোহিতসকলে দুপৰীয়া আৰু সন্ধিয়াও সোমৰস উলিয়াই দেৱতালৈ আগবঢ়ায়।

সপ্তম দিনত (অন্তিম দিনত) অৱভৃথ স্নান কৰে যজমানে। যজমান আৰু তেওঁৰ পত্নীয়ে শোভাযাত্রা কৰি কোনো জলাশয়লৈ যায়। যজ্ঞীয় সা-সজুলিবোৰ আৰু বাকী থকা সোমলতা তালৈ নি জলাশয়ৰ ঘাটত অবভৃথেষ্টি সম্পন্ন কৰে। তাৰ পৰা উভতি আহি যজ্ঞশালাত সম্পন্ন কৰে। ইমানতে যজ্ঞৰ সমাপ্তি ঘটে। এই ব্রাহ্মণৰ ওপৰত তৃতীয়-চতুর্থ পঞ্চিকাত সোমযাগৰ প্রকৃতি অগ্নিষ্টোম আৰু তাৰ বিকৃতিবোৰ যেনে—উকথ্য, ষোড়শী, অতিৰাত্র আদিৰ বর্ণনা কৰা হৈছে। ঊনবিংশ অধ্যায় আৰু বিংশ অধ্যায়ত দ্বাদশহে নামে বাৰদিনীয়া যজ্ঞৰ বর্ণনা কৰা হৈছে। তাৰ বর্ণনা পঞ্চম পঞ্চিকাৰ মাজত চতুর্বিশ অধ্যায়লৈ বিস্তৃত হৈছে। পঞ্চম পঞ্চিকাৰ পাঁচ অধ্যায়ত কিছু অংশত দ্বাদশহ আৰু বাকী ভাগত অহীন যজ্ঞৰ বর্ণনা আছে।

সপ্তম পঞ্চিকাত ৰাজসূয় যজ্ঞত হোতা প্রভৃতিৰ কর্ত্তব্য বিবেচনা কৰা হৈছে। তাৰ আগতে বহুবিখ্যাত ৰজা হৰিশ্চন্দ্র, ৰোহিত আৰু শুনঃশেপৰ আখ্যান পোৱা যায়। অষ্টম পঞ্চিকাটো (৩৫-৪০ অধ্যায়) ঐতিহাসিক দৃষ্টিকোণৰ পৰা মহত্বপূর্ণ। ইয়াত ঐন্দ্র মহাভিষেক আৰু চক্রৱর্তী ৰজাসকলৰ মহাভিষেকৰ বর্ণনা পোৱা যায়। শেষৰ ফালে পুৰোহিতৰ ধর্মীয় আৰু ৰাজনৈতিক মহত্ত্ব বর্ণনা কৰা হৈছে। এনেদৰে ঐতৰেয় ব্রাহ্মণত সোমযাগ সমূহত হোতা আৰু তেওঁৰ সহযোগী ঋত্বিকসকলৰ কার্যবোৰৰ বিতং বিৱৰণ দিয়া হৈছে। প্রাচীন ভাৰতীয় ধর্ম আৰু সংস্কৃতিৰ ইতিহাস ৰচনা কৰাৰ ক্ষেত্রত ঐতৰেয় ব্রাহ্মণত প্রাপ্ত সমলবোৰ মহত্ত্বপূর্ণ বুলি বিবেচিত হয়।

ঐতৰেয় ব্রাহ্মণৰ মহত্ত্ব ঃ ধর্মীয়, সামাজিক, ঐতিহাসিক আদি একাধিক দৃষ্টিকোণৰ পৰা চালে এইখন ব্রাহ্মণৰ বহুমূলীয়া দিশবোৰ স্পষ্টকৈ চকুত পৰে। ধর্মীয় দৃষ্টিৰে চালে এই ব্রাহ্মণত সকলো বৈদিক দেৱতাৰ মাজত বিষ্ণুৰ মাহাত্ম্যই অগ্রণী ভূমিকা লোৱা দেখা যায়।

এই ব্রাহ্মণত প্রাপ্ত সামাজিক আৰু ভৌগলিক বিৱৰণে পাঠকৰ দৃষ্টি আকর্ষণ কৰে। পূব আৰু দক্ষিণলৈ ক্রমশঃ আর্য সভ্যতা আৰু সংস্কৃতিৰ বিস্তাৰৰ তথ্য ইয়াত পোৱা যায়। পূবত বঙ্গ আৰু কলিঙ্গ, দক্ষিণত পৌণ্ড্র, লিন্দ, শৱৰ, মূর্তৰ প্রভৃতিৰ নামোল্লেখ এই ব্রাহ্মণত পোৱা যায়।

সেই সময়ত ব্রাহ্মণ তথা ক্ষত্রিয়সকলে অনুষ্ঠিত কৰা বৃহৎ আকাৰৰ আৰু সুদীর্ঘ কালৰ যজ্ঞৰ আভাস এই ব্রাহ্মণত পোৱা যায়। মহাভিষেক, ৰাজসূয়, অশ্বমেধ আদি তেনে ব্যয়বহুল

আৰু সুদীৰ্ঘ কাল অনুষ্ঠিত যজ্ঞ।

তেতিয়াৰ সমাজ আছিল পিতৃ প্ৰধান। তথাপি তাত নাৰীৰ অৱস্থা মৰ্যাদাপূৰ্ম আছিল। মানুহৰ অৰ্থনৈতিক অৱস্থাৰ আভাসো ইয়াত প্ৰতিফলিত হৈছে। এমুঠি খাই জীয়াই থকাৰ বাবে মানুহে সংগ্ৰাম কৰিবলগীয়া হৈছিল। তাৰ প্ৰমাণ পোৱা যায় শুনঃশেপৰ আখ্যানত। অজগীৰ্ত নামে এজন ব্ৰাহ্মণে নিজৰ আৰ্থিক অৱস্থা টনকিয়াল কৰিবলৈ ৰাজকুলৰ ওচৰত এশ গাইৰ বিনিময়ত মধ্যম পুত্ৰ শুনঃশেপক বিক্ৰী কৰাটো তাৰ এক প্ৰমাণ।

১৩.৭ ৰাজসূয় যজ্ঞৰ বৰ্ণনা

ৰাজসূয় এক প্ৰকাৰ সোমযাগ। ৰজাৰ অভিষেক উপলক্ষে এই যজ্ঞ সম্পাদন কৰা হয়। ই কেইটামান ইষ্টি পশুযাগ আৰু সোমযাগৰ সমাহাৰ। সাধাৰণতে সাতটা সোমযাগ, দুটা পশুযাগ, এশ ঊনত্ৰিশটা ইষ্টি আৰু সাতটা দৰ্বীহোমৰ অনুষ্ঠান হয় চৈধ্য মাহত ৰাজসূয়ৰ পৰিসমাপ্তিৰ বাবে। ফাগুনৰ শুক্ল প্ৰতিপদৰ পৰা ই আৰম্ভ হয়। এই যজ্ঞৰ আন এক আকৰ্ষণ হ'ল বাৰটা ৰত্নহৰীংষি নামে যাগৰ অনুষ্ঠান। এই যজ্ঞ প্ৰতিজন ৰত্নীৰ ঘৰত সম্পন্ন কৰা হয়। তাৰ পাছতে অভিষেচনীয় নামে সোমযাগত ব্ৰহ্মা নামে ঋত্বিকে ৰজাৰ হাতত ধৰি নি প্ৰজাসাধাৰণেৰে পৰিচয় কৰি দি কয়, 'এইগৰাকী তোমালোকৰ ৰক্ষক ৰজা, অমুকৰ পুতেক'। মধ্যাহ্নসৱনৰ পাছত ৰাজাভিষেক হয়। সাগৰ, নদী, পুখুৰী, হ্ৰদ, নিজৰা আদিৰ পানী আহৰণ কৰি তাক দৈ, ঘৃত, মৌ আদিৰে মিহলোৱা হয়। যজমান ৰজাই হাতত ধনু শৰ লৈ আহৱনীয় অগ্নিৰ সমুখত বহলাই পাৰি দিয়া বাঘৰ ছালত বহে। অধ্বৰ্যু, ব্ৰহ্মা, হোতা আৰু উদগাতাই যজমান ৰজাক চাৰিওফালৰ পৰা বোৰ-ধৰি পবিত্ৰ জলেৰে অভিসিঞ্চন কৰে। ৰজাৰ সখা স্থানীয় মহান লোকেও অভিসিঞ্চনত ভাগ লয়। তাৰ পাছত ৰজাই নতুন পোছাক-পৰিচ্ছেদ পৰিধান কৰে। তাৰ পিছত তিনিটা ঘোঁৰাই টনা এখন ৰথ দুজন অনুচৰে আনে আৰু ৰজাই তাত আৰোহণ কৰে। এখন যুদ্ধৰ ভাওনা কৰা হয়। কবচধাৰী লোকলৈ ৰজাই শৰ নিক্ষেপ কৰে আৰু তেওঁক ৰজাই পৰাজিত কৰে।

ৰজাই ৰথৰ পৰা অৱৰোহন কৰাৰ লগে লগে কেইটামান হোম কৰা হয়। তাৰ পাছত আহৱনীয় অগ্নিৰ সমুখতে এটা ঢাপ সজোৱা হয়। তাত এখন চকী পতা হয় আৰু তাৰ ওপৰত এখন পশুৰ ছাল মেলা হয়। তাত ৰজা বহে আৰু পুৰোহিত আৰু অন্যান্য লোকসকলে তেওঁৰ চাৰিওফালে বহে। ৰজাই অধ্বৰ্যু আৰু অন্যান্য তিনিজন পুৰোহিতক প্ৰশংসা কৰে, আৰু পুৰোহিত সকলেও ৰজাক প্ৰশংসা কৰে। এতিয়া যজমানক ৰজাৰূপে স্বীকাৰ কৰা হয়। এনে সময়তে হোতাই শুনঃশেপৰ আখ্যানটো বৰ্ণনা কৰে। তাৰ পাছত এই সোম যাগৰ অন্ত পৰে। তাৰ পৰৱৰ্তী দিনৰ পৰা সংসৃপাং হৱীংষি নামে দহটা ইষ্টি যাগ দহ দিনত সম্পন্ন কৰা হয়। সপ্তম দিৱসত দশপেয় নামে সোমযাগ অনুষ্ঠিত হয়। ইয়াক দশপেয় বোলে এই কাৰণে যে দহটা অতিৰিক্ত চমসৰ প্ৰয়োগ হয়।

বছৱটো বাগৰিলে কেশৱপনীয় নামে চতুৰ্থটো সোমযাগ অনুষ্ঠিত কৰা হয়। এই যাগ সম্পূৰ্ণকৈ সম্পন্ন নোহোৱালৈকে যজমানে ক্ষৌৰ কৰ্ম কৰা (দাঢ়ি-চুলি কটা) নিষেধ। তাৰ পাছত ব্যুষ্টি

দ্বিৰাত্ৰ আৰু ক্ষত্ৰধৃতি নামে আন দুটা সোমযাগ সম্পাদন কৰা হয়। ৰাজসূয় সু-সম্পন্ন হোৱাৰ পাছত সৌত্ৰামণি যাগ কৰা হয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ঃ মন্ত্ৰ আৰু ব্ৰাহ্মণক বেদ বোলা হয় নে?

.....

প্ৰশ্ন নং ২ঃ ঋগ্বেদীয় ব্ৰাহ্মণ দুখনৰ নাম লিখক।

.....

প্ৰশ্ন নং ৩ঃ ঐতৰেয় ব্ৰাহ্মণৰ বিভাজন কেনেদৰে কৰা হৈছে?

.....

প্ৰশ্ন নং ৪ঃ ঐতৰেয় ব্ৰাহ্মণত মুখ্যত কি যজ্ঞৰ বৰ্ণনা কৰা হৈছে?

.....



জানি থোৱা ভাল

ঐতৰেয় ব্ৰাহ্মণত দেৱতাসকলে ইন্দ্ৰৰ মহাভিষেক কৰিছিল বুলি কোৱা হৈছে। তাৰ অনুকৰণত পৃথিৱীত ভালেমান ৰজাৰ মহাভিষেক কৰা হৈছিল। তাৰ তালিকা এখন তলত দিয়া হ'ল ঃ

১) তুৰ কাৱষেয়ই জনমেজয় পাৰিক্ষিতক অভিষিক্ত কৰিছিল।
২) চ্যৱন ভাৰ্গৱে শাৰ্যাত মানৱক অভিষিক্ত কৰিছিল।
৩) সোমশুষ্ম বাজ�ৱত্নায়নে শতানীক সত্ৰাজিতক অভিষিক্ত কৰিছিল।
৪) নাৰদ আৰু পৰ্বতে আম্বাষ্ঠ্যক অভিষিক্ত কৰিছিল।
৫) নাৰদ আৰু পৰ্বতে যুধাংশ্ৰৌষ্টি ঔগ্ৰসৈন্যক অভিষিক্ত কৰিছিল।
৬) কশ্যপে বিশ্বকৰ্মা ভৌৱনক অভিষিক্ত কৰিছিল।
৭) বশিষ্ঠই সুদাস পৈজবনক অভিষিক্ত কৰিছিল।
৮) সম্বৰ্ত আঙ্গিৰসে মৰুত্ত আৱিক্ষিতক অভিষিক্ত কৰিছিল।
৯) উদময় আত্ৰেয়ই অঙ্গক অভিষিক্ত কৰিছিল।
১০) দীৰ্ঘতমা মামতেয়ই ভৰত দৌষন্তিক অভিষিক্ত কৰিছিল।
১১) বৃহদুক্থই দুৰ্মুখ পাঞ্চালক অভিষিক্ত কৰিছিল।
১২) বসিষ্ঠ সাত্যহব্যই অত্যৰাতি জানন্তপিক অভিষিক্ত কৰিছিল।
১৩) এইদৰে অভিষিক্ত ৰজাসকলে দিগ্বিজয় কৰি নিজকে চক্ৰৱৰ্তী ৰজা বা সম্ৰাট ৰূপে প্ৰতিষ্ঠা কৰিছিল। এই তালিকাখনৰ ঐতিহাসিক মূল্য আছে। ইয়াৰে একাংশৰ নামহে ৰামায়ন, মহাভাৰত আৰু পুৰণবোৰত পোৱা যায়।

১৩.৮ হৰিশ্চন্দ্ৰৰ আখ্যান আৰু শুনঃশেপৰ আখ্যান

ইক্ষ্বাকু কুলত হৰিশ্চন্দ্ৰ নামে এজন বিখ্যাত ৰজা আছিল। তেওঁ বৰ সত্যশীল, ধৰ্ম ভীৰু, ত্যাগী আৰু কষ্টসহিষ্ণু ৰজা আছিল। সকলো পাৰ্থিৱ সুখ-সমৃদ্ধি লাভ কৰিলেও ৰজা হৰিশ্চন্দ্ৰৰ কোনো সতি-সন্ততি লাভ কৰা নাছিল। সেয়ে ৰজাৰ মনত দুঃখৰ সঞ্চাৰ কৰিছিল।

ঋষি নাৰদ আৰু পৰ্বতে ৰজাৰ প্ৰাসাদত বহুদিন অতিথি ৰূপে বাস কৰিছিল। এদিনাখন ৰজাই নিজৰ নিঃসন্তান অৱস্থাৰ কথা দেৱৰ্ষি নাৰদৰ আগত প্ৰকাশ কৰিলে। ৰজাই নাৰদক ক'লে, 'ভগৱান'। জগতৰ প্ৰতিজন সাংসাৰিকলোকে জ্ঞাতে বা অজ্ঞাতে সতি-সন্ততি কামনা কৰে। আপুনি বাৰু মোক কওকচোন পুত্ৰ লাভৰ ফল কি?'

দেৱৰ্ষি নাৰদে ক'লে, 'মহাৰাজ শুনক, পুত্ৰৱান লোকে এহাতে বৈদিক আৰু লৌকিক ঋমৰ পৰা মুক্ত হয়। আনহাতে তাৰ জৰিয়তে তেওঁ অমৰত্ব লাভ কৰে। পুত্ৰৰ জৰিয়তে পিতৃয়ে বিপুল অন্ধকাৰ লোক অতিক্ৰম কৰে। এক আত্মাৰ পৰা জন্ম হয় অন্য এক আত্মাৰ। গভীৰ জলৰাশি পাৰ হ'বলৈ সেই আত্মীয় পুত্ৰ নৌকাস্বৰূপ' হয়। অজিন, মল, শ্মশ্ৰু আৰু তপস আদিৰ প্ৰতীকাত্মক ব্ৰহ্মচৰ্য, গাৰ্হস্থ্য, বানপ্ৰস্থ আৰু সন্ন্যাস আশ্ৰমেৰে কি লাভ হ'ব? তুমি এটি পুত্ৰ লাভ কৰিবলৈ যত্নশীল হোৱা, এয়ে সাংসাৰিক উপদেশ।'

নাৰদে আকৌ ক'লে, 'অন্নই হৈছে প্ৰাণ, পোছাত পৰিচ্ছদ হৈছে অৱৰক্ষণ, সোণ অলংকৰণ আৰু পশুৱেই বিৱাহ। গৰ্ভৰূপে পতিয়ে জায়াৰূপিনী মাতৃত প্ৰৱেশ কৰি দহ মাহৰ অন্তত পুনৰ্জন্ম লাভ কৰে। সেইবাবে পত্নীক জায়া বোলে। অপুত্ৰক লোকে স্বৰ্গলাভ নকৰে। সকলোৱে এই কথা জানে। তাৰ বাবে পতি-পত্নীৰ মিলন স্পৃহনীয়। এই প্ৰশস্ত পথেৰে শোকহীন হৈ মানুহে যাতায়াত কৰে। আন প্ৰাণী সকলো একে পথৰে পথিক।' এইদৰে নাৰদে ৰজাক বহু উপদেশ শুনালে। শেষত ঋষিয়ে ক'লে, 'হে ৰাজন্। তুমি বৰুণৰ ওচৰলৈ গৈ এইদৰে প্ৰাৰ্থনা জনোৱাগৈ 'হে ৰাজন। পুত্ৰ সন্তান লাভ কৰিবলৈ মোক এটি বৰদান কৰক। তাৰে মই আপোনাৰ বাবে পশুযাগ কৰিম।'

নাৰদৰ উপদেশ অনুসৰি ৰজা হৰিশ্চন্দ্ৰই বৰুণৰ ওচৰলৈ গৈ এটি সন্তান লাভৰ বাবে বৰ মাগিলে। বৰুণে সেয়ে হওক বুলি ৰজাৰে প্ৰাৰ্থনা মঞ্জুৰ কৰিলে। ৰজা হৰিশ্চন্দ্ৰৰ ইচ্ছা পূৰণ হ'ল। তাৰ ফলশ্ৰুতি হিচাপে প্ৰধান মহিষীয়ে এটি পুত্ৰ সন্তান লাভ কৰিলে। ল'ৰাটিৰ নাম ৰাখিলে ৰোহিত।

ৰজা হৰিশ্চন্দ্ৰৰ পুত্ৰ লাভৰ বতৰা শুনি বৰুণে ৰজাক ক'লগৈ, 'হৰিশ্চন্দ্ৰ। এতিয়া যজ্ঞ কৰা।' ৰজাই ক'লে, 'দহদিন অতীত নহ'লে পশু যজ্ঞৰ উপযোগী নহয়।' ৰোহিতৰ বয়স দহদিন হ'ল। বৰুণে ৰজাক ক'লে, 'তোমাৰ পুত্ৰৰ বয়স দহদিন হ'ল এতিয়া যজ্ঞ কৰা।' ৰজাই ক'লে, 'প্ৰভু। দাঁত নগজা পশু যজ্ঞই নহয়। তাৰ দাঁত গজিলে যজ্ঞ কৰিম।' বৰুণ সন্মত হ'ল।

কিছুদিন যোৱাৰ পাছত ৰোহিতৰ দাঁত গজিল। বৰুণে আকৌ ৰজাক ক'লে। 'তোমাৰ পুত্ৰৰ দাঁত গজিছে। তুমি তাৰে যজ্ঞ কৰা।' ৰজাই ক'লে, 'প্ৰভু। এয়া তাৰ প্ৰথম দাঁতহে গজিছে।

এইবোৰ দাঁত সৰিবলৈ দিয়ক।' ল'ৰাৰ দাত সৰিল। বৰুণে ৰজাক ক'লেহি, 'ল'ৰাৰ দাত সৰিছে। যজ্ঞ কৰা।' ৰজাই ক'লে, 'দ্বিতীয়বাৰ দাত গজিবলৈ দিয়ক।' বৰুণে বাৰু সেয়ে হওঁক' বুলি বিদায় ল'লে।

ৰাজপুত্ৰ ৰোহিতৰ নতুন দাঁত গজিল। বৰুণে ৰজাৰ ওচৰলৈ আহি ক'লে, 'ৰাজন। তোমাৰ পুত্ৰৰ দাঁত পুনঃ গজিছে; এতিয়া যজ্ঞাহ হৈছে।' ৰজাই ক'লে, 'হয় প্ৰভু, ল'ৰাটিৰ নতুন দাঁত গজিছে। কিন্তু সি ধনু শৰ বা অস্ত্ৰ-শস্ত্ৰ চলাব পৰা হওঁক, তেতিয়া তাৰে যজ্ঞ কৰিম।'

দিন বাগৰিল। ৰোহিত ডাঙৰ দীঘল হ'ল। তেওঁ কবচ পিন্ধি অস্ত্ৰ-শস্ত্ৰ হাতত লৈ যুদ্ধ কৰিবলৈ সক্ষম হ'ল। বৰুণে পুনৰ ৰজাৰ ওচৰলৈ গৈ ক'লে, 'ৰজা হৰিশ্চন্দ্ৰ! তোমাৰ পুত্ৰ ক্ষত্ৰিয়োচিত অস্ত্ৰ-শস্ত্ৰ লৈ যুজিব পৰা হ'ল। এতিয়া তাৰে তুমি যজ্ঞ কৰা।'

বৰুণৰ কথাত ৰজা হৰিশ্চন্দ্ৰ সন্মত হ'ল। তেওঁ পুত্ৰ ৰোহিতক মাতি আনি সকলো কথা ক'লে। তেওঁ পুতেকক ক'লে, 'বৎস বৰুণৰ বৰতে তোমাক পুত্ৰ ৰূপে পাইছো। পুত্ৰ হ'লে তাৰে বৰুণলৈ যজ্ঞ কৰিম বুলি দেৱতাজনৰওচৰত প্ৰতিশ্ৰুতিবদ্ধ হৈ আছোঁ। তুমি অসন্মত নহ'বা।' কিন্তু ৰোহিতে পিতৃৰ কথাত সন্মত নহ'ল। তেওঁ ধনু-শৰ লৈ অৰণ্যত প্ৰবেশ কৰিলে।

ৰোহিতে অৰণ্যত প্ৰৱেশ কৰাৰ পাছত ৰজা হৰিশ্চন্দ্ৰক বৰুণে লম্ভিলে। ৰজাৰ জলোদৰ ৰোগ হ'ল। তেওঁৰ পেটত পানী জমা হ'বলৈ ধৰিলে। লাহে লাহে তেওঁৰ শৰীৰৰ শ্ৰীবৃদ্ধি নোহোৱা হ'ল। তেওঁৰ পেটটো ওফন্দি উঠিল। পিতৃৰ এই ৰোগ যন্ত্ৰণাৰ কথা অৰণ্যত বাস কৰা ৰোহিতৰ কাণতো পৰিল। তেওঁ অৰণ্যৰ পৰা ঘৰমুৱা হ'ল।

বাটতে ব্ৰাহ্মণৰ বেশ ধৰি ইন্দ্ৰই ৰোহিতক আগভেটি ধৰি ক'লে, 'বোপা ৰোহিত। আমি শুনিছো যে যিজনে দুঃখ ভাগৰ নুগুনি ঘূৰি ফৰিব পাৰে তেওঁ বেচ শ্ৰীমন্ত হয়। ঘৰত বহি থকাজনক পাপে ছোৱে। গতিকে তুমি ৰৈ নাথাকিবা। পৰিভ্ৰমণ কৰি থকা জনক ইন্দ্ৰয়ো সহায় কৰে। গতিকে তুমি গৈ থাকা (চৰৈৱেতি)।"

ব্ৰাহ্মণৰ উপদেশ শুনি ৰাজপুত্ৰ ৰোহিতে মনতে গুনিলে, 'এইজন বৃদ্ধ ব্ৰাহ্মণ, তেওঁ মোক ভ্ৰমণ কৰি থাকিবলৈ উপদেশ দিছে। গতিকে মই ভ্ৰমণ কৰি থাকোচোঁন।

এইদৰে ভাবি ৰোহিতে আৰু এবছৰ ইতস্ততঃ ঘূৰি ফুৰিলে। তাৰ পাছত তেওঁ আকৌ ঘৰমুৱা হ'ল। এইবাৰো ইন্দ্ৰই বৃদ্ধ ব্ৰাহ্মণৰ বেশ ধৰি ৰোহিতক লগ ধৰি ক'লে, 'বোপা ঘূৰি ফুৰা লোকৰ ভৰিৰ গেৰোৱা ফুলৰ দৰে লাহি হয়; তেওঁৰ শৰীৰ যিদৰে বাঢ়ে সিদৰে সি ফলবানো হয়। ভ্ৰমণত হোৱা পৰিশ্ৰমৰ বাবে পাপো কৰ্পূৰৰ পুৰিয়াৰ দৰে নিঃশেষ হৈ যায়। সেয়ে বোপা তুমি ফুৰিবলৈ নেৰিবা। ফুৰি থাকা (চৰৈৱৰতি)।'

ব্ৰাহ্মণৰ কথাই ৰোহিতৰ গাত ধৰিলে। তেওঁ ভাবিলে, 'এৰা, বৃদ্ধ ব্ৰাহ্মণৰ কথাই সঁচা।' তাকে ভাবি তেওঁ আৰু এবছৰ অৰণ্যত ঘূৰি ফুৰিলে।

তৃতীয় বছৰটো ভ্ৰমণ কৰি ৰোহিতে আকৌ ঘৰলৈ যাবলৈ ইচ্ছা কৰিলে। এইদৰে ঘৰমুৱা হওঁতে আকৌ সেই ব্ৰাহ্মণৰ বেশ ধৰা ইন্দ্ৰ তেওঁৰ আগত ওলাল। তেওঁ ক'লে, 'শুনিছানে বোপা? বহি থকাজনৰ ভাগ্যও বহি থাকে। থিয় হৈ থকাজনৰ ভাগ্যও থিয় হৈ থাকে। আকৌ কিহবাত

আউজি থকাজনৰ ভাগ্যও আউজি থাকে। পিছে, যিজনে ঘূৰি ফুৰে তেওঁৰ ভাগ্যও গতিশীল হয়। গতিকে, বাপু তুমি ঘূৰি ফুৰিবলৈ নেৰিবা। ঘূৰি থাকা (চৰৈৰতি)।"

ব্ৰাহ্মণৰ কথা শুনি ৰোহিতৰ মনত খেলালে 'বৃদ্ধ ব্ৰাহ্মণজনে মোক ফুৰি থাকিবলৈ উপদেশ দিছে। তেওঁৰ বুদ্ধিমতে চলাই মোৰ পক্ষে ভাল হ'ব।' এইদৰে ব্ৰাহ্মণৰ কথাত শ্ৰদ্ধা দেখু�ৱাই ৰোহিতে আৰু এটা বছৰ দিহিঙে-দিপাঙে ঘূৰি ফুৰিলে।

বছৰে বাগৰ সলোৱাত ৰোহিতৰ আকৌ ঘৰলৈ যাবলৈ মন গ'ল। তেওঁ ঘৰমুৱা হওঁতে বুঢ়া বামুনজনে তেওঁক লগ ধৰি ক'লে। 'হেৰা ৰোহিত! শুই থকাজনক কলিয়ে পায়, উঠি থকা জনক দ্বাপৰে পায়, পোন হৈ থিয় দি থকাজনক ত্ৰেতাই পায়। কিন্তু গতিশীলজনক কৃত্তই লগ দিয়ে। গতিকে তুমি গতিশীল হ'বা দেই। (চৰৈৰতি)।"

ব্ৰাহ্মণৰ কথাই তেওঁক প্ৰভাৱান্বিত কৰিলে। 'ব্ৰাহ্মণৰ মুখৰ বচন মিছা হ'ব নোৱাৰে।' এনেদৰে মনতে আলচি ৰোহিতে আৰু এবছৰ বনে বনান্তৰে ঘূৰি ফুৰিলে।

এনেদৰে আৰু এবছৰ পূৰ হোৱাত ৰোহিতে ঘৰলৈ উভতিবলৈ মনস্থ কৰিলে। ঘৰমুৱা কৈ যাবলৈ ধৰাত আকৌ সেই ব্ৰাহ্মণজনে তেওঁক লগ ধৰি ক'লে, 'বোপা ৰোহিত। পাহৰি নাযাবা যে ঘূৰি ফুৰা মানুহে মউ পায়, উদুম্বৰৰ ফল পায়। তুমি সূৰ্যৰ পৰমশ্ৰী সদায় দেখি আছা, নহয় নে? সেই দেৱতাজনে ঘূৰি ফুৰি থাকিও কোনো দিন শ্ৰান্ত নহয়। গতিকে তুমিও ফুৰিবলৈ নেৰিবা। (চৰৈৰতি)।"

ব্ৰাহ্মণৰ কথাই ৰোহিতৰ মনত ৰেখাপাত কৰিলে। তেওঁ ভাবিলে 'ব্ৰাহ্মণজনে আকৌ ফুৰিবলৈ উপদেশ দিছে। বাৰু সেয়ে হওঁক।'

এইদৰে ষষ্ঠবছৰটোও ঘূৰি ফৰোতে এদিনাখন অৰণ্যৰ মাজত ভোকে-পিয়াহে আতুৰ আঙ্গিৰস কুলোৎপন্ন অজীগৰ্ত সৌয়ৰসি নামে ঋষি এজনৰ কুটীৰত ওলালগৈ। অজীগৰ্তৰ ঘৰত মুঠতে পাঁচটা প্ৰাণী। অজীগৰ্ত, তেওঁৰ পত্নী আৰু তিনিটা পুত্ৰ। পুত্ৰ সকলৰ জ্যেষ্ঠানুক্ৰমে নাম শুনঃপুচ্ছ, শুনঃশেপ আৰু শুনোলাঙ্গুল। প্ৰথম আৰু তৃতীয়জন মন্ত্ৰদ্ৰষ্টা। মাজুজনে ঋষিত্ব লাভ কৰা নাই। অজীগৰ্তক লগ ধৰি ৰোহিতে ক'লে, 'হে ঋষিবৰ। মই আপোনাক এশ গাইগৰু দিওঁ। মোৰ সলনি যজ্ঞ পশুৰূপে বলি দিবলৈ আপোনাৰ এটি পুত্ৰক দিয়ক। ৰোহিতৰ কথা শুনি অজীগৰ্তই অনাদৰত বঢ়া মাজু পুতেক শুনঃশেপক এশ গৰুৰ বিনিময়ত ৰোহিতৰ হাতত শোধাই দিলে। শুনঃশেপক লগত লৈ ৰোহিতে নগৰলৈ যাত্ৰা কৰিলে।

ৰোহিতে পিতৃ হৰিশ্চন্দ্ৰৰ ওচৰলৈ গৈ ক'লে, 'পিতা। এই ব্ৰাহ্মণ পুত্ৰক মাৰ সলনি বলি ৰূপে লৈ বৰুণৰ উদ্দেশ্যে যজ্ঞ কৰক। মোক জীয়াই ৰাখক।' ৰোহিতৰ কথা শুনি হৰিশ্চন্দ্ৰই বৰুণৰ ওচৰলৈ গৈ ক'লে, 'হে বৰুণদেৱ। এই ব্ৰাহ্মণৰ ল'ৰাটোৰে যজ্ঞ কৰিবলৈ মোক অনুমতি দিয়ক।' ৰজাৰ অনুৰোধত বৰুণ মান্তি হ'ল। তেওঁ ক'লে, 'এৰা, ব্ৰাহ্মণ ক্ষত্ৰিয়জনতকৈ শ্ৰেয়ঃ। তাকে কৰা।' শীঘ্ৰতাৰে ৰজাই যজ্ঞৰ আয়োজন কৰিলে।

সেই যজ্ঞত বিশ্বামিত্ৰ, জমদগ্নি, বসিষ্ঠ আৰু অয়াস্যই ক্ৰমশঃ হোতা, অধ্বৰ্যুঃ, ব্ৰহ্মা আৰু উদ্‌গাতাৰূপে ঋত্বিকৰ আসন শুৱনি কৰিছিল। যথাসময়ত শুনঃশেপক বলিৰূপে যূপাৱদ্ধ

কৰা হ'ল। যেতিয়া অস্ত্ৰ হাতত লৈ তেওঁৰ পিতৃয়ে ঘাতকৰূপে তেওঁৰ ওচৰ চাপিল, তেতিয়া শুনঃশেপে দেৱতাৰ আশ্ৰয় ল'বলৈ মনস্থ কৰিলে। তেওঁ প্ৰথমে প্ৰজাতিৰ স্তুতি কৰিলে। প্ৰজাপতি সন্তুষ্ট হৈ শুনঃশেপক ক'লে, 'এতিয়া তুমি অগ্নিক স্তুতি কৰা।' অগ্নিয়ে তেওঁক সৱিতাক স্তুতি কৰিবলৈ ক'লে। সৱিতা তেওঁৰ প্ৰতি প্ৰসন্ন হৈ ক'লে, মই সন্তুষ্ট হৈছোঁ, এতিয়া তুমি বৰুণক স্তুতি কৰা।' শুনঃশেপে এইবাৰ বৰুণক স্তুতি কৰিবলৈ ধৰিলে। শুনঃশেপে বৰুণক স্তুতি কৰি ক'লে 'প্ৰভু। তুমি মোক উত্তম, মধ্যম আৰু অধম বান্ধবোৰ শিথিল কৰি দিয়া।'

শুনঃশেপৰ স্তুতিত বৰুণ সন্তুষ্ট হ'ল। বৰুণৰ পৰামৰ্শমতে শুনঃশেপে পুনৰ অগ্নিক স্তুতি কৰিলে। তাৰ পিছত তেওঁ একাদিক্ৰমে বিশ্বেদেৱাসকল, ইন্দ্ৰ, অশ্বিদ্বয়, ঊষা প্ৰভৃতিকো স্তুতি কৰিলে। দেৱতাসকলে শুনঃশেপক ঘূপৰ পৰা মুকলি কৰি দিবলৈ সন্মত হ'ল। তেওঁ সঁচাকৈ বন্ধনৰ পৰা মুক্ত হ'ল। তেওঁ এজন ঋষি হ'ল।

তাকে যজ্ঞত অন্যতম ঋত্বিকৰূপে কাৰ্যনিৰ্বাহ কৰা ঋষি বিশ্বামিত্ৰই শুনঃশেপক আকোৱালি ধৰিলে। তেওঁ শুনঃশেপক জ্যেষ্ঠ পুত্ৰৰূপে বৰণ কৰিলে। বিশ্বামিত্ৰৰ এশ পুত্ৰ আছিল। তাৰে পঞ্চাশজনে পিতৃৰ আজ্ঞা অনুসাৰে শুনঃশেপক তেওঁলোকৰ জ্যেষ্ঠ পুত্ৰৰূপে স্বীকাৰ কৰিলে। বাকী পঞ্চাশজনে পিতৃৰ আজ্ঞা অস্বীকাৰ কৰিলে আৰু তেওঁলোকে বিশ্বামিত্ৰৰ পৰিয়ালৰ পৰা বহিস্কৃত হ'ল।

শুনঃশেপৰ নতুন নাম হ'ল দেৱৰাত। তেওঁ দৰ্শন কৰা সূক্তবোৰ ঋগ্বেদৰ প্ৰথম মণ্ডলত অন্তৰ্ভুক্ত হৈছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ঃ ঐতৰেয় ব্ৰাহ্মণত বৰ্ণিত তিনিটা যজ্ঞৰ নাম লিখক।

.....

প্ৰশ্ন নং ৬ঃ ঐতৰেয় ব্ৰাহ্মণত প্ৰাপ্ত মনোৰম আখ্যানটো কি?

.....

প্ৰশ্ন নং ৭ঃ ঐতৰেয় ব্ৰাহ্মণৰ আখ্যানত বৰ্ণিত ৰজাজন কোন?

.....

প্ৰশ্ন নং ৮ঃ ঐতৰেয় ব্ৰাহ্মণৰ আখ্যানত বৰ্ণিত ৰাজপুত্ৰজনৰ নাম কি?

.....

প্ৰশ্ন নং ৯ঃ শুনঃশেপৰ দ্বিতীয় নামটো কি?

.....

প্ৰশ্ন নং ১০ঃ ঐতৰেয় আৰণ্যক কেই ভাগত বিভক্ত আৰু প্ৰত্যেকটো বিভাগৰ নাম কি?

.....

৪.৯ ঐতৰেয় ব্ৰাহ্মণৰ অন্তৰ্ভুক্ত আৰণ্যক আৰু উপনিষদ্

ব্ৰাহ্মণবিলাকৰ মুখ্য অংশ বিধি আৰু অৰ্থবাদ বুলি জনাজাত। তাত যাগ-যজ্ঞৰ বিস্তৃত বৰ্ণনা পোৱা যায়। ব্ৰাহ্মণৰ শেষভাগত আৰণ্যক আৰু উপনিষদ্ অন্তৰ্ভুক্ত হয়। এনে পৰম্পৰাগত ৰীতি সকলো ক্ষেত্ৰতে প্ৰযুক্ত নহয়। তথাপি তৈত্তিৰীয় সংহিতাত অন্তৰ্ভুক্ত (কৃষ্ণ যজুৰ্বেদ) তৈত্তিৰীয় ব্ৰাহ্মণত এই ক্ৰম দেখা যায়। শুক্ল যজুৰ্বেদৰ শতপথ ব্ৰাহ্মণতো এনে ক্ৰম দেখা যায়। সামবেদৰ কৌথুম সংহিতাৰ মন্ত্ৰ ব্ৰাহ্মণ, ছান্দোগ্য উপনিষদতো এই ক্ৰম দেখা যায়। এনেদৰে ঋগ্বেদৰ ঐতৰেয় আৰু কৌষীতকী ব্ৰাহ্মণতো আৰণ্যক আৰু উপনিষদ্ অন্তৰ্ভুক্ত হৈছে।

ঐতৰেয় ব্ৰাহ্মণৰ শেষত একে নামৰ আৰণ্যক আৰু উপনিষদ্ চকুত পৰে। আৰণ্যকখন পাঁচভাগত বিভক্ত। প্ৰত্যেক ভাগকে একোখন আৰণ্যক বোলা হয়।

ইয়াত মহাব্ৰত, গৱাময়ন সত্ৰৰ বিভিন্ন কৰ্ম, নিষ্কেৱল্য শস্ত্ৰ, প্ৰাণবিদ্যা আৰু পুৰুষৰ বিষয়ে আলোচনা কৰা হৈছে। দ্বিতীয় আৰণ্যকৰ মাজতে উপনিষদ ভাগ সোমাই আছে। তৃতীয় আৰণ্যকত সংহিতা, পদ আৰু ক্ৰম পাঠ সহস্বৰ আৰু ব্যঞ্জনৰ অনুশীলন কৰা হৈছে। চতুৰ্থ আৰণ্যক মহানাম্নীঋক্ আৰু পুৰীষ পদৰ সংকলন মাত্ৰ। পঞ্চম আৰণ্যক সূত্ৰাকাৰত ৰচিত। তাত পুনঃ নিষ্কেবল্য শস্ত্ৰৰ চৰ্চা কৰা হৈছে।

ঐতৰেয় উপনিষদ্ সম্বন্ধে জানিবলৈ উপনিষদ অধ্যায় চাওঁক।



১৩.১০ অধ্যায়টিৰ পৰা কি আমি শিকিলোঁ

এই অধ্যায়ৰ পৰা আমি শিকিলোঁ যে—

- ঐতৰেয় ব্ৰাহ্মণখন ঋগ্বেদৰ অন্যতম ব্ৰাহ্মণ।
- ঐতৰেয় ব্ৰাহ্মণ ব্ৰাহ্মণ গ্ৰন্থবোৰৰ ভিতৰত প্ৰাচীনতম।
- ঐতৰেয় ব্ৰাহ্মণত ঋগ্বেদৰ ঋত্বিক হোতা আদিৰ কৰ্তব্য বৰ্ণনা কৰা হৈছে।
- ঐতৰেয় ব্ৰাহ্মণত ঘাইকৈ সোম যাগৰ অনুষ্ঠানত হোতাৰ কৰ্তব্য বৰ্ণনা কৰা হৈছে।
- ঐতৰেয় ব্ৰাহ্মণত কিছু ঐতিহাসিক তথ্য পোৱা যায়।
- এই ব্ৰাহ্মণত প্ৰাচীন ভাৰতীয় আৰ্য সভ্যতা সংস্কৃতিৰ অনেক তথ্য পোৱা যায়।



১৩.১১ অধিক জানিবলৈ

১) Keith, A. B. (1971), *Rgveds Brahmans*, (Eng. Tr.), Delhi : Motilal Banarsidass.

২) Haug, Martin, (1923), *Aitareya Brahman*, (Eng. Tr.)

৩) Basu Gogiraj, *Age of the Brahmans*, Calcutta :

৪) বসু, যোগীৰাজ, (১৯৭২), *বেদৰ পৰিচয়*, গুৱাহাটী ঃ অসম প্রকাশন পৰিষদ।

৫) শর্মা, থানেশ্বৰ, (১৯৯৭), *বৈদিক সাহিত্যৰ ৰূপৰেখা*, গুৱাহাটী ঃ অসম বেদবিদ্যালয়।

৬) শর্মা, থানেশ্বৰ, (১৯৮৭), *বেদকাননৰ একাজলি ফুল*, সৰভোগ

৭) Murthy, R.S.S.(1974). *Importance of th Brahmans*, Mysore.



১৩.১২ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ হয়।

২ নং প্রশ্নৰ উত্তৰঃ ঐতৰেয় ব্রাহ্মণ আৰু কৌষীতকী বা সাঙ্খায়ণ ব্রাহ্মণ।

৩ নং প্রশ্নৰ উত্তৰঃ ঐতৰেয় ব্রাহ্মণত আঠটা পঞ্চিকা, চল্লিশটা অধ্যায় আৰু দুশ পঁচাশীটা কণ্ডিকা আছে।

৪ নং প্রশ্নৰ উত্তৰঃ সোমযাগৰ।

৫ নং প্রশ্নৰ উত্তৰঃ অগ্নিষ্টোম, অতিৰাত্র, ৰাজসূয়।

৬ নং প্রশ্নৰ উত্তৰঃ শুনঃশেপৰ আখ্যান।

৭ নং প্রশ্নৰ উত্তৰঃ হৰিশ্চন্দ্র।

৮ নং প্রশ্নৰ উত্তৰঃ ৰোহিত।

৯ নং প্রশ্নৰ উত্তৰঃ দেৱৰাত।

১০ নং প্রশ্নৰ উত্তৰঃ ঐতৰেয় আৰণ্যক পাঁচ ভাগত বিভক্ত আৰু প্রত্যেক বিভাগকে একোখন আৰণ্যক বোলা হয়।



১৩.১৩ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন ঃ

প্ৰশ্ন ১ঃ ৰাজসূয় যজ্ঞত কেইটা সোমযাগ অনুষ্ঠিত হয়?

প্ৰশ্ন ২ঃ ৰত্নহৱীংষি যাগ কেইটা আৰু ক'ত এই যাগকেইটা সম্পন্ন কৰা হয়?

প্ৰশ্ন ৩ঃ সোমযাগত মুখ্য আহুতিৰ দ্ৰব্য কি?

প্ৰশ্ন ৪ঃ ৰাজসূয় যজ্ঞৰ যজমান কোন হ'ব পাৰে?

প্ৰশ্ন ৫ঃ বৈদিক যুগত নৰবলি দিয়া হৈছিল নে?

(খ) চমু প্ৰশ্ন ঃ

প্ৰশ্ন ১ঃ মহীদাস ঐতৰেয়ৰ বিষয়ে চমুকৈ লিখক।

প্ৰশ্ন ২ঃ ঐতৰেয় ব্ৰাহ্মণৰ মহত্ত্ব লিখক।

(গ) ৰচনাধৰ্মী প্ৰশ্ন ঃ

প্ৰশ্ন ১ঃ ৰাজসূয় যজ্ঞৰ বৰ্ণনা কৰক।

প্ৰশ্ন ২ঃ শুনঃশেপ আখ্যানৰ বিষয়ে বৰ্ণনা কৰক।

*** ***** ***

অধ্যায় ১৪ঃ শতপথ ব্রাহ্মণ

অধ্যায় গাঁথনি

১৪.১ উদ্দেশ্য

১৪.২ পৰিচয়

১৪.৩ ব্রাহ্মণ সাহিত্য (পুনৰাভ্যাস)

১৪.৪ শুক্ল যজুর্বেদ আৰু শতপথ ব্রাহ্মণ

১৪.৫ শতপথ ব্রাহ্মণৰ দুই শাখা

১৪.৬ শতপথ ব্রাহ্মণ আৰু বৃহদাৰণ্যক উপনিষদ

১৪.৭ শতপথ ব্রাহ্মণ আৰু যাজ্ঞবল্ক্য

১৪.৮ শতপথ ব্রাহ্মণৰ বিষয়বস্তু

১৪.৯ শতপথ ব্রাহ্মণত বর্ণিত আখ্যান

১৪.৯.১ পুৰূৰৱা আৰু উর্বশীৰ আখ্যান

১৪.৯.২ মনুমৎস্য কথা

১৪.১০ শতপথ ব্রাহ্মণত বর্ণিত যজ্ঞ

১৪.১০.১ অশ্বমেধ যজ্ঞ

১৪.১০.২ পুৰুষমেধ যজ্ঞ

১৪.১১ বৃহদাৰণ্যক উপনিষদ

১৪.১২ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১৪.১৩ অধিক জানিবলৈ

১৪.১৪ অগ্রগতিৰ খতিয়ান

১৪.১৫ আৰ্হি প্রশ্ন

১৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- প্রাচীন ভাৰতীয় সাহিত্য বেদৰাশিৰ মাজত উপলব্ধ ব্রাহ্মণ গ্রন্থৰ গুৰুত্ব আৰু মহত্বৰ আভাস পাব পাৰিব
- ব্রাহ্মণ গ্রন্থবোৰত বর্ণনা কৰা দেৱতাসকলৰ চৰিত্রৰ আভাস পাব
- শতপথ ব্রাহ্মণত বর্ণিত আখ্যানবোৰৰ আভাস লাভ কৰিব পাৰিব
- শতপথ ব্রাহ্মণত বর্ণিত অশ্বমেধাদি যজ্ঞৰ আভাস লাভ কৰিব।

১৪.২ পৰিচয়

ইতিমধ্যে আপুনি বৈদিক সাহিত্যৰ আয়তনিক বিশালতা, বৈষয়িক গুৰুত্ব, সাংস্কৃতিক মহত্ব সম্বন্ধে নিশ্চয় অৱগত হৈছে। আপুনি ইতিমধ্যে জানিছে যে মন্ত্র আৰু ব্রাহ্মণ দুয়োটাকে বেদ বুলি কোৱা হয়। মন্ত্রভাগৰ সংকলনেই সংহিতা। তাৰ বিপৰীতে মন্ত্রভাগৰ যজ্ঞত প্রায়োগিক বিধি আৰু দেৱ-দেৱতা আৰু যাগ-যজ্ঞৰ ব্যাখ্যাবোৰকে অর্থবেদ বোলা হয়। মন্ত্রৰ দৰে ব্রাহ্মণভাগৰ মহত্ত্বও কম নহয়। মন্ত্রবোৰত বর্ণনা কৰিব নোৱাৰা দেৱতা আৰু যজ্ঞ সম্বন্ধীয় কথাবোৰ ব্রাহ্মণৰ পাতত বহলাই কোৱা হৈছে।

আগতে পাই আহিছো যে প্রাচীন ভাৰতত আর্যসকলৰ মাজত অনেক ব্রাহ্মণ গ্রন্থ আছিল। তাৰে অধিকাংশ প্রাকৃতিক দুর্যোগতে হওক বা অন্য কোনো কাৰণতে হওক কালৰ বুকুত হেৰাই গ'ল। এতিয়া চাৰিওখন বেদৰে সম্বন্ধ মাত্র ষোলখনমান ব্রাহ্মণ গ্রন্থহে পোৱা যায়। এই ষোলখন গ্রন্থৰ মাজত ঋগ্বেদৰ লগত সংলগ্ন ঐতৰেয়, যজুর্বদৰে সংলগ্ন শতপথ ব্রাহ্মণ আৰু সামবেদৰে সম্বন্ধ পঞ্চবিংশ ব্রাহ্মণৰ মহত্ত্ব সর্বাধিক। অধুনাপ্রাপ্ত ব্রাহ্মণ গ্রন্থবোৰৰ ভিতৰত শতপথ ব্রাহ্মণৰ আয়তন সবাতোকৈ বেচি। যাগ-যজ্ঞ, সামাজিক আচাৰ-ব্যৱহাৰ, সাংস্কৃতিক নানা বিষয় এই ব্রাহ্মণৰ পাতত বৰ বিস্তৃত ৰূপত পোৱা যায়। সেয়ে ইয়াৰ অধ্যয়ন আৰু আলোচনা বৰ গুৰুত্বপূর্ণ বিষয়। তলত শতপথ ব্রাহ্মণৰ বিষয়ে আলোচনা কৰা হৈছে।

কোৱা বাহুল্য যে এই ব্রাহ্মণগ্রন্থবিলাকৰ মাজত ঋগ্বেদীয় ব্রাহ্মণকেইখনত বিশাল যজ্ঞত হোতা নামে ঋত্বিকৰ কৰণীয় কার্যৰ বিৱৰণ দাঙি ধৰা হৈছে। সেইদৰে সামবেদৰ অন্তর্গত ব্রাহ্মণবিলাকে যজ্ঞত উদগাতা প্রভৃতি ঋত্বিকৰ কৰণী কার্যৰ বর্ণনা তুলি ধৰে। একেদৰে যর্জুবেদৰ অন্তর্গত ব্রাহ্মণ গ্রন্থ কেইখনে যাগ-যজ্ঞ, অধ্বু র্ু প্রভৃতি ঋত্বিকৰ কৰণীয় কার্যবোৰৰ বিৱৰণ দাঙি ধৰে। গোপথ ব্রাহ্মণত তেনে কোনো নির্দিষ্ট বিষয় নাই যিবোৰ ব্রহ্মাৰ কৰণীয়। অৱশ্যে অথর্ববেদৰ পাতত প্রায়শ্চিত্তৰ মন্ত্রবোৰ ব্রহ্মাই প্রসঙ্গক্রমে প্রয়োগ কৰে।

১৪.৩ ব্রাহ্মণ সাহিত্য (পুনৰাভ্যাস)

শতপথ ব্রাহ্মণৰ আলোচনাত প্রৱেশ কৰাৰ আগতে আমি সমস্ত ব্রাহ্মণ গ্রন্থবোৰৰ নাম মনলৈ অনা উচিত। সেই ব্রাহ্মণ গ্রন্থবোৰৰ মাজত আপেক্ষিকভাৱে গুৰুত্বপূর্ণ ব্রাহ্মণবোৰ হ'ল ঃ

ঋগ্বেদৰ অন্তর্গত — ঐতৰেয় ব্রাহ্মণ,
কৌষীতকী বা সাংখ্যায়ন ব্রাহ্মণ;

সামবেদৰ অন্তর্গত — পঞ্চবিংশ বা তাণ্ড্যমহাব্রাহ্মণ,
ষড়বিংশ ব্রাহ্মণ,

যজুর্বেদৰ অন্তর্গত — তৈত্তিৰীয় ব্রাহ্মণ,
শথপথ ব্রাহ্মণ;

অথর্ববেদৰ অন্তর্গত — গোপথ ব্রাহ্মণ।

১৪.৪ শুক্ল যজুর্বেদ আৰু শতপথ ব্রাহ্মণ

যজুর্বেদৰ দুটা ভাগ প্রাচীন কালৰে পৰা নির্দিষ্ট ৰূপত প্রচলিত হৈ আহিছে। তথাপিও কৃষ্ণ যজুর্বেদক শুক্ল যজুর্বেদৰ তুলনাত আপেক্ষিকভাবে প্রাচীনতৰ বোলাৰ কাৰণ আছে। ব্যাসদেৱে বেদ বিভাজন কৰা সময়ত যজুর্বেদ অখণ্ডৰূপত আছিল। এই বেদৰ শুক্ল-কৃষ্ণ বিভাগ পৰৱর্তী কালত হয়। অসন্তুষ্ট গুৰু বৈশাম্পায়নৰ আদেশ ক্রমে যাজ্ঞৱল্ক্যই তেওঁৰ অধীৰ বেদসমূহ বমি কৰি উলিয়াই দিয়াৰ পাছত, সেই অশুদ্ধ বস্তুৰূপ বেদ তিত্তিৰি চৰাই হৈ অন্য শিষ্যই গ্রহণ কৰাত তৈত্তিৰীয় আদি বেদ কৃষ্ণ (মিশ্র অর্থত) বুলি প্রসিদ্ধ হ'ল।

বেদৰ অধিকাৰৰ পৰা বঞ্চিত যাজ্ঞৱল্ক্যই সূর্যক উপাসনা কৰি লাভ কৰা বেদ শুক্ল বুলি, বিশুদ্ধ বেদ বুলি সমাজত জনাজাত হ'ল। এই বেদৰ মন্ত্রবোৰ অর্বাচীন, তৈত্তিৰীয় আদি কৃষ্ণ যজুর্বেদৰ তুলনাত নতুন।

শতপথ ব্রাহ্মণ শুক্ল যজুর্বেদৰ অন্তর্গত। তৈত্তিৰীয় ব্রাহ্মণৰ তুলনাত ইও নতুন বা অর্বাচীন। সেয়ে হ'লেও এই ব্রাহ্মণত বহুত গুৰুত্বপূর্ণ বিষয়ৰ আলোচনাই ঠাই পাইছে। ইয়াৰ মাজতো যাজ্ঞৱল্ক্যৰ মহত্ত্বই সকলোকে চমৎকৃত কৰে। আনকি শতপথৰ অন্তর্গত বৃহদাৰণ্যক উপনিষদত যাজ্ঞৱল্ক্যক ব্রহ্মবাদীৰূপে প্রতিষ্ঠা কৰে। পণ্ডিতসকলে ঐতৰেয় ব্রাহ্মণ, তৈত্তিৰীয় ব্রাহ্মণ, পঞ্চবিংশ ব্রাহ্মণ আৰু তলবকাৰ ব্রাহ্মণৰ সমানেই শতপথক প্রাচীন আৰু মহত্ত্বপূর্ণ বুলি একমুখে স্বীকাৰ কৰে। তদুপৰি আয়তনত এই ব্রাহ্মণ বৃহত্তম বুলি খ্যাত।

১৪.৫ শতপথ ব্রাহ্মণৰ দুই শাখা

শুক্ল যজুর্বেদৰ সংহিতা বাজসনেয়ী সংহিতা নামেৰেও জনাজাত। সম্ভৱতঃ যাজ্ঞৱল্ক্যৰ অন্য নাম বা উপাধি আছিল বাজসনেয়। বাজ আৰু সনি শব্দই প্রচুৰ অন্নবন্তলোকক বুজায়। যাজ্ঞৱল্ক্যও আঢ্যৱন্ত লোক আছিল। তেতিয়া দুগ্ধৱতী গাই-গৰু, বলধ গৰু, ঘোঁৰা, ছাগলী আদি পশুৰে যিজন সমৃদ্ধ আছিল তেওঁকে সমাজে ধনী বুলিছিল। তেনে এজন লোক যাজ্ঞৱল্ক্যই প্রতিষ্ঠা কৰা যর্জুবেদ সংহিতাক বাজসনেয়ী সংহিতা বোলা হৈছে।

কালক্রমত শুক্ল যজুর্বেদো দুই শাখাত বিভক্ত হয়। তাৰে এটা শাখা কাণ্ব, আনটো মাধ্যন্দিনৰূপে জনাজাত হ'ল। একেদৰে তাৰে সম্বদ্ধ ব্রাহ্মণ গ্রন্থ শতপথত দুই শাখাত বিভক্ত হ'ল।

যদিও দুয়ো শাখাত অন্তর্গত ব্রাহ্মণৰ বিষয়বস্তুৰ মাজত কোনো অন্তৰ বা পার্থক্য দেখা নাযায়। তথাপি বর্ণনাৰ ক্রম, অধ্যায়, কাণ্ড, আদিৰ অমিল দেখা যায়।

মাধ্যন্দিন শাখাৰ শতপথ ব্রাহ্মণত আছে চৈধ্যটা কাণ্ড (১৪), এশটা অধ্যায় (১০০), প্রপাঠক আঠষষ্ঠিটা (৬৮), ব্রাহ্মণ চাৰিশ পয়ত্রিশটা (৪৩৫) আৰু কণ্ডিকা সাত হাজাৰ ছশ চৌৱিশটা (৭৬২৪)। কাণ্ব শতপথত আছে সোতৰটা কাণ্ড, এশ চাৰিটা অধ্যায়, চাৰিশ পয়ত্রিশটা ব্রাহ্মণ আৰু ছয় হাজাৰ আঠশ ছটা কণ্ডিকা। কাণ্ব ব্রাহ্মণখনত প্রপাঠক ভাগ নাই। কোনো বিষয়ৰ প্রসঙ্গোক্তি

উল্লেখ কৰিবলৈ হ'লে, কাণ্ড, অধ্যায়, ব্রাহ্মণ আৰু কণ্ডিকাৰ সংখ্যা উল্লেখ কৰিব লাগে। দুয়োখন সংহিতাত এশ বা শতাধিক অধ্যায় থকা বাবে ব্রাহ্মণখনৰ নাম শতপথ ব্রাহ্মণ হৈছে, ইয়াত পথ (পথিন্) শব্দটোৰ অর্থ হৈছে অধ্যায়।

মাধ্যন্দিন শতপথৰ প্রথম কাণ্ডৰ পৰা নৱম কাণ্ডলৈকে পিণ্ডপিতৃযজ্ঞক এৰি বাকী বিষয়বোৰৰ ক্রমে মাধ্যন্দিন সংহিতাৰ ক্রম অনুসৰণ কৰিছে। পিণ্ডপিতৃ যজ্ঞৰ বর্ণনা সংহিতা ভাগত দর্শপূর্ণযাগৰ পাছতে আহিছে। কিন্তু ব্রাহ্মণত এই বর্ণনা আধানৰ পিছতে সন্নিৱিষ্ট হৈছে। বাকীবোৰ কাণ্ডতো সংহিতাৰ ক্রম অনুসৰণ কৰা হৈছে। দুয়োটা শাখাৰ শতপথ ব্রাহ্মণত বিষয়-বস্তু চয়নত আৰু এটি পার্থক্য চকুত পৰিছে। মাধ্যন্দিন শতপথৰ প্রথম কাণ্ডত দর্শপূর্ণমাসৰ যি বিৱৰণ পোৱা যায় কাণ্ব শতপথত সেয়া দ্বিতীয় কাণ্ডতহে বর্ণনা কৰা হৈছে। সেইদৰে মাধ্যন্দিনৰ দ্বিতীয় কাণ্ডৰ বিষয় আধান, অগ্নিহোত্র আদি কাণ্ব শতপথৰ প্রথম কাণ্ডত চয়ন কৰা হৈছে। দুয়ো শাখাৰ মাজত সামান্য অন্তৰ আৰু অধিক সাদৃশ্য লৈ দৃষ্টি ৰাখি কালাণ্ডে (Caland) মত প্রকাশ কৰিছে যে দুয়োটা শাখাৰ মূলতে এখন প্রাচীন ব্রাহ্মণ আছিল।

১৪.৬ শতপথ ব্রাহ্মণ আৰু বৃহদাৰণ্যক উপনিষদ্

শতপথ ব্রাহ্মণৰ অন্তিম কাণ্ড, চতুর্দশ কাণ্ডত প্রবর্গ্যৰ আলোচনাৰ অন্তত আছে বৃহদাৰণ্যকোপনিষদ্। বেদসমূহৰ প্রতিখন বেদ দ্বিধা বিভক্ত—মন্ত্র আৰু ব্রাহ্মণ (মন্ত্র ব্রাহ্মনয়োর্বেদনামধেয়ম)। বেদৰ অন্তিম ভাগ ব্রাহ্মণ (শেষে ব্রাহ্মণ শব্দ।)। ব্রাহ্মণৰ শেষ ভাগ আৰণ্যক, আৰণ্যকৰ অন্তিম ভাগ উপনিষদ্ অর্থাৎ বেদান্ত। এই ক্রম শতপথ ব্রাহ্মণত সম্পূর্ণৰূপে পালন কৰা হৈছে। শতপথৰ শেষ যি আৰণ্যক আছে, সি আৰণ্যকবোৰৰ ভিতৰত বৃহত্তম; সেয়ে ইয়াক বৃহদাৰণ্যক বোলা হৈছে। তাৰো শেষ ভাগত বৃহৎ আকাৰৰ উপনিষদ এখন আছে। এই উপনিষদখনৰ মহত্ত্ব আৰু গৌৰৱ ছান্দোগ্য উপনিষদৰ দৰেই।

১৪.৭ শতপথ ব্রাহ্মণ আৰু যাজ্ঞবল্ক্য

শতপথ ব্রাহ্মণ শুক্ল যজুর্বেদ বুলি জনাজাত বাজসনেয়ী সংহিতাৰে সংলগ্ন। এই ব্রাহ্মণ গ্রন্থ সংহিতাৰ দৰে কাণ্ব আৰু মাধ্যন্দিনক দুয়ো শাখাতে দেখা যায়। বৃহদ্দাৰণ্যক উপনিষদ দুয়ো শাখাৰ অন্তিম কাণ্ডত সন্নিৱিষ্ট হৈছে।

যজুর্বেদৰ সবিশেষ আলোচনা কৰোঁতে কৈ অহা হৈছে যে যাজ্ঞৱল্ক্য মন্ত্রভাগৰ ঋষি। তেওঁ বিশেষ পৰিস্থিতিত পৰি ভগৱান আদিত্যক উপাসনা কৰি শুক্ল যজুর্বেদৰ মন্ত্রভাগ দর্শন কৰে। কেৱল সেয়ে নহয় এই বেদৰ অন্তর্গত ব্রাহ্মণ, আৰণ্যক আৰু উপনিষদ্ ভাগৰো তেওঁ প্রবক্তা। এই ব্রাহ্মণৰ প্রথম পাঁচটা কাণ্ডত বিদেহ আৰু কোশলৰ বর্ণনাসহ যাজ্ঞৱল্ক্যৰ উল্লেখ সঘনে হোৱালৈ চাই এই কাণ্ড কেইটাৰ কর্তৃত্ব যাজ্ঞৱল্ক্যৰ ওপৰত আৰোপ কৰা হয়। পৰৱর্তী পাঁচটা কাণ্ডত (৬-১০) গান্ধাৰ, কেকয়, শালবপ্রভৃতি পশ্চিমোত্তৰ ভাৰতৰ লোকবর্গৰ লগতে শাণ্ডিল্যৰ নাম সঘনে পোৱা যায়। এই পাঁচটা কাণ্ড যাজ্ঞৱল্ক্যৰ ৰচনা হয় নে নহয়, সেইলৈ

সন্দেহৰ স্থল আছে। সেয়ে এই পাঁচটা কাণ্ডৰ কর্তৃত্ব শাণ্ডিল্যৰ ওপৰত আৰোপ কৰা পণ্ডিতো আছে।

কিন্তু বৃহদাৰণ্যক আৰু উপনিষদ ভাগৰ ওপৰত যাজ্ঞৱল্ক্যৰ কর্তৃত্ব লৈ সন্দেহৰ স্থল নাই। বৃহদাৰণ্যক উপনিষদত যাজ্ঞৱল্ক্যৰ সর্বময় কর্তৃত্ব অব্যাহত আছে। আমি তাৰ আলোচনা পাছলৈ থৈছোঁ।

১৪.৮ শতপথ ব্রাহ্মণৰ বিষয়বস্তু

মাধ্যন্দিন শতপথ ব্রাহ্মণৰ প্রথম কাণ্ডত দর্শপূর্ণমাস ইষ্টিৰ বর্ণনা আছে। দর্শ আৰু পূর্ণমাস যাগ ইষ্টি নামে যাগৰ প্রকৃতি (Model)। এই যজ্ঞ ক্রমে অমাৱস্যাৰ পৰৱর্তী প্রতিপদত আৰু পূর্ণিমা তিথিত অনুষ্ঠিত হয়। দ্বিতীয় কাণ্ডত অগ্নিহোত্র নামে নিত্য হোম, পিণ্ড পিতৃযজ্ঞ, দাক্ষায়ন, নৱান্নেষ্টি, চাতুর্মাস্য প্রভৃতি যজ্ঞবোৰ ক্রমানুসৰি বর্ণনা কৰা হৈছে। তৃতীয় আৰু চতুর্থ এই দুই কাণ্ডত সোমযাগৰ প্রকৃতি অগ্নিষ্টোমৰ সবিশেষ বর্ণনা কৰা হৈছে—প্রায়ণীয় ইষ্টি, আতিথ্যেষ্টিৰ পৰা আৰম্ভ কৰি অৱভৃথস্নানলৈকে।

পঞ্চম কাণ্ডত ৰাজসূয় আৰু বাজপেয় নামে দুই প্রকাৰৰ মহত্ত্বপূর্ণ সোমযাগৰ বর্ণনা কৰা হৈছে। পুৰণি কালত চক্রৱর্তী ৰজাসকলেহে ব্যয় সাধ্য ৰাজসূয় যজ্ঞ অনুষ্ঠিত কৰিবলৈ সক্ষম হৈছিল।

ষষ্ঠ কাণ্ডৰ পৰা দশম কাণ্ডলৈকে এই পাঁচকাণ্ডত অগ্নিচয়ন, যজ্ঞবেদীৰ নির্মাণ, অগ্নিৰহস্যৰ বর্ণনা আছে।

একাদশ কাণ্ডত ভালেমান বিষয়ৰ আলোচনা দেখা যায়। পশুবন্ধ, পঞ্চমমহাযজ্ঞ, দর্শপূর্ণমাসৰ পুনৰ আলোচনা কৰা হৈছে।পঞ্চমহাযজ্ঞ গৃহস্থাশ্রমীৰ বাবে নিত্য কর্ম। জন্মা মাত্রকে মানুহৰ দেৱঋণ, পিতৃ ঋণ, ঋষি ঋণ আৰু মনুষ্য ঋণ লগতে আহে। তাৰ পৰিশোধৰ ব্যৱস্থা হিচাপে গৃহস্থজনে সদায় দেৱযজ্ঞ (অগ্নিহোত্র), অর্থাৎ পিতৃযজ্ঞ (তর্পণ), অর্থাৎ ব্রহ্মযজ্ঞ (অর্থাৎ স্বাধ্যায়, মনুষ্য যজ্ঞ বা অতিথি যজ্ঞ) কৰাৰ উপৰিও ইতৰ প্রাণীক পালনৰ বাবে ভূতযজ্ঞ কৰাৰ বিধান কৰা হৈছে।

দ্বাদশ কাণ্ডত দ্বাদশাহ সত্র, সৌত্রামণী যজ্ঞৰ বর্ণনা কৰা হৈছে।

ত্রয়োদশ কাণ্ডত অতিশয় মহত্ত্বপূর্ণ অশ্বমেধ, পুৰুষ মেধ, সর্বমেধ আৰু পিতৃমেধ নামে চাৰি প্রকাৰ যজ্ঞৰ আলোচনা কৰা হৈছে।

চতুর্দশ কাণ্ডৰ আদিতে প্রৱর্গ্য যজ্ঞৰ বর্ণনা কৰা হৈছে। তাৰ পাছৰ ছোৱা বৃহদাৰণ্যক উপনিষদ্ নামে জনা যায়।

শতপথ ব্রাহ্মণ ব্রাহ্মণবোৰৰ ভিতৰত কেৱল আকাৰতে মহত্তম নহয় বিষয়বস্তুৰ ফালৰ পৰাও ইয়াৰ মহত্ব স্বীকার্য। ইয়াত যাগ-যজ্ঞবোৰ নিখুত ৰূপে বর্ণনা কৰা হৈছে। শ্রৌত যজ্ঞৰ উপৰিও ইয়াত ভালেমান গৃহ কর্মৰ বর্ণনায়ো ঠাই পাইছে। উপনয়ন, স্বাধ্যায় আৰু ঔর্দ্ধদৈহিক ক্রিয়াৰ বর্ণনাও ইয়াত আছে।

তদানীন্তন কালৰ ভৌগোলিক আৰু ঐতিহাসিক তথ্যৰ বাবেও শতপথ ব্রাহ্মণৰ মহত্ত্ব কম নহয়। বিদেহ-কোশল প্রভৃতি পূবৰ দেশবোৰ, কেকয়, গান্ধাৰ, শাল্ক আদি পশ্চিমোত্তৰ দেশৰ জাতিবোৰৰ বিষয়ে অনেক তথ্য এই ব্রাহ্মণখনত স্তূপীকৃত হৈ আছে। মাথৰ বিদেহৰ সদানীৰ অতিক্রম কৰাটোৱে আর্যসকলৰ পূর্বভাৰততে বসতি বিস্তাৰকে সূচিত কৰে। অশ্বমেধ যজ্ঞ কৰোঁতা ৰজাসকলৰ উল্লেখে ইতিহাসৰ কথাকে সোঁৱৰাই দিয়ে।

নানান আখ্যান-উপাখ্যানৰ ৰূপত পু�ৰাকল্প-পৰকৃতিবোৰে অনেক নতুন তথ্য দাঙি ধৰে। মনুমৎস্য কথা, শর্য্যাতি মানৱ আৰু চ্যৱান মহর্ষিৰ কথা, পুৰূৰৱা-উর্বশীৰ প্রেমগাথা-প্রভৃতি ঘটনাই শতপথ ব্রাহ্মণৰ পাত শুৱাই আছে।

ইয়াৰ একাধিক ঠাইত ঋষি পৰম্পৰা অনুসৰি গুৰু-শিষ্যৰ বংশাৱলী পোৱা যায়।



জানি থোৱা ভাল

- শতপথ ব্রাহ্মণৰ কাণ্ব শাখাৰ ওপৰত মহাভাৰতৰ টীকাকাৰ নীলকণ্ঠই এটি ভাষা লিখে। কিন্তু সি উপলব্ধ হোৱা নাই।
- শতপথ ব্রাহ্মণৰ মাধ্যন্দিন শাখাৰ ওপৰত হাৰীস্বামী আৰু সায়ণচার্যই দুটা টীকা ৰচনা কৰিছিল।
- জার্মান পণ্ডিত আলব্রেখট্ ওৱেবাৰে শতপথ ব্রাহ্মণ সম্পাদনা কৰি প্রকাশ কৰে।
- জার্মান পণ্ডিত জে, এগেলিঙে শতপথ ব্রাহ্মণৰ ইংৰাজী অনুবাদ কৰে। সেই অনুবাদ চেক্রেড্ বুক্চ অৱ দ্য ইষ্ট গ্রন্থমালাত পাঁচখণ্ডত প্রকাশিত হয়।

১৪.৯ শতপথ ব্রাহ্মণত বর্ণিত আখ্যান

শতপথ ব্রাহ্মণত ভালেমান আখ্যান বর্ণনা কৰা হৈছে। ঋগ্বেদৰ (১০/৯৫) এটা সূক্তত পুৰূৰৱা আৰু উর্ৱশীৰ আখ্যান শতপথ ব্রাহ্মণতো পোৱা যায়।

এবাৰ পুৰূৰৱাই দেৱসভাত উর্বশীক নৃত্যৰতা অৱস্থাত দেখি তেওঁৰ ৰূপ সৌন্দর্যত ভোল গ'ল। তেওঁ উর্বশীক পত্নীৰূপে পাবলৈ বিচাৰিলে। ইন্দ্রই সেই কথা মন কৰিলে। কিয়নো পুৰূৰৱা আছিল দেৱৰাজ ইন্দ্রৰ বন্ধু। ইন্দ্রই পুৰূৰৱা উর্বশীৰ মিলনত হয়ভৰ দিলে। চর্তসাপেক্ষে উর্ৱশীয়ে পুৰূৰৱাৰ পত্নী হ'বলৈ স্বীকাৰ কৰে। চর্তকেইটা হ'ল (১) ৰজাই উর্বশীক নিতৌ ঘিউৰে ভোজন কৰাব লাগিব। (২) উর্বশীয়ে তেওঁৰ সৈতে দুটা ভেৰা পুহিব আৰু ভেৰা দুটাৰ নিৰাপত্তা নিশ্চিত কৰিব লাগিব। (৩) শয়ন কক্ষৰ বাহিৰে আন কোনো সময়ত পুৰূৰৱাক উর্বশীয়ে উলঙ্গ অৱস্থাত দেখিব নালাগিব। এই চর্তবোৰৰ এটাও যদি ভঙ্গ হয় তেনেহ'লে উর্বশীয়ে ৰজাক ত্যাগ কৰিব।

পুৰূৰৱাই উর্বশীয়ে দিয়া চর্তকেইটা মানি ললে। গতিকে দুয়োৰে দাম্পত্য জীৱন সুখ-ভোগৰ মাজেৰে আগবাঢ়িল। কেতিয়াবা স্বচ্ছ, পদুমেৰে ভৰা পুখুৰীৰ জলৰাশিত, কেতিয়াবা মানস সৰোবৰত, কেতিয়াবা অলকাৰ উপবনত আনন্দ বিহাৰ কৰি দুয়ো ভালেমান বছৰ কটালে।

সময় কেনেকৈ গ'ল দুয়ো গমেই নাপালে।

কিন্তু গন্ধর্বসকলে সৌন্দর্যৰ প্রতিমা উৰ্বশীক স্বৰ্গৰ পৰা বিদায় দি বৰ দুঃখ পালে। তেওঁলোকে সকলো সময়তে উৰ্বশীৰ অভাৱ অনুভৱ কৰিলে। দেৱৰাজে তপস্বীসকলৰ তপোভঙ্গ কৰা অমোঘ অস্ত্ৰ এপাত হেৰুৱালে। তেওঁলোকে আটায়ে উৰ্বশীৰ প্রত্যাবর্তনৰ বাবে উপায় বিচাৰিবলৈ ধৰিলে। কিন্তু উৰ্বশীক মর্ত্য লোকৰ পৰা ঘূৰাই নিয়াৰ এটাই মাথোন উপায় আছিল; সেয়া উৰ্বশীৰ চৰ্তবোৰ ভঙ্গ কৰোৱাৰ। তাকে কৰিবলৈ গন্ধর্বসকলে ষড়যন্ত্ৰ কৰিলে।

এদিনাখন নিশা প্রতিষ্ঠানপুৰৰ অন্তঃপুৰত ৰজা পুৰূৰৱা আৰু উৰ্বশীয়ে নিদ্রামগ্ন হৈ আছিল। সেই সময়তে গন্ধর্বসকলে ৰাজপ্রাসাদত প্রৱেশ কৰিলে। তেওঁলোকে পালেঙৰ অনতিদূৰত বান্ধি থোৱা প্রথমটো ভেৰাক অপহৰণ কৰিলে। গন্ধর্বসকলে ভেৰাটোক আকাশী পথেৰে তুলি নিওঁতে বেবাবলৈ ধৰিলে। সেই ভেৰাৰ আর্তস্কৰ শুনি উৰ্বশীৰ টোপনি ভাঙিল। তেওঁ ক'বলৈ ধৰিলে, 'হায় হায়, মোৰ চেনেহৰ পুত্ৰ প্রথম ভেৰাটোক কোনোবাই অপহৰণ কৰিলে। 'এতিয়া কোনে তাক চোৰৰ হাতৰ পৰা উদ্ধাৰ কৰি আনি দিব? কোনে মোৰ দুখত মাত এষাৰ দিব?' ৰজাই শুই শুই সকলো ঘটনাৰ ভূ পাইছিল। তথাপি তেওঁ বিচনাৰ পৰা উঠিবলৈ খোজা নাছিল। কাৰণ, গাত কাপোৰ নোহোৱাকৈ ওলাই গ'লে উৰ্বশীয়ে তেওঁক উলঙ্গ অৱস্থাত দেখা পাব। ভেৰা অপহৃত হওঁতে এটা চৰ্ত ভঙ্গ হৈছে; এতিয়া উলঙ্গ শৰীৰেৰে ৰজা উৰ্বশীৰ চকুত পৰিলে আন এটা চৰ্ত ভঙ্গ হ'ব। এইদৰে গুণা-গথা কৰি থাকোতে গন্ধর্বসকলে দ্বিতীয় ভেৰাটোও অপহৰণ কৰিলে। অন্তৰীক্ষৰ মাজেৰে তুলি নিওঁতে ভেৰাটোৱে বেবাবলৈ ধৰিলে। তাৰ বেবনি শুনি উৰ্বশীৰ তন্দ্রা ভাঙিল। তেওঁ আকৌ বিলাপ কৰি কবলৈ ধৰিলে, 'হায় হায়, মোৰ দ্বিতীয় পুত্ৰটোকো কোনোবাই হৰণ কৰিলে। মই বৰ অসহায় হৈ পৰিছো। মোৰ অৱস্থা এতিয়া পতিহীনা নাৰীৰ দৰে হ'ল। মোৰ এই দুখৰ কথা কাক ক'ম, কোনে পতিয়াব? কোনে বাৰু মোৰ পুত্ৰ দুটিক উদ্ধাৰ কৰি মোক আনি দিব?'

উৰ্বশীৰ বিলাপ শুনি পুৰূৰৱা উদাস আৰু উদ্যমহীন হৈ থাকিব নোৱাৰিলে। তেওঁৰ ভাবান্তৰ ঘটিল। তেওঁ ভাবিলে, 'এতিয়া এয়া ঘোপমৰা আন্ধাৰে পৃথিৱী আৰু অন্তৰীক্ষ আৱৰি ৰাখিছে। এনে এক অন্ধকাৰ মাজত ওলাই গ'লে উৰ্বশীয়ে মোৰ উলঙ্গৰূপ দেখা নাপাব। এইদৰে চিন্তা কৰি পুৰূৰৱাই বিৱস্ত্ৰ অৱস্থাৰেই হাতত ধনু-শৰ লৈ অপহর্তা গন্ধর্বহঁতক খেদি গ'ল। গন্ধর্ব দলটোৱে ৰজাৰ অভিপ্রায় বুজি ভয় খালে। তেওঁলোকে আধা বাটতে ভেৰা দুটিক এৰি থৈ পলাবলৈ ধৰিলে। আঁতৰৰ পৰাই গন্ধর্বহঁতে পুৰূৰৱাৰ শৰীৰত বিদ্যুতৰ পোহৰ পেলালে। সেই পোহৰতে উৰ্বশীয়ে ৰজাৰ উলঙ্গৰূপ দেখা পালে। এনেদৰে পুৰূৰৱা আৰু উৰ্বশীৰ মিলনৰ হেতু স্বৰূপ চৰ্তকেইটাৰ মাজত দুটা চৰ্ত ভঙ্গ হ'ল। গতিকে উৰ্বশীয়ে পুৰূৰৱাক ত্যাগ কৰি অন্তর্হিত হ'ল।

ইফালে পুৰূৰৱাই গন্ধর্বসকলৰ হাতৰ পৰা ভেৰা দুটা উদ্ধাৰ কৰি ৰাজ প্রাসাদলৈ উভতি আহিল। কিন্তু তেওঁ উৰ্বশীক কতো নেদেখিলে। তেওঁ উৰ্বশীক বিচাৰি চলাথ কৰিলে। তেওঁ উন্মত্তপ্রায় হ'ল।

এইখিনিতে পুৰূৰৱা আৰু উৰ্বশীৰ মনোৰম আখ্যান ভাগৰ অন্ত পৰিছে শতপথ ব্রাহ্মণত।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ শুক্ল যজুর্বেদৰ অন্তর্গত ব্রাহ্মণৰ শাখাকেইটা কি কি?

.....

.....

প্রশ্ন নং ২ঃ শতপথ ব্রাহ্মণৰ মাধ্যন্দিন শাখাৰ ব্রাহ্মণত কাণ্ড, অধ্যায়, কণ্ডিকাৰ সংখ্যা কি কি?

.....

.....

প্রশ্ন নং ৩ঃ শতপথ ব্রাহ্মণক শতপথ নামে কিয় জনা যায়?

.....

.....

প্রশ্ন নং ৪ঃ শতপথ ব্রাহ্মণৰ ঋষি বা প্রবক্তা কোন?

.....

.....

প্রশ্ন নং ৫ঃ শতপথ ব্রাহ্মণৰ শেষত প্রাপ্ত উপনিষদ্‌খনৰ নাম লিখক।

.....

.....

প্রশ্ন নং ৬ঃ শতপথ ব্রাহ্মণোক্ত এটা বিখ্যাত আখ্যানৰ নাম লিখক।

.....

.....

১৪.৯.২ মনুমৎস্য কথা

শতপথ ব্রাহ্মণত প্রাপ্ত আখ্যান সমূহৰ ভিতৰত এটা হৈছে মনুমৎস্য কথা; ইয়াৰ বর্ণনা আপুনি এতিয়া জানিব পাৰিব।

এদিনাখন কোনো পৰিচাৰিকাই ৰাতিপুৱা মুখ হাত ধুবলৈ ৰজা মনুক এটা পাত্রত পানী আনি দিলে। মুখ হাত ধুবলৈ লওঁতেই তেওঁৰ হাতত এটা মাছ ওলাই পৰিল।

মাছটোৱে (মানুহৰ মাতেৰে) তেওঁক ক'লে, 'তুমি মোক পালন কৰা, মই তোমাক সময়ত উদ্ধাৰ কৰিম।' মনুৱে সুধিলে, 'কিহৰ পৰা কেনেকৈ তুমি মোক উদ্ধাৰ কৰিবা।' মাছটোৱে ক'লে, 'অদূৰ ভৱিষ্যতত এটা ডাঙৰ প্রলয়ঙ্কৰী বানপানী হ'ব। সেই প্রলয়ে সকলো জীৱ জগতক উটুৱাই নিব। তাৰ পৰা মই তোমাক ৰক্ষা কৰিম।'

মনুৰে মৎস্যক সুধিসে, 'মই তোমাক কেনেকৈ পালন কৰিম?' মৎস্যদেৰে ক'লে, 'যেতিয়ালৈকে মই সৰু হৈ থাকিম তেতিয়ালৈ মই বহুত বিপদত পৰা সম্ভাৱনা আছে। কাৰণ (ডাঙৰ) মাছে (সৰু) মাছক খায়। প্ৰথমতে তুমি কলহত ভৰাই ৰাখিবা। যেতিয়া মই তাক অতিক্ৰম কৰিম (তাতকৈ ডাঙৰ হ'ম) তেতিয়া তুমি এটা খাল খান্দি তাত মোক জীয়াই ৰাখিবা। যেতিয়া তাতকৈও ডাঙৰ হম, তেতিয়া তুমি মোক সাগৰৰ পানীত মেলি দিবা; তেতিয়া মই বিপদৰ হাত সাৰিব পাৰিম।'

মৎস্যদেৰ বৰ সোনকালে ডাঙৰ হ'ল। তেতিয়া তেওঁ মনুক কলে 'অমুক সময়ত এটা ডাঙৰ প্ৰলয় হ'ব। তুমি এখন ডাঙৰ নাও সাজিবা আৰু মই অহালৈ বাট চাই থাকিবা। যেতিয়া বানপানী হ'ব তুমি নাওখনত উঠিবা আৰু মই তোমাক বিপদৰ পৰা ৰক্ষা কৰিম।'

মনুৰে সেইদৰে মাছটোক প্ৰতিপালন কৰি এসময়ত অতিশয় ডাঙৰ হোৱা মাছটোক সাগৰত মেলি দিলে। মাছটোৱে কৈ থোৱা বছৰত মনুৰে এখন ডাঙৰ নাও সাজিলে আৰু মৎস্যদেৱলৈ অপেক্ষা কৰি থাকিল। যেতিয়া ডাঙৰ বানপানী হ'ল তেতিয়া তেওঁ সেই নাৱত উঠিল। মাছটোৱে তেওঁৰ ওচৰলৈ সাতুৰি আহিল। মনুৰে মৎস্যদেৱৰ শিঙত নাওখন জৰীৰে বান্ধিলে। তেনেকৈ মৎস্যদেৰে নাওখন উত্তৰৰ পৰ্বতৰ ওচৰলৈ লৈ গ'ল। তেতিয়া মাছটোৱে মনুক ক'লে, 'মই তোমাক বিপদ সাগৰৰ পৰা পৰিত্ৰাণ কৰিলোঁ। এতিয়া তুমি নাওখন ডাহৰ গছত বান্ধি থোৱা। তুমি পৰ্বতীয়া ঠাইত থকা সময়ত তোমাৰ ওপৰলৈ যাতে পানী বৈ নাযায় তালৈ মন কৰিবা। পানী নামি গ'লে তুমি নামিবা। সেই কথামতে পানী যোৱাত তেৱোঁ নামি গ'ল।পানী নামি যোৱা সেই ঘাটটোৰ নাম হ'ল 'মনুৰ অৱসৰ্পন। এইদৰে সেই বানপানীয়ে আন সকলোকে উটুৱাই নিলে, কেৱল মনুহে বাচি থাকিল।

এয়ে মনুমৎস্য কথা। মৎস্য পুৰাণ আদিত ইয়াক বহলাই কোৱা হৈছে।

১৪.১০ শতপথ ব্ৰাহ্মণত বৰ্ণিত যজ্ঞ

এতিয়া আপুনি শতপথ ব্ৰাহ্মণত যিবোৰ যজ্ঞৰ উল্লেখ আছে, সেইবোৰৰ চমু আভাস পাব।

১৪.১০.১ অশ্বমেধ যজ্ঞ

শতপত ব্ৰাহ্মণৰ ত্ৰয়োদশ কাণ্ডৰ আদিতে অশ্বমেধ যজ্ঞৰ বৰ্ণনা আছে। পোনতে অশ্বমেধ যজ্ঞ অনুষ্ঠিত হৈছিল যুদ্ধজয়ৰ উৎসৱ ৰূপে। এই যজ্ঞত বিযেশত্ব থকা এটা ঘোঁৰা দিগ্বিজয়ৰ বাবে এবছৰলৈ মুকলি কৰি দিয়া হৈছিল। তাৰ ৰক্ষাৰ বাবে এজন সেনাপতিৰ অধীনত এদল সেনা নিযুক্ত কৰা হৈছিল। শতৰথ ব্ৰাহ্মণত এই যজ্ঞক ক্ষত্ৰিয় যজ্ঞ বোলা হৈছে। যুদ্ধ বিজয়ৰ উৎস ৰূপে যুদ্ধ কৰা হৈছিল আৰু প্ৰজাবৰ্গয়ো ইয়াত যুক্ত হৈ আনন্দ লাভ কৰিছিল। কাৰণ অশ্বমেধ যজ্ঞত যি প্ৰাৰ্থনা জনোৱা হয়

তাত ৰজা-প্রজা সকলোৰে উৎকর্ষ লাভৰ বাবে প্রার্থনা জনোৱা হৈছিল। লগতে তাত বৃষ্টিৰ বাবে আকাঙ্খা কৰা হৈছিল, যাতে দেশত প্রচুৰ খাদ্য শস্য উৎপন্ন হয়। এইদৰে বিজয়োৎসৱ ৰূপে পালিত অশ্বমেধ জাতীয় মহোৎসৱত পৰিণত হ'ল। অশ্বমেধ যজ্ঞৰ অনুষ্ঠানত কিছুসংখ্যক জনপ্রিয় অনুষ্ঠানৰো আয়োজন কৰা হৈছিল। এইদৰে কিছুমান সৰু সুৰা পর্ব অশ্বমেধ যজ্ঞত সোমাইছে। তাৰ উদাহৰণ হ'ল ঃ

১) অশ্বমেধত এটা চাৰিচকুৱা কুকুৰ মাৰি ঘোঁৰাৰ ঠেঙৰ মাজত ৰখা হৈছিল।

২) বীণা বাদনৰ অর্ন্তভূক্তি, তাৰ দ্বাৰা ৰাজস্ত্রীৰ সুৰক্ষা কৰাটো আন এটা জনপ্রিয় পর্ব।

৩) ঘোঁৰাটোক এবছৰ কাল পৰিভ্রমণৰ বাবে এৰি দিয়াৰ পাছত গোটেই বছৰটোতে পাৰিপ্লৱ নামে এটা অনুষ্ঠান কৰা হৈছিল। ইয়াতে শতপথ ব্রাহ্মণত পাৰিপ্লৱ আখ্যান বোলা হৈছে।

৪) এই অৱসৰতে ব্রহ্মোদ্যৰ আলোচনা কৰা হৈছিল। ই জনপ্রিয় অনুষ্ঠান। ইয়াত হোৱা প্রশ্নোত্তৰ অনুষ্ঠান সঁচাকৈ মনোগ্রাহী আছিল।

৫) মৃত ঘোঁৰাৰে মহাৰাণীৰ কথোপকথন আন এক জনপ্রিয় অনুষ্ঠান।

৬। একেদৰে টকলা মূৰৰ লোকৰ মূৰত দিয়া জুম্বক আহুতিৰ অনুষ্ঠানো একে শ্রেণীৰ জনপ্রিয় পর্ব।

এনেদৰে অনুষ্ঠিত অশ্বমেধ যজ্ঞই জনপ্রিয় পর্বৰ সংশ্রবত মহত্ত্ব লাভ কৰিছে।

১৪.১০.২ পুৰুষমেধ যজ্ঞ

শতপথ ব্রাহ্মণৰ মতানুসাৰে পুৰুষ নাৰায়ণে সকলোকে চেৰ পেলাবলৈ পুৰুষমেধ অনুষ্ঠিত কৰিছিল।

এই যজ্ঞত ২৩ দিন দীক্ষা, বাৰদিন উপসদ আৰু পাঁচদিন সুত্যা দিন সম্পাদিত হয়। উপৱসথ দিনত অগ্নিষোমলৈ এঘাৰটা বলিৰ বিধান হয়। সুত্যা দিনত সৱনীয় পশুৰ বিধানৰ উদ্দেশ্যে সোমৰস নিষ্কাষণ কৰা হয়।

মধ্যাহ্ন দিনত মনৱ পশুবোৰক যুপবদ্ধ কৰা হয়। কিন্তু ইয়াৰ বিস্তৰ বর্ণনা শতপথত দিয়া নাই। এই বর্ণনাত পুৰোহিতৰ বাবে এজন ব্রাহ্মণ, মহান লোকৰ বাবে এজন ক্ষত্রিয় মৰুৎসকলৰ বাবে এজন বৈশ্য আৰু তপস্যাৰ বাবে এজন শূদ্র বিহিত হৈছে। বলিসকলক অনাৰ সময়ত সৰিতালৈ আহুতি দিয়া হয়। ঘিউৰ আহুতি এটা দিয়াৰ পাছত ব্রহ্মাই বলিসকলৰ সোঁহাতে বহি বহু বিখ্যাত পুৰুষসূক্তৰ ঋগ্বেদ ১০/৯০ আবৃত্তি কৰে। বলিসকলৰ চাৰিওফালে অগ্নি ঘূৰোৱাৰ পাছত বলি ৰূপ মানৱ পশুসকলক মুকলি কৰি দিয়া হয়। উদয়নীয়া ইষ্টিৰ আহুতিৰ পাছত এঘাৰটা বন্ধ্যা গাই মিত্রাবৰুণ, বিশ্বেদেৱা আৰু বৃহস্পতিলৈ আগবঢ়োৱা হয়। এই যজ্ঞত ত্রৈধাতবি নামে অন্তিম আহুতি দিয়া হয়।

১৪.১১ বৃহদাৰণ্যক উপনিষদ

শতপথ ব্রাহ্মণৰ অন্তিম কাণ্ড অর্থাৎ চতুর্দশ কাণ্ডৰ শেষভাগকে বৃহদাৰণ্যক উপনিষদ বোলা হয়। উপনিষদবোৰৰ ভিতৰত ছান্দোগ্যৰ দৰে এই উপনিষদ্ আয়তনত বৃহৎ। সেয়েহে এই উপনিষদক বৃহদাৰণ্যক উপনিষদ বোলা হয়। এই উপনিষদে আনবোৰ উপনিষদৰ ওপৰত প্রভাৱ বিস্তাৰ কৰিছে। ছটা অধ্যায়ত বিভক্ত উপনিষদখনক প্রথম অধ্যায় দুটাক 'মধুকাণ্ড', তৃতীয়-চতুর্থ অধ্যায়ক যাজ্ঞৱল্ক্য কাণ্ড আৰু শেষৰ অধ্যায় দুটাক খিলকাণ্ড বোলা হয়।

সমস্ত উপনিষদৰ সর্বত্র যাজ্ঞৱল্ক্যৰ ব্রহ্মজ্ঞানৰ পৰিচয় সাব্যস্ত হৈছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৭ঃ শতপথ ব্রাহ্মণত পোৱা দুটা আখ্যানৰ নাম লিখক।

.....

.....

প্রশ্ন নং ৮ঃ শতপথ ব্রাহ্মণত বর্ণিত দুটা বিখ্যাত যজ্ঞৰ নাম লিখক।

.....

.....

প্রশ্ন নং ৯ঃ পুৰুষমেধ যজ্ঞত নৰবলি সঁচাকৈ হৈছিল বুলি ভাবেনে?

.....

.....



১৪.১২ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টিৰ পৰা আমি শিকিলোঁ যে—

- শুক্ল যজুর্বেদ বুলি জনাজাত বাজসনেয়ী সংহিতাৰে সম্বন্ধ কান্ব আৰু মাধ্যন্দিন দুয়ো শাখাতে শতপথ ব্রাহ্মণ উপলব্ধ হৈছে।
- শতপথ ব্রাহ্মণৰ অন্তিম ভাগ বৃহদাৰণ্যক উপনিষদ বুলি জনাজাত।
- এই ব্রাহ্মণৰ আৰু বৃহদাৰণ্য উপনিষদৰ প্রবক্তা যাজ্ঞৱল্ক্য।
- এই ব্রাহ্মণৰ ত্রয়োদশ কাণ্ডত বহুবিখ্যাত অশ্বমেধ যজ্ঞ, বহু বিতর্কিত পুৰুষমেধ যজ্ঞৰ বর্ণনা পোৱা যায়।
- এই ব্রাহ্মণত অন্যান্য ভালেমান আখ্যান পঢ়িবলৈ পোৱা যায়।
- ইয়াত প্রাপ্ত পুৰূৱৰা আৰু উর্বশীৰ আখ্যান পৰৱর্তী বেদোত্তৰ সাহিত্যত নানাভাৱে বর্ণনা

কৰা হৈছে।

- ইয়াত প্রাপ্ত মনুমৎস্য কথাৰ উপবৃংহণ মহাভাৰত, মৎস্য-পুৰাণ, তথা পুৰণি বিশ্ব সাহিত্যতো চকুত পৰে।



১৪.১৩ অধিক জানিবলৈ

১) বসু, যোগীৰাজ, (১৯৭২), *বেদৰ পৰিচয়*, গুৱাহাটী ঃ অসম প্রকাশন পৰিষদ।

২) Thite, Ganesh Umakant, (1975). *Sacrifice in the Brahmana Texts*, Poona : University.

৩) Winternitz, M. (1962). *History of Indian Literature*, Vol. I, Calcutta.

৪) শর্মা, থানেশ্বৰ, (১৯৯৭), *বৈদিক সাহিত্যৰ ৰূপৰেখা*, গুৱাহাটী ঃ অসম বেদ বিদ্যালয়।

৫) শর্মা, থানেশ্বৰ, (২০০৭), *বেদৰ সৌৰভ*, পুৰণিগুদাম ঃ বৈদিক বচার্চ এণ্ড গ্লবেল ষ্টাডি চেণ্টাৰ।



১৪.১৪ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ কাণ্ব আৰু মাধ্যন্দিন।

২ নং প্রশ্নৰ উত্তৰঃএই ব্রাহ্মণৰ মাধ্যন্দিন শাখাত আছে ১৪ টা কাণ্ড, ১০০ টা অধ্যায়, ৬৮ টা প্রপাঠক, ৪৩৫ ব্রাহ্মণ আৰু ৭৬২৪ টা কণ্ডিকা।

৩ নং প্রশ্নৰ উত্তৰঃইয়াৰ দুয়ো শাখাতে এশ বা ততোধিক অধ্যায় আছে। কাৰণ এই ব্রাহ্মণক শতপথ ব্রাহ্মণ বোলা হয়।

৪ নং প্রশ্নৰ উত্তৰঃযাজ্ঞৱল্ক্য।

৫ নং প্রশ্নৰ উত্তৰঃবৃহদাৰণ্যকোপনিষদ্।

৬ নং প্রশ্নৰ উত্তৰঃপুৰূৰৱা আৰু উৰ্বশীৰ আখ্যান।

৭ নং প্রশ্নৰ উত্তৰঃপুৰূৰৱা আৰু উৰ্বশীৰ আখ্যান তথা মনুমৎস্য কথা।

৮ নং প্রশ্নৰ উত্তৰঃ অশ্বমেধ আৰু পুৰষমেধ।

৯ নং প্রশ্নৰ উত্তৰঃ পুৰুষমেধ যজ্ঞত নৰবলি হোৱা নাছিল। প্রতীকী অর্থতহে এই যজ্ঞক পুৰুষমেধ বোলা হৈছে।



১৪.১৫ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন ঃ

প্ৰশ্ন ১ঃ শুক্ল যজুৰ্বেদৰ ব্ৰাহ্মণ কি কি?

প্ৰশ্ন ২ঃ শতপথ ব্ৰাহ্মণ আৰু বৃহদাৰণ্যকৰ সম্বন্ধ কি?

খ) চুটি প্ৰশ্ন ঃ

প্ৰশ্ন ১ঃ শতপথ ব্ৰাহ্মণৰ কৰ্তৃত্ব সম্বন্ধে কি জানে?

প্ৰশ্ন ২ঃ শতপথ ব্ৰাহ্মণত প্ৰাপ্ত এটা আখ্যান চমুকৈ বৰ্ণনা কৰক।

গ) ৰচনাধৰ্মী প্ৰশ্ন ঃ

প্ৰশ্ন ১ঃ ব্ৰাহ্মণ গ্ৰন্থবোৰৰ মহত্ত্ব বৰ্ণনা কৰক।

প্ৰশ্ন ২ঃ শতপথ ব্ৰাহ্মণত প্ৰাপ্ত এটা বিখ্যাত যজ্ঞৰ বৰ্ণনা কৰক।

*** ***** ***



প্রসংগ পুথি

অসমীয়া ঃ

১) বসু, যোগীৰাজ (১৯৭২), *বেদৰ পৰিচয়*, গুৱাহাটী ঃ অসম প্রকাশন পৰিষদ।

২) বসু, যোগীৰাজ (১৯৭২), *বেদৰ পৰিচয়*, গুৱাহাটী ঃ প্রকাশন পৰিষদ, অসম।

৩) শর্মা, থানেশ্বৰ (১৯৯৭), *বৈদিক সাহিত্যৰ ৰূপৰেখা*, গুৱাহাটী ঃ বেদ বিদ্যালয়।

৪) শর্মা, থানেশ্বৰ (২০০৭), *বেদৰ সৌৰভ*, নগাঁও ঃ বৈদিক ৰিচার্চ এণ্ড গ্লোবেল ষ্টাডি চেণ্টাৰ।

৫) শর্মা, থানেশ্বৰ (২০০৮-০৯), *ঋগ্বেদ (অসমীয়া অনুবাদ) প্রথম আৰু দ্বিতীয় খণ্ড*, পুৰণিগুদাম ঃ বৈদিক ৰিচার্চ এণ্ড গ্লবেল ষ্টাডি চেণ্টাৰ।

৬) শর্মা, থানেশ্বৰ (২০০৮), *সংস্কৃত সাহিত্যৰ ইতিবৃত্ত, দ্বিতীয় বর্ধিত সংস্কৰণ*, গুৱাহাটী ঃ চন্দ্র প্রকাশ।

English:

1) Altebar, A. S. (2009), *Position of Women in Hindu Civilization*, Delhi.

2) Bloomfield, Maurice (1975), *The Atharva Veda and the Gopatha Brahmana*, Allahabad : Arsha Prakashan.

3) Das, A. C. (1925), *Rqvedic Culture*; Calcutta.

4) Kausambe, D.D. (1965), *The Culture and Civilization of Ancient India*, London.

5) Keith, A. B. (1970), *Religion and Philosphy of the Vedas and Upanishads*. HOS, 31 & 32, 1925, (Reprints).

6) Macdonell, A. A. (1963), *Vedic Mythology*, Delhi : Indological Book House.

7) Muller, Max (1926), *A History of Ancient Sanskrit LIterature*, Delhi : Oxford & IBH Publishing Co., HOS.

8) Panikkar, K.M. (1947), *A Survey of Indian History*, Bombay.

9) Winternitz (1927), *History of Indian Literature*, Vol. 1, Calcutta : University of Calcutta.